# সূচী পত্ৰ


| বিষয় | | পৃষ্ঠা |
|---|---|---|
| সম্পাদকীয় | | ১ |
| জনগণৰ মাজৰ দ্বন্দ্বৰ নিৰ্ভুল ব্যৱহাৰ (অনুবাদ) | মাও-চে-তুং | ১৭ |
| এইবাৰৰ বানপানী (লোকগীত) | মঃ হৰমুজ আলী | ৩৩ |
| গীত (কবিতা) | বিৰাজমোহন ৰায় | ৩৫ |
| কবি (কবিতা) | নলিনীধৰ ভট্টাচাৰ্য্য | ৩৬ |
| সিইতৰ প্ৰতি ক্ষোভত (কবিতা) | পুণ্ডৰীকাক্ষ ভৰাঁলী | ৩৭ |
| অনুমিত জাগৃতি (কবিতা) | মৃদুল কুমাৰ দাস | ৩৮ |
| আধুনিক (কবিতা) | উপেন নাথ | ৩৯ |
| বেদনা (কবিতা) | তৰুণ চন্দ্ৰ ৰাজখোৱা | ৪০ |
| নতুন পৃথিৱী (কবিতা) | ডঃ হেৰম্ব প্ৰসাদ শৰ্ম্মা | ৪১ |
| স্ফুলিঙ্গ (গল্প) | ডঃ নীলিমা শৰ্ম্মা | ৪৩ |
| জ্যামিভিলৈ তাইৰ বৰ ভয় (নক্সা) | অনুবাদক উপেন নাথ | ৫১ |
| উইলিয়াম হিনটনৰ ফেনস্বেন কিতাপখন (সমাজতান্ত্ৰিক চীনৰ ভূমিসংস্কাৰ সম্পৰ্কে প্ৰবন্ধ) | এম, এস. প্ৰভাকৰ | ৫৬ |
| অসমত ভূমিসংস্কাৰ কংগ্ৰেছ চৰকাৰৰ দ্বাৰা সম্ভৱনে ? | সুৰেন হাজৰিকা | ৭১ |
| অৰ্চ্চনা (একাঙ্কিকা নাট) | অনিমেষ কান্তি চৰকাৰ | ৮৫ |
| সত্য-বিশ্বাস-ধৰ্ম্ম আৰু মাৰ্ক্সবাদ | বিপ্লৱ ৰূপক বৰুৱা | ৯৫ |
| কৃষি আৰু কৃষকৰ ভৱিষ্যত (এটা মত) | তাৰকচন্দ্ৰ গোস্বামী | ১০৩ |
| প্ৰতিজ্ঞা ( এটা নক্সা ) | গজেন বৰা | ১১৬ |
| সাময়িক প্ৰসংগ | | ১২১ |
| শেক্সপীয়েৰ আৰু তেওঁৰ সমাজ | যামিনী ফুকন | ১২৯ |
| মানব সমাজৰ অগ্ৰগতি আৰু সমাজ বিপ্লৱ | উষা শৰ্ম্মা | ১৩৯ |
| কাৰ্কিউৰ পৰ্ৱত ( কবিতা) | অশোক কুমাৰ বৰঠাকুৰ | ১৪৯ |
| শিল্প জগৎ | | ১৫১ |
| জ্যোতি প্ৰসাদ আৰু অসমৰ জাতি সমস্যা | নছৰুদ্দিন হাজৰিকা | ১৬৮ |
| অসমীয়া মধ্যবিত্ত সমাজৰ ইতিহাস | হীৰেন গোহাঁই | ১৭৭ |



গুৱাহাটীৰ প্ৰেয়ক ছপাশালত শ্ৰীমুকুট ভট্টাচাৰ্য্যৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

মূল্য : ২.৫০ টকা


OKDISCD

## অহা সংখ্যাৰ আকৰ্ষণ

**প্ৰবন্ধ ঃ** ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা, ডঃ হীৰেন গোহাঁই, ৰঞ্জিত নাৰায়ণ ডেকা এৰ্ম, এস, প্ৰভাকৰ, যামিনী ফুকন, নীলমণি ফুকন আদিৰ

**গল্প ঃ** মুকুট ভট্টাচাৰ্য্য আদিৰ

**কবিতা ঃ** বিজন লাল চৌধুৰী, অনিল ৰায় চৌধুৰী আদিৰ

**একাংকিকা ঃ** বিপ্লৱৰূপক বৰুৱা

ইয়াৰ উপৰিও সাময়িক প্ৰসংগ, শিল্প জগৎ আদি নিয়মীয়া শিতান সমূহ আছেই।


**নতুন বছৰৰ গ্ৰাহক বৰঙণি—১০**

তলৰ ঠিকনাত অবিলম্বে পঠাওক—

ঃ মুকুট ভট্টাচাৰ্য্য
অবৈতনিক কাৰ্য্যালয় সঞ্চালক
১৬, বিশ্ববিদ্যালয় চৌহদ
গুৱাহাটী-১৪


## সম্পাদকীয়

অতি সুখৰ কথা যে অসমৰ বৰ্তমান পৰিস্থিতিৰ বাস্তৱতা আৰু জন-সাধাৰণৰ ইচ্ছাৰ প্ৰতি লক্ষ্য ৰাখি, সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৃন্দই কলেজীয়া শিক্ষাৰ মাধ্যম আন্দোলন সাময়িক ভাবে স্থগিত ৰাখিছে। অসমৰ ভিনভিন্ন ঠাইৰ অস্থিৰ অৱস্থা লাহে লাহে স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিব ধৰিছে। ঠায়ে ঠায়ে প্ৰয়োগ কৰা সান্ধ্য আইন নিষেধাজ্ঞা আদি চৰকাৰে উঠাই লব ধৰিছে। স্কুল, কলেজ, হোষ্টেল আদি খুলিছে। আশাকৰো অতি সোনকালে স্বাভাৱিক জীৱনযাত্ৰা আৰম্ভ হব। মানসিক সংশয়, সন্দেহ, দ্বেষ, হিংসা আদি জনমানসৰ পৰা আঁতৰি যাব।

এই সময়ছোৱাত চৰকাৰে স্বীকাৰ কৰা খাতৰি মতেই বত্ৰিশজন অসমৰ নাগৰিক নিহত হল। মোজাম্মিল, অনিল, প্ৰমোদ, বলেন, নৰেন আদি অসমীয়া ভাষাভাষী, ডঃ মনিষী দাস, নেপাল তালুকদাৰ আদি বহুতো বঙালী ভাষাভাষী নিহতসকললৈ থাকিল আমাৰ চকুলো, তেওঁলোকৰ পৰিয়াল বৰ্গলৈ আমাৰ গভীৰ সমবেদনা।

এই অস্থিৰতাৰ সময়ছোৱাত, ঘটনাৱলীৰ প্ৰভাৱত আমি বহু কথাকেই বিচাৰ কৰিব পৰা নাছিলোঁ। ভাবাবেগ আৰু উত্তেজনাৰ জোৱাঁৰৰ অস্থিৰতা সাম কটাৰ লগে লগে আমাৰ চকুত লাহে লাহে আৰু স্পষ্ট হৈ পৰিব—আহিব ধৰা দিনবোৰত ইয়াৰ পৰা জনগণৰ মাজত হব পৰা ক্ৰিয়া প্ৰতিক্ৰিয়া, লাভ লোকচান, ক্ষয়ক্ষতি, পোৱাহেৰুৱা আদি কথাবোৰ। লাহে লাহে এই সকলো বোৰৰ বিস্তৃত আৰু সুদূৰপ্ৰসাৰী খতিয়ান লোৱাও সম্ভৱপৰ হব।

অসমৰ ৰাইজ, ছাত্ৰ আৰু যুৱ সমাজ, সকলো সৎ আৰু শুভবুদ্ধি সম্পন্ন সমাজ সচেতন লোকে নিশ্চয় এই খতিয়ান লব। তাৰ পৰা ভবিষ্যতৰ বাবে আপুৰুগীয়া অভিজ্ঞতা সঞ্চয় কৰিব। আজিৰ ছাত্ৰ যুৱ সকলেই কাইলৈ দেশৰ সকলো কথাৰ নেতৃত্ব লব লাগিব। সেই বাবেই জনগণে ছাত্ৰ-যুৱ সম্প্ৰদায়ৰ সকলো শ্ৰেণীৰ ওপৰতে সতৰ্ক চকু ৰাখিছে; ভাবীকালৰ বাবে তেওঁলোকৰ ওপৰত ভাৰসা ৰাখিছে। আশা কৰোঁ যথোচিত আত্মসমালোচনাৰ যোগেদি তেওঁলোকে নিজকে সেই ভাৰসাৰ উপযুক্ত কৰি গঢ়ি তুলিব।

এই ক্ষেত্ৰত শাসকদল, বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিল, বিশ্ববিদ্যালয়ৰ প্ৰবক্তশ্ৰেণীৰ শিক্ষক, অসম সাহিত্য সভা আদিৰ কাৰ্য্যকলাপৰ বিষয়ে চমুকৈ হলেও আলোচনা কৰাটো প্ৰাসঙ্গিক হব। কাৰণ এই সকলৰ ওচৰতেই জন-সাধাৰণৰ নিৰাপত্তা, শিক্ষা, সংস্কৃতি আদিৰ সঁচাৰ-কাঠি গচ্ছিত আছে। এনে অনুষ্ঠানবোৰ সামগ্ৰীক ভাবেই শোষকশ্ৰেণীৰ ওপৰত যে নিৰ্ভৰশীল তেনে নহয়; কিন্তু শাসক দলৰ, বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলৰ পণ্ডিত সকলৰ শিক্ষকসকলৰ বা সাহিত্যিক সকলৰ নেতৃস্থানীয় সৰহভাগেই শোষক শ্ৰেণীৰ সেৱাদাস, বৰ্ত্তমান শোষণ অব্যাহত থকা সমাজ ব্যৱস্থাত সুবিধা প্ৰাপ্ত লোক। এইবাৰৰ ঘটনাৱলীয়ে প্ৰমাণ কৰি দিলে যে এওঁলোকে জনগণৰ প্ৰতি দায়িত্বশীল নহয়, ব্যক্তি বা নিজৰ শ্ৰেণী স্বাৰ্থ সৰ্বস্ব চিন্তাধাৰাৰে এওঁলোক চলে, গতিকে এওঁলোকৰ বিবেচনাও আত্মস্বাৰ্থ সৰ্বস্ব। এওঁলোকে বাৰে বাৰে ৰঙ সলায়, যতে নিজৰ যিটো সুবিধা হয় ত'তে উচিত অনুচিত নাভাবি কয়। এওঁলোকে যিটো শুদ্ধ নহয় বুলি নিজে ভালদৰে বুজে সেই কথাকে শুদ্ধ বুলি ৰাইজক কয়। কিন্তু এওঁলোকে নিজে কোৱা কথা, বিবৃতি, বক্তৃতা বা ৰচনা বা কৰা কামৰ ফলাফল আদিৰ দায়িত্ব নিজে নলয়। তেওঁলোকে নিজৰ অপকৰ্মৰ দায়িত্ব জনগণৰ ওপৰত পেলাই দিয়ে, তাৰে কুফলেৰে জনগণক ভোগায়, তাৰবাবে জনগণকেই দোষ দিয়ে। এওঁলোকৰ নিজৰ দোষত্ৰুটি দুৰ্বলতা স্বাৰ্থান্ধতাবোৰ লুকাই ৰখাৰ বাবেই সুবিধাজনকভাবে ভেশচন ধৰে। কাৰণ এওঁলোকে জানে যে এইবোৰ ধৰা পৰিলে জনগণে তেওঁলোকক সুদাই নেৰিব

বৰ্ত্তমান শাসকদলে বাৰেবাৰে ঐক্যমত ঘোষণা কৰিলেও এটা কথা স্পষ্ট যে যোৱা পঞ্চম সাধাৰণ নিৰ্বাচনৰ পিচৰ পৰা দলৰ মাজৰ অন্তৰ্বিৰোধ তীব্ৰ ভাবে প্ৰকাশ পাইছে। সিংহ মন্ত্ৰীসভাৰ এজন মন্ত্ৰীয়ে ভাষাৰ মাধ্যম প্ৰশ্নত মুখ্যমন্ত্ৰীৰ স্পষ্ট ভাবেই বিৰোধিতা কৰিছে। অকল মহীতোষ পুৰকায়স্থই নহয়, বহু কেইজন এম এল এই বিধান সভাত মনে মনে থাকি বাহিৰত ওভোত গোৰে নাচিছে। চৰকাৰী ভাবেই স্বীকৃত কথা এই যে মাধ্যম আন্দোলনৰ সুযোগ লৈ মুখ্যমন্ত্ৰীক গদীচ্যুত কৰাৰ ষড়যন্ত্ৰ চলিছে। কংগ্ৰেছ হাইকমাণ্ডৰ পৰা কেইবাজনো কেন্দ্ৰীয় নেতা আহিব লগা হ'ল। কংগ্ৰেছ সংসদী সভাত বহু কেইজন উপস্থিত নাথাকিলেই। বিভিন্ন ঠাইত এই দলৰ বহুতো নেতৃস্থানীয়





লোকে নিজৰ দলৰ সিদ্ধান্ত, শৃঙ্খলা (!) বা ঘোষিত নীতিৰ বিৰুদ্ধে থিয় দিলে। দেখাদেখিকৈ বা তলে তলে ভ্ৰাতৃঘাতী সংঘৰ্ষত জনগণক লিপ্ত কৰোৱাৰ বাবে যে প্ৰৰোচনা যোগাইছিল আৰু উচতনি দিছিল তাক সকলোৰে জানে। এইবোৰ কি আত্মকলহ? নে জনগণৰ মাজত সংঘৰ্ষ লগোৱাৰ বাবে বাহিৰত লোকক দেখুওৱা কাজিয়া? নিৰ্বাচনৰ আগতে দিয়া প্ৰতিশ্ৰুতিবোৰ সাৰশূন্য বুলি এতিয়া প্ৰত্যক্ষভাবে প্ৰমাণিত হ'ল। জন সাধাৰণৰ দুৰ্দ্দশা কুলাই পাচিয়ে নধৰা হ'ল। 'গৰীবি হটাও'ৰ ঠাইত গৰীবৰ সংখ্যা বিপুল ভাবে বাঢ়িল; বস্তুৰ দাম আৰু খাজনা বাঢ়িল। নিবনুৱা সমস্যা বাঢ়িল। এইবোৰ কাৰণত জনগণৰ মাজৰ অসন্তুষ্টি আৰু বিক্ষোভো বাঢ়িল। এই বিক্ষোভ যাতে শোষক আৰু শাসক শ্ৰেণীৰ বিৰুদ্ধে শুদ্ধ পথে সংগঠিত নহয়, ভ্ৰাতৃঘাতী সংঘৰ্ষৰ আৱৰ্ত্তত যাতে এই বিক্ষোভৰ শক্তি লুপ্ত হৈ যায় তাৰ বাবেই এনে কলহৰ ভেকোভাওনা নেকি?

এই শাসকদলেই ভাষাভাষী বিৰোধৰ নিষ্পত্তি নকৰাকৈ ৰাখিছে। কিয়? নকৰাকৈ ৰাখিছে নিজৰ দলৰ আৰু তেওঁলোকৰ প্ৰভু পুঁজিপতি শোষক শ্ৰেণীৰ সুবিধাৰ বাবে এনে বিৰোধ জীয়াই ৰাখিবলৈকে। ১৯৬০ চনৰ ৰক্তক্ষয়ী ভাষা আন্দোলন, মাৰামাৰি, সংঘৰ্ষৰ পিচত চৰকাৰী ভাষা আইন প্ৰণয়ন কৰিলে সঁচা; কিন্তু যিটো কৰাৰ অতি প্ৰয়োজনীয় আছিল, তাকেই নকৰিলে; অনা অসমীয়া মাধ্যমৰ স্কুলত অসমীয়া ভাষাৰ শিক্ষা বাধ্যতামূলক নকৰিলে। এই কংগ্ৰেছ দলে চলিহা মন্ত্ৰী সভা, মহেন্দ্ৰ চৌধুৰী মন্ত্ৰীসভা বা শৰৎসিংহ মন্ত্ৰীসভাত থকা সকলে যোৱা ১২ বছৰ কাল মনে মনে বহি থাকিল। এতিয়াহে বাধ্য হৈ এই কামটো কৰোঁ বুলি চৰকাৰে ঘোষণা কৰিছে। দৃষ্টান্ত-ৰূপে কব পাৰি যে আমি জনামতে-গুৱাহাটীৰ ওচৰৰ বঙালী মাধ্যমৰ আৰু গোৱালপাৰা জিলাৰ গাৰো আৰু ইংৰাজী মাধ্যমৰ স্কুল কেইখনমানে আজি কেইবাবছৰ ধৰি চৰকাৰৰ লগত লাগি-ভাগিও অসমীয়া শিক্ষকেই দিহা কৰিব পৰা নাই।

অলপতে ভাষা সংঘৰ্ষৰ শাম কটাৰ পিচত—দিল্লীত অসমৰ মুখ্যমন্ত্ৰী আৰু পশ্চিম বঙ্গৰ মুখ্যমন্ত্ৰীৰ (দুয়োগৰাকী কংগ্ৰেছৰ) মাজত আলোচনা হৈ যোৱাৰ ঠিক পিছতেই ২৯।১১.৭২ তাৰিখে পশ্চিম বঙ্গৰ কংগ্ৰেছৰ পৰিচালনাত ছাত্ৰ



OKDISCD

পৰিষদে - অসমৰ ভাষা আন্দোলন সম্পৰ্কে পশ্চিম বঙ্গত হৰতালৰ আহ্বান দিয়া আদিয়ে আকৌ বাৰু কি সূচাইছে? চি পি আইৰ সম্পাদক শ্ৰীৰাজেশ্বৰ ৰাওক শিৱসাগৰত পীড়ন আৰু লাঞ্চনা কৰাৰ বাবে উচতনি দিয়াসকলো। হেনো কংগ্ৰেছৰেই নেতা আছিল।

হোজাইত কংগ্ৰেছৰ দুজন উচ্চস্তৰৰ নেতাই—এটাই এপিনে আনটোৱে আনপিনে পক্ষ লৈ—সংঘৰ্ষত উচতনি দিয়া বুলিও শুনা যায়। মঙলদৈ, বৰপেটা, সৰভোগ, গোলাঘাট, নগাওঁ, ডিব্ৰুগড় আদি ঠাইতো একে কথাকেই পোৱা যায়। গুৱাহাটীৰ দুজন কংগ্ৰেছী নেতাক বাধ্য হৈ চৰকাৰে এনে সংক্ৰান্তত গ্ৰেপ্তাৰ কৰিব লগীয়াই হ'ল। কাছাড় আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুজন প্ৰবীণ উচ্চস্তৰৰ কংগ্ৰেছী নেতাৰ সন্দেহজনক ভূমিকাৰ কথা সকলোৰেই জানে।

অসম সাহিত্য সভাই অৰাজনৈতিক বা ৰাজনীতি বিবৰ্জিত যেন ভাও ললেও দৰাচলতে অসমৰ ভাষাৰ ৰাজনীতিত এওঁলোকৰ কাৰ্য্যকলাপ চমৎপ্ৰদ! এই ৰাজনীতিৰ ভাষা শাসক দলৰ সতে একেটা সুৰতে বন্ধা। শিক্ষাৰ মাধ্যম প্ৰশ্নত ভিন্ ভিন্ সময়ত এওঁলোকৰ পৰস্পৰ বিৰোধী বিবৃতি-বচনে জনগণৰ মাজত কম খেলিমেলি লগোৱা নাই। এই সংগঠনটোৱে অসমৰ ভাষাগোষ্ঠী-জনজাতি আদিৰ মাজত অসমীয়া ভাষাক জনপ্ৰিয় কৰা বা অসমৰ সাহিত্যিক সকলৰ প্ৰচেষ্টা ঐক্যবদ্ধ কৰি সামগ্ৰীক ভাবে অসমীয়া ভাষাৰ বিকাশ আৰু উন্নতি সাধন কৰা কাম কিমান কৰিছে তাক আমি দেখি আহিছোঁহক (!) একেজন মানুহে সাহিত্য সভাৰ লোক হিচাপে একধৰণৰ আৰু আন হিচাপে আন ধৰণৰ কথা কোৱাও আমাৰ চকুত পৰিছে। ১৯৬০ চনৰ পৰা আজি বাৰ বছৰ ধৰি কেবাবাৰো সাহিত্য সভাৰ অধিবেশনৰ নামত মেলা-সমাৰোহ বহিল; তাৰ বাবে লাখ লাখ টকা অতি উৎসাহ আৰু উদ্দীপনাৰে ৰাইজে খৰছ কৰিলে একেটা মাত্ৰ আশা কৰি—যে অসমৰ ভাষাসাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত এই অনুষ্ঠানে কিবা এটা কৰিব। ১৯৬০ চনত "সাৰ পাই উঠা শিল"ৰ ওপৰত আজি বাৰ বছৰে সময়ৰ সোঁতত বহুতো বোকা পলস পৰি ই পোত খালে। কিন্তু ভাষা আইন যে সফলতাৰে কাৰ্য্যকৰী কৰিবলৈ অনা-অসমীয়া স্কুলত অসমীয়া শিক্ষা বাধ্যতামূলক কৰিব লাগে—এই কথা হলে মনত নপৰিল। মনত নপৰিল যে বড়ো, মিচিং, লালুং, ৰাভা, ডিমাচা আদি ভাষা-সংস্কৃতিক যথাযোগ্য





সন্মান আৰু স্বীকৃতি দি অসমীয়া ভাষা সংস্কৃতি চহকী কৰাৰ বাস্তৱ পথ লব লাগিব।

১৯৬৭ চনত উদ্ভৱ হোৱা কলেজীয়া শিক্ষাৰ মাধ্যমৰ প্ৰশ্নটোত ১৯৭০ চনলৈকে মনে মনে থাকিল। এই সময়ছোৱাৰ ভিতৰত এই মাধ্যমৰ প্ৰশ্নত থকা সমস্যাবোৰ গঠনমূলক ভাবে আঁতৰ কৰাৰ বাবে কাৰ্য্যকৰী উপায়ৰ কথা চিন্তা নকৰিলে। ১৯৭০ চনত কলে যে যিহেতুকে ১৯৭২ চনৰ পৰা কলেজীয়া শিক্ষাৰ মাধ্যম অসমীয়া হব গতিকে "অসমীয়া ভাষাত দক্ষতা নথকা শিক্ষক-সকলক অসমীয়া ভাষাৰ প্ৰশিক্ষনদান কৰিব লাগে আৰু অসমত থকা সকলো অনাঅসমীয়া শিক্ষাপ্ৰতিষ্ঠানতে ছাত্ৰ ছাত্ৰী সকলক বাধ্যতামূলক ভাবে অসমীয়া ভাষা শিকোৱাৰ ব্যৱস্থা কৰিব লাগে যাতে ভৱিষ্যতে শিক্ষাদান আৰু শিক্ষা-গ্ৰহণৰ ক্ষেত্ৰত ভাষা জড়িত কোনো বাধা বিঘিনিৰ সৃষ্টি নহয়।" ১৯৭০ৰ পৰা ১৯৭২ চন এই কালছোৱাৰ ভিতৰত যে চৰকাৰ বা বিশ্ববিদ্যালয়ে এই ক্ষেত্ৰত একো কৰা নাই এই কথা সাহিত্য সভাৰ নেতাসকলে নজনাকৈ থকা নাছিল। আৰু ইয়াকো জানিছিল যে এইটো নহলে অনাঅসমীয়া ছাত্ৰ আৰু শিক্ষক সকলৰ অসুবিধা হব, 'ভাষাজড়িত' বাধাবিঘিনিৰ সৃষ্টি হব, অশান্তিৰ সৃষ্টি হব। তথাপিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১২ জুনৰ প্ৰস্তাবৰ চিয়াহী নোশুকাওতেই অশান্তিৰ সূচল কৰিবলৈকে মালিগাওঁ আৰু নগাওঁ সাহিত্য সভাই ক্ৰমে পাণ্ডু আৰু লামডিং কলেজত শিক্ষাৰ মাধ্যম হিচাপে **একমাত্ৰ অসমীয়া ভাষা** ততালিকে প্ৰবৰ্ত্তনৰ দাবী কৰিলে। অনাঅসমীয়া স্কুলত নিশিকা ভাষা এটা দুবছৰৰ ভিতৰত শিকাই (১৯৭০ চনৰ পৰা ১৯৭২ চনলৈ)—সেই ভাষাক কলেজীয়া শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিবলৈ লোৱা প্ৰস্তাৱ (চৰকাৰে কাৰ্য্যকৰী কৰিলেও) কিমান অবাস্তৱ—তাক সকলোৱে উপলব্ধি কৰিব। আমাৰ স্কুলীয়া ছাত্ৰসকলৰ পাৰদৰ্শিতা সম্বন্ধে এনে ৰোমাঞ্চকৰ ধাৰণা সাহিত্য সভাই পোষণ কৰাৰ হেতু কি? পাণ্ডু বা লামডিং আদি কলেজলৈ অনাঅসমীয়া মাধ্যমৰ স্কুলৰ পৰাই যে সৰহ সংখ্যক ছাত্ৰ আহে—এই কথা জানি বুজিয়েই—এই কলেজকেইখনলৈ টোৱাঁই—সেই সাহিত্যসভাকেইখনে সেই দাবী তুলিছিল। বিশ্ববিদ্যালয়ে দিয়া দহবছৰীয়া ইংৰাজীৰ ৰেহাইকো সাহিত্যসভাই সেই কেইখন কলেজক



OKDISCD

দিবলৈ ৰাজী নহ'ল। ( ১৯৭২ চনৰ ২৪ এপ্ৰিল তাৰিখৰ পৰা একেচনৰে ২৪ অক্টোবৰ তাৰিখলৈ সাহিত্যসভাৰ মাধ্যম সম্পৰ্কৰ বক্তব্য কিমান বাৰ সলনি হ'ল তাক সাহিত্য সভাই ২৫।১০।৭২ তাৰিখে প্ৰচাৰ কৰা পুস্তিকা চালেই ওলাই পৰে। ) অসমৰ দুখনমান দৈনিক বাতৰি কাকতে এনে অবাস্তৱ প্ৰস্তাব, জনমত বুলি জনসমক্ষে তুলি ধৰি এই কলেজকেইখনলৈ টোৱাঁলে।

অসম চৰকাৰেও নিজৰ কলেজবোৰতে বিশ্ববিদ্যালয়ে দিয়া দহবছৰীয়া ৰেহাই দিবলৈকে ৰাজী নহল। কটন কলেজত বহুতো জনজাতীয়, হিন্দী বা আনভাষী বা বঙালীভাষাভাষী ( অনাঅসমীয়া মাধ্যমৰ স্কুলৰ পৰা অহা ) ছাত্ৰ ভৰ্ত্তি হব নোৱাৰিলে বা ভৰ্ত্তি হৈয়ো ট্ৰেন্সফাৰ ললে। কাৰণ একেধাৰে অসমীয়া ভাষা শিকিলৈ অসমীয়া মাধ্যমেৰে শিক্ষা তেওঁলোকে বাৰু লব কেনেকৈ ? চৰকাৰৰ নিৰ্দ্দেশ নহলে চৰকাৰী কলেজখনৰ পৰা থিতাতে জানো ইংৰাজীবৰ্জন হব পাৰে ?

সাহিত্যসভাৰ এনে প্ৰস্তাৱ দৈনিক বাতৰি কাকতত চকুত লগাকৈ প্ৰচাৰ কৰা একে সুৰীয়া 'জনমত' আৰু চৰকাৰে দেখুৱা আহিঁ অনুসৰণ কৰি জনজাতি প্ৰধান কোকৰাঝাৰ কলেজ, অনাঅসমীয়া ভাষাভাষী প্ৰধান অঞ্চল হোজাই কলেজ, পাণ্ডু কলেজ আদিৰ গৱনিংবডীয়ে থিতাতে ইংৰাজী বৰ্জন কৰি—একমাত্ৰ মাধ্যম হিচাপে অসমীয়া ভাষা প্ৰচলন কৰিলে। তাৰ পৰা চুপ্ৰীম কোৰ্টত আৰু কেইটামানৰ মোকৰ্দ্দমাৰ উদ্ভৱ হ'ল—ভাষা মাধ্যমৰ নামত তিক্ততা উপস্থিত হ'ল। কোৱা বাহুল্য এনেবোৰ কলেজৰ গৱনিংবডী শাসক-দলৰে মানুহৰ প্ৰভাৱত। এখনত আকৌ বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলৰ বিশিষ্ট পণ্ডিত সদস্যও কেবাজনো আছে। ভাষাজড়িত প্ৰশ্নৰ বিৰোধ তীব্ৰতৰ কৰাৰ বাবেই এনেধৰণৰ অসহিষ্ণু মনোভাব দেখা গ'ল। আমি বুজি পোৱা নাই—অসমীয়া মাধ্যম লবলৈ অনাঅসমীয়া স্কুলৰ ছাত্ৰ সকলক প্ৰস্তুতিৰ বাবে বিশ্ববিদ্যালয়ে দিয়া দহবছৰৰ ৰেহাই দি ইংৰাজী ভাষা চলাই থাকিলে—কি এনে অসমীয়া ভাষাৰ গুৰুতৰ লোকচান হ'ল হেতেন ?

গুৱাহাটি বিশ্ববিদ্যালয়ৰ পণ্ডিতসভা বা একাডেমিক কাউন্সিল, শিক্ষাবিদ, শিক্ষাগুৰু সকলৰ ভূমিকাও সামগ্ৰীকভাবে তেনেধৰণৰ। ১৯৬০ চনত ভাষা





আইন প্ৰণয়ন হোৱাৰ পিচতো ১৯৬৩ চনলৈ প্ৰবেশিকা পৰীক্ষা বিশ্ববিদ্যালয়ৰ হাতত আছিল। তাৰ পিছত হোৱা মাধ্যমিক শিক্ষাবোৰ্ডৰ পৰিচালক মণ্ডলীত বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি পদেন সদস্য হিচাপে আছে। আনহাতে মাধ্যমিক শিক্ষাবোৰ্ডৰ সচিব বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলৰ পদেন সদস্য। স্কুলীয়া ছাত্ৰবোৰৰ মাতৃ ভাষা কিমানজনৰ কি ? কোন কোন স্কুলত ভাষাৰ মাধ্যম অসমীয়া নহয়—সেই স্কুল বিলাকৰ পৰা ছাত্ৰ আহি কোন কলেজত পঢ়ে এনে সকলোবোৰ প্ৰয়োজনীয় তথ্যপাতি—বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলে নজনাৰ বা জানিবৰ উপায় নোহোৱা নহয়। তেওঁলোকে জানো ৰাইজ, সাহিত্য সভা, ছাত্ৰ বা চৰকাৰক অসমীয়া মাধ্যমৰ প্ৰস্তুতিৰ ক্ষেত্ৰত থকা এনে বাধা বা অসুবিধা সম্পৰ্কে জনাইছিল ? অসুবিধাসমূহ অচিৰাৎ দূৰ কৰাৰ বাবে কিবা কৰিছিলনে বাৰু ? কৰা নাছিল। গভীৰ আশ্চৰ্য্যৰ কথা এয়ে যে যে ১২ জুন, ১৯৭২ চনৰ প্ৰস্তাবটো কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কলেজ কৰ্তৃপক্ষই ধৈৰ্য্য আৰু সাবধানতা অবলম্বন কৰাৰ প্ৰয়োজনীয়তা সম্বন্ধে সঁকিয়াই দিয়া নাছিল। ১৯।২।৭২ আৰু ৬।৬।৭২ তাৰিখৰ একাডেমিক কাউন্সিলৰ মেলত এই সমস্যাবোৰৰ বিষয়ে গভীৰ ভাবে বিবেচনা কৰাও হৈছিল হেনো। ১৯৬৮ চনৰ পৰা ১৯৭২ চনলৈ ভাষ-মাধ্যমৰ বিষয়ে চূড়ান্ত সিদ্ধান্ত নোলোৱাকৈ ৰৈ থকাৰ **কাৰণ বোলে আছিল পঞ্চম সাধাৰণ নিৰ্বাচন**। অসম বিধান সভাৰ পঞ্চম সাধাৰণ নিৰ্বাচনৰ লগত "ৰাজনীতি বিবৰ্জিত"—বিশ্ববিদ্যালয়ৰ 'অট'নমি' বা স্বায়ত্ব শাসনৰ কি সম্পৰ্ক আছিল সেই সম্পৰ্কে সাম্প্ৰতিকে বিশ্ববিদ্যালয়ৰ 'অট'নমি, সম্বন্ধে হৈ চৈ লগোৱা পণ্ডিতসকলে এতিয়াও ৰাইজক বিবৰি কোৱা নাই। ১৯৬৮ চনৰ পৰা ১৯৭২ চনৰ ৬জুনলৈ একাডেমিক কাউন্সিলৰ সিদ্ধান্তৰ ধাৰা একেটাই চলি আছিল। ১৬।৫।৭০ তাৰিখৰো একাডেমিক কাউন্সিলৰ সিদ্ধান্ত আছিল।

"Resolved that the previous decision regarding medium of instruction be adhered to and instruction be imparted only in Assamese or English, But option should be given to the students to answer in Assamese or Bengali or English or Hindi" অসমীয়া অথবা ইংৰাজীত শিকাব কিন্তু পৰীক্ষাৰ উত্তৰ



OKDISCD

লিখিব পাৰিব অসমীয়া, বঙালী, ইংৰাজী বা হিন্দী ভাষাত। সেই সময়ত চৌধুৰী মন্ত্ৰী সভা আছিল। আৰু এই সিদ্ধান্তৰ বিৰুদ্ধে কেৰে মাত-মতা নাছিল। কোনো পিনৰ পৰা প্ৰতিবাদো অহা নাছিল। ৬।৩।৭১ তাৰিখে মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে বিশ্ববিদ্যালয় আৰু সাহিত্যসভাৰ লগত বিশেষভাৱে সংযুক্ত থকা সকলক এখন সভাত বঙলা-ভাষাতো পাঠ্যপুথি প্ৰণয়নৰ দিহা দিয়ে। এই সকলোবোৰৰ বিৰুদ্ধে প্ৰতিবাদো কেৰে আনকি অসম ত্ৰিবিউন গোষ্ঠীৰ বাতৰি কাকতৰ "জনমতে"ও কৰা দেখা নাছিলো। ৬জুন ১৯৭২ তাৰিখৰ একাডেমিক কাউন্সিলৰ সিদ্ধান্ত আগৰ সিদ্ধান্তৰে সৈতে একে—কেৱল আগৰজন মুখ্যমন্ত্ৰীৰ ঠাইত আহিল শ্ৰীশৰৎ চন্দ্ৰ সিংহ। ৬ জুনৰ ছদিনৰ পিচত ছাত্ৰ সকলৰ দাবী, অসম ত্ৰিবিউন গোষ্ঠীৰ বাতৰি কাকতৰ জনমতৰ ফলত এই পণ্ডিত-সভাই 'আগে নিচিনিলো এবেসে জানিলো' ধৰণে ১২ জুন ১৯৭২ তাৰিখৰ ঐতিহাসিক সিদ্ধান্তত উপনীত হয়। কোৱা বাহুল্য কাছাড়ত এখন সভাত দিয়া বৰ্তমানৰ মুখ্যমন্ত্ৰী সিংহৰ বক্তৃতাই, ইয়াৰ আগৰ মুখ্যমন্ত্ৰী চৌধুৰী চৰকাৰৰ কাৰ্য্যকলাপ আদি এই সকলোবোৰৰ লগতে বিস্তৰ খেলিমেলি উত্তেজনাৰ সৃষ্টি কৰে। (এই ১২ জুন তাৰিখৰ পিচত ২৩.৭।৭২ তাৰিখে বিধান সভাই আৰু এটা প্ৰস্তাৱ লয়।) ব্ৰহ্মপুত্ৰ উপত্যকাত ১২।৬.৭২ ৰ বিশ্ববিদ্যালয়ৰ প্ৰস্তাৱৰ সপক্ষে আৰু কাছাড়ত বিপক্ষে আন্দোলন-আলোড়ন হয়। ৬।৬।৭২ আৰু ১২।৬।৭২ তাৰিখৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলৰ মুখ্য আছিল উপাচাৰ্য্য ৰাজখোৱা দেৱ। ১৯৬০ চনৰ পিছুতে একেৰাহে বহু বছৰ ধৰি তেখেত অসমৰ শিক্ষা বিভাগৰ অধিকৰ্তা আছিল। স্কুলীয়া শিক্ষাৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ শিক্ষা বাধ্যতামূলক নকৰাৰ বাবে তেখেতে নীতিগত ভাবে নিশ্চয় দায়ী। কিয় এইটো কৰা নহল, কাৰ প্ৰভাৱত কৰা নহল—সেইফেৰা তথ্য জনোৱাৰ বাবে তেখেতৰ ওচৰত ৰাইজে নিশ্চয় দাবী কৰিব পাৰে। অসমত, অনা অসমীয়া মাধ্যমৰ স্কুলত প'ঢ় অহা ছাত্ৰসকলৰ কিবা অসুবিধা হব পাৰে নেকি তাক তেওঁ নাজানিছিল নেকি? তেওঁৰ প্ৰশাসনে গৱৰ্ণিংবডী সমূহক ১২ জুনৰ সিদ্ধান্ত অতি সাৱধানে আৰু সতৰ্কতাৰে, ধৈৰ্য্য সহকাৰে প্ৰয়োগ কৰিবলৈ নিৰ্দ্দেশ নিদিলে কিয়?

ৰাইজ আৰু ছাত্ৰসকলে অসমীয়া ভাষা ভাল পায়। কিন্তু সফলতাৰে





তাক শিক্ষাৰ মাধ্যম হিচাপে প্ৰয়োগ কৰাৰ কৰ্তৃত্ব, আৰু দায়িত্ব বিশ্ববিদ্যালয়, মাধ্যমিক শিক্ষাবোৰ্ড আৰু অসম চৰকাৰৰ ওপৰত। তেওঁলোকৰ দায়িত্বহীন কাৰ্য্যকলাপত আমি আচৰিত হৈছো। ৰাইজ আৰু ছাত্ৰ-সকলক সকলো কথা ভালদৰে বুজালে নিশ্চয় উত্তেজনা আৰু আবেগৰ অতিশয্য নহলহেঁতেন বুলি আমাৰ দৃঢ় বিশ্বাস।

মাথোন পাঠ্যপুথি হলেই নহয়—কলেজীয়া শিক্ষাৰ মাধ্যমৰ ক্ষেত্ৰত আন আন পুথিৰো আৱশ্যক। এই অভাব পূৰণৰ বাবে বিশ্ববিদ্যালয়ে পণ্ডিত সকলৰ ইংৰাজী ভাষাত লিখা পুথি প্ৰবন্ধবোৰকে অসমীয়াতে প্ৰকাশ কৰিব পাৰিলেহেঁতেন। বিশ্ববিদ্যালয়ৰ জাৰ্ণালত অসমীয়া বিভাগ এটা খুলিব পাৰিলেহেঁতেন। বিশ্ববিদ্যালয়ৰ শিক্ষকসকলক (অন্ততঃ অসমীয়া সকলক) এতিয়া ইংৰাজীত লিখাৰ পৰিবৰ্ত্তে অসমীয়া ভাষাত পুথি প্ৰবন্ধ লিখাৰ বাবে পৰামৰ্শ আৰু উৎসাহ দিব পাৰিলেহেঁতেন, তেনে পুথি প্ৰকাশ কৰিব পাৰিলেহেঁতেন।

আন একোকে নোৱাৰিলেও দানবীৰ সন্দিকৈ দেৱৰ দানেৰে পৰিবৰ্দ্ধন কৰাৰ দায়িত্ব লৈ গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা অসমৰ একমাত্ৰ প্ৰামাণ্য অভিধান চন্দ্ৰকান্ত অভিধান খনি বজাৰত ছাত্ৰসকলে পোৱাকৈ উলিয়াই দিব পাৰিলেহেঁতেন (আজি ২ বছৰৰো ওপৰ কাল এই পুথি পাবলৈকে নোহোৱা হৈছে)। অথচ স্বীকাৰ নকৰি উপায় নাই যে মাধ্যম প্ৰশ্নৰ সতে এইবোৰ কথাৰ ঘনিষ্ঠ সম্বন্ধ আছে আৰু ১৯৬৭ চনৰ পৰা ১৯৭২ চন—এই পাঁচ বছৰ কাল—নিচেই কম সময় নহয়। এইবোৰৰ বাবেও পঞ্চম সাধাৰণ নিৰ্বাচনৰ বাবে বাট চাই ৰব লগা হ'ল জানো?

ইয়াৰ লগতে আমি বিশ্ববিদ্যালয়ৰ **এচাম শিক্ষকৰ** কথাও আলচ কৰা সমিচীন হব। তেখেতসকলৰ কেইজনমানে আজি ইটো কালি সিটো, ইয়াত এটা তাত আন এটা পৰস্পৰ বিৰোধী কথাৰে এই আন্দোলনৰ আগতো আৰু পিচতো খেলিমেলি লগাই দিছিল। শিক্ষক সকলৰ এটা চামেইতো স্পষ্ট ভাবে কৈ দিলে যে উঁৰহি গছৰ ওৰ ক'ৰবাত। কেন্সাৰ বেমাৰৰ দৰে অসমৰ জাতীয় জীৱনত এটা বিশেষ ভাষাভাষীয়ে শিপা মেলি ধৰিছে। ভাষাৰে নকলেও বুজা গল তেওঁলোকৰ বক্তব্যৰ ইংগিত—এই কেন্সাৰ ৰোগৰ শিপা উভালিব লাগিব! অৰ্থাৎ......। বোধহয় এনে মনোভাৱৰ কাৰণেই বিশ্ববিদ্যালয়ৰ



OKDISCD

শিক্ষকসকলৰ মন অনা-অসমীয়া ভাষাভাষী নিহত আৰু ক্ষতিগ্ৰস্থসকলৰ কাৰণে নেসেমেকিল।

ইংৰাজী বাদ দি অসমীয়া ভাষাকে একমাত্ৰ মাধ্যম হিচাবে প্ৰতিষ্ঠিত কৰাত পঞ্চমুখ কেইজনমান ডা ডাঙৰীয়া নিজে যেনেকৈ ইংৰাজী ভাষাৰে বিদ্যালাভ কৰি আহা তেনেকৈ নিজৰ লৰাছোৱালীক প্ৰাৰম্ভিক স্কুলৰে পৰাই ইংৰাজী মাধ্যমত পঢ়ুৱাই পিচত অসমৰ বাহিৰৰ ইংৰাজী মাধ্যমৰ কলেজ স্কুললৈ পঠিয়ায়। (তেনে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হেনো কেইবাশও।) অসমীয়া ভাষাৰ প্ৰতি তেওঁলোকৰ এনুৱা "শ্ৰদ্ধা"ৰ কথা বাৰু বহলাই নকলোৱেইচোন।

বিশ্ববিদ্যালয়ৰ এচাম শিক্ষকে কিয় নজনা হ'ল যে অতীজৰে পৰা অসম খনৰ অৰ্থব্যৱস্থাত (অসমৰ কিয় সমগ্ৰ ভাৰতবৰ্ষৰ) আৰু সমাজজীৱনত এমুঠিমান ভাৰতীয় একচেটিয়া পুঁজিপতি আৰু বিদেশী পুঁজিৰ ন্যস্ত স্বাৰ্থই কৰ্কট ৰোগৰ দৰে ৰন্ধ্ৰে ৰন্ধ্ৰে প্ৰবেশ কৰিছে? এই ন্যস্ত স্বাৰ্থৰ শোষণত অসমৰ কিয় সমগ্ৰ ভাৰতৰে কাম কৰি খোৱা জনগণৰ কঁকাল ভাঙি পৰিছে। আমাৰ অসমৰে পৰা কোটি কোটিয়ে টকা ইংৰাজৰ দিনৰে পৰা আজিলৈকে বিদেশলৈ গৈয়ে আছে। এই শোষণৰ এটা অংশ ভাৰতৰ এমুঠিমান একচেটিয়া পুঁজিপতিৰ ভাগত পৰিছে। তেওঁলোকৰ উচ্ছিষ্ট কিছুমান (অতিকম) মধ্যবিত্তৰ ভাগত পৰিছে! এই পদ্ধতিৰ বাবেই অসমত শিল্পায়ন হোৱা নাই। এই শোষণ পদ্ধতিৰ সতে খাপ-খোৱাকৈ, শোষকসকলৰ স্বাৰ্থসিদ্ধিৰ বাবে ভাৰতৰ শিক্ষা-নীতি ৰচিত হৈছে, যাৰ ফলত কলেজ বিশ্ববিদ্যালয়ৰ (যি কোনো মাধ্যমেৰে) শিক্ষা সাং কৰি শিক্ষিতসকলেও হা চাকৰি হা অন্নকৈ কাম বিচাৰি অনাই বনাই হাহাকাৰ কৰি ফুৰিব লগা হৈছে (সাধাৰণ মানুহৰ কথা নকলোৱেই বা)। এই শিক্ষকসকলে বাৰু নাজানে নেকি যে অসমৰ পৰা কেন্দ্ৰীয় চৰকাৰে যি ৰাজহ আদায় কৰে—তাৰে কিমান অংশ অসমৰ জনগণৰ উন্নয়নমূলক কামত খৰছ হয়? জানে; তেওঁলোকে আন সকলোলোকতকৈ বাৰুকৈয়ে জানে। জানিয়েই প্ৰকৃত সমস্যাৰ বিকৃতৰূপ দি আছল কথাটো লুকুৱাই জনগণক বিপথগামী কৰাৰ প্ৰচেষ্টা কৰে যাতে ভ্ৰাতৃঘাতী সংঘৰ্ষ বাঢ়ে, যাতে এই শোষণৰ বিৰুদ্ধে ক্ৰমাৎ গঢ়ি উঠিব ধৰা জনগণৰ সংগ্ৰামী চেতনা আৰু সংগ্ৰামী ঐক্য





নষ্ট হয়। এনে কামেৰে তেখেতসকলে কাৰ সেৱা কৰিছে—অসমৰ জনগণৰ নে শোষক সকলৰ—তাক সকলোৱে বুজে।

দেশপ্ৰেমৰ নামত এনেধৰণৰ প্ৰচেষ্টা অসমত চলিয়েই আছে। উদাহৰণ স্বৰূপে বাংলাদেশ গঠন হোৱাৰ আগতে যে এনে এচাম লোকে অসমত "পাকিস্থানী অনুপ্ৰবেশকাৰী"ৰ সমস্যাক লৈ, বাতৰি কাকতৰ পৃষ্ঠাত হৈ চৈ লগাইছিল এতিয়া বাৰু তাৰ কি হ'ল? "অনুপ্ৰবেশ"কাৰীবোৰ বাৰু কলৈ গ'ল?

এই পণ্ডিত, শিক্ষক, সাহিত্যসভা, চৰকাৰ আদিয়ে ভাষাৰ মাধ্যম সমস্যাটোৰ সমাধান উলিয়াবৰ কৰ্তৃত্ব আৰু যোগ্যতা থকা সত্ত্বেও আগতে একো নকৰিলে কিয়? তেওঁলোকে কিয় বাৰে বাৰে ৰং সলালে—ভেশ সলালে? এই সকলৰ এনে ব্যৱহাৰ, কাৰ্য্যকলাপক সুবিধাবাদী কাৰ্য্যকলাপৰ বাহিৰে আন কি আখ্যা দিব পাৰি বাৰু?

উট চৰাইৰ দৰে বালিত মূৰ গুজি থাকিলেই সি আনৰ দৃষ্টিৰ আঁতৰ নহয়। বাস্তৱ ঘটনা, তাৰ ফলাফল আৰু বাস্তৱ সমস্যাক ভাবাবেগ আৰু উত্তেজনাৰে এৰাব নোৱাৰি।

এই প্ৰসঙ্গত কিছুমান কথা পুংখানুপুংখৰূপে আৰু গভীৰভাবে বুজ লবলৈ যুৱছাত্ৰসকললৈ আমি আহ্বান জনালো। এই কথাবোৰ এটা মুল প্ৰশ্নত নিহিত।

সেই প্ৰশ্নটো হ'ল এই আন্দোলনে জণজীৱনৰ প্ৰগতিৰ ক্ষেত্ৰত কি দৰে—কেনে অৰিহণা যোগালে।

পৃথিবীৰ ভিন ভিন দেশৰ ছাত্ৰসকলে দেশ জনগণ আৰু মানবতাৰ প্ৰশ্নত অশেষ ত্যাগ স্বীকাৰ কৰি সংঘবদ্ধ আন্দোলন আৰু সংগ্ৰাম কৰি আহিছে। ব্যক্তিগত স্বাৰ্থ আৰু অভিপ্ৰায় বৰ্জিত, সমাজ সচেতনতা প্ৰসূত দূৰদৃষ্টি প্ৰসাৰিত তেওঁলোকৰ এনে আন্দোলনে বিশ্বৰ জনগণৰ সম্মুখত নতুন সম্ভাৱনা তুলি ধৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ শিক্ষকসকলে তেওঁলোকৰ নিজদেশৰ সাম্ৰাজ্যবাদীসকলে ভিয়েটনামত কৰা অন্যায় হস্তক্ষেপৰ বিৰুদ্ধে যি তীব্ৰ আন্দোলনৰ সৃষ্টি কৰিলে সি বিশ্বৰ বিভিন্ন দেশৰ সমাজ সচেতন যুৱছাত্ৰসকলৰ বাবে নজীৰ হিচাপে ৰৈ গ'ল। ভিয়েটনামৰ ছাত্ৰসকলে পিঠিত বন্দুক বান্ধি একাধাৰে পঢ়াৰ পাঠো লৈছে সাম্ৰাজ্যবাদী শত্ৰুৰ আক্ৰমণৰ



OKDISCD

বিৰুদ্ধে বনুৱাৰ লগত বনুৱাও হৈছে ; দেশৰ শ্ৰমিক কৃষকৰ লগত কামো কৰিছে। এই সত্য ন্যায় নিষ্ঠ আৰু দেশ প্ৰেমিক ছাত্ৰসকলে যুগে যুগে সকলোকে অনুপ্ৰেৰণা যোগাব—ইতিহাসত এওঁলোকৰ কীৰ্ত্তি যুগমীয়া হৈ ৰ'ব।

ভাৰতৰ স্বাধীনতা-মুক্তি যুঁজৰ গৌৰৱময় ভূমিকাত আছিল সেই সময়ৰ ছাত্ৰ-যুবকসকল। ভাৰতৰ সমাজবাদী আন্দোলনৰ ক্ষেত্ৰতো ছাত্ৰসকলৰ ভূমিকা অপৰিসীম। নতুন চীন, চোভিয়েট ৰাচিয়া, কিউবা, উত্তৰকোৰিয়া আদি সমাজতান্ত্ৰিক দেশৰ কথা নকলোৱেই, জাপান, ইংলণ্ড, ফ্ৰান্স আদি পশ্চিমীয়া দেশৰ ছাত্ৰসকলৰ প্ৰগতিশীল আন্দোলন বিশ্বৰ সন্মুখত উজ্জ্বল চানেকী হিচাপে ৰৈ আছে। যুগে যুগে এনেবোৰ প্ৰগতিশীল দায়িত্বপূৰ্ণ ভূমিকাৰ মাজেৰেই, ত্যাগ-সততা, তীক্ষ্ণধী বিবেচনাৰে সমাজ সচেতনাপুষ্ট হৈ যুগে যুগে ওলাই আহিছে মহান জননায়কসকল।

আন ধৰণৰ দৃষ্টান্তও চকুত নপৰা নহয়। জাৰ্মানীৰ ছাত্ৰযুৱ সমাজৰ এটা বিপুলাংশক বিপথে পৰিচালিত কৰি নি কুখ্যাত হিটলাৰে দেশৰ গণতন্ত্ৰ হত্যা, সমাজতন্ত্ৰৰ শক্তিক নিঃশেষ আৰু জনগণৰ ঐক্য ধ্বংস কৰা কামত লগাইছিল। মাতি আনিছিল জাৰ্মান জাতিৰ কাৰণে দুৰ্দ্দিন, গোটাই আনিছিল সমগ্ৰ জাৰ্মান জাতিৰ বাবে বিশ্বৰ সকলোৰে ঘৃণা আৰু অভিসম্পাত। আবাল বৃদ্ধ বনিতা নিৰপৰাধীৰ নৰকংকালৰ স্তুপে চানেকী দিছিল—কিদৰে সৰল যুৱ ছাত্ৰ সকল এই বিষয়ত অকণমানো অসাৱধান আৰু অসতৰ্ক হলে, কি ভয়াবহ পৰিণতিৰ অংশীদাৰ হব লগীয়া হয়। সাময়িক কালত ইন্দোনেচিয়াত সুহাৰ্ত্ত আৰু ধৰ্মান্ধ শক্তিয়ে কিদৰে ছাত্ৰসকলক ব্যৱহাৰ কৰি দেশৰ প্ৰগতিৰ গতি প্ৰতিক্ৰিয়াৰ পিনে ঘূৰালে তাকো সকলোৰে চকুত পৰিছে।

অলপ অসতৰ্ক, ভাবাবেগ আতিশয্যদুৰ্বল হলে আৰু জনগণৰ সামগ্ৰীক সমস্যাৰ প্ৰতি তীব্ৰভাবে সচেতন নহলে কিদৰে ছাত্ৰ যুব সকলৰ সৰলতাক প্ৰতিক্ৰিয়াশীল শক্তিয়ে তেওঁলোকক হাতীয়াৰ হিচাপে জনবিৰোধী উদ্দেশ্যত ব্যৱহাৰ কৰে তাৰ নজীৰ ওপৰৰ ঘটনাবোৰত আমি পাও।

এটা আন্দোলন, তাক কেন্দ্ৰ কৰি ঘটা ঘটনাৱলীক গভীৰভাৱে বিশ্লেষণ কৰি ভৱিষ্যতৰ বাবে উপযুক্ত শিকনি লোৱাৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। এইবোৰ ঘটনাই ইতিহাসৰ বুকুত ঠাই পায়। এই আন্দোলনৰ





সামগ্ৰীক সফলতাৰ গৌৰৱ আৰু ক্ষতিৰ কালিমা উদ্যোক্তা সকলৰ গাত আৰোপিত হয়।

সাম্প্ৰতিক আন্দোলনৰ ক্ষেত্ৰত কিছু দিনৰ পিচত ছাত্ৰ সন্থাৰ নেতৃবৃন্দই ঘোষণা কৰিবলগীয়া হৈছিল যে এই মাধ্যম আন্দোলন কোনো ভাষা-ভাষীৰ বিৰুদ্ধে নহয়। এনে ঘোষণা কৰাটো উচিত আৰু প্ৰয়োজনীয় হৈ পৰিছিল।

কাৰণ এই আন্দোলনৰ আলম লৈ কিছুমান শক্তিয়ে এটা ভাষাভাষীৰ বিৰুদ্ধে আন এটাক ভ্ৰাতৃঘাতী সংঘৰ্ষত লিপ্ত কৰোৱাৰ চেষ্টা নানান কৌশলেৰে চলাইছিল। নামদিয়া আৰু নিদিয়া, বিধে বিধে অসমীয়া আৰু বঙালী ভাষাৰ উত্তেজনা বঢ়োৱা প্ৰচাৰ পত্ৰ, প্ৰাচীৰ পত্ৰ-প্ৰচাৰ, মিছা গুজৱ, উৰাবাতৰি ৰটনা আদি কৌশল সকলোৰে চকুত পৰিছে। এই চক্ৰান্তকাৰী হঁতে যি কৰিছিল তাত ভাষাপ্ৰেম, দেশপ্ৰেম আৰু জাতিপ্ৰেম আদিৰ লেশমাত্ৰও নাছিল। তেওঁলোকৰ মাথোন একেটাই উদ্দেশ্য—সিটো হ'ল জনগণৰ মাতৃভাষা, দেশ, জাতি আৰু সংস্কৃতি আদিৰ প্ৰতি থকা প্ৰেমজনিত আবেগৰ সুবিধালৈ অসমৰ ভিন ভিন ভাষাভাষী অধিবাসী সাধাৰণ মানুহ—জনগণৰ মাজত আত্মকলহ বিয়পোৱা ; যাতে জনমানসত ইটোৰ প্ৰতি সিটোৰ তীব্ৰঘৃণা, বিদ্বেষ, সন্দেহ ঈৰ্ষা আদি অনৈক্যৰ কীটে বাহঁ লয় আৰু শোষণৰ বিৰুদ্ধে জনগণৰ ঐক্য-বদ্ধ চেতনা গঢ়ি নুঠে ; শোষণকাৰী সকলৰ শোষণৰ পথ কিছু সৰহদিনলৈ নিষ্কণ্টক হয়। ফলত ক্ষতি হ'ল। ৩২ জনকৈ নিৰীহ নাগৰিক নিহত হ'ল ; শতাধিক মানুহ আহত হ'ল ; ততোধিক মানুহ লাঞ্চিত হ'ল, কেবাশও গৃহ দাহ হ'ল, লুটপাত হ'ল, ছাত্ৰৰ প্ৰতি ছাত্ৰৰ, বনুৱাৰ প্ৰতি বনুৱাৰ, কৃষকৰ প্ৰতি কৃষকৰ বিদ্বেষ আৰু সন্দেহ বাঢ়িল ; নিৰাপত্তাহীনতাৰ মনোভাব বাঢ়িল, সকলো অৰ্থনৈতিক ক্ৰিয়াকলাপত গুৰুতৰ বাধা আহিল ; শান্তিৰক্ষাৰ নামত পুলিচ প্ৰশাসনৰ ক্ষমতা বাঢ়িল—আৰু সবাতোকৈ গভীৰ ক্ষতি হ'ল গণতান্ত্ৰিক আন্দোলনৰ, সমাজতান্ত্ৰিক আন্দোলনৰ, শোষণৰ বিৰুদ্ধে জনগণৰ ঐক্যবদ্ধ সংগ্ৰামী চেতনাৰ ক্ষেত্ৰত।

ছাত্ৰ সন্থাৰ নেতাসকল নিজে হয়তো এই শক্তিৰ প্ৰৰোচনা, উচটনি আৰু অভিসন্ধিৰ কবলত নপৰিল। আন্দোলন যাতে মূল লক্ষ্যত শান্তিপূৰ্ণ



OKDISCD

ভাবে চলে তাৰ বাবে পাৰ্য্যমানে চেষ্টাও চলালে। কিন্তু আগতে কোৱা কুটাঘাতী শক্তিক সম্পূৰ্ণৰূপে নিষ্ক্ৰিয় আৰু এঘৰীয়া কৰিব নোৱাৰিলে।

কলেজীয়া শিক্ষাৰ মাধ্যমৰ প্ৰশ্নটোতকৈ (অসমৰ যি কোনো ভাষাতে আখৰ লিখিব আৰু পঢ়িবজনাৰ সংখ্যা শতকৰা ২৭ ভাগ। **বাকী ৭৩ ভাগ নিৰক্ষৰ।** কাৰণ অৰ্থনৈতিক আৰু সমাজিক প্ৰতিবন্ধকতা। কলেজত শিক্ষালাভৰ বাবে সাধ্য আৰু যোগ্যতা থকা সকলৰ সংখ্যা এপাচি শাকত এটা জালুকৰ দৰে।) অসমৰ তথা ভাৰতৰ জনগণৰ সম্মুখত দেখাদিয়া ক্ৰমবৰ্দ্ধমান অন্নবস্ত্ৰ আৰু জীৱনজীৱিকাৰ সংকট, শতকৰা আশীভাগৰ নিৰক্ষতাৰ প্ৰশ্ন, বস্তুৰ দামবৃদ্ধিৰ প্ৰশ্ন, নিবনুৱা সমস্যা, সমাজতান্ত্ৰিক গঢ়েৰে দেশ আৰু সমাজজীৱন গঠনৰ প্ৰশ্ন আদি বহুটো গুৰুত্বপূৰ্ণ বিষয়ত জনগণে ছাত্ৰসকলৰ পৰা বহুতো আশা কৰি আহিছে। আশাকৰি আহিছে তেখেতসকলৰ মাজৰ পৰা ভাৱীকালৰ নেতৃত্ব বহন কৰিব পৰা প্ৰগতিশীল, মানবদৰদী, সমাজসচেতন নেতা ওলাই আহক বুলি। আমিও আশা ৰাখিছো।

জনগণৰ এনে আশা ফলবতী হোৱাটো শোষক-শ্ৰেণীয়ে নিবিচাৰে। বিচাৰে শোষকশ্ৰেণীৰ সেৱাদাসৰ সৃষ্টি হোৱাটো। যি সেৱাদাসৰ হতুৱাই জনগণৰ ঐক্য নষ্ট কৰি—শোষণৰ পথ নিস্কণ্টক কৰি ৰাখিব পাৰে। এই শোষকশ্ৰেণীয়ে অহৰ্নিশে, সিহঁতৰ সেৱাদাসৰ দলটোত বুদ্ধিজীৱী, সাংবাদিক, শিক্ষক, নাগৰিক বা ছাত্ৰসকলক ভৰ্ত্তি কৰোৱাৰ চেষ্টা চলায়েই আহিছে। আমাৰ বৰ্ত্তমান সমাজব্যৱস্থাত, অৰ্থ ব্যৱস্থাত, প্ৰচাৰ পদ্ধতিত, শিক্ষা পদ্ধতিত, উৎপাদন পদ্ধতিত আনকি সংস্কৃতিৰ ক্ষেত্ৰতো শোষক শ্ৰেণীৰ নিয়ন্ত্ৰণ আৰু প্ৰভাৱ অতি গভীৰ। যাৰ বাবে আমি স্বাধীন দেশৰ নাগৰিক হৈয়ো—স্বাধীনতা উপভোগ কৰিব পৰা নাই। অকল অসমৰেই নহয়—সমগ্ৰ ভাৰতৰে ইমূৰৰ পৰা সিমূৰলৈ যুৱছাত্ৰ সমাজৰ চকুত হতাশাৰ ছবি। যি কোনো মাধ্যমেৰে শিক্ষালাভ কৰিলেও নাই কৰ্মসংস্থাৰ প্ৰতিশ্ৰুতি। যি জনসাধাৰণৰ ধনেৰে তেখেতসকলে শিক্ষালাভ কৰিছে—এই জনজসাধাৰণৰ অপাৰ দুৰ্গতি। সেয়ে তেখেতসকলৰ সম্মুখত দুটা মাত্ৰ পথ। এটা হ'ল জনগণৰ দুৰ্দ্দশাৰ অংশীদাৰ হৈ জনগণৰ লগত থিয় হৈ—দুৰ্দ্দশাৰ মূল শোষণ ব্যৱস্থাৰ—শোষকশ্ৰেণীৰ বিৰুদ্ধে ঐক্যবদ্ধ সংগ্ৰামৰ বাবে নিজকে প্ৰস্তুত কৰা। আৰু আনটো হ'ল এই শোষকসকলৰ অন্নদাস





সেৱাদাস হৈ—জনগণৰ বিৰুদ্ধে কাম কৰা, চক্ৰান্তকাৰী আৰু প্ৰতিক্ৰিয়াশীল শক্তিসমূহৰ সহায়কাৰীৰ ভূমিকা লোৱা।

যিসকলে সঁচাকৈ জণগণৰ অংশীদাৰ হব খোজে তেওঁলোকে এই আন্দোলন আৰু ঘটনাৱলীৰ পৰা শিকিব লগা বহুতো আছে।

কলেজীয়া শিক্ষাৰ মাধ্যমৰ প্ৰশ্নত বিশ্ববিদ্যালয়, চৰকাৰ, শিক্ষক, কলেজ-কৰ্তৃপক্ষ আৰু শিক্ষাৰ্থীসকলহে পোনপতীয়া ভাবে জড়িত। এনে এটা প্ৰশ্নত বিশেষ ভাষাভাষী মানুহৰ ওপৰত নিপীড়ন কৰাৰ কাৰণ কি? যিসকল ক্ষতিগ্ৰস্থ হ'ল বা যিসকলে ক্ষতিকৰণৰ বলি হ'ল সেই সকলৰ সৰহভাগেই নিৰক্ষৰ মানুহ। প্ৰায়ভাগেই নিজৰ লৰাছোৱালীক কলেজত কিয় স্কুলীয়া শিক্ষা দিব-লৈকে অসমৰ্থ।

আনহাতে দুস্কাৰ্য্যৰ প্ৰৰোচনা আৰু উচতনি দিয়াসকল বহু আঁতৰতেই ৰৈ জনগণৰ মাজৰ এই সংঘৰ্ষৰ ৰং চালে। ভাষাৰ মাধ্যমৰ প্ৰশ্নত ছল পাই চেলু উলিয়ালে। এই প্ৰৰোচনা আৰু উচতনি দিয়া সকলে যদি জনগণৰ পৰা আঁতৰত ৰৈ কাজিয়া কৰিলেহেঁতেন—আৰু জনগণে আঁতৰৰ পৰাই এই কাজিয়াৰ খেল উপভোগ কৰিব পাৰিলেহেঁতেন তেতিয়া হলে আমাৰ আক্ষেপৰ কাৰণ নাছিল।

বিগত ঘটনাৱলীত যিসকল হতভাগ্য নিহত, আহত, লাঞ্চিত, পীড়িত আৰু ক্ষতিগ্ৰস্থ হ'ল তেওঁলোকৰ একেটাই মাত্ৰ অপৰাধ—সি হ'ল তেওঁলোক আৰু তেওঁলোকে ভালপোৱা মাতৃভাষা—আততায়ী বা পীড়ক সকলতকৈ বেলেগ। **যিয়ে আনৰ ধৰ্ম, ভাষা, সংস্কৃতিক যথাযোগ্য মৰ্য্যাদা আৰু সন্মান দিব নাজানে বা নুখুজে সিহঁতৰ নিজৰ ধৰ্ম, ভাষা আৰু সংস্কৃতিৰ প্ৰতি প্ৰেম তৰল আৰু উপৰুৱা।**

যিবোৰ দুস্কাৰ্য্য সংগঠিত হ'ল—তাৰ উচটনি আৰু প্ৰৰোচনা যোগোৱা সকলো ষড়যন্ত্ৰকাৰী শোষক শ্ৰেণীৰ সেৱাৰত অন্নদাসহে মাথোন। তেওঁলোকৰ কোনো ভাষাভিত্তিক পৰিচয় অৰ্থহীন। শোষকশ্ৰেণীৰ স্বাৰ্থবাহী শাসকসকলৰ এওঁলোক হ'ল অঙহী বঙহী। নিজৰ স্বাৰ্থত খোৱাকামোৰা লাগিলেও এওঁলোকৰ প্ৰতি চৰকাৰৰে দুৰ্বলতা আছে। গুজৰি গুমৰি লোকক দেখুৱালে কি হ'ব? এই ষড়যন্ত্ৰকাৰীসকল শাসকশ্ৰেণীৰ ছত্ৰছায়াত গুৱাহাটী, যোৰহাট,



OKDISCD

নগাওঁ, গোলাঘাট, ডিব্রুগড়, হোজাই, মঙলদৈ, শিলচৰ, কৰিমগঞ্জ, শ্বিলং, কলিকতা বা দিল্লী সকলো ঠাইতেই তিঘিল-ঘিলাই থাকে। এইসবলক বাছি বিচাৰি ভৱিষ্যতৰ বাবে যুৱছাত্ৰসকলে চিনি নথলে—মহান ছাত্ৰশক্তি আৰু ৰাইজৰ সুনামত এওঁলোকে বাৰে বাৰে বলংক সানিব।

জাতীয়তাৰ সমস্যাৰ লগত ভাবাবেগ জড়িত হৈ থাকে। এই সমস্যা সমাধানৰ চাবি কাঠি বৰ্ত্তমান আছে শোষক শ্ৰেণীৰ হাতত। সমস্যাবোৰ সমাধান নকৰাকৈ মাৰণাস্ত্ৰ হিচাপে জীয়াই ৰাখে শোষক শ্ৰেণীৰ স্বাৰ্থতেই। ইতিহাসে আৰু ইয়াকো প্ৰমাণ কৰিছে যে শোষণমুক্ত সমাজত এনেবোৰ প্ৰশ্নৰ মিমাংসা প্ৰীতপূৰ্ণ পৰিবেশত পৰস্পৰৰ প্ৰতি শ্ৰদ্ধা আৰু বুজাবুজিৰ মাজেৰেই সহজে হৈ যাব পাৰে। **যিদিনা আমাৰ দেশত প্ৰকৃতাৰ্থত সমাজতন্ত্ৰ প্ৰতিষ্ঠিত হব সেইদিনা এইবোৰ প্ৰশ্নৰো সাৰ্থক সমাধান হব। বিভিন্ন ভাষাভাষী, ধৰ্মাৱলম্বী, বৰ্ণ বা জাতি নিৰ্বিশেষে জনগণৰ দৃঢ় ঐক্যতা আৰু শোষণমুক্ত সমাজৰ বাবে লোৱা সংগ্ৰামৰ পথেই এনে প্ৰশ্নৰ সাৰ্থক সমাধানৰ পথ।**

স্বাধীনতা পোৱাৰ আগছোৱাত দেশৰ জনতা ভাগ ভাগ হৈছিল ধৰ্মৰ নামত। ধৰ্মৰ নামত হোৱা সংঘৰ্ষৰ ক্ষয়ক্ষতি সীমাহীন, অসমতো কেইবাবাৰো ই নোহোৱা নহয়—আনকি স্বাধীনতাৰ পিচতো। স্বাধীনতা পোৱাৰ পিচত ১৯৪৮ চনত ৰেলৰে চাকৰিক উপলক্ষ্য কৰি গুৱাহাটীত; ১৯৫৬ চনত ভাষাৰ ভিত্তিত ৰাজ্যগঠনৰ প্ৰশ্নত গোৱালপাৰা জিলাত; ১৯৬০ চনত ৰাজ্যভাষাৰ প্ৰশ্নত অসমৰ প্ৰায় অঞ্চলত; ১৯৭০ চনত লামডিং ষ্টেচনৰ যাত্ৰী এজনৰ লগত বাংলাদেশৰ ভগনীয়াৰ সেৱাৰত স্বেচ্ছাসেৱকৰ বিবাদৰ বাতৰি অসমৰ কেখনমান দৈনিকবাতৰি কাকতে অতিৰঞ্জিত ভাবে প্ৰচাৰ কৰি হৈ চৈ লগোৱাৰ পৰিণতি হিচাপে দুই এখন চহৰত; আৰু ১৯৭২ চনত কলেজীয়া শিক্ষাৰ মাধ্যম আন্দোলনৰ (ব্ৰহ্মপুত্ৰউপত্যকা আৰু কাছাড়ত) আলমত অসমৰ বিভিন্ন ভাষা-ভাষীৰ মাজত বিৰোধ, মাৰামাৰি, দাঙ্গাহাঙ্গামা হৈছে। জনগণৰ একতা বাৰে বাৰে ব্যাহত হৈছে, ফলত শোষক শ্ৰেণীৰ সুবিধা হৈছে। সংগ্ৰামী ঐক্য আৰু চেতনাৰ অগ্ৰগতি বাৰে বাৰে এই বিৰোধৰ চাকনৈয়াত সোমাইছে।

**( ১৫৭ পৃষ্ঠাত চাওক )**



# জনগণৰ মাজৰ দ্বন্দ্বৰ নিৰ্ভুল ব্যৱহাৰ

**মাও-চে-তুং**

অনুবাদক ডঃ ফণীধৰ গগৈ

[ আমি ইতিমধ্যে প্ৰকাশ কৰা "দ্বন্দ্বৰ বিষয়ে বিচাৰ" নামৰ ৰচনাত মহান বিপ্লবী নেতা মাও-চে-তুঙে বিৰোধমূলক আৰু অবিৰোধমূলক antagonistic আৰু non-antagonistic) দ্বন্দ্বৰ উল্লেখ কৰিছে। প্ৰধান শোষক-শ্ৰেণীৰ লগত শোষিত শ্ৰেণীৰ দ্বন্দ্ব বিৰোধমূলক, আৰু তাৰ নিষ্পত্তি হয় চূড়ান্ত সংগ্ৰামৰ দ্বাৰা। কিন্তু জনগণৰ মাজৰ দ্বন্দ্ব বিৰোধমূলক নহয়। উদাহৰণ স্বৰূপে শোষিত জনগণৰ মাজত ধৰ্ম্ম, ভাষা, জাতিৰ বৈষম্য শ্ৰেণী সংগ্ৰামৰ দৰে বিৰোধমূলক নহয়। প্ৰধান শোষক শ্ৰেণীৰ বিৰুদ্ধে একেলগে থিয় দিয়া অপ্ৰধান শোষক শ্ৰেণী আৰু শোষিতৰ মাজৰ দ্বন্দ্বও বিৰোধমূলক নহয়। অথচ এনে দ্বন্দ্বৰ সমাধানো সামাজিক উন্নতিৰ বাবে অপৰিহাৰ্য্য। 'On the Correct Handling of Contradictions among the people নামৰ ৰচনাত তাত্বিক দিশৰ পৰা মাও-চে-তুঙে এই গুৰুত্বপূৰ্ণ বিষয়টোৰ সম্পৰ্কে মাৰ্ক্সীয় দৃষ্টিভংগী পৰিষ্কাৰ কৰে। তেওঁৰ প্ৰসিদ্ধ সূত্ৰ "ঐক্য—সংগ্ৰাম—ঐক্য" unity-(struggle-unity) ই জনগণৰ দ্বান্দ্বিক প্ৰগতিৰ পথ সুন্দৰভাবে নিৰ্ণয় কৰিছে। বামপন্থী বিকৃতিৰ পৰা মুক্তিৰ বাবে এই ৰচনাৰ অধ্যয়ন অতীব প্ৰয়োজনীয়।

**এই প্ৰবন্ধৰ ৰচনাকাল ১৯৫৭ চনৰ ফেব্ৰুৱাৰী মাহৰ শেষাৰ্দ্ধ।**

অশেষ কষ্টস্বীকাৰ কৰি ৰচনাখন অনুবাদ কৰি দিছে গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ ডঃ ফণীধৰ গগৈয়ে। ছোৱাছোৱাকৈ এই অনুবাদ প্ৰকাশ কৰা হব। ঃ সম্পাদক ]

**জনতাৰ দ্বন্দ্বসমূহৰ** শুদ্ধ ব্যৱহাৰেই হৈছে আমাৰ সাধাৰণ বিষয়। সুবিধাৰ কাৰণে বাৰটা উপ-শিতানত বিষয়টো আলোচনা কৰা হওক। আমাৰ আৰু শত্ৰুৰ মাজত থকা দ্বন্দ্বসমূহ উল্লেখ কৰিলেও জনতাৰ দ্বন্দ্বসমূহক কেন্দ্ৰ কৰিছে আলোচনাটো কৰা হব।



OKDISCD

## ১। দুটা ভিন্ন প্ৰকাৰৰ দ্বন্দ্ব

আমাৰ দেশ অতীতত আজিৰ দৰে ঐক্যবদ্ধ কেতিয়াও নাছিল। বুৰ্জোৱা গণতান্ত্ৰিক আৰু সমাজতান্ত্ৰিক বিপ্লবৰ জয় আৰু লগতে সমাজতন্ত্ৰ নিৰ্ম্মাণৰ সাফল্যই পুৰণা চীনৰ ৰূপ দ্ৰুত গতিৰে সলনি কৰিছে। আমাৰ জনমভূমিৰ ভৱিষ্যত আৰু উজ্জ্বল। জনতাই ঘৃণা কৰা জাতীয় অনৈক্য আৰু অৰাজকতাৰ দিনবিলাক অন্তৰ্হিত হৈছে; এইদিনবিলাক আৰু কেতিয়াও ঘূৰি নাহে। শ্ৰমিকশ্ৰেণী আৰু কমিউনিষ্ট পাৰ্টিৰ দ্বাৰা পৰিচালিত হৈ আমাৰ ৬০০ নিযুত জনতা একমন একপ্ৰাণ যেন হব পাৰিছে; আৰু সমাজতন্ত্ৰ ৰচনাৰ দৰে মহৎ কৰ্ত্তব্যত লিপ্ত হৈছে। আমাৰ দেশৰ জনতাৰ ঐক্য, আৰু আমাৰ বিভিন্ন জাতীয় সম্প্ৰদায় বিলাকৰ ঐক্য—এই বিলাকেই হৈছে আমাৰ আদৰ্শৰ নিশ্চিত বিজয়ৰ মৌলিক ভিত্তি। অৱশ্যে এই কথাটোৱে এইটো অৰ্থ নকৰে যে আমাৰ সমাজত আৰু কোনো দ্বন্দ্ব নাই। কোনো দ্বন্দ্ব নাই বুলি ভবাটো এটা তৰল ধাৰণা। এনে ধাৰণাই বাস্তৱ সত্যক অস্বীকাৰ কৰে। আমাৰ আৰু শত্ৰুৰ মাজত থকা দ্বন্দ্ব, আৰু কেৱল জনগণৰ মাজত থকা দ্বন্দ্ব এই দুই প্ৰকাৰৰ সামাজিক দ্বন্দ্বৰ সন্মুখীন আমি হৈছোঁ। এই দুই প্ৰকাৰৰ দ্বন্দ্ব প্ৰকৃতিগত ভাবে সম্পূৰ্ণ বেলেগ।

এই দুই ভিন্ন প্ৰকাৰৰ দ্বন্দ্ব শুদ্ধভাৱে বুজিবলৈ হলে আমি প্ৰথমে ভালদৰে বুজিব লাগিব 'জনগণ' মানে কি আৰু 'শত্ৰু' মানে কি। বিভিন্ন দেশত আৰু একেখন দেশৰে বিভিন্ন ঐতিহাসিক কালত "জনগণৰ" অৰ্থৰ বৈষম্য দেখা যায়। উদাহৰণ স্বৰূপে আমাৰ দেশ-খনকে ল'ব পাৰি। জাপানৰ বিৰুদ্ধে কৰা প্ৰতিৰোধ সংগ্ৰামৰ সময়ত জাপানী আক্ৰমনৰ বিৰোধিতা কৰা সকলো শ্ৰেণী, স্তৰ আৰু সামাজিক দলেই ''জনগণ''ৰ পৰ্য্যায়ত পৰিছিল; আনহাতে জাপানী, চীনা বিশ্বাসঘাতক আৰু জাপানী সমৰ্থক বিলাকেই আছিল জনতাৰ শত্ৰু। মুক্তিসংগ্ৰামৰ সময়ত মাৰ্কিন সাম্ৰাজ্যবাদী আৰু তেওঁলোকৰ দালাল—এই দুই শ্ৰেণীক প্ৰতিনিধিত্ব কৰা আমোলাতন্ত্ৰী পুঁজিবাদী, জমিদাৰ শ্ৰেণী আৰু কুওমিণ্টাং প্ৰতিক্ৰিয়াশীল বিলাকেই 'জনতাৰ' শত্ৰু আছিল; আনহাতে এই শত্ৰুসকলক বিৰোধিতা কৰা সকলো শ্ৰেণী, স্তৰ আৰু সামাজিক দলেই জনতাৰ শ্ৰেণীভুক্ত হৈছিল। সমাজতন্ত্ৰ গঠন কালৰ বৰ্ত্তমান পৰ্য্যায়ত, সমাজতান্ত্ৰিক গঠন আদৰ্শক ভালপোৱা, সমৰ্থন কৰা আৰু ইয়াৰ কাৰণে কাম কৰা সকলোশ্ৰেণী, স্তৰ আৰু সামাজিক দলেই জনগণৰ অন্তৰ্ভুক্ত। আনহাতে সমাজতান্ত্ৰিক বিপ্লৱক প্ৰতিৰোধ কৰা আৰু সমাজতান্ত্ৰিক গঠনৰ শত্ৰুতা কৰা বা কুটাঘাট কৰা সামাজিক শক্তি আৰু দল বিলাকেই জনগণৰ শত্ৰু।





শত্ৰু আৰু আমাৰ মাজত থকা দ্বন্দ্ববিলাক শত্ৰুতামূলক দ্বন্দ্ব। জনতাৰ মাজত থকা দ্বন্দ্ব বা শ্ৰমিক শ্ৰেণীৰ মাজত থকা দ্বন্দ্বৰ শত্ৰুতামূলক দিশ থকাৰ বাহিৰেও এটা অশত্ৰুতামূলক দিশো থাকে। জনতাৰ মাজত দ্বন্দ্বসমূহ সদায়েই আছে; কিন্তু বিপ্লবৰ ভিন্নকালত আৰু সমাজতান্ত্ৰিক গঠনৰ কাল-ছোৱাত ইহঁতৰ প্ৰকৃতি বেলেগ হয়। চীনৰ বৰ্ত্তমান চলিত অৱস্থাত জনতাৰ মাজত থকা দ্বন্দ্বসমূহ হৈছে: শ্ৰমিকশ্ৰেণীৰ মাজত থকা দ্বন্দ্ব; কৃষকশ্ৰেণীৰ মাজত থকা দ্বন্দ্ব; বুদ্ধিজীৱীৰ মাজত থকা দ্বন্দ্ব; বুদ্ধিজীৱী এফালে আৰু আনফালে শ্ৰমিক আৰু কৃষক শ্ৰেণীৰ মাজত থকা দ্বন্দ্ব; শ্ৰমিক শ্ৰেণী আৰু অন্যান্য শ্ৰমিক জনতা এফালে আৰু আনফালে জাতীয়তাবাদী বুৰ্জোৱাৰ মাজত থকা দ্বন্দ্ব ইত্যাদি। আমাৰ জনগণৰ চৰকাৰে জনতাৰ স্বাৰ্থসমূহৰ প্ৰকৃত প্ৰতিনিধিত্ব কৰে, আৰু জনগণৰ সেৱা কৰে। তথাপি চৰকাৰ আৰু জনগণৰ মাজত এতিয়াও কিছুমান দ্বন্দ্ব নথকা নহয়। এই দ্বন্দ্ববিলাক হৈছে, ৰাষ্ট্ৰীয় স্বাৰ্থ, সমষ্টিগত স্বাৰ্থ আৰু ব্যক্তি স্বাৰ্থৰ মাজত হোৱা দ্বন্দ্ব; গণতন্ত্ৰ আৰু কেন্দ্ৰীয়তাবাদৰ মাজত দ্বন্দ্ব; নেতৃত্বদিয়া আৰু নেতৃত্বাধীনত চলা লোকৰ মাজত দ্বন্দ্ব; আৰু জনতাৰ লগত সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত কিছুমান চৰকাৰী কৰ্ম্মীৰ আমোলাতান্ত্ৰিক ধৰণৰ কাৰ্য্যকলাপৰ পৰা হোৱা দ্বন্দ্ব। এই বিলাকো হৈছে জনগণৰ মাজত থকা দ্বন্দ্ব। সাধাৰণ ভাবে কবলৈ গ'লে জনগণৰ মাজৰ দ্বন্দ্বতেই অন্তৰ্নিহিত হৈ আছে জনগণৰ স্বাৰ্থৰ মৌলিক অভিন্নতা।

আমাৰ দেশত শ্ৰমিকশ্ৰেণী আৰু জাতীয়তাবাদী বুৰ্জোৱাৰ মাজত থকা দ্বন্দ্ব, জনগণৰ মাজত থকা দ্বন্দ্ব সমূহৰ ভিতৰতে পৰে। মুঠৰ ওপৰত এই দুই শ্ৰেণীৰ মাজত থকা শ্ৰেণী সংগ্ৰাম আৰু জনগণৰ মাজৰ শ্ৰেণী সংগ্ৰাম একেই। এই সাদৃশ্যৰ মূলতে চীনা জাতীয়তাবাদী বুৰ্জোৱাৰ দ্বৈত চৰিত্ৰ। বুৰ্জোৱা—গণতান্ত্ৰিক বিপ্লবৰ সময়ত তেওঁলোকৰ চৰিত্ৰ একাধাৰে বিপ্লবী



OKDISCD

আৰু সমাধায়ী ( আপোচ মনোভাবৰ ) আছিল। সমাজতান্ত্রিক বিপ্লবৰ সময়ত মুনাফাৰ কাৰণে শ্রমিক শ্রেণীক কৰা শোষণে জাতীয়তাবাদী বুর্জোৱাৰ চৰিত্রৰ এটা ফাল দর্শায়। এওঁলোকৰ চৰিত্রৰ আনফাল পোৱা যায় সংবিধানৰ প্রতি এওঁলোকৰ সমর্থনত আৰু সমাজতান্ত্রিক পৰিবর্তন গ্রহণত আগ্রহ দেখুৱাত। সাম্রাজ্যবাদী, জমিদাৰ, আৰু আমোলাতন্ত্রী পুঁজিবাদৰ লগত জাতীয়তাবাদী বুর্জোৱাক ধৰিব নোৱাৰি।

জাতীয়তাবাদী বুর্জোৱা আৰু শ্রমিক শ্রেণীৰ মাজৰ দ্বন্দ্ব, শোষক আৰু শোষিত শ্রেণীৰ মাজৰ দ্বন্দ্বৰ সৈতে একে, গতিকে ই বিৰোধীভাবাপন্ন দ্বন্দ্ব। কিন্তু আজিৰ চীনৰ বাস্তৱ অৱস্থাত, এই শত্রুতামূলক শ্রেণীদ্বন্দ্বক শান্তিপূর্ণ নীতিৰে আৰু সঠিকভাবে অশত্রুতামূলক দ্বন্দ্বলৈ ৰূপান্তৰিত কৰিব পাৰি। কিন্তু শুদ্ধভাবে চেষ্টা নকৰিলে, নাইবা জাতীয়তাবাদী বুর্জোৱাৰ সৈতে একতাবদ্ধ হোৱা, তেওঁলোকক সমালোচনা কৰা আৰু শিক্ষিত কৰা নীতি যদি আমি অনুসৰণ নকৰোঁ, অথবা জাতীয়তাবাদী বুর্জোৱাই যদি আমাৰ এনে নীতি গ্রহণ নকৰে, তেন্তে শ্রমিক শ্রেণী আৰু জাতীয়তাবাদী বুর্জোৱাৰ মাজত থকা দ্বন্দ্বই আমাৰ আৰু শত্রুৰ মাজত থকা বিৰোধীভাবাপন্ন দ্বন্দ্বৰ ৰূপ লব।

যিহেতু আমাৰ আৰু শত্রুৰ মাজৰ দ্বন্দ্ব, আৰু আমাৰ নিজৰ মাজত থকা দ্বন্দ্বৰ প্রকৃতি বেলেগ, সেয়ে, এই দুই দ্বন্দ্বৰ সমাধানৰ পদ্ধতিও বেলেগ হ'ব লাগিব। চমু অর্থত, প্রথমে আমাৰ কাম হৈছে, শত্রু আৰু আমাৰ মাজত থকা প্রভেদক স্পষ্ট কৰি দেখুৱা, আৰু দ্বিতীয় ক্ষেত্রত, ন্যায় আৰু অন্যায়ৰ প্রভেদক স্পষ্ট কৰি দেখুৱা। শত্রু আৰু আমাৰ মাজৰ বৈষম্যক দেখুৱাটোও অৱশ্যে ন্যায় আৰু অন্যায়ৰ বৈষম্য দেখুৱাৰ সদৃশ। উদাহৰণ স্বৰূপে, দেশীয় আৰু বিদেশী প্রতিক্রিয়াশীল শক্তি, সাম্রাজ্যবাদী সকল, সামন্তবাদী, আমোলা-তন্ত্রী-পুঁজিবাদী আৰু আমাৰ মাজত কোন সত্য, ইয়াৰ বিচাৰ লোৱাটো ন্যায় আৰু অন্যায়ৰ স্বৰূপ নির্ণয় কৰাৰ সদৃশ; কিন্তু জনতাৰ মাজত থকা ন্যায় আৰু অন্যায়ৰ নির্ণয় কৰাৰ প্রশ্নৰ লগত এনে প্রশ্ন নিমিলে। শ্রমিক শ্রেণীৰ দ্বাৰা পৰিচালিত আৰু শ্রমিক-কৃষক মৈত্রীৰ ভিত্তিত প্রতিষ্ঠিত জনগণৰ একনায়কত্ব এতিয়া আমাৰ দেশত চলিছে। এই একনায়কত্বৰ ভূমিকানো কি? একনায়কত্বৰ প্রথম কাম হৈছে, প্রতিক্রিয়াশীল শ্রেণী আৰু শক্তিসমূহক আৰু





সমাজতান্ত্রিক বিপ্লবৰ বিৰোধিতা কৰা শোষক দলক দমন কৰা, আমাৰ সমাজ-তান্ত্রিক গঠনক ধ্বংস কৰিব খোজা সকলো শক্তিকে দমন কৰা, অন্য কথাত আমাৰ আৰু শত্রুৰ মাজৰ আভ্যন্তৰিক দ্বন্দ্বৰ সমাধান কৰা। উদাহৰণ স্বৰূপে প্রতি-বিপ্লবীক গ্রেপ্তাৰ কৰি বিচাৰ কৰা আৰু দণ্ড বিহা, আৰু নির্দ্দিষ্ট সময়ৰ কাৰণে জমিদাৰ আৰু আমোলা-পুঁজিপতিক ভোটাধিকাৰ আৰু বাক স্বাধীনতাৰ পৰা বঞ্চিত কৰা—এই সকলো কাম আমাৰ একনায়কত্বৰ কর্তৃত্বাধীন। এইদৰে সার্বজনিক শৃঙ্খলা আৰু জনতাৰ স্বার্থ ৰক্ষাৰ কাৰণে, ধন আত্মসাৎকাৰী জুৱাচোৰ, অগ্নিসংযোগকাৰী, হত্যাকাৰী, অপৰাধী দল, আৰু সার্বজনিক শৃঙ্খলা নষ্ট কৰা গুণ্ডাৰ ওপৰত একনায়কত্ব প্রয়োগ কৰাৰ প্রয়োজনীয়তা আহি পৰে। একনায়কত্বৰ দ্বিতীয় কাম হৈছে, ষড়যন্ত্রমূলক কার্য্যকলাপ আৰু বাহিৰা শত্রুৰ সম্ভাব্য আক্রমণৰ পৰা আমাৰ দেশক ৰক্ষা কৰা। এনে ক্ষেত্রত, একনায়-কত্বৰ কাম হৈছে, আমাৰ আৰু শত্রুৰ মাজৰ বাহ্যিক দ্বন্দ্বৰ সমাধান কৰা। এই একনায়কত্বৰ উদ্দেশ্য হৈছে, আমাৰ দেশৰ সকলো লোকক ৰক্ষা কৰা, যাতে তেওঁলোকে শান্তিৰে কর্ত্তব্য পালন কৰিব পাৰে আৰু যাতে আধুনিক শিল্প, কৃষি, বিজ্ঞান আৰু সাংস্কৃতিৰে সমৃদ্ধ সমাজতান্ত্রিক দেশৰূপে চীনক গঢ়ি তুলিব পাৰে। কোনে এই একনায়কত্ব প্রয়োগ কৰিব? স্বাভাৱিকতে শ্রমিক শ্রেণী, আৰু শ্রমিক শ্রেণীৰ দ্বাৰা পৰিচালিত সমগ্র জনগণে এই একনায়কত্ব প্রয়োগ কৰিব। জনগণৰ ওপৰত একনায়কত্বৰ প্রয়োগ নহয়। নিজৰ ওপৰতে জনগণে একনায়কত্ব প্রয়োগ কৰাটো অস্বাভাৱিক কথা। জনগণৰ এটা অংশই আনটো অংশৰ ওপৰতো নিষ্পেষণ কৰিব নোৱাৰে। জনগণৰ মাজৰ আইন ভঙ্গকাৰী সকলক আইন সঙ্গত ভাবে শাস্তি দিয়া হ'ব; কিন্তু ই জনগণৰ শত্রুক দমন কৰা একনায়কত্ব প্রয়োগনীতিৰ পৰা পৃথক। জনগণৰ মাজত প্রয়োগ কৰা নীতি হৈছে গণতান্ত্রিক কেন্দ্রীয়বাদ। আমাৰ সংবিধানত আছে যে, চীন জনগণতন্ত্রৰ নাগৰিকে বাকস্বতন্ত্রতা, সংবাদ পত্র স্বতন্ত্রতা, সমাবেশ সংগঠন স্বতন্ত্রতা, সমদল-বিক্ষোভ প্রদর্শনৰ স্বতন্ত্রতা, ধর্মবিশ্বাস স্বতন্ত্রতা, ইত্যাদি অধিকাৰ ভোগ কৰিব পাৰিব। আমাৰ সংবিধানৰ মতে ৰাষ্ট্রৰ অংগবিলাকে গণতান্ত্রিক কেন্দ্রীয়বাদ নীতি অনুসৰি কার্য্য পালন কৰিব লাগিব, জনতাৰ ওপৰত আস্থা ৰাখিব লাগিব আৰু ৰাষ্ট্রৰ অংগবিলাকৰ কর্মচাৰী সকলে জনতাক সেৱা কৰিব লাগিব।



OKDISCD

গণতন্ত্ৰই ব্যাপক অৰ্থত যি বুজায় সেয়ে আমাৰ সমাজতান্ত্ৰিক গণতন্ত্ৰ। এনে গণতন্ত্ৰ ধনতান্ত্ৰিক কোনো দেশতে থাকিব নোৱাৰে। আমাৰ একনায়কত্ব, জনতাৰ গণতান্ত্ৰিক একনায়কত্ব; ই শ্ৰমিক শ্ৰেণীৰ দ্বাৰা পৰিচালিত আৰু শ্ৰমিক-কৃষক মৈত্ৰীৰ ভিত্তিত প্ৰতিষ্ঠিত। অৰ্থাৎ, গণতন্ত্ৰই কেৱল জনগণৰ মাজত কাৰ্য্য কৰে। নাগৰিক অধিকাৰ ভোগ কৰা সকলোৰে লগত আৰু সৰ্বোপৰি কৃষক শ্ৰেণীৰ লগত মিলিত হৈ, শ্ৰমিক শ্ৰেণীয়ে, প্ৰতিক্ৰিয়াশীল শ্ৰেণী আৰু শক্তিৰ ওপৰত আৰু সমাজতান্ত্ৰিক ৰূপান্তৰৰ বিৰোধিতা কৰা আৰু সমাজতান্ত্ৰিক গঠনক বাধা দিয়া সকলোৰে ওপৰত একনায়কত্ব প্ৰয়োগ কৰে। ৰাজনৈতিক ভাবে নাগৰিক অধিকাৰ মানে স্বাধীনতা আৰু গণতন্ত্ৰৰ স্বত্বকে আমি বুজোঁ।

কিন্তু এনে স্বাধীনতা নেতৃত্বযুক্ত স্বাধীনতা, আৰু গণতন্ত্ৰ হৈছে কেন্দ্ৰীভূত পৰিচালনাধীন গণতন্ত্ৰ, অৰাজকতা নহয়। অৰাজকতা জনগণৰ স্বাৰ্থ বা ইচ্ছাৰ পৰিপন্থী।

হাঙ্গেৰীৰ ঘটনাই আমাৰ দেশৰ কিছু লোকক আনন্দিত কৰিছিল। তেওঁলোকে ভাবিছিল যে একে ধৰণৰ ঘটনা চীনতো সংঘটিত হ'ব, আৰু হাজাৰ হাজাৰ জনতাই জনগণৰ চৰকাৰৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন কৰিব। তেওঁলোকৰ ইচ্ছা জনগণৰ স্বাৰ্থৰ প্ৰতিকূলে গৈছিল, আৰু সেয়ে জনগণৰ সমৰ্থন সম্ভৱ লাভ কৰিব নোৱাৰিছিল। দেশীয় আৰু বিদেশী প্ৰতিবিপ্লৱীৰ দ্বাৰা প্ৰতাৰিত হোৱা হাঙ্গেৰীৰ জনগণৰ একাংশই জনগণৰ চৰকাৰৰ বিৰুদ্ধে হিংসাত্মক কাৰ্য্যকলাপত অৱতীৰ্ণ হৈ ভুল কৰি পেলাইছিল, ফলত ৰাষ্ট্ৰ আৰু জনগণ দুয়ো ভুগিছিল। কেইসপ্তাহমানৰ বিশৃঙ্খলতাৰ কাৰণে দেশৰ অৰ্থনৈতিক অৱস্থাৰ যি ক্ষতি হ'ল তাক পূৰণ কৰিবলৈ যথেষ্ট সময় লাগিব। হাঙ্গেৰীৰ ঘটনাৰ প্ৰতি দোদুল্যমান মনোভাৱ থকা আৰু কিছুমান লোক আমাৰ দেশত আছে। পৃথিৱীৰ যথাৰ্থ পৰিস্থিতি সম্পৰ্কে অজ্ঞ হৈ থকাৰ কাৰণে তেওঁলোকৰ এনে মনোভাৱ হৈছে। তেওঁলোকে ভাবে যে আমাৰ জনগণৰ গণতন্ত্ৰৰ অধীনত স্বাধীনতা অতিশয় কম আৰু পশ্চিমীয়া সংসদীয় গণতন্ত্ৰৰ স্বাধীনতা অধিক। তেওঁলোকে পশ্চিমৰ দ্বিদল পদ্ধতিৰ কথা কয়। এনে পদ্ধতিত এটা শাসনাধিষ্ঠদল আৰু আনটো বিৰোধী দল থাকে। কিন্তু তথাকথিত দ্বিদল পদ্ধতি, বুৰ্জোৱাৰ একনায়কত্ব





বজাই ৰখাৰ এটা কৌশলৰ বাহিৰে একো নহয়। এনে পদ্ধতিয়ে শ্ৰমিক স্বাধীনতাৰ প্ৰতিশ্ৰুতি দিব নোৱাৰে। স্বৰূপ অৰ্থত স্বাধীনতা আৰু গণতন্ত্ৰ অমূৰ্ত নহয়, মূৰ্ত। শ্ৰেণী সংগ্ৰামৰ দ্বাৰা বিদাৰিত এখন সমাজত শোষক শ্ৰেণীৰ যদি শ্ৰমিক শ্ৰেণীক শোষণ কৰাৰ স্বাধীনতা থাকে, তেন্তে শ্ৰমিক শ্ৰেণীৰ স্বাধীনতা থাকিব নোৱাৰে, আৰু যদি বুৰ্জোৱাৰ কাৰণে গণতন্ত্ৰ থাকে, তেন্তে সৰ্বহাৰা আৰু শ্ৰমিক শ্ৰেণীৰ কাৰণে গণতন্ত্ৰ থাকিব নোৱাৰে। বুৰ্জোৱা সকলৰ মৌলিক স্বাৰ্থ বিপন্ন নকৰা মাত্ৰালৈকে কিছুমান ধনতান্ত্ৰিক দেশত কমিউনিষ্ট পাৰ্টিৰ আইন সঙ্গত স্থিতি মানি লোৱা হয়; এনে মাত্ৰাৰ অতিক্ৰম হলেই তাক মানি লোৱা নহয়। যি সকলে স্বাধীনতা আৰু গণতন্ত্ৰক অমূৰ্ত অৱস্থাত পাবলৈ বিচাৰে, তেওঁলোকে গণতন্ত্ৰক লক্ষ্য হিচাপে লয়, উপায় হিচাপে নহয়। কেতিয়াবা হয়তো গণতন্ত্ৰক লক্ষ্য যেন লাগে কিন্তু আচলতে ই এটা উপায়হে। মাৰ্ক্সবাদে আমাক শিকায় যে গণতন্ত্ৰ, সৌধৰ এটা অংশ মাত্ৰ আৰু ৰাজনীতিৰ অন্তৰ্ভুক্ত। অৰ্থাৎ, শেষ বিশ্লেষণত গণতন্ত্ৰই অৰ্থনৈতিক ভিত্তিৰেই সেৱা কৰে। স্বাধীনতাৰ ক্ষেত্ৰতো একে কথাই খাটে। গণতন্ত্ৰ আৰু স্বাধীনতা দুয়ো আপেক্ষিক, নিৰপেক্ষ নহয়, নিৰ্দিষ্ট ঐতিহাসিক অৱস্থাত ইহঁতৰ প্ৰকাশ আৰু বিকাশ ঘটে। জনগণৰ মাজত গণতন্ত্ৰৰ লগত কেন্দ্ৰীয়বাদৰ, আৰু স্বাধীনতাৰ লগত অনুশাসনৰ পাৰস্পাৰিক সম্পৰ্ক আছে। গণতন্ত্ৰ আৰু স্বাধীনতা এটা সত্তাৰ দুটা বিৰোধী দিশ, দুয়োৰে দ্বন্দ্ব আৰু ঐক্য দুয়োটা আছে। এক পক্ষীয়ভাবে এটাক মানি লৈ আনটোক অস্বীকাৰ কৰাটো অনুচিত। জনতাৰ নিজৰ ক্ষেত্ৰত স্বাধীনতা আৰু অনুশাসন দুয়োটাই অপৰিহাৰ্য্য, সেই দৰে গণতন্ত্ৰ আৰু কেন্দ্ৰীয়বাদ বাদ দি চলিব নচলিব। গণতন্ত্ৰ আৰু কেন্দ্ৰীয়বাদৰ ঐক্য, আৰু স্বাধীনতা আৰু অনুশাসনৰ ঐক্যই হৈছে আমাৰ গণতান্ত্ৰিক কেন্দ্ৰীয়বাদৰ অৰ্থ। এই ব্যৱস্থাত জনতাই ব্যাপক ভাবে গণতন্ত্ৰ আৰু স্বাধীনতা ভোগ কৰে, অৱশ্যে তেওঁলোকে সমাজতান্ত্ৰিক অনুশাসনৰ সীমাৰ ভিতৰত থাকিব লাগিব। সকলো জনতাই এই কথা ভালদৰে বুজি পায়।

নেতৃত্বসহ স্বাধীনতা আৰু কেন্দ্ৰীয় পৰিচালনাধীন গণতন্ত্ৰৰ পক্ষ পোষণ কৰিলে, এইটো আমি নুবুজো যে, জনতাৰ মাজত ন্যায় আৰু অন্যায় নিৰ্দ্ধাৰণ কৰাৰ প্ৰশ্নৰ বা আদৰ্শগত প্ৰশ্নৰ সমাধানত বল প্ৰয়োগ অৱলম্বন কৰিব লাগিব।



OKDISCD

আদৰ্শগত বা ন্যায়-অন্যায় প্ৰশ্ন সমাধান প্ৰশাসনীয় আদেশ বা বল প্ৰয়োগ ব্যৱস্থাৰে কৰিবলৈ চেষ্টা কৰিলে ফলপ্ৰদতো নহয়েই বৰং ক্ষতিকৰহে হ'ব। প্ৰশাসনীয় ৰায় দি ধৰ্ম উচ্ছেদ কৰিব নোৱাৰি, ধৰ্মত বিশ্বাস নকৰিবলৈও জনতাক বাধ্য কৰাব নোৱাৰি। ভাববাদ ত্যাগ কৰিবলৈ জনতাক জোৰ কৰিব নোৱাৰি, মাৰ্ক্সবাদক বিশ্বাস কৰিবলৈও তেওঁলোকক জোৰ কৰিব নোৱাৰি। জনতাৰ মাজৰ কোনো বিতৰ্কমূলক বা আদৰ্শগত প্ৰশ্নৰ সমাধান কৰাত গণতান্ত্ৰিক পদ্ধতিয়েই এক মাত্ৰ উপায়। আলোচনা কৰা, সমালোচনা কৰা, বুজাবলৈ চেষ্টা কৰা, শিক্ষা দিয়া—এইবিলাক গণতান্ত্ৰিক পদ্ধতিকেই প্ৰয়োগ কৰিব লাগিব। বল প্ৰয়োগ বা নিপীড়ন পদ্ধতিৰে নহয়। উৎপাদন আৰু অধ্যয়ন যাতে সুস্থভাবে পৰিচালনা কৰিব পাৰি আৰু জীৱন যাত্ৰা যথাযথভাবে যাতে ব্যৱস্থিত হয় তাৰ কাৰণে জনতাই চৰকাৰৰপৰা আৰু উৎপাদন আৰু শিক্ষা সংস্কৃতিৰ সংস্থাত ন্যস্ত লোকৰপৰা বাধ্যতামূলক ধৰণৰ নিৰ্দ্দেশ বিচাৰে। প্ৰশাসনীয় অধিনিয়ম নেথাকিলে যে সাৰ্বজনিক শৃঙ্খলা ৰক্ষা কৰিব নোৱাৰি তাক সকলোৱে বুজে। জনতাৰ দ্বন্দ্বসমূহ সমাধান কৰাত প্ৰশাসনীয় নিৰ্দ্দেশে জ্ঞানবোধ দিয়ে আৰু শিক্ষা পদ্ধতিৰ লগত পৰি-পূৰক ভাবে কাম কৰে। সাৰ্বজনিক শৃঙ্খলা ৰক্ষাৰ কাৰণে আনকি প্ৰশাসনীয় অধিনিয়মৰ লগত জ্ঞানবোধ দিয়াৰ ব্যৱস্থা আৰু শিক্ষা পদ্ধতিও থাকিব লাগিব, কাৰণ বহু ক্ষেত্ৰত অকলে অধিনিয়ম কাৰ্য্যকৰী হ'ব নোৱাৰে।

জনতাৰ মাজৰ দ্বন্দ্বসমূহৰ সমাধানৰ এই গণতান্ত্ৰিক পদ্ধতিটোক "ঐক্য, সমালোচনা, ঐক্য" এই সূত্ৰটো সংক্ষেপে ১৯৪২ চনত সন্নিবিষ্ট কৰা হৈছে। ব্যাখ্যা কৰিলে ইয়াৰ অৰ্থ হ'ব, আৰম্ভণিতে ঐক্যৰ প্ৰতি আগ্ৰহ, তাৰ পাচত সমালোচনা বা সংগ্ৰামৰ যোগেদি দ্বন্দ্বসমূহ সমাধান কৰা আৰু নতুন ভিত্তিত নতুন ঐক্য গঢ়ি তোলা। জনতাৰ মাজৰ দ্বন্দ্বসমূহক সমাধান কৰাত এয়েই শুদ্ধ পদ্ধতি বুলি আমাৰ অভিজ্ঞতাৰপৰা ক'ব পাৰি। ১৯৪২ চনত কমিউনিষ্ট পাৰ্টিৰ দ্বন্দ্বসমূহ সমাধান কৰিবলৈ এই পদ্ধতিক আমি প্ৰয়োগ কৰিছিলো। এই দ্বন্দ্বসমূহ আছিল গোড়া মতবাদী আৰু পাৰ্টিৰ সভ্যসকলৰ মাজত, আৰু গোড়ামি আৰু মাৰ্ক্সবাদৰ মাজত। পাৰ্টিৰ আভ্যন্তৰিণ সংগ্ৰামৰ সময়ত "বামপন্থী" গোড়ামতবাদী সকলে 'নিৰ্মম সংগ্ৰাম আৰু ক্ষমাহীন আঘাত"ৰ পদ্ধতি অৱলম্বন





কৰিছিল। ই এটা অশুদ্ধ পদ্ধতি আছিল। 'বামপন্থী' গোড়ামিক সমালোচনা কৰোতে আমি এই পুৰণা পদ্ধতিটো ত্যাগ কৰিছিলো আৰু নতুন পদ্ধতি এটাক সমাদৰ জনাইছিলো। এই পদ্ধতিটোৱেই হৈছে ঐক্যৰ প্ৰতি আগ্ৰহ দেখুৱাই সূচনা কৰা, সমালোচনা বা সংগ্ৰামৰ যোগেদি ন্যায় আৰু অন্যায় নিৰ্ণয় কৰা আৰু এটা নতুন ভিত্তিত নতুন ঐক্য লাভ কৰা। ১৯৪২ চনৰ সংস্কাৰ অভিযানত এই পদ্ধতিয়েই প্ৰয়োগ কৰা হৈছিল। এইদৰে কেই-বছৰ মানৰ ভিতৰতে ১৯৪৫ চনত চীন কমিউনিষ্ট পাৰ্টিৰ সপ্তম জাতীয় মহাসভা পতাৰ সময়ত, সমগ্ৰ পাৰ্টিৰ মাজত ঐক্য স্থাপন হৈছিল আৰু তাৰ ফলতেই গণবিপ্লৱৰ মহান বিজয় হৈছিল। মূল কথা হৈছে, আগ্ৰহেৰে ঐক্য স্থাপনৰ সূচনা কৰা, কিয়নো ঐক্য স্থাপনৰ আগ্ৰহ বিনে সংগ্ৰাম আয়ত্বাধীন হব নোৱাৰে। এই অৱস্থায়ে "নিৰ্মম সংগ্ৰাম আৰু ক্ষমাহীন আঘাত"ৰ সমতুল্য। আৰু পাৰ্টি ঐক্য বুলি কিবা বাকী ৰ'ব জানো? এনে অভিজ্ঞতাৰ পৰাই 'ঐক্য-সমালোচন-ঐক্য' সূত্ৰটো স্থাপন হৈছে। অৰ্থাৎ "ভবিষ্যতে ভুল নহবলৈ অতীতৰ ভুলৰ পৰা শিকা উচিত আৰু ৰোগীৰ প্ৰাণ ৰক্ষা কৰিবলৈ হলে ৰোগৰ নিৰ্মূল কৰা উচিত।" পাৰ্টিৰ বাহিৰেও আন ক্ষেত্ৰত এই পদ্ধতিৰ প্ৰয়োগ হৈছে। জাপানী বিৰোধী পাৰ্টিবিলাকত নেতৃত্ব আৰু ৰাইজৰ সৈন্যবাহিনী আৰু জনগণৰ বিষয়া আৰু অধীনস্থ লোকৰ, আৰু সৈন্যবাহিনীৰ বিভিন্ন গোটৰ মাজত থকা সমস্যাৰ সমাধান কৰোঁতে বিৰাট সফলতাৰে আমি এই পদ্ধতিটো প্ৰয়োগ কৰিছিলোঁ। আমাৰ পাৰ্টিৰ ইতিহাসৰ আদি ভাগতো এই পদ্ধতিৰ প্ৰয়োগ কৰা হৈছিল। দক্ষিণ অঞ্চলত ১৯২৭ চনত আমাৰ বিপ্লৱী সশস্ত্ৰ সেনা বাহিনী আৰু ঘাটিবিলাক স্থাপন কৰাৰ সময়ৰ পৰাই আমাৰ পাৰ্টি আৰু জনতা, সেনাবাহিনী আৰু বে-সামৰিক লোক, বিষয়া আৰু সাধাৰণ চিপাহী আৰু জনতাৰ মাজত সম্পৰ্ক স্থাপনৰ সমস্যাবিলাকত এই পদ্ধতি প্ৰয়োগ কৰা হৈছে। কেৱল মাত্ৰ পাৰ্থক্য এইটোৱেই যে, জাপানী বিৰোধী যুদ্ধৰ সময়ত লক্ষ্যৰ অতীৱ সচেতনাৰে এই পদ্ধতিটো আমি প্ৰয়োগ কৰিছিলো। দেশৰ মুক্তি লাভৰ পাচত, আন আন গণতান্ত্ৰিক দল, শিল্পপতি আৰু ব্যৱসায়ীৰ লগত আমাৰ সম্পৰ্ক নিৰ্ণয় কৰোঁতেও ঐক্য-সমালোচনা-ঐক্য এই পদ্ধতিটো প্ৰয়োগ কৰিছোঁ। আমাৰ এতিয়া কৰ্ত্তব্য হৈছে, এই পদ্ধতিক



OKDISCD

জনগণৰ মাজত ব্যাপক আৰু সুষম ভাবে প্ৰয়োগ কৰা। আমাৰ কাৰখানা, সমবায় প্ৰতিষ্ঠান, স্কুল, চৰ্কাৰী কাৰ্য্যালয় আৰু জনসাধাৰণ সংস্থাই, এককথাত, আমাৰ সমগ্ৰ ৬০০ নিযুত জনতাই আমাৰ নিজৰ ভিতৰৰ দ্বন্দ্বসমূহ সমাধান কৰাত এই পদ্ধতিটো প্ৰয়োগ কৰাটো বিচাৰোঁ।

সাধাৰণ অৱস্থাত জনতাৰ মাজৰ দ্বন্দ্বসমূহ বিৰোধমূলক নহয়। কিন্তু এই দ্বন্দ্বসমূহ যদি ভালদৰে সমাধান কৰা নহয়, বা সতৰ্কতা কমাই দিওঁ, তেন্তে বিৰোধ বাঢ়ি যাব। এখন সমাজতান্ত্ৰিক দেশত ই সাধাৰণতে স্থানীয় আৰু অস্থায়ী ৰূপে দেখা দিয়ে। ইয়াৰ মূল কাৰণ হৈছে মানুহে মানুহৰ ওপৰত শোষণ কৰা ব্যৱস্থা নিৰ্মূল কৰা হৈছে আৰু এতিয়া জনতাৰ স্বাৰ্থসমূহ মৌলিক ভাবে অভিন্ন। হাঙ্গেৰীৰ ঘটনাৰ সময়ত বিস্তৃত ভাবে শত্ৰুতামূলক কাৰ্য্য দেশীয় আৰু বিদেশী প্ৰতিবিপ্লৱীৰ চক্ৰান্তৰ ফলতেই অনুষ্ঠিত হৈছিল। বিশেষ ঘটনা হলেও ই অস্থায়ী আছিল। এখন সমাজতান্ত্ৰিক দেশৰ আভ্যন্তৰিণ প্ৰতিক্ৰিয়াশীল শক্তিয়ে সাম্ৰাজ্যবাদীৰ লগ ললে আৰু জনতাৰ মাজৰ দ্বন্দ্বসমূহৰ সুবিধা লৈ তেওঁলোকৰ মাজত ভেদাভেদ আৰু বিশৃঙ্খলা সৃষ্টি আৰু ষড়যন্ত্ৰৰ সহায়ত স্বাৰ্থ সিদ্ধিৰ চেষ্টা কৰিলে। হাঙ্গেৰীৰ ঘটনাৰ পৰা লোৱা শিক্ষাৰ প্ৰতি আমি মনোযোগ দিয়া উচিত।

বহুতে হয়তো ভাবিব পাৰে যে জনগণৰ মাজৰ দ্বন্দ্বসমূহৰ সমাধানত গণতান্ত্ৰিক পদ্ধতি প্ৰয়োগ কৰাটো এটা নতুন কথা। আচলতে এইটো নহয়। মাৰ্ক্সবাদীসকলে জনতাৰ ওপৰত আস্থা ৰাখি সৰ্বহাৰাৰ স্বাৰ্থ সিদ্ধ কৰিব বুলি কৈছে। এইটোও কৈছে যে, কমিউনিষ্ট সকলে শ্ৰমিক শ্ৰেণীৰ মাজত কাম কৰোঁতে পতিয়ন নিওঁৱা আৰু শিক্ষা দিয়াত গণতান্ত্ৰিক পদ্ধতি প্ৰয়োগ কৰিব লাগিব আৰু কেতিয়াও আদেশ বা বল প্ৰয়োগেৰে কাম কৰিব নেলাগিব। চীন কমিউনিষ্ট পাৰ্টিয়ে মাৰ্ক্সবাদী-লেনিনবাদী নীতিক বিশ্বাসেৰে অনুসৰণ কৰে। এইটো আমাৰ স্থিৰ মত যে জনগণৰ একনায়কত্বত দুটা ভিন্ন ধৰণৰ দ্বন্দ্বৰ (যেনে আমাৰ আৰু শত্ৰুৰ মাজৰ দ্বন্দ্ব, আমাৰ নিজৰ দ্বন্দ্ব) সমাধানৰ কাৰণে একনায়কত্বমূলক আৰু গণতন্ত্ৰমূলক এই দুই ভিন্ন ধৰণৰ পদ্ধতি প্ৰয়োগ কৰা উচিত। আমাৰ পাৰ্টিৰ দলিলত আৰু বহুতো দায়িত্বশীল পাৰ্টি নেতাৰ বক্তৃতাত এই বিষয়ে বাৰে বাৰে ব্যাখ্যা কৰা হৈছে। "জনতাৰ গণতান্ত্ৰিক





একনায়কত্ব সম্বন্ধে" নামৰ ১৯৪৯ চনত লিখা মোৰ প্ৰবন্ধটোত মই কৈছিলোঁ' "জনতাৰ কাৰণে গণতন্ত্ৰ, আৰু প্ৰতিক্ৰিয়াশীল শক্তিৰ কাৰণে একনায়কত্ব— এই দুই দিক মিলি জনতাৰ গণতান্ত্ৰিক একনায়কত্ব হৈছে।" জনতাৰ মাজৰ দ্বন্দ্বসমূহৰ সমাধান কৰিবলৈ "যিটো পদ্ধতি আমি প্ৰয়োগ কৰো সি গণতান্ত্ৰিক, অৰ্থাৎ বুজাবুজিৰ পদ্ধতি, বাধ্যতামূলক নহয়" বুলিও মই উল্লেখ কৰিছিলোঁ। পুনৰ, ১৯৫০ চনৰ জুনমাহত জনগণৰ ৰাজনৈতিক মন্ত্ৰণাসভাৰ জাতীয় কমিটীৰ দ্বিতীয় ( National Committee of the People's Political Counsultative Conference ) অধিবেশনত বক্তৃতা প্ৰসঙ্গত মই কৈছিলোঁ, "জনতাৰ গণতান্ত্ৰিক একনায়কত্বই দুটা পদ্ধতি প্ৰয়োগ কৰে। শত্ৰুৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হব একনায়কত্ব পদ্ধতি, অৰ্থাৎ যিমানদিন আৱশ্যক তেওঁলোকৰ ৰাজনৈতিক কাৰ্য্যকলাপত অংশ গ্ৰহণ কৰাটো নিষিদ্ধ কৰা, জনতাৰ চৰ্কাৰৰ আইন কানুন মানিবলৈ তেওঁলোকক বাধ্যকৰা, আৰু কাম আৰু শ্ৰমৰ মাজেদি নিজকে নতুন ভাবে ৰূপান্তৰিত কৰিবলৈ বাধ্য কৰা। জনগণৰ ক্ষেত্ৰত আনহাতে বাধ্যতামূলক পদ্ধতিৰ সলনি গণতান্ত্ৰিক পদ্ধতি প্ৰয়োগ কৰা হয়। অৰ্থাৎ জনগণৰ ৰাজনৈতিক কাৰ্য্যকলাপত অংশ গ্ৰহণ কৰিবলৈ দিয়া হয় আৰু ইটো সিটো কৰিবলৈ বাধ্য কৰাৰ পৰিবৰ্তে বুজাবুজি আৰু শিক্ষা পদ্ধতি প্ৰয়োগ কৰা হয়। জনগণৰ শিক্ষা হৈছে আত্মশিক্ষা আৰু আত্মশিক্ষাৰ মূল পদ্ধতি হৈছে সমালোচনা আৰু আত্ম সমালোচনা।"

এই দৰে বহু উপলক্ষত জনতাৰ দ্বন্দ্বসমূহৰ সমাধানৰ কাৰণে গণতান্ত্ৰিক পদ্ধতিৰ প্ৰয়োগৰ কথা আমি আলোচনা কৰিছো। কাৰ্য্যতো এই পদ্ধতি প্ৰধানভাবে প্ৰয়োগ কৰা হৈছে। বহুতকৰ্মী আৰু লোকৰ এতিয়া এই পদ্ধতিৰ বাস্তৱ জ্ঞান হৈছে। তথাপি কিয় অনেকে এতিয়াও ইয়াক নতুন কথা বুলি ভাবে? ইয়াৰ কাৰণ অতীতত আমাৰ আৰু শত্ৰুৰ মাজৰ বাহ্যিক আৰু আভ্যন্তৰিণ দ্বন্দ্বসমূহ গুৰুতৰ আছিল আৰু সেয়ে আমাৰ মাজৰ দ্বন্দ্বসমূহে আজিৰ দৰে আমাৰ দৃষ্টি আকৰ্ষণ কৰা নাছিল।

শত্ৰু আৰু আমাৰ মাজৰ দ্বন্দ্ব, আৰু আমাৰ মাজৰ দ্বন্দ্ব, এই দুই বিধ প্ৰধান দ্বন্দ্বৰ প্ৰকৃত প্ৰভেদসম্পৰ্কে ধাৰণা বহুতৰেই নাই। ফলত এবিধ

OKDISCD

দ্বন্দ্বকে আন বিধ দ্বন্দ্ব বুলি ভুল কৰে। স্বীকাৰ নকৰি নোৱাৰি যে এনে হোৱাটো কেতিয়াবা বৰ স্বাভাবিক। অতীতত আমাৰ কাৰ্য্যকলাপত এনে হোৱাৰ উদাহৰণ আছে। প্ৰতিবিপ্লবীসকলক দমন কৰোঁতে সৎলোককে কেতিয়াবা অসৎলোক বুলি ভুল কৰা হৈছিল; আৰু এনেকুৱা এতিয়াও হয়। আবিষ্কৃত হোৱাৰ লগে লগে ভুলবিলাক শুদ্ধ কৰাৰ কাৰণে আৰু আমাৰ আৰু শত্ৰুৰ মাজৰ প্ৰভেদক স্পষ্ট কৰি ৰখাৰ নীতি অনুসৰণ কৰাৰ কাৰণে আমাৰ ভুল বিলাক নিৰ্দ্ধাৰণ কৰাত আমি সমৰ্থ হৈছো।

মাৰ্ক্সবাদী দৰ্শনৰ মতে দুটা বিপৰীত বস্তুৰ ঐক্যই বিশ্ব-ব্ৰহ্মাণ্ডৰ মূল নিয়ম। প্ৰাকৃতিক জগত, মানবতা সমাজ, মানুহৰ চিন্তাধাৰা, এই সকলোতে এই নিয়ম আছে। কোনো এক দ্বন্দ্বৰ দুটা বিপৰীত বস্তুৰ মাজত ঐক্য আৰু সংগ্ৰাম দুয়োটা বিৰাজ কৰিছে আৰু ইয়াৰ ফলত বস্তুৰ গতিশীলতা আৰু পৰিবৰ্ত্তনৰ সৃষ্টি হৈছে। সকলোতে দ্বন্দ্ব থাকিবই। কিন্তু বস্তুৰ ভিন্ন প্ৰকৃতি অনুসৰি দ্বন্দ্বৰ প্ৰকৃতিও বেলেগ হয়। কোনো এটা নিৰ্দিষ্ট ঘটনা বা বস্তুৰ ক্ষেত্ৰত বিপৰীতৰ ঐক্য চৰ্ত সাপেক্ষ, অস্থায়ী আৰু পৰিবৰ্তনশীল, গতিকে আপেক্ষিক। কিন্তু বিপৰীতৰ সংগ্ৰাম অনাপেক্ষিক। এই নিয়মৰ ব্যাখ্যা লেনিনে সুন্দৰ ভাবে দিছিল। আমাৰ দেশত ক্ৰমবৰ্দ্ধিত সংখ্যক লোকে ইয়াক বুজিব পাৰিছে। তথাপি বহুতে এই নিয়মটো স্বীকাৰ কৰিলেও সমস্যাৰ বিচাৰ আৰু সমাধানৰ ক্ষেত্ৰত ইয়াক প্ৰয়োগ কৰোতে ভিন্নমত ধাৰণ কৰে। আমাৰ দেশৰ জনতাৰ মাজত যে এতিয়াও দ্বন্দ্বসমূহ আছে তাক বহুতে মুকলিভাবে মানিবলৈ সাহ নকৰে, অথচ এই দ্বন্দ্বসমূহেই আমাৰ সমাজক আগ বঢ়াই নিছে। সমাজ-তান্ত্ৰিক সমাজত যে দ্বন্দ্বসমূহ থাকিব পাৰে তাক বহুতে স্বীকাৰ নকৰে, ফলত সামাজিক দ্বন্দ্বসমূহৰ সন্মুখীন হলে তেওঁলোক বাধাগ্ৰস্ত আৰু নিষ্ক্ৰিয় হৈ পৰে, তেওঁলোকে নুবুজে যে, দ্বন্দ্বসমূহৰ শুদ্ধ বিচাৰ আৰু সমাধানৰ অবিৰাম প্ৰক্ৰিয়াৰ যোগেদি সমাজতান্ত্ৰিক সমাজ এখন অধিক ঐক্যবদ্ধ আৰু দৃঢ় হৈ গঢ়ি উঠিব পাৰে। এই কাৰণে আমাৰ কৰ্মী আৰু জনতাক প্ৰথমতে কথা-বিলাক বুজাই দিয়াৰ প্ৰয়োজন হৈ পৰিছে, যাতে তেওঁলোকে এখন সমাজ-তান্ত্ৰিক সমাজৰ দ্বন্দ্বসমূহৰ সম্যক ধাৰণা কৰিব পাৰে আৰু এই দ্বন্দসমূহৰ সমাধানৰ কাৰণে শুদ্ধ পদ্ধতি শিকি লব পাৰে।





পুৰণি সমাজবিলাকৰ অৰ্থাৎ পুঁজিবাদী সমাজৰ দ্বন্দ্বসমূহৰপৰা এখন সমাজ-তান্ত্ৰিক সমাজৰ দ্বন্দ্বসমূহ মৌলিকভাবে পৃথক। পুঁজিবাদী সমাজত দ্বন্দসমূহে বিষম শত্ৰুতা, সংৰ্ঘষ, আৰু প্ৰচণ্ড শ্ৰেণী সংগ্ৰামৰ ৰূপ লয়। এনে দ্বন্দসমূহ পুঁজিবাদী সমাজত সমাধান কৰিব নোৱাৰি, সমাজতান্ত্ৰিক বিপ্লৱৰ যোগেদিহে ইবোৰৰ সমাধান সম্ভব হয়। সমাজতান্ত্ৰিক সমাজৰ দ্বন্দ্বসমূহৰ কথা বেলেগ। এই দ্বন্দ্ববিলাক বিৰোধমূলক নহয়। এটাৰ পাচত এটাকৈ সমাজতান্ত্ৰিক ব্যৱস্থাৰে এই বিলাকক সমাধান কৰিব পাৰি।

উৎপাদন আৰু উৎপাদন শক্তিৰ মাজৰ সম্পৰ্কৰ যি দ্বন্দ্ব, সৌধ আৰু অৰ্থ নৈতিক ভিত্তিৰ মাজৰ যি দ্বন্দ্ব, এই দ্বন্দ্বসমূহ এতিয়াও সমাজতান্ত্ৰিক সমাজৰ মূল দ্বন্দ্ব। কিন্তু পুৰণা সমাজৰ উৎপাদন আৰু উৎপাদিকা শক্তিৰ দ্বন্দ্ব, সৌধ আৰু অৰ্থনৈতিক ভিত্তিৰ মাজৰ দ্বন্দ্ব, এই দ্বন্দ্বসমূহ ইহঁতৰ প্ৰকৃতি আৰু বৈশিষ্ট্যৰ তুলনাত মৌলিক ভাবে ভিন্ন। পুৰণি সমাজ ব্যৱস্থাতকৈ আমাৰ দেশৰ বৰ্ত্তমান সমাজতান্ত্ৰিক ব্যৱস্থা বহুগুণে শ্ৰেষ্ঠ। এনে নোহোৱা হলে পুৰণি ব্যৱস্থাক উচ্ছেদ কৰি নতুন ব্যৱস্থাৰ ৰচনা কৰিব পৰা নগলহেঁতেন। পুৰণা উৎপাদন-সম্পৰ্কতকৈ, উৎপাদিকা শক্তি বিকাশত সমাজতান্ত্ৰিক সম্পৰ্ক শ্ৰেষ্ঠ বুলি কলে আমি বুজো যে, এনে সম্পৰ্কই পুৰণা সমাজত আশা কৰিব নোৱাৰা এটা গতিত উৎপাদিকা শক্তিৰ বিকাশ ঘটায়; আৰু খাপে খাপে জনতাৰ অবিৰাম বৰ্দ্ধিত চাহিদা পুৰণ কৰি উৎপাদন সুস্থিৰ ভাবে বাঢ়ি যায়। সাম্ৰাজ্যবাদ, সামন্তবাদ আৰু আমোলা পুঁজিবাদৰ শাসনৰ কালছোৱাত, পুৰণা চীনৰ উৎপাদিকা শক্তিৰ বিকাশ অতি মন্থৰ গতিৰ আছিল। উত্তৰ পূব প্ৰদেশ কেইখনৰ উৎপাদন নধৰাকৈ, মুক্তিৰ আগতে, পঞ্চাশ বছৰৰ অধিক সময়ৰ ভিতৰত চীনে মাত্ৰ বছৰি কেই হাজাৰমান টন লো উৎপাদন কৰিছিল। এই প্ৰদেশ কেইখনৰ উৎপাদন ধৰিলে, বছৰত সৰ্বাধিক লোৰ উৎপাদনৰ মাত্ৰা হৈছিল গৈ মাত্ৰ ৯০০,০০০ টন। ১৯৪৯ চনত, লোৰ জাতীয় উৎপাদন আছিল মাত্ৰ ১০০,০০০ টন। আৰু এতিয়া আমাৰ দেশ মুক্তি হোৱাৰ সাত বছৰৰ ভিতৰতে লোৰ উৎপাদন চাৰি নিযুত টনতকৈ অধিক হৈছে। পুৰণি চীনত যন্ত্ৰ নিৰ্মান উদ্যোগ নাছিল বুলিলেই হয়। মটৰ আৰু বিমান তৈয়াৰী উদ্যোগতো নাছিলেই। আমাৰ এতিয়া এই তিনিওটা উদ্যোগেই



OKDISCD

আছে। জনগণে সাম্ৰাজ্যবাদ, সামন্তবাদ আৰু আমোলা পুঁজিবাদ উচ্ছেদ কৰাৰ পাচত চীনে পুঁজিবাদৰ ফালে ঢাল লব, নে সমাজবাদৰ ফালে ঢাল লব, এই কথাটো বস্তুতে বুজা নাছিল। ঘটনাৱলীয়ে এতিয়া উত্তৰটো দিছে : সমাজবাদেহে চীনক ৰক্ষা কৰিব পাৰিব। সমাজতান্ত্ৰিক ব্যৱস্থাই আমাৰ দেশৰ উৎপাদিকা শক্তিৰ দ্ৰুত বিকাশ ঘটাইছে। এই সত্যটো আমাৰ বাহিৰৰ শত্ৰুৱেও স্বীকাৰ নকৰি নোৱাৰে।

কিন্তু আমাৰ সমাজতান্ত্ৰিক ব্যৱস্থা আৰম্ভ হৈছেহে মাত্ৰ; ই এতিয়াও পূৰ্ণভাৱে স্থাপিত হোৱা নাই বা সুদৃঢ়ভাৱে গঢ়ি উঠা নাই। ৰাষ্ট্ৰ, ব্যক্তিগত শিল্পপতি আৰু ব্যৱসায়ী-মিলি যিবোৰ যুক্ত শিল্প সংস্থা গঠিত হৈছে; এই যুক্ত চৰকাৰী বেচৰকাৰী শিল্প আৰু বাণিজ্যিক উদ্যোগ বিলাকত পুঁজিপতিয়ে এতিয়াও তেওঁলোকৰ মূলধনৰ ওপৰত এটা নিৰ্দিষ্ট হাৰে সুত পায়, অৰ্থাৎ শোষণৰ শেষ এতিয়াও হোৱা নাই। মালিকীস্বত্বৰ ক্ষেত্ৰত এই উদ্যোগবিলাকৰ প্ৰকৃতি এতিয়াও সম্পূৰ্ণভাৱে সমাজতান্ত্ৰিক নহয়। আমাৰ কিছুমান কৃষি আৰু হস্তশিল্প উৎপাদনকাৰীৰ সমবায় এতিয়াও অৰ্দ্ধ সমাজতান্ত্ৰিক। আৰু পূৰ্ণ সমাজতান্ত্ৰিক সমবায় বিলাকতো মালিকীস্বত্বৰ সমস্যা সমাধান কৰিব পৰা নাই। সমাজতান্ত্ৰিক নীতি অনুসৰি উৎপাদন আৰু বিনিময়ৰ সম্পৰ্ক আমাৰ অৰ্থ ব্যৱস্থাৰ ভিন্ন বিভাগ বিলাকত এতিয়াও লাহে লাহে স্থাপন কৰি থকা হৈছে। সমাজতান্ত্ৰিক অৰ্থনীতিৰ যি খণ্ডত উৎপাদন উপকৰণৰ মালিকীস্বত্ব সমগ্ৰ জনতাৰ আছে আৰু যি খণ্ডত উৎপাদন উপকৰণৰ মালিকীস্বত্ব যৌথ হৈ আছে, এই দুই খণ্ডতে সঞ্চয় আৰু সম্ভোগৰ অনুপাত কি হোৱা উচিত, আৰু এটা খণ্ডৰ লগত আনটো খণ্ডৰ অনুপাত কি হোৱা উচিত তাক নিৰ্দ্ধাৰণ কৰা এটা জটিল সমস্যা। এই সমস্যাৰ সম্পূৰ্ণ যুক্তিসঙ্গত সমাধান উলিওৱাটো সহজ কথা নহয়। সংক্ষেপতে কবলৈ গ'লে উৎপাদনৰ সমাজতান্ত্ৰিক সম্পৰ্কসমূহ স্থাপন কৰা হৈছে আৰু এই সম্পৰ্কসমূহ উৎপাদিকা শক্তিৰ বৃদ্ধিৰ অনুকূল। কিন্তু এই সম্পৰ্কসমূহ এতিয়াও নিখুঁত হোৱা নাই আৰু এনে খুঁতযুক্ত অৱস্থাই উৎপাদিকা শক্তিৰ বিকাশৰ পথত দ্বন্দ্বৰ সৃষ্টি কৰিছে। উৎপাদন আৰু বিকাশমান উৎপাদিকা শক্তিৰ মাজত ঐক্য আৰু দ্বন্দ্ব থকাৰ উপৰিও সৌধ আৰু অৰ্থ নৈতিক ভিত্তিৰ মাজতো ঐক্য আৰু দ্বন্দ্বই বিৰাজ কৰিছে। ৰাষ্ট্ৰীয় ব্যৱস্থা জনতাৰ গণতান্ত্ৰিক





একনায়কত্বৰ আইন—কানুন আৰু মাৰ্ক্সবাদ-লেনিনবাদৰ দ্বাৰা পৰিচালিত সমাজবাদী আদৰ্শক লৈ গঠিত হোৱা সৌধে ( superstructure ) সমাজতান্ত্ৰিক পৰিবৰ্ত্তনৰ বিজয় লাভ কৰাত আৰু শ্ৰমৰ সমাজতান্ত্ৰিক সংগঠন স্থাপন কৰাত সক্ৰিয় অংশ গ্ৰহণ কৰিছে; ই সমাজতান্ত্ৰিক অৰ্থ নৈতিক ভিত্তিৰ অৰ্থাৎ উৎপাদনৰ সমাজতান্ত্ৰিক সম্পৰ্কৰ কাৰণে উপযোগী। কিন্তু য'তেই বুৰ্জোৱা আদৰ্শৰ জেৰ ৰৈ গৈছে, য'ত ৰাষ্ট্ৰযন্ত্ৰৰ কিছুমান কাৰ্য্য সম্পাদন পদ্ধতি আমোলাতান্ত্ৰিক আৰু য'ত ৰাষ্ট্ৰ প্ৰতিষ্ঠান বিলাকৰ সংযোগ ব্যৱস্থাৰ মাজত খুঁত ৰৈ গৈছে, ত'তে ত'তেই সমাজতান্ত্ৰিক অৰ্থ নৈতিক ভিত্তিৰ সতে দ্বন্দ্বই দেখা দিছে। আমাৰ বিশেষ অৱস্থাৰ পৰিপ্ৰেক্ষিতত আমি এই দ্বন্দ্বসমূহৰ সমাধান কৰি যাব লাগিব। এই দ্বন্দ্বসমূহৰ সমাধান হোৱাৰ পাচত অৱশ্যে নতুন দ্বন্দ্বই দেখা দিব। সেয়ে নতুন দ্বন্দ্বৰ সমাধানৰ কাৰণে অধিক প্ৰচেষ্টাৰ প্ৰয়োজন হব। উদাহৰণস্বৰূপে সমাজৰ চাহিদা আৰু উৎপাদনৰ মাজত থকা দ্বন্দ্বৰ যোগেদি অবিৰাম উৎপাদন আৰু সামাজিক চাহিদাৰ সংগতি ৰক্ষা কৰাৰ আৱশ্যক। সমাজৰ চাহিদাৰ লগত উৎপাদনৰ এই দ্বন্দ্ব বাস্তৱ সত্য (Objective reality) ৰূপে বহুদিন থাকিব। সঞ্চয় আৰু সম্ভোগৰ মাজৰ সঠিক অনুপাত নিৰ্ণয়ৰ কাৰণে আৰু উৎপাদন আৰু চাহিদাৰ মাজৰ ভাৰসাম্য ৰক্ষাৰ কাৰণে প্ৰত্যেক বছৰে আমাৰ দেশত একোটা অৰ্থ নৈতিক পৰিকল্পনা ৰচনা কৰা হৈছে। দুটি বিপৰীতৰ মাজৰ অস্থায়ী, আপেক্ষিক ঐক্যই হৈছে ভাৰসাম্য। প্ৰত্যেক বছৰৰ শেষত এই সামগ্ৰিক ভাৰসাম্যক বিপৰীতৰ সংগ্ৰামে ওলোটা কৰি দিয়ে; ঐক্যৰ সলনি হয়; ভাৰসাম্য হৈ পৰে ভাৰবৈষম্য, ঐক্য হয় অনৈক্য, ফলত পৰৱৰ্ত্তী বছৰৰ কাৰণে ভাৰসাম্য আৰু ঐক্য স্থাপনৰ আৱশ্যকতা আহি পৰে। আমাৰ পৰিকল্পিত অৰ্থ নীতিৰ শ্ৰেষ্ঠতা ইয়াতেই প্ৰকাশ পায়। বস্তুতঃ, প্ৰত্যেক মাহে বা তিনিমাহে এই ভাৰসাম্য আৰু ঐক্য আংশিকভাৱে ভাঙি যায় আৰু আংশিক সাল-সলনিৰ আৱশ্যক হৈ পৰে। কেতিয়াবা আমাৰ আত্মনিষ্ঠ ( Subjective ) ব্যৱস্থাবোৰে বস্তুনিষ্ঠ সত্যৰ ( বাস্তৱৰ ) লগত নিমিলে, দ্বন্দ্বই দেখা দিয়ে আৰু ভাৰসাম্য নষ্ট হয়; ইয়াকে তেতিয়া আমি ভুল কৰিছোঁ বুলি কওঁ। অনবৰত দ্বন্দ্বই দেখা দিবই লাগিছে, আৰু অনবৰত দ্বন্দ্বৰ সমাধান হবই লাগিছে আৰু এয়ে হৈছে বস্তুৰ বিকাশৰ দ্বন্দ্বাত্মক নীতি।

বৰ্ত্তমান পৰিস্থিতিৰ ৰূপ এইদৰে লৈছে : আগৰ বিপ্লবী সময়ৰ জনগণৰ



OKDISCD

মাজত ব্যাপক আৰু প্ৰচণ্ড শ্ৰেণী সংগ্ৰামৰ যৱনিকা প্ৰধানতঃ পৰিছে, কিন্তু শ্ৰেণী সংগ্ৰাম একেবাৰে শেষ হোৱা নাই। নতুন ব্যৱস্থাক আদৰণি জনালেও ব্যাপক জনতাই এতিয়াও পূৰ্ণভাবে ইয়াৰ লগত অভ্যস্ত হ'ব পৰা নাই। চৰকাৰী কৰ্মীৰ যথেষ্ট অভিজ্ঞতা হোৱা নাই; তেওঁলোকে বিশেষ নীতিসমূহৰ বিষয়ে অধিক অধ্যয়ন আৰু অনুসন্ধান কৰি যাব লাগিব। আন কথাত, আমাৰ সমাজতান্ত্ৰিক ব্যৱস্থা সুপ্ৰতিষ্ঠিত আৰু সুদৃঢ় হ'ব'লৈ সময় লাগিব। চৰকাৰী কৰ্মীসকলৰো শিকিবলৈ আৰু অভিজ্ঞতা অৰ্জন কৰিবলৈ সময় লাগিব। জনতাৰ মাজৰ দ্বন্দ্ব আমাৰ আৰু শত্ৰুৰ মাজৰ দ্বন্দ্বৰ লগত পাৰ্থক্য কি আৰু জনতাৰ দ্বন্দ্বসমূহৰ সঠিক সমাধান কি, এনে প্ৰশ্ন তোলা বৰ্ত্তমান অৱস্থাত আমাৰ কাৰণে অৱশ্যম্ভাৱী হৈ পৰিছে। এই প্ৰশ্নৰ সমাধানে প্ৰকৃতিৰ বিৰুদ্ধে নতুন সংগ্ৰাম চলাবলৈ আমাৰ দেশৰ সকলো জাতি-উপজাতিৰ মানুহক ঐক্য-বদ্ধ কৰিব। এই সংগ্ৰামৰ যোগেদি আমাৰ অৰ্থনীতি আৰু সংস্কৃতিয়ে বিকাশ লাভ কৰিব। এইদৰে গোটেই জাতিটোৱে সহজভাৱে ৰূপান্তৰৰ সময়ছোৱা অতিক্ৰম কৰিব পাৰিব, আৰু আমাৰ নতুন ব্যৱস্থাক সুদৃঢ় কৰি আমাৰ নতুন ৰাষ্ট্ৰক গঢ়ি তুলিব পাৰিব।

( আগলৈ )



# এইবাৰৰ বানপানী (লোকগীত)

[ এই গীতটিৰ ৰচক কমাৰকুছিৰ (কামৰূপ) মঃ হৰমুজ আলী নিজে এজন লোকগীতৰ সাধক। ঘৰুৱা অৱস্থা বেয়া বাবে তেখেতৰ সংগীত চৰ্চ্চাত বহু ব্যাঘাত ঘটিছে। আনহাতে গঞা ৰাইজৰ দুখদুৰ্দ্দশাৰ চিনাকী তেওঁ হাতে হাতে পাইছে। তলত দিয়া গীতটি তেওঁ যোৱা বানপানীৰ সময়ত ৰচনা কৰে, আৰু আশ্ৰয়হীন ৰাইজে মথাউৰিৰ ওপৰত আশ্ৰয় লোৱাত তেওঁলোকক গাই শুনায়। তেওঁৰ গীতৰ ভাষা সৰল-সহজ অথচ জীৱন্ত: সম্পাদক ]

ইবাৰৰ বানপানী
কত যে মৰে প্ৰাণী
মৰাশ পানীত ভাহি যায়, মোৰ আই
ঐ মৰাশ পানীত ভাহি যায়।
ঘৰৰ ওপৰত পানী
গ'ল সকলো কাপোৰ কানি
খাবলৈ পেটত ভাত নাই॥
ধান চাউল পচিল
পানীৰ তলতে গুচিল,
খেতি পথাৰ পচি যায় মোৰ আই
ঐ খেতিপথাৰ পচি যায়।
গৰু ছাগলী কুকুৰ মেকুৰী
পানীতে গ'ল মৰি
হাঁহচৰাই কত মৰি যায়॥
সাজ বাচন হেৰায়
কেঁথাকাপোৰ পচি যায়
কি চাবা ৰাইজৰে বিলাই
ঐ গোসাঁই ঐ, কি চাবা ৰাইজৰে বিলাই॥

কুকুৰা বতাহত
পানীৰ ঢৌ দেখি যেন কালসাগৰত
ঘৰ দুৱাৰ ভাঙি পৰি যায়।
কত যে পানীত পৰে
কোনে কাক তুলি ধৰে
কি চাবা জীৱৰে বিলাই
মোৰ আই ঐ
কি চাবা জীৱৰে বিলাই।
লৰা-ছোৱালী পানীত পৰে
আই-পিতায়ো ধৰি মৰে
শগুণে কত মৰা খায়।
হায় মোৰ কপাল
কিনো পানী যম কাল
কান্দি বিনায় গিৰিঘৰীয়াই, মোৰ আই
ঐ কান্দি বিনায় গিৰিঘৰীয়াই॥

*　　*　　*

চাউলৰ কিলো আঢ়ৈ টকা
কিমতে বাচি থাকা
সিওতো পাবলৈ নাই।
লৰা-ছোৱালীৰ কান্দোন শুনি
ওলাই যায় চকুৰ পানী
ৰজাঘৰীয়াক ফি'ৰি ফিৰি চায়, মোৰ আই
ঐ ৰজাঘৰীয়াক ফি'ৰি ফিৰি চায়॥
ৰাতি আহি পানী ভৰে
ভেল বনোৱাৰ উপায় হৰে
কোনোৰে মথাউৰিত যায়।
বৰষুণত তিতি বুৰি
ৰ'লগৈ কঁপি থৰথৰি
কি দশা কৰিলে গোসাঁই, মোৰ আই
ঐ কি দশা কৰিলে গোসাঁই॥



# গীত

বিৰাজ মোহন ৰায়

এমুঠি চাউলৰ বাবে আই তই
পদূলিত আচহি ৰই
তোৰ বাবে যে মানুহ এটিও নাই
গুচি যা অহা বাটে তই॥
শুকান মুখনি তোৰ বই পৰা চকুলোৰ
ভাষা বুজি পাব কবি নাই।
দৰদী শিল্পী নাই অমৰ তুলিয়ে যাৰ
তোৰ কথা সমাজক দিব সোঁৱৰাই,
নেতা আছে নেতৃত্ব নাই
কথা আছে প্ৰাণ নাই
দুখ মাথো পিচে পিচে
আছে তোৰ ৰই॥
যোজনা-পৰিকল্পনা কিমান যে হৈ গ'ল
মানুহবোৰো হেনো বহু আগ বাঢ়ি গ'ল।
ভগা প জাটিৰ তোৰ আৰু কগ্ন পোনাটোৰ
কিয় বাৰু আই হেৰ একোটি নহ'ল ?
দুখৰ হুমুনিয়াহ মাথো
অধিক গভীৰ হৈ
বই পৰা চকুলো তোৰ
ৰল কিয় বই॥

—×—



OKDISCD

# কবি

নলিনীধৰ ভট্টাচাৰ্য্য

আজি ৰাতি
মোক তোমালোকৰ কবি কৰা
তোমালোক সূৰ্য্য
এদিন উদয় হ'বা,

মোক তোমালোকৰ কবি কৰা
তোমালোক পদুম ফুল
এদিন ফুলিবা,

মোক তোমালোকৰ কবি কৰা
তোমালোক ধুমুহা
এদিন প্ৰচণ্ড গতিৰে যাবা,

আজি ৰাতি
মোক তোমালোকৰ কবি কৰা
তোমালোক দৃষ্টি
এদিন ভবিষ্যত চিনি পাবা।

—×—



# সিহঁতৰ প্ৰতি ক্ষোভত

পুণ্ডৰীকাক্ষ ভৰালি

আকনো কিমান শুনিম
মূঢ় এজাক বলিৰ পঠাৰ করুণ অৰ্তনাদ।
মুক্তিৰ দাবানল যদিওবা জ্বলি উঠে
সিহঁতৰ শৃঙ্খলিত দেহৰ প্ৰতি ৰন্ধ্ৰে ৰন্ধ্ৰে
তথাপি
মৃত্যুৰ চৰম মুহূৰ্ত্তটিৰ উপস্থিতিৰ দুঃসময়ত
সিহঁতে দলে দলে
মূৰবোৰ সুমুৱাই দিয়ে
সুপ্ৰাচীন কোনো মন্দিৰৰ এচুকত পৰি ৰোৱা
বলিশাললৈ
সিহঁতৰ ছিন্ন মূৰবোৰ লবলৈ লৈ অহা কলাপাত একোখিলাকে
আহাৰ বুলি ভুল কৰি
ভুল কৰি............

—×—



OKDISCD

# অনুমিত জাগৃতি

মৃদুল কুমাৰ দাস

তোৰ মঙহত মোৰ তেজৰ চেকুৰা।

ভাবিছ নেকি বৈছে বুলি
তোৰে মোৰে ধমনীত
একেবোৰ তেজ?
নহয় মুৰ্খ।
নেভাবিবি তই মোৰ বংহ
নেভাবিবি তই মোৰ আপোন মনৰ।

তোৰ মঙহত মোৰ তেজৰ চেকুৰা।

উত্তৰাধিকাৰ স্বত্বত তাক তই পোৱা নাই
নেভাবিবি তোৰ অক্তোপাচৰ আচৰণ মোৰ অগোচৰ
নেভাবিবি কিবা কৰি সাৰি যাবি বুলি।

তোৰ মঙহত মোৰ তেজৰ চেকুৰা।

তই শুহি নিয়া মোৰ তেজৰ চেকুৰা।
মই জানো সেই তেজ মোৰ;
মই চেতনা পাইছো।
আৰু
তাক মই ঘূৰাই বিচাৰো।
সেয়ে তোক মোক ওচৰতে লাগে
মোৰ বজ্ৰ কঠোৰ হাতৰ চেপেনাৰ
মাজতে লাগে
মোৰ চেতনাৰ উন্মেষৰ এই
মুহূৰ্ত্ততে লাগে।



# আধুনিক

উপেন নাথ

মাছহীন পুখুৰীত জাকৈ বালো,
তুৰৰি বনতে আমি উজুটি খালো,
কঁচুপাতৰ পানীকে মুকুতা বুলি
বুটলিব খোজোতেই হেৰুৱালো॥

যিখন পথাৰ মাথো মৰুভূমি
শিল আৰু বালিৰেই ভৰা,
আশাৰ সপোন ৰচি তাতেই আমি
ভাবিছিলো সেউজী সুৰনি ধৰা॥

চৌদিশ ধুলিভৰা জীৱন্ত ভ্ৰূকুটি
বই আনে বাধাহীন 'চাইমুম লু'
মৰীচিকা খেদি খেদি ভাগৰি পৰি
দেখা পাওঁ তুচকুত আকাশৰ 'ব্লু'।

বুজি পালো সময়ৰ সকিয়নি সুৰ
মাছহীন পুখুৰীত নভৰে খালৈ,
হলে হব পাৰে সো মেকুৰী জনীৰ
পেটৰ ভোকতে বহু আলৈ-বিলৈ॥

—×—



OKDISCD

# বেদনা

তৰুণ চন্দ্ৰ ৰাজখোৱা

মোৰ মনত নাই
জন্মৰ বেদনা

ঘোলা কণীৰ কুহুমত যাৰ জন্ম
মৃত্যু তাৰ মকৰা এটাৰ দৰে

মোৰ মনত নাই
মৃত্যুৰ বেদনা॥

—×—



# নতুন পৃথিবী

ডঃ হেৰম্ব প্ৰসাদ শৰ্ম্মা

নতুন পৃথিবী নতুন সমাজ
যুগে যুগে তাৰ চলিছে প্ৰয়াস,
কত ভঙ্গা গঢ়া
কত যে বিপ্লৱ
কত যে তেজৰ ধাৰা
চলিছে ধৰণী বুকে
স্মৃতি আছে পৰি
বুৰঞ্জীৰ পাতে পাতে।

দৰিদ্ৰতাৰ কত আন্দোলন
পৰাধীনতাৰ যত জাগৰণ
মুক্তিৰ হকে শক্তি আহৰণ
চলিছে অহৰ্নিশে
আকাশে বতাহে
প্ৰতি ঢৌয়ে ঢৌয়ে
গহীন গভীৰ গুৰু গৰজনে
বাতৰি বিলাই আছে।

আনপিনে এক বিৰাট চক্ৰ
আমোলা পতিৰ আমোলা তন্ত্ৰ
শোষণকাৰীৰ যত ষড়যন্ত্ৰ
চলিছে ৰাতিয়ে দিনে ;
দীনতুনিয়াৰ যত দীন হীনে
তুখৰ বোমাৰ অসহ্য বেদন
মুতুলি হুঙ্কাৰ নকৰি নিনাদ
সহিছে নীৰৱে গোপনে।



OKDISCD

আহিব যি দিন বিপ্লৱৰ ঢৌ
জাগৰিত হব বিশ্বৰ সৌ
শোষণ শাসনে জৰ্জৰিত জনতা—
মথিমূৰ কৰি শোষণ যন্ত্ৰ
কুচক্ৰীৰ যত ষড়যন্ত্ৰ,
আহিব ধৰণীত নতুন তন্ত্ৰ
নতুন পৃথিবীৰ শত জীৱনৰ সাধনা।

আবৰ্জনা যত উটুৱাই নি
মলিনতা যত আঁতৰাই দি
সংকীৰ্ণতাৰে ভৰা প্ৰাক্ সমাজৰ
বাধাৰ প্ৰাচীৰ ভাঙ্গি
আহিব বিপ্লৱ জগৎজুৰি
মুক্তিৰ পথ মেলি
পথৰ কণ্টক দলি।

সেইদিন— অসীম সাগৰে অসীম পুলকে খেলিব
বিশ্বভুলোকে অক্ষত তুলি হাঁহিব।
উৰ্ম্মিমালাৰ সূৰ্য্য কিৰণ
প্ৰজ্বলিত হব হিৰণ বৰণ
বিঘিনি বিপদ দুঃখমৰণ
ফেনে-ফোটোকে ভাঁহিব,
বলীয়া বতাহ বলীয়াৰ দৰে
হাঁহাকাৰ কৰি পলাব।

—×—



# স্ফুলিঙ্গ

ডঃ নীলিমা শৰ্ম্মা

আৰু অলপ সময় কদমৰ শুই লবৰ মন গ'ল। কিন্তু এয়া ঠিক শোৱা নহয়, কেবল পৰি থকা। মোচাফিৰে জগাই দিয়াৰ পাছত দহ মিনিটমান সময় বিছনাখনত বাগৰি, গাৰুটোত মুখখন গুজি, টোপনিৰ আমেজকণ ধৰি ৰখাটো কদমৰ পুৰণি অভ্যাস। আচলতে তাৰ ৰাতিপুৱা সোনকালে উঠিবৰে মন নেযায়। তথাপি পাঁচ বজাত নুঠিলে নচলে। চাৰে ছয় বজাৰ লগে লগে খানাপাৰাত জগন্নাথে "গাড়ী" খাড়া কৰোৱাৰ নিয়ম। গতিকে ইচ্ছাক পূৰণ কৰাৰ উপায় নাই। কেইটামান মুহূৰ্ত্ত কম্বল আৰু গাৰুৰ উমৰ মাজত কটাবলৈ কদমে যত্ন কৰিলে। মানে আজি সি তাৰ দুশ্চিন্তাক পুৰঠ হ'বলৈ কিছু সময় বঢ়াই দিলে। যোৱা তিনিটা নিশাৰ দৰে তৰাৰ স্মৃতিয়ে তাৰ বুকুৰ পীড়া বঢ়াই তুলিলে। উঠো নুঠোকৈ কদম উঠিল। যোৱা নিশাৰ ভয়াবহ সপোনে বিৰক্ত কৰা পাতল টোপনিয়ে তাৰ শৰীৰৰ ক্লান্তি আতৰাব নোৱাৰিলে। ৰাতিপুৱা উঠাৰ পাচত অনুভৱ হ'ল,—আধা ঘণ্টা যেন শুবলৈ বাকী থাকি গ'ল। কদমে মোচাফিৰৰ চৌকাত এঙাৰ এটা বিচাৰিলে। দাঁত কেইটা এঙাৰেৰে মাজি মাজি সি টিউবৱে'লটোৰ কাষ পালেগৈ। টিউবৱে'লৰ কাষত সেই সময়ত ভিৰ নেথাকে। সাত বজাৰ লগে লগে পানী ভৰাবৰ কাৰণে হেঁটা ওপৰা লাগে। তৰাৰ ঘুৰণীয়া, পুৰঠ মুখখন তাৰ মনৰ সন্মুখত স্পষ্টৰ পৰা স্পষ্টতৰ হ'ল। কদমৰ বুকুখন জ্বলিবলৈ ধৰিলে। দুচকু পুৰি উঠিল। সি জোৰেৰে চকুত পানী মাৰিবলৈ ধৰিলে। লগে লগে কদমে প্ৰতিজ্ঞা কৰিলে, সি প্ৰতিশোধ ল'ব। ল'বই। সকলো জুই লগাই ছাৰখাৰ কৰি দিব।

মোচাফিৰে চাহ বাকিছিল। ৰঙা চাহ। লগত দুটা বিস্কুট। কদমৰ শুকান মুখলৈ চাই মোচাফিৰৰ দয়া হ'ল। কলে, "দুখ নকৰিবি ভায়া। চব ভগৱান কা মৰ্জ্জি!" ভগৱানৰ নামত কদম গৰ্জ্জি উঠিল, "চাল্লা, ভগৱান ভগৱানৰ নাম নল'বি! তাক বেটা পোৱা হ'লে পিটি দিলো হয়!" মোচা-



OKDISCD

ফিৰে বুজিলে, ভায়াৰ মেজাজ বেয়া। হৃদয় ভগা! যোৱা লাগোতে সময় লাগিব। কথাত কথা নবঢ়াই মোচাফিৰে গুণ গুণালে, "জিন্দেগী এক সফৰ হ্যায় সুহানা, ইহা কল ক্যা হ' কিছনে জানা!" কদমে ফটা পেণ্টটো সলাই তেল চিকটি লাগি লেতেৰা হোৱা, ক'লা বৰণৰ পৰা ধুসৰ বৰণ লোৱা তাৰ একমাত্র ভাল টাইট্ পেণ্টো পিন্ধি ল'লে। মদৰুৱা বনিয়নটোৰ আগ-ভালে পিছফালে থকা সাতখনমান খিড়ীকি ঢাকি দিলে তাৰ ওপৰত ৰঙা আৰু কলপতীয়া আঁচটনা কামিজটো পিন্ধি। পেণ্টৰ পকেটৰ পৰা বিড়ি এটা উলিয়াই কদমে চৌকাৰ জুইত জ্বলাই ল'লে। ধূলি লাগি লাগি ঠৰঙা হোৱা চুলিখিনিত প্লাষ্টিকৰ সৰু ফণিখন বুলাই ল'লে। ভৰিত নীলা ৰঙৰ হাৰাই চপ্পলযোৰ সুমুৱাই, বেগাবেগিকৈ কদম সিহঁতৰ ছিটি বাছখনৰ মালিকৰ ঘৰৰ ফালে গ'ল। জগন্নাথে ইতিমধ্যে কিজানি বাছত ষ্টাৰ্ট দিবলৈ লৈ, ঘনে ঘনে খিড়ীকিৰে চাইছে, কদম আহিছে নে নাই। হেণ্ডিমেন কালুৰ বিশেষ দিগদাৰি নাই। সি ছিটিবাছৰ ভিতৰতে শোৱে। তাৰ প্ৰাতঃ ক্রিয়া আৰম্ভ হয় সাধাৰণতে খানাপাৰাত সিহঁতৰ বাছখনে নিৰ্দ্দিষ্ট ঠাই লোৱাৰ পাচত। মালিকৰ ঘৰৰ পৰা বাছখন সিহঁতে কেতিয়াবা ছয় বজাত, কেতিয়াবা ছয় বজাৰো আগতে উলিয়াই নিয়ে। অৱশ্যে সিমান আগতে উলিয়াই নিনিলেও চলে। কাৰণ, খানাপাৰাত সাধাৰণতে সাত বজালৈকে 'টাইম কীপাৰ'ৰ দেখা সাক্ষাতেই নেথাকে। কিন্তু মালিকৰ চকুৰ আগত সতৰ্কতা দেখুৱাত সিহঁতে কাৰ্পণ্য নকৰে।

গেটৰ মুখৰ পৰা কদমে দেখিলে, কালুৱে মচি মচি বাছখনৰ মেৰুণ ৰংটো উজ্জ্বল কৰি তুলিছে। ভিতৰখন সি হয়তো কেতিয়াবাই সাৰিছে। কদমে প্ৰকাণ্ড লোহাৰ গেটখন খুলি সোমাই গ'ল। বাৰাণ্ডাৰ আৰামী চকীত মালিক আছিল। সি দিও নিদিওকৈ চালামটো দিলে। মালিকে কৰ্ত্তৃত্বৰ সুৰত সুধিলে, "তইতো কালিয়ে অহাৰ কথা আছিল! তিনিদিনৰ ঠাইত চাৰিদিন কৰিলি কিয়?" তাৰ উদ্‌ভ্ৰান্ত দৃষ্টিটো তুলি কদমে ক'লে, "তৰা চাৰি দিনৰ আগতে মৰিল। সেইকাৰণে দেৰি হ'ল।" মালিক যেন কিছু বিচলিত হ'ল। সুধিলে "কেনেকৈ?" কদমে ক'লে, "আপোনঘাতী হৈ।" মালিকে আৰু একো নুসুধিলে। কদমে জানে, মালিকৰ ঘৰত থোৱা হলেও তৰাই আপোনঘাতী





হৈয়ে মৰিলেহেতেন। কাৰণ, যোৱা বেলিৰ আগৰ বেলি মালিকৰ বৰ জীয়েকৰ বিয়াত ইথন সিখন কৰি দিবলৈ বুলি তৰাক তিনি দিনমান সি মালিকৰ ঘৰত থৈছিল। বিয়া ভগাৰ পাচত আচুতিয়াকৈ মাতি নি তৰাই কৈছিল, "ককাইটি, তই আজি মোক যেনে তেনে ঘৰত থৈ আহগৈ।" সি সুধিছিল, "কেলেই,—তোৰ ইয়াত বেয়া লাগিছে নেকি? আমাৰ মালিক—মালিকনী দেখোন বৰ ভাল মানুহ?" তৰাই মুখ বিকটাই কৈছিল, "ভাল? সেই মালিকপাত বৰ বজ্জাত? অকলশৰে পালেই গাত হাত দি দিব খোজে!" তৰাৰ মুখত সেই আযাৰ শুনাৰ পাচত মালিকৰ ওপৰত তাৰ সকলো আস্থা হেৰাই গৈছিল। মুখৰ ভিতৰতে কদমে ভোৰ ভোৰাইছিল, "চালা চব হাৰাম-জাদা! চব বেইমান!" সি ৰাতিপুৱাৰ বেলত গৈ তৰাক ঘৰত থৈ আহি-ছিল গৈ। তেতিয়া বৌটি জীয়াই আছিল। কথা সুকীয়া আছিল। বৌটি জীয়াই থাকোতে পা-পইচাৰ লেঠাটোৱেই ডাঙৰ লেঠা আছিল। কিন্তু বৌটি মৰি বেলেগ কিছুমান লেঠা বঢ়াই থৈ গ'ল।

জগন্নাথে বাছত ষ্টাৰ্ট দিলে। বাছত ইতিমধ্যে নতুন বেটেৰী লগালে। গতিকে ৰাতিপুৱাই হেন্দেল্ মৰাৰ জঞ্জাল নাই। কদম আৰু কালু আগৰ ছিট এটাত বহিল। পুৱাৰ আলিবাট নীৰৱ হৈ আছে। জগন্নাথে বাছৰ গতি বঢ়াই দিলে। উদং বাছখনে বিচিত্র আৱাজ কৰি খানাপাৰাৰ ফালে আগুৱালে। বাটত সিহঁত তিনিও এটাও কথা নেপাতিলে। নীৰৱতাই যেন সিহঁতৰ মনৰ কথাবোৰ বৰ স্পষ্টকৈ কৈ গ'ল।

খানাপাৰাত বাছখন লাইনত থৈ, তিনিও কঙৰ দোকানত চাহ খাবলৈ গ'ল। মুখ, হাত ধুই ল'বলৈ বুলি কালু কঙৰ দোকানৰ পিচ ফাল পালেগৈ। তামোলেৰে ৰঙা তেজাল ওঁঠত মিচিকি হাঁহিটো বিৰিঙাই কঙে সিহঁতলৈ চেনী, গাখীৰ দিয়া সোণালী ৰঙৰ 'স্পীচেল' চাহ তিনি কাপ লৈ ওলাই আহিল। পিচে পিচে থাল এখনত 'জিং বাম্' কেইটামান লৈ সাত বছৰীয়া জীয়েক প্ৰিন্সিলা। দুয়োৰে দেহত পকা ঠেকেৰাৰ বৰণ। কঙৰ তেজাল হাঁহিটো দেখিলে কদমৰ এনেয়ে 'মৰি যাওঁ' যেন লাগে। তীৰ খেলত জিকিলে সেই পইছাৰে 'কাকিয়াদ্' খাই কঙৰ লগত 'ফুৰ্ত্তি মৰা' যায়। কদমৰ তেনে ফুৰ্ত্তিৰ প্ৰতি অদ্ভুত এক নিচা আছে। আজি কিন্তু কঙৰ মুখখন তাৰ বৰ



OKDISCD

আচহুৱা লাগিল। কণ্ডৰ দৰে স্ফুৰ্ত্তিবোৰ তৰাই সহ্য কৰিব নোৱাৰিলে। সেইবাবে তাই আপোনঘাতী হ'ল। কিন্তু তৰাই সেইদৰে নিজক নেমাৰি, মুখ খুলি ফটফটিয়াকৈ যদি তাক কথাবোৰ ক'লেহেতেন! সি চালা হৰগোবিন্দ দাসৰ জান খাই ল'লেহেতেন! কিন্তু হৰগোবিন্দ দাস নহ'বওতো পাৰে! তেওঁৰ ডেকা পুতেক গজেন হ'ব পাৰে! নাইবা তেওঁৰ ঘৰৰ আন কোনোবাও হ'ব পাৰে। যাদব মাষ্টৰে শটো মৰণোত্তৰ পৰীক্ষাৰ কাৰণে পঠাবলৈ কৈছিল।

তৰাক লৈ দহে বু—বু—বা—বা কৰক সেয়া কদমে সেই মুহূৰ্ত্তত নিবিচাৰিলে। সেই দুৰ্ব্বল, অসহায় মুহূৰ্ত্তত হৰগোবিন্দ দাসৰ দিহা মতে তৰাক সৎকাৰ কৰিবলৈ সিহঁতে লৈ গ'ল। তৰাক সৎকাৰ কৰি, ঘৰখনৰ শূন্যতালৈ সোমাই আহোতে তাৰ মগজত এটা প্ৰশ্ন জিকাৰ খাই উঠিল,—সি এয়া কি কাম কৰিলে? সি যাদব মাষ্টৰৰ নিৰ্দ্দেশ কিয় নেমানিলে? অন্ততঃ আত্মহত্যাৰ কাৰণটো জানিব পাৰিলেহেঁতেন। কিজানিবা তাই আত্মহত্যা কৰাই নাছিল। কিজানিবা তাইক কোনোবাই চলনা কৰি বলেৰে পুখুৰীত পেলাই দিলে। এটাৰ পাচত এটাকৈ হেজাৰটা প্ৰশ্নই তাক উন্মাদ কৰি তুলিলে। সি বিমূঢ় হৈ যাদব মাষ্টৰৰ ঘৰলৈ দৌৰিলে। মাষ্টৰৰ ভৰি দুটাত ধৰি ক'লে, "মই এইয়া কি কচুৰ কৰিলো মাষ্টৰ দেউতা? মই কিয় আপোনাৰ কথা নুশুনিলো? কোনোবা বেইমানে তৰাৰ জান খালে। তাই নিজে মৰা নাই। তাইক মৰিবলৈ কোনোবা চালাই বাধ্য কৰালে। নহলে তাই মোক কিনে চব কথা জনালেহেঁতেন।" মাষ্টৰে তেওঁৰ হড়লা আঙুলি কেইটা কদমৰ ৰুক্ষ চুলিত বুলাই দি ক'লে, "শোক নকৰিবি। যিটো কৰা হৈ গ'ল, তাৰ বাবে খেদ কৰি লাভ নাই। তোক মই কেতিয়াবাই গাভৰু ছোৱালী জনীক ঠিকাদাৰৰ ঘৰত লিগিৰী খাটিবলৈ দিবলৈ মানা কৰিছিলো। আমাৰ 'সেৰিকা সদন'ত থ'বলৈ দঢ়াই কৈছিলো। নুশুনিলি। তহঁতে চহকীৰ শ্ৰেণীটোক দেৱতা যেন দেখ। নিজক তহঁতি সদায় গোলাম বুলি ভাব। গোলামী মনোভাব এৰি নিজকে মানুহৰ আসনত থিয় কৰাব নোৱাৰিলে তহঁতৰ দুখৰ কোনো কালেই ওৰ নপৰিব। তহঁতি বুজিব লাগিব মানুহৰ সমাজ এখনেই। তাত গোলাম আৰু মালিকৰ শ্ৰেণী বিভাগ নাই। ...।" যাদব মাষ্টৰে আৰু কিবা কিবি কৈছিল। মাষ্টৰৰ কথাবোৰ সি ভালকৈ বুজি পোৱা নাছিল। মাষ্টৰৰ কথাৰ পৰা সি এটা





কথা বহু পলমকৈ বুজি পালে, হৰগোবিন্দ ঠিকাদাৰৰ কথাত ভোল গৈ তৰাক তেওঁৰ ঘৰত লিগিৰী খাতিবলৈ দি সি আটাইতকৈ ডাঙৰ ভুলটো কৰিলে।

চাহৰ পৰ্ব্ব শেষ কৰি সিহঁত বাহিৰৰ উমলগা ৰ'দ জাকলৈ ওলাই আহিল। কালুৱে নীৰৱতা ভাঙি কওঁ নকওঁকৈ ক'লে "তোৰ খবৰটো শুনি বৰ খাৰাপ লাগিছে দাদা। তই মন খাৰাপ নাকৰিবি।" জগন্নাথে সুধিলে, "তেৰা বহন্‌কো ক্যা হুৱা থা?"

—"ক'ব নোৱাৰো। মই ঘৰ পাওঁতে সকলো খতম। তাইৰ লাচটো কিনে পুখুৰীৰ পৰা আনি চাঙীত তুলি থৈছে। হৰগোবিন্দ ঠিকাদাৰে পুখুৰীত পৰি আপোনঘাটী হল বুলিলে। যাদব মাষ্টৰে লাচটো কিনে ডাক্তৰৰ হতুৱাই পৰীক্ষা কৰাবলৈ কৈছিল। মই চালা সেই ঠিকাদাৰটোৰ কথা শুনি তাইক জ্বলাই দি থৈ আহিলো।"—

জগন্নাথে আশ্বাস দিলে, "আৰে মোত আয়া ত' গয়া! মোতকো কৌন ৰুক চেক্তা? ফিকৰ মত্ কৰ ভায়া! একৰোজ হমলোগ্‌কো ভি ত' জানে পৰেগা! আৰে ইনচান্‌কা এহি কিচমত হ্যেয় চমঝে?" কদম মনে মনে থাকিল। তাৰ বুকুখন বৰ গধুৰ লাগিছে। তাৰ আজিকালি 'কিচমত্' 'ভগবান', এই শব্দবোৰ শুনিলে গা জ্বলি যায়। যাদব মাষ্টৰৰ কথাই সঁচা। এই দুনিয়াত সকলো মানুহ সমান। সকলোৰে একেদৰেই ভোক লাগে, দুখ লাগে, ৰং লাগে। মৰিলে খেলা খতম!

কদমে তৰাৰ মৃত্যুৰ সাম্ভাব্য কাৰণটো জগন্নাথহঁতৰ আগত ভেদ ভাঙি কোৱাৰ অনুভব নকৰিলে। মৌখিক সান্ত্বনা দিয়াৰ পৰিবৰ্ত্তে সিহঁতে তাক দুখৰ পৰা পৰিত্ৰাণ পোৱাৰ কোনো উপায় দিব নোৱাৰে। তৰাক এটা ভাল দৰা চাই উলিয়াই দিয়াৰ সপোন সি প্ৰায়ে দেখিছিল। সকলো ছাৰখাৰ হল। কদমে তাৰ মনৰ আটাইবোৰ কথা দৰ্পক ফঁহিয়াই ক'ব। দৰ্প তাৰ দোস্ত। দৰ্পই চহৰৰ আটাইতকৈ পুৰণি চৰকাৰী কলেজটোত বিয়েৰাৰ কাম কৰে। বিপদে আপদে দুয়ো দুয়োকে সদায় সহায় কৰি আহিছে। সি ঘৰলৈ দুই তিনিদিনৰ ছুটীত গ'লে, তাৰ ঠাইত প্ৰায়ে দৰ্পক সুমুৱাই থৈ যায়। দৰ্পই ডিপাৰ্টমেণ্টৰ মুখিয়াল জনৰ চকুত ধুলি মাৰি সেই দুই-তিনিটা দিন ছিটি বাছৰ কণ্ডাক্টৰী কৰি দুপইছা ৰাহি কৰে। দুয়ো তীৰৰ টিকট কিনে। জিকিলে একেলগে স্ফুৰ্ত্তি কৰে।



OKDISCD

সাত বজালৈ 'টাইম কীপাৰ' নাহিল। সাত বজাত জগন্নাথে দিনটোৰ বাবে বাছৰ যাত্ৰা আৰম্ভ কৰিলে। বাছখনত দহজনমান মানুহ বহিছে। 'গ্ৰাম-সেৱক'ত এক মিনিট সময় ৰখালে। বাকী বাছ ষ্টপ্‌বোৰত ৰোৱাৰ প্ৰয়োজন নেদেখি বাছ আহি চিধা গণেশগুৰিত ৰ'লহি। গণেশগুৰিত মানুহ ভৰিবলৈ দি, সিহঁত তিনিও বিড়ি, চিগাৰেট, তামোলৰ জুতি লবলৈ নামি গ'ল। আঠ মিনিট সময়ৰ বিৰতিৰ পাচত বাছ আকৌ চলিল দুৰ্ব্বাৰ গতিৰে। বাচখন প্ৰায় ভৰি পৰিল। সন্দিকৈ কলেজত পঢ়া সেই ধুনীয়া ছোৱালীজনীও আন বিলাক সোমবাৰৰ দৰে সোঁফালৰ লেদীজ ছিটত বহিছেহি। তাই প্ৰতি শনিবাৰে আবেলি আহি গণেশগুৰিত নামে। প্ৰতি সোমবাৰে ৰাতিপুৱাই হোষ্টেললৈ উভতি যায়। এনে অপেশ্বৰীযেন ছোৱালী কদমে ক'তো দেখা নাই। 'ফিলিম ইষ্টাৰ'তকৈয়ো ৰূপহী। কদমে মৰমতে তাইৰ পৰা কেতিয়াও বাছ ভাৰা নলয়। ছোৱালীজনীয়ে প্ৰথমতে ইতস্তত: কৰিছিল। আজি কালি তাই বোধকৰো ভালেই পায়। নামি যাবৰ সময়ত তাৰফালে চাই মিচিকিয়াই হাঁহে। তাৰ দেহ-মন জুৰ পৰি যায়। চলন্ত বাছৰ ভিতৰত কদমে অন্যান্য মানুহবোৰৰ পৰা পইচা সংগ্ৰহ কৰি আহি আহি ছোৱালীজনীৰ কাষ পালেহি। কদমে কেই মুহূৰ্ত্তমান তাইলৈ চাই ৰ'ল। নাই, নাই, দুনীয়াৰ সকলো মানুহ সমান, কোনো ডাঙৰ, কোনো সৰু নাই। এই ছোৱালীজনী কোনোবা হাকিমৰ জীয়েক কিজানি। তাইক মিছামিছি কিয় খাতিৰ কৰিব? ছোৱালীজনী বহা লেদীজ ছীট্‌টোত সি ভেজা দি থিয় হ'ল আৰু সন্মুখৰ মানুহবোৰৰ পৰা ভাৰা আদায় কৰিবলৈ ধৰিলে। যি কোনো ছোৱালী বহা ছিটৰ কাষত ভেজা দি থিয় হৈ ভাৰাবোৰ গোটাই যাবলৈ কদমৰ ভাল লাগে। কদমে যথেষ্ট সাহস গোটাই ছোৱালীজনীৰ ওচৰত হাত পাতিলে। ছোৱালীজনীয়ে বিস্মিত হৈ তালৈ চালে। তাৰ পাচত পইচা উলিয়াই দিলে। তাই কদমলৈ চাই মিচিকিয়াই নেহাঁহিলে। কদমে টিকট বহীৰ পৰা গুলপীয়া টিকট এটা ফালি ছোৱালীজনীৰ হাতত দিলে। তিনি বছৰীয়া ছোৱালীয়ে টফি বিলোৱাৰ দৰে, কদমে যাক মন যায় তাকহে টিকট দিয়ে। নহ'লে চেপেনাৰে চেপ্‌খাই থকা টিকট বহীবোৰ এজাগী কুৱঁৰীৰ দৰে এনেয়ে পৰি থাকে। 'ভাঙা গড়'ত বাছত থিয় হবলৈকো জাগা নাথাকিল। 'পেট্ৰোল পাম্পত' উঠিব খোজা ছোৱালী দুজনীক সতৰ্ক কৰি দি কদমে যান্ত্ৰিক





ভাবে ক'লে, "নাই নাই, মাইকী মানুহৰ জাগা নহব। পা-দানিত লটকি যাব নোৱাৰে।" 'চিনেমা হল'ত কালুৱে তাৰ ডিউটি অনুযায়ী চিঞৰিলে, "মাইকী মানুহ নামিছে, লাহে লাহে! ...... পিচফালে উঠক, পিচফালে উঠক! মাজলৈ যাওক।" তাত বাছ খন খালি হ'ল। খালি থিনি পূৰাবৰ অৰ্থে পৰৱৰ্ত্তী বাছ ষ্টপ্‌ বোৰত প্ৰয়োজনতকৈ অধিক সময় ৰখাই মন্থৰ গতিৰে চিটি বাছ চলিল।

চাৰ্চ ফিল্ডত জগন্নাথে গছৰ তললৈ নি বাচখন ৰখালেগৈ। যাত্ৰী আটাইবোৰ নামি গ'ল। এজনী ছোৱালীয়ে জগন্নাথৰ কাষ চাপি গৈ দপ্‌দপাই ক'লে, "আপোনালোকে সময়ৰ কোনো জ্ঞান নেৰাখে। আপোনালোকে ধন ঘটাৰ বাবে ব্যৱসায় কৰিলেও ৰাইজৰ অসুবিধাৰ পিনে চাব নালাগে নেকি? আপোনালোকৰ বাছত উঠি মোৰ এপইণ্ট্‌মেণ্ট্‌ এটা নষ্ট হৈ গ'ল।" আন দিনা হলে কদমে ছোৱালীজনীক কটু কথা শুনাই দিলেহেঁতেন। আচৰিত,—আজি কিন্তু ছোৱালীজনীৰ অভিযোগ শুনি কদমৰ ভাল লাগিল। সি উৎসাহেৰে কলে "এটা কথা কি জানে, আমাৰ ইয়াত চবলোকে একে ধৰণে গৈ থাকিবলৈ ভাল পায়। কমপ্লেন্‌ কৰিব নেজানে। খানাপাৰা লাইনত কিনে বাছ কম। মানুহ বেচি। আমি কি কৰিব পাৰো? এচোচিয়েশ্যনক কৈ একো ফয়দা নহ'ব। দুখনমান বাছ চলাই দিব লাগে। চব ঠিক হৈ যাব।" ছোৱালীজনীয়ে একো নকৈ গুচি গ'ল।

কুৰি মিনিটৰ পিছত বাছ আজাৰালৈ নিব লাগিব। জগন্নাথে চাৰ্চফিল্ডৰ কোমল ঘাঁহনিত বহি পৰিল। কদমে কালুক নিৰ্দ্দেশ দিলে, "অ'ই, তই 'পচিনজাৰ' অলপ চাবি। মই অকনমান এই খিনিৰ পৰা আহিছো।" কদম সামান্য আঁতৰৰ দৰ্প থকা ঘৰটোৰ ফালে আগ বাঢ়িল। বেছি দূৰ আগ বঢ়াৰ প্ৰয়োজন নহল। দৰ্পক ওচৰৰ পানদোকান এখনত তামোল কিনা অৱস্থাত আবিষ্কাৰ কৰিলে। দৰ্পক দেখাৰ লগে লগে সকলো দুখ পাহৰি সি চিঞৰি ধৰিলে, "আৰে দোস্ত।"

দৰ্পই তালৈ তামোল এখন আগ বঢ়াই ক'লে, "তোৰ খবৰটো পাই কিবা কানি বৰ বেয়া লাগিছে। কি কৰিবি আৰু!"

—"তোক কিনে বহুত কথা কবলৈ আছে। আজি ৰাতি মোৰ তাত আহিবি। ৰাজি?"



OKDISCD

—"বাজি। তোৰ ভনীটোৰ কি হৈছিলনো ?

—"সেই চব এতিয়া সুধিবি। মাথাটো জ্বলি যায়। ৰাতি ক'ম। তোৰ ঘৰত ভাল ?"

—"ভাল। তিৰীটোৰ আৰু এটা আপী হৈছে।"

তিৰীটোৰ আৰু এটি আপী হোৱাৰ' খবৰ আজিৰ পৰা পাচদিনৰ আগতে শুনা হ'লে, কদমে অশ্লীল মন্তব্য কেইটামান দিলেহেঁতেন। আজি কিন্তু সি মৌন হৈয়ে থাকিল। হাত ঘড়ীটোলৈ চাই কদমে ক'লে, "মোৰ টাইম হ'ল আহিছো। ৰাতি আহিব নেপাহৰিবি।" ছিটি বাছৰ কাষলৈ আগবাঢ়ি গৈ থাকোতে কদমে মনতে ভোৰভোৰালে, খাবলৈ নাই,—ইপিনে পোৱালী জন্ম দিয়েই আছে। পাচত পালিব নোৱাৰি কাৰবাৰ ঘৰত গোলাম হবলৈ দিব।

বাছে আকৌ চলিল। ভাৰা সংগ্ৰহ কৰাৰ পূৰ্ব্বে মানুহ বোৰলৈ চাই কদমৰ ভাল লাগিল। কত ধৰণৰ মানুহ। যাদৱ মাষ্টৰৰ কথা কেইষাৰ কাণত বাজিল, "মানুহৰ সমাজ এখনেই। তাত মালিক আৰু গোলামৰ কোনো ভাগ নাই..... ।" —নাই ? নাই যদি জগন্নাথ, কালু আৰু সি সদায় ছিটি বাছখন উলিয়াওঁতে —সুমুৱাওতে বাছৰ গৰাকীক কিয় চালাম দিব লাগে ? কিয় কাৰোবাৰ চাৰিতলা ঘৰ থাকে ? আগত সিহঁতৰ সেউজীয়া গাওঁখন ভাঁহি উঠিল। সেই গাৱঁত তাৰ নিজাকৈ ঘৰ এখন নাই। দেউতাক সৰুতেই ঢুকাল। মাটিও নাই। মাটি কেতিয়াবাই হৰগোবিন্দ ঠিকাদাৰৰ ওচৰত বন্ধক গ'ল। বৌটি নাই। ভৱাও গুচি গ'ল। গুচি গ'ল !?? নাই যোৱা। তেৱাক সিহঁতে মাৰিছে। কদমৰ হাতৰ মুঠি দুটা টান হৈ পৰিল। সি ভাবিলে প্ৰতিশোধ লবই লাগিব। কাকো বাদ নিদিয়ে। সি আৰু কাৰো গোলাম হৈ নাথাকিব। জেল খাটিব লগীয়া হলে খাটিব। ফাচি কাঠত ওলোমায় যদি ওলোমাব। সি কেয়াৰ কৰা নাই। তাৰ ঘৰ নাই, বাৰী নাই,—কোনো নাই। মৰিবলৈ সি কি পৰোৱাই কৰিছে ? গোটেই মালিক জাতটোক কদমৰ শেষ কৰি দিবৰ মন গ'ল।



# জ্যামিতিলৈ তাইৰ বৰ ভয়

বিমান বিধ্বংসী বন্দুকধাৰী সকলে তপত চকুলো টুকিছিল। আচলতে তাত গোটেই দলটো নাছিল। খান-হোৱা প্ৰদেশৰ এখন গাৱঁত খাৰ-বাৰুদৰ লগত কেইটিমানহে আছিল। কিছুমান এইটো বিশ্বাস কৰিবলৈ টান পাব পাৰে। বীৰবেশী ভিয়েটনামী সৈন্যয়ো কান্দেনে ? ভিয়েটনাম ভূমি ৰক্ষাকাৰী সকলেও চকুলো টোকেনে ? যিয়ে যি নাভাবক ঘটনাটো কিন্তু তেনেকুৱাই আছিল। সৈন্যবোৰটো মানুহহেই, সিহঁতৰো দুৰ্ব্বলতা আছে ; বিশেষকৈ যেতিয়া কোনো সৈন্যৰ বয়স মাথোন ওঠৰ বছৰ হয় আৰু মাকে চুলি ফনিয়াই দিবলৈ এৰা বৰ বেচি দিন নহয়। গোটেই বিমান বিধ্বংসী বন্দুকধাৰী বাহিনীটো ছোৱালীৰে গঠিত আছিল ; সেই এখন গাৱঁৰ ছোৱালীৰে।

চকু পানীৰ কাৰণটো কম বাৰু। পোনতে অলপ ঘূৰি পকি কেনেকৈনো এই বাহিনীটো গঠন হবলৈ পালে তাকে কোৱা যাওক।

কোনেও কব নোৱাৰে কাৰ সতেজ মগজুতনো এই কথাটো খেলাইছিল যে এটা মহিলাৰ গৃহৰক্ষী বাহিনী খুলিব লাগে। আজি এনেকি চৰম সংশয়বাদী সকলেও সেই চৈধ্যজনী দীঘল চুলিৰ বন্দুকধাৰীৰ যুদ্ধ কৰাৰ গুণ বখানিব। পিচে এয়া আজিৰ কথা। যেতিয়া গাৱঁৰ পাৰ্টি কমিটিয়ে এখন দীঘল স্বেচ্ছাসেৱকৰ তালিকাৰ পৰা সেই চৈধ্যজনী ছোৱালীৰ নাম ঘোষণা কৰিছিল আৰু কৈছিল যে সিহঁতক আঞ্চলিক কেন্দ্ৰলৈ মেচিনগানৰ প্ৰশিক্ষণ দিবলৈ পঠোৱা হব, তেতিয়া শেঁতা হাঁহিবোৰ আপুনি নিশ্চয় মন কৰিব পাৰিলেহেতেন। এক গঞাইতো সিহঁতক "মতা ছোৱালী" বুলিয়েই ক'লে। অলপ মান-যশ থকা আন এজনে সাহসী বীৰৰ পুৰণি কাহিনী কবলৈ ধৰিলে আৰু এইটো ওলাই পৰিল যেন সেই ছোৱালী কেইজনীৰ এজনীকো সাধাৰণ বীৰৰ লগত তুলনা কৰিব নোৱাৰি। ছোৱালী কেইজনী নিপোতল গাল মুখেৰে তাত থিয় হৈ থাকিল। নাভাবিব যে তেতিয়াই সিহঁতে কন্দা-কটা কৰিছিল। তেতিয়া সিহঁতে দুখ-শোক, খং-ৰাগ দমাই ৰাখিছিল।

আৰু তেনেকৈয়ে এদিনাখন ১৯৬৭ চনৰ ১৯ মে'ৰ দিনা গাওঁখনৰ সেই-



OKDISCD

কেইজনী ছোৱালীক অস্ত্ৰ চালনাৰ তত্ত্ব শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হ'ল। আচলতে বৰ ডাঙৰ আয়োজন নাছিল; কিন্তু সময় বৰ কম আছিল; গোটেই-খিনি কামৰ বাবে দহ দিন। এনেতে ওপৰৰ পৰা এটা জৰুৰী সংবাদ আহিল। গাওঁৰ সমবায়ৰ পৰা জনালে যে গাওঁত খৰাং হৈছে। যদিও প্ৰত্যেকে বুজিছিল যে সিহঁতৰ নিজাকৈ এটা বিমান বিধ্বংসী বাহিনী থকাটো দৰকাৰী, তথাপিও যদি ছোৱালী কেইজনীয়ে যিমান সোনকালে পাৰে বয়-বস্তু নি দি আহিব পাৰে, সিহঁতৰ আঠাইশ খনি হাতেই ভাল কামত লাগিব।

ছোৱালী কেইজনীয়ে দহ দিনৰ ঠাইত পাঁচ দিনতে গোটেইখিনি শিক্ষা সম্পূৰ্ণ কৰিবলৈ থিৰাং কৰিলে। সিহঁতে দুপৰীয়া খোৱাৰ পিচতো পঢ়িলে, ছুটিৰ পিচতো সিহঁতে তালিকাবোৰ আৰু ইটো সিটো চাবৰ কাৰণে ৰৈ থাকিল। এনেকি ৰাতিও টৰ্চ লাইট জ্বলাই সিহঁতে পঢ়া-শুনা কৰিলে। সিহঁতে দেখুৱাব খুজিলে যে সেইখিনি সিহঁতে কৰিব পাৰে, আৰু সিহঁত মন্তা ছোৱালী নহয়। বিশেষকৈ যিসকলে সিহঁতক পঠিয়াইছিল তেওঁলোকক নিৰাশ কৰিব নোৱাৰে। তথ্য বিষয়ৰ পৰীক্ষাত সিহঁত আটাইয়ে ভাল অথবা বঢ়িয়া নম্বৰ পালে। কিন্তু সিহঁতে মেচিনগান চলোৱা সুবিধা মুঠেই নেপালে। সিহঁতে কেৱল আহিছে চালে; সিহঁতে পোৱাখিনি কেৱল তথ্যহে।

জনা-বুজা হৈ সিহঁত ঘৰলৈ উভতি আহিল। পিচত মে'ৰ শেষলৈ সিহঁতে পথাৰত হাড় ভঙা পৰিশ্ৰম কৰিলে। কাম বহুত আছিল; সেইবাবেই হয়তো সমবায়ৰ বাকী বিলাকে সেই বন্দুকহীন বন্দুকধাৰীহঁতক বেয়াকৈ কবলৈ টান পোৱা নাছিল। পিচে ছোৱালী কেইজনী নিজে নিজে বিৰক্ত হ'ল— বন্দুকবোৰ কেতিয়ালৈনো আহি পায়!

আচল দিনটো আহি পালে জুনৰ ১ তাৰিখে। সেইদিনা গধূলি সমবায়ৰ প্ৰায় সকলোবোৰ খেতিয়ক অফিচত লগ লাগিল আৰু তাতেই তিনিটা মেচিন গান ছোৱালী কেইজনীক দিয়া হ'ল। সেইবোৰ আছিল ১২·৭ মিলিমিটাৰ জোখৰ শেহতীয়া আৰ্হিৰ বিমান ধ্বংসকাৰী মেচিনগান। তাৰ পাচত কথা চলিল। দেখা গ'ল যে সিহঁতে অস্ত্ৰবোৰ অসময়ত পালে। জুনৰ পহিলা দিনটো আন্তৰ্জাতিক শিশু-দিৱস। এজন বক্তাই ক'লে যে সেই নতুন অস্ত্ৰবোৰ নতুন সৈনিক সকলক শিশু ৰক্ষাৰ কাৰণে দিয়া হৈছে। "আন্তৰ্জাতিক দিৱস"





কথাখিনি সকলোৱে বুজা নাছিল; আৰু পিচফালৰ পৰা কিছুমান ৰগৰ কৰি কবলৈ ধৰিলে যে শিশু দিৱসৰ কাৰণেই ছোৱালী কেইজনীক মেচিনগানবোৰ দিয়া হৈছে। অৱশ্যে ভাল হ'ল যে তেনেবোৰ মন্তব্য সমুখত থকা সকলৰ কাণত নপৰিল। ইফালে ছোৱালী চৈধ্যজনী বেচ নিৰাশ হ'ল আৰু অনুমান হ'ল যেন সিহঁতৰ ডিঙিত সোপা দিয়া হৈছে। কিন্তু যেতিয়া সিহঁতে কান্দিছিল তেতিয়াও তেনে হোৱা নাছিল। সেইসময়ত সিহঁতে আনন্দৰ লোতক সামৰিহে ৰাখিছিল।

সভা শেষ হোৱাৰ পিছত ছোৱালী কেইজনীয়ে কি কৰিছিল অনুমান কৰিবলৈ অসুবিধা নহব। সিহঁত আটাইয়ে এটা খালি কোঠাত সোমাই মেচিনগানবোৰ খোলা-মেলা কৰিবলৈ ধৰিলে। ইটো সিটোৱে কোঠাটোৰ এফাল ভৰি পৰিল। প্ৰথমৰ কামখিনি বেছ আমোদজনক আৰু সহজ আছিল। তৎক্ষণাত সকলো বল্টু, নাট, আৰু গজালবোৰ ধুনীয়াকৈ জমা কৰা হ'ল। 'বেৰেলটো' এফলীয়াকৈ নিকা ঠাইত ৰখা হ'ল। খোলা খুলিৰ পাচত স্বাভাবিকতেই ওলোটা কাম খিনিও কৰিব লগা হ'ল। এইবাৰ কিন্তু গতি অলপ লেহেম হ'ল। আটাইবোৰ ভালদৰে নহল যদিও অৱশেষত সিহঁতে অস্ত্ৰবোৰ লগ লগাগে। তেতিয়াহে সিহঁতে গম পালে যে কিছুমান অতিৰিক্ত অংশ ৰৈ আছে। আচলতে প্ৰতিটো ভাগৰে বেলেগ বেলেগ অংশ আছিল। কিবা এটা নিশ্চয় গোলমাল হৈছে। দলৰ নায়কে সু-সিদ্ধান্ত কৰি নীলা ছাপ আৰু তালিকাবোৰৰ কাৰণে ঘৰলৈ গুচি গ'ল। বাকী ছোৱালী কেইজনী হতাশ হৈ মজিয়াতে বহি থাকিল।

ৰাতিপুৱালৈ তিনিওটা বিমান বিধ্বংসী মেচিনগানকে খুলি-মেলি চাৰিবাৰকৈ ঠিক কৰা হ'ল। দুদিন পিচত সিবোৰক দুই নম্বৰ স্থানত স্থাপন কৰা হ'ল। মুঠতে তাত তিনি ডোখৰ ঠাই আছিল। আমেৰিকাৰ বিমানবোৰ সেই অঞ্চলত উৰি আছিল আৰু মথাউৰিবোৰত বোমা পেলাইছিল। কেৱল সেই গাওঁখনৰ চাৰিওফালেই সিহঁতে ১,১১৩ টা বোমা পেলাইছিল আৰু ৪ হেজাৰ বৰ্গমিটাৰৰ বান্ধ আৰু মথাউৰি ধ্বংস কৰিছিল। ছোৱালী কেইজনীয়ে যিবোৰ অঞ্চলত সঘনাই বিমান উৰিছিল সেইপিনে লক্ষ্য ঠিৰাং কৰি ললে। শত্ৰু পক্ষক সিহঁতৰ অঞ্চলৰ ওপৰত প্ৰথমে জুনৰ ৬ তাৰিখে দেখা গ'ল।



OKDISCD

সঁচাকথা, গুলি কৰাৰ জ্ঞান নাছিল— তাতে আকৌ আমেৰিকান বিমানবোৰ বেচ ওপৰেদি উৰিছিল। কিন্তু প্ৰথম যুদ্ধত নিজক দমাই ৰখা সহজ নহয়, বিশেষকৈ যেতিয়া সৈন্যবোৰ মাত্ৰ ওঠৰ বছৰীয়া হয়। বন্দুকবোৰৰ দুটাৰে গুলী কৰা হ'ল, আৰু এনেকৈ সিহঁতে ৮৫ টা গুলী নষ্ট কৰিলে। তৃতীয়টো বন্দুকৰ কিবা এটা হ'ল; তাক টিপা মাৰিবলৈকে নহ'ল। কাম শেষ হ'ল; আটায়ে এটা খালত গোট খালে আৰু এটা ভাল আখৰা দিলে। আচলতে সিহঁতক কিছুমান ধুনীয়া কটু কথা কোৱা হ'ল। তেতিয়াহে তিনি নম্বৰ দলৰ সৈন্যবোৰে কান্দিবলৈ ধৰিলে। অৱশ্যে সিহঁতে বুজিছিল যে—সমালোচনাটো বেচ ভাল বস্তু; তথাপিও কিছুমান কাৰণত চকুপানী বৈ আহিল আৰু চুলিৰ আগেৰে সেইবোৰ মোহাৰিব লগা হ'ল।

তাৰ পিচত সিহঁতে সঘনাই সিহঁতৰ ঠাই সলাবলৈ ধৰিলে। বেয়া সময় উপস্থিত হ'ল; কাৰণ বৰষুণে মোহাৰি যোৱা ৬-৭ কিলোমিটাৰ বাট গধুৰ গধুৰ মেচিনগানবোৰ টানি নিব লগা হ'ল। আন্ধাৰ বৰষুণ ভৰা ৰাতি গধুৰ মেচিনগানবোৰ টানি নিব লগা হ'ল। আন্ধাৰ বৰষুণ ভৰা ৰাতি বাট খপিৰাওঁতে গধুৰ বোজাৰ হেঁচাত সিহঁতৰ লাহী আঙুলিবোৰ বেকা হৈ পৰিল। আৰু বিপদ হ'ল; তিনিওটা বন্দুক একেলগে মৰা হ'ল, পিছে পুনৰ বিফল হ'ল। বিজয়ৰ দিনটো আহিল ১৬ জুনৰ দিনাহে।

দুখন এ - ৪ - - ডি, এমেৰিকান বিমান মেঘৰ মাজেৰে পৰা নামি আহি কিং - জে নলাৰ বান্ধটোৰ পিনে চোঁচা দিলে। তিনিওটা দল লগ লাগি আটাইতকৈ ওচৰৰখনলৈ লক্ষ্য কৰিলে। অক্ষৰেখাৰে ৫০০ মিটাৰ, পোনে পোনে ৮০০ মিটাৰ। ষাড়ৰহে চকু! এটা কাণ তাল মৰা শবদেৰে ধোঁৱা ভৰা বিমানখন চৈধ্যজনী ছোৱালীৰ মূৰৰ ওপৰেদি ঘূৰি গৈ সাগৰত পৰি গ'ল। ছোৱালীহঁত আনন্দত বিহ্বল হ'ল; কেইজনীমানে উচ্চ চিঞৰেৰে সাৰটা-সাৰটি লগালে।

বিমান বিধ্বংসী বন্দুকধাৰীৰ দলটোৰ এই কাহিনীটো কৈছিল দলপতি হোৱাং - খি - বিকমিয়ে। 'বিকমি' মানে 'এপ্ৰিকট ফুল'। দলপতি জনী আছিল ডাঠ চুলি আৰু দীঘল চেলাউৰিৰে ১৮ বছৰ বয়সীয়া। এনেহেন লাগিছিল যেন সংবাদৰ কাৰণে প্ৰয়োজনীয় সকলোবোৰ তাইয়ে দিব পাৰিব।





তাই তাইৰ বাইদেৱেকে আৰু ভায়েকৰ কথাও ক'লে। ধানখেতি সমবায়ত কাম কৰা তাইৰ মাক-দেউতাকৰ কথাও ক'লে। জনা গ'ল যে গোটেই দলটোৱে স্কুলত পঢ়িছিল। (এপ্ৰিকট ফুলে সপ্তম শাখা শেষ কৰিছিল আৰু অলপতে পৰীক্ষা হোৱাৰ কথা আছিল)। কেবাকপিও ফটো লোৱা হ'ল। সাইলাথ মোৰ সৰু ছোৱালীজনীৰ দৰে দেখা বন্দুকধাৰী তিনি নম্বৰ দলটোৰ এসোপা ফটো ললো। বিকমিয়ে দিগন্তৰ ওপৰত থকা সূৰ্য্যটোৰ ফালে চালে। ইঙ্গিতটো বুজি পালোঁ। সংবাদ দাতাবোৰ সদায় সংবাদদাতাই, কিন্তু বন্দুকধাৰী সকলৰ নিজা সময় সূচী আছে। মোৰ শেষ প্ৰশ্নটো সুধিলোঁ ঃ

"বুজা গ'ল তুমি বেচ্ সাহসী ছোৱালী; পিচে কোৱাচোন কিহলৈনো তোমাৰ আটাইতকৈ বেচি ভয় লাগে।"

বিকমিয়ে লাজ কৰিলে। ভৰি দুখনিৰ ওপৰতে তাই ইফাল সিফাল কৰিলে; দীঘল নিশ্বাস ললে আৰু লাহেকৈ কলে ঃ

"জ্যামিতি পৰীক্ষালৈ মোৰ বৰ ভয় লাগে।"

[ Firing Line Report ৰ 14 Long-Braided Anti-Aircraft ৰ ৰূপান্তৰ—উপেন নাথ ]

অধ্যাপক ৰঞ্জিৎনাৰায়ণ ডেকাৰ সুদীৰ্ঘ প্ৰবন্ধ "আমাৰ শিক্ষা ব্যৱস্থা আদৰ্শ আৰু বাস্তৱ স্থানাভাৱহেতুকে এই সংখ্যাত দিব পৰা নগ'ল। অহা সংখ্যাত সম্পূৰ্ণ প্ৰকাশ কৰা হব।



OKDISCD

# উইলিয়াম হিনটনৰ 'ফেনস্বেন' কিতাপখন

এম, এস, প্ৰভাকৰ

উইলিয়াম হিনটনৰ এই কিতাপখন মাথোন আকাৰতেই ডাঙৰ নহয়। হিনটনে ১৯৪৮ চনৰ মাৰ্চ মাহৰ ৬ তাৰিখৰ পৰ, আগষ্টৰ ২৪ তাৰিখলৈ উত্তৰ চীনৰ ছান্‌চি প্ৰদেশৰ সৰু গাওঁ এখনত আছিল। আচলতে ৬ মাহতকৈ কম সময় তেওঁ তাত আছিল। এই সময় ছোৱাত লংবো (Long bo) গাৱঁৰ মানুহে সজ্ঞানে আৰু সক্ৰিয়ভাৱে অতি গুৰুত্বপূৰ্ণ যিবোৰ বৈপ্লৱিক পদক্ষেপ লৈছিল তাৰেই সূক্ষ্ম পৰ্য্যবেক্ষণ আৰু লগতে নিজৰ ভূমিকাৰো বিৱৰণ হিনটনে কিতাপখনত দাঙি ধৰিছে।

আমেৰিকাৰ নাগৰিক হিনটন ৰাষ্ট্ৰ সংঘৰ সাহায্য আৰু পুনৰ্বসতি দপ্তৰৰ (UNRRA) দলৰ লগত—ট্ৰেকটৰ অভিযন্ত্ৰী হিচাপে চীন দেশলৈ আহিছিল। এই দপ্তৰে ১৯৪৭ চনৰ শেষৰ ফালে যেতিয়া কাম বন্ধ কৰি দিয়ে তেতিয়া হিনটনে দক্ষিণ ছান্‌চিৰ বিশ্ববিদ্যালয় এটাত ইংৰাজীৰ শিক্ষক হিচাপে কাম বিচাৰি আবেদন কৰে। ১৯৪৭ চনৰ শেষৰ পৰা তেওঁ তাত—শিক্ষকতা আৰম্ভ কৰে। আৰু ঠিক এই সময়তেই সামৰিক আৰু ৰাজনৈতিক দুয়োটা ক্ষেত্ৰতে কুমিনটাং দল ছত্ৰভঙ্গ হৈ পৰে। এই কালছোৱা আছিল আমেৰিকাৰ সাহায্য পুষ্ট চিয়াংকাইচেকৰ দ্বাৰা সংঘটিত প্ৰতিবিপ্লৱৰ চূড়ান্ত পৰাজয়ৰ কাল।

স্বাভাৱিকতে এই সময়ত দেশৰ পৰিস্থিতি আছিল অস্থিৰ। হিনটনে যেতিয়া বিশ্ববিদ্যালয়ত যোগদান কৰে ঠিক সেই সময়তেই চীনৰ কম্যুনিষ্ট পাৰ্টিয়ে কৃষি আইনৰ খচৰা জাৰি কৰে। এইটো হ'ল ১৯৪৭ চনৰ ডিচেম্বৰ মাহৰ কথা। ইয়াৰ পিছতেই মুক্ত—অঞ্চলৰ শত সহস্ৰ গুৰুত্বপূৰ্ণ গাৱঁ ভূঞে এই কৃষি আইনৰ ধাৰাৰ সঠিক প্ৰয়োগ লক্ষ্য কৰিবলৈ আৰু ভূমি সংস্কাৰৰ মূল্যায়ন কৰিবলৈ দলে দলে কৰ্মী বাহিনী পঠিয়াই দিয়া হৈছিল। হিনটনে দেখিলে যে বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰৰ আধাখিনিয়েই এই ভূমি সংস্কাৰ আন্দোলনত যোগ দিবলৈ বিশ্ববিদ্যালয় এৰি গুচি গ'ল। পিঠিত টালিটোপোলা, হাতত লাখুটি, লাখুটিৰ মূৰত—উৰি থকা সৰু সৰু ৰঙা পতাকা। মানুহে সমদল কৰি গাৱঁৰ পিনে





যাত্ৰা কৰিছে। হিনটনে আগ্ৰহে সিহঁতৰ পিনে চাই থাকে। দৃশ্যটো সঁচাকৈ ছবিৰ দৰে। হিনটনৰ নিজৰ কথাখিনিকেই উদ্ধৃত কৰা ভাল।

"ছাত্ৰবোৰৰ বলিষ্ঠ পদক্ষেপত উত্থিত ধূলিবোৰ লাহে লাহে আকৌ মাৰ গ'ল। বাটত থিয় হৈ এই অপসৃয়মান ছাত্ৰৰ দললৈ চাই চাই মইয়ো এই বিৰাট অভিযানত—অংশ গ্ৰহণ কৰাৰ কাৰণে এটা অদমনীয় প্ৰেৰণা অনুভৱ কৰিলো। মোৰ কাম হ'ল বিশ্ববিদ্যালয়ত ইংৰাজী শিকোৱা। ভূমি সংস্কাৰৰ জৰিয়তে পৃথিৱীৰ ৰূপ সলনি কৰিব পৰাৰ পৰিপ্ৰেক্ষিতত এই ইংৰাজী শিকাই থকা কামটো সঁচাকৈ অতি তুচ্ছ যেন বোধ হ'ল।" (পৃঃ 13).

তেওঁ পৰ্য্যবেক্ষক হিচাপে এটা কৰ্মী বাহিনীত যোগ দিয়াৰ অনুমতি বিচাৰি আবেদন কৰিলে। বিশ্ববিদ্যালয়ৰ সভাপতিয়ে অলপ ইতঃস্তত কৰি শেষত তেওঁক উত্তৰ অঞ্চলৰ বিশ্ববিদ্যালয়ৰ প্ৰধান কাৰ্য্যালয় কাওঁ বৰ্ত্তীৰ এক মাইল দক্ষিণৰ গাওঁ এখনত ভূমি সংস্কাৰ সম্বন্ধে অধ্যয়ন কৰিবলৈ অনুমতি দিলে। ১৯৪৮ চনৰ মাৰ্চ্চ মাহৰ ৬ তাৰিখে চি, ইওন নামে অইন এজনী গাভৰু শিক্ষয়িত্ৰীৰ লগত তেওঁ লং বোলৈ যাত্ৰা কৰিলে। ৬ মাহৰ অনধিক কাল তেওঁ লংবোত আছিল। এই সময় ছোৱাত তেওঁ একেৰাহে তাত নাছিল। গতিকে প্ৰশ্ন উঠিব পাৰে যে ৬ মাহতে এখন ঠাই, তাৰ মানুহ আৰু সমস্যা সম্বন্ধে কিমানখিনি জানিব পৰা সম্ভৱ? হিনটনৰ কিতাপখনে এনেকুৱা সংশয় বাদীকো বিস্মিত কৰি দিব। সমস্যাৰ—গভীৰ উপলব্ধি, দৃষ্টিৰ স্বচ্ছতা, আপোচহীন সততা, অইন নালাগ তেওঁৰ পৰ্য্যবেক্ষণৰ ব্যাপকতা আৰু তাৰ নিখুঁত বৰ্ণনাৰ কঠোৰ শ্ৰমৰ স্বাক্ষৰ কিতাপখনত স্পষ্ট হৈ ফুটি উঠিছে। 'সমাজবিজ্ঞান' (Sociology) সম্বন্ধে মোৰ ধাৰণা বৰ উচ্চ নহয়, বৰ নীৰস আৰু অপ্ৰাসঙ্গিক। 'সমাজবিজ্ঞানো' যে সৃষ্টিধৰ্মী আৰু সন্দেহাতীত বিষয় হব পাৰে 'ফেনেস্বন' পঢ়াৰ আগতে মোৰ এই ধাৰণা নাছিল। হিনটনক আমি একাধাৰে এজন খাঁটি মাৰ্ক্‌চবাদী, এজন সৃজনশীল সমাজতাত্বিক আৰু এজন মানৱধৰ্মী ব্যক্তি হিচাপে দেখিবলৈ পাওঁ। (অৱশ্যে কোৱা বাহুল্য যে এইবোৰ ভূমিকা পৰস্পৰ বিৰোধী নহয়।) শেষ পৰ্য্যন্ত আমি লক্ষ্য কৰো যে লংবোত হিনটনৰ ভূমি সংস্কাৰৰ পৰ্য্যবেক্ষণৰ বিৱৰণতকৈ অধিকতৰ তাৎপৰ্য্যপূৰ্ণ কথা এই কিতাপখনত ফুটি উঠিছে। এইটো হ'ল পৰ্য্যবেক্ষকজনৰ নিজৰেই ৰূপান্তৰ। ঘটনাৰ গতিশীল



OKDISCD

প্ৰৱাহৰ প্ৰভাৱত পৰ্য্যবেক্ষকজনে লাহে লাহে নিজেই এজন কৰ্মীৰ ভূমিকা লয়। কিতাপৰ আৰম্ভনিতে 'তেওঁলোকৰ' কথা কবলৈ আৰম্ভ কৰি শেষ পৰ্য্যন্ত 'আমাৰ' কথা বুলি কৈ তেওঁ বিবৰণ শেষ কৰিছে।

মই আগতেই কৈছো কিতাপখন সঁচাকৈ গধুৰ। (কেৱল আকাৰত নহয়।) পিছে ইয়াৰ মূল ভাৱধাৰা বুজাত অসুবিধা নহয়। এটা সুৰত এইখন হ'ল এখন গাওঁ আৰু তাৰ মানুহবোৰৰ কথা। কেই সপ্তাহমানৰ ভিতৰতে স্থাবৰ আৰু অস্থাবৰ সম্পত্তিৰ মালিকীস্বত্বৰ চেহেৰাৰ কেনেকৈ আমূল পৰিবৰ্ত্তন হল তাৰেই বিস্তাৰিত বিবৰণ। কম্যুনিষ্ট পাৰ্টিৰ গাঁৱৰ শাখাৰ নিৰ্দ্দেশ আৰু পৰিচালনাত গাঁৱৰ মানুহে নিজেই কেনেকৈ সজ্ঞানে এই পৰিবৰ্ত্তন সাধন কৰিছে তাৰে বিবৰণ। অৱশ্যে পাৰ্টিৰ নিৰ্দ্দেশ সকলো ক্ষেত্ৰতে যে নিৰ্ভুল আছিল তেনে নহয়। গাঁৱৰ প্ৰতিজন নাৰী আৰু পুৰুষৰ ভাগ্যৰ পৰিবৰ্ত্তন আমি লক্ষ্য কৰিব পাৰো। 'ফেনস্খেন' শব্দটোৰ অৰ্থ হ'ল 'বাগৰ সলোৱা'। মানুহবোৰে কেনেকৈ 'বাগৰ সলালে' (ভূস্বামীৰ কবলৰ পৰা মুক্তি পালে) এইটোও আমি লক্ষ্য কৰো। এই কাৰ্য্যত তেওঁলোকৰ ভুল ক্ৰটিও আমি লক্ষ্য নকৰাকৈ নাথাকো।

উপন্যাসৰ কাহিনীতকৈ এই কাহিনী—অধিকতৰ মনোগ্ৰাহী। চৰিত্ৰবোৰ অতি সাধাৰণ মানুহ হলেও ঘটনাৰ নাটকীয় ঘাত প্ৰতিঘাত আকৰ্ষণীয়। কিছুমান ঘটনাৰ বিবৰণে মনত ছাপ ৰাখি যায়। উদাহৰণ স্বৰূপে হু শুয়ে চেনৰ কথাকে কব পাৰি। মগনীয়া তিৰোতা এজনীয়ে কেনেকৈ কম্যুনিষ্ট পাৰ্টিৰ অন্যতম নেতৃস্থানীয় কৰ্মীত পৰিণত হ'ল, সেইটো হ'ল হিনটনে বৰ্ণনা কৰা 'বাগৰ সলোৱাৰ' এটা প্ৰকৃষ্ট নিদৰ্শন। আকৌ শেন-শ্বিয়েন ইৰ কথাকে লওঁক। উ-লাইৰ এই বোৱাৰীজনীয়েও এই কিতাপত বৰ্ণনা কৰা ঘটনা প্ৰৱাহত কম খেলিমেলিৰ সৃষ্টি কৰা নাছিল।

কিতাপখনৰ কাহিনী ভাগ যে আকৰ্ষণীয়, সন্দেহ নাই। কিন্তু কাহিনী ভাগেই কিতাপখনৰ মুখ্য অংশ নহয়। কিতাপখনত বৰ্ণনা কৰা চৰিত্ৰবোৰ হ'ল অতি সাধাৰণ মানুহ, সৰহভাগৰেই পাৰিবাৰিক জীৱন বিধ্বস্ত, তথা-কথিত ভদ্ৰ সমাজৰ মানুহো নহয়। কিন্তু এওঁলোকেই একেলগে গাঁৱৰ ভূমি আৰু সম্পত্তিৰ অধিকাৰৰ ভিত্তিৰ আমূল পৰিবৰ্তন আনিলে। এইটো যদি





কেৱল অইনৰ সা-সম্পত্তিৰ গ্ৰাস কৰাৰ স্বাভাৱিক মনোবৃত্তিৰ উদাহৰণ হ'ল হেতেন তেনেহলে সি সিমান গুৰুত্বপূৰ্ণ কথা নহ'লহেতেন। বৰং কোনো সম্পত্তি অধিগ্ৰহণ কৰাৰ আগতে ৰাইজে এই সম্বন্ধে বিস্তাৰিতভাৱে আলাপ আলোচনা কৰিছিল। এই আলাপ আলোচনাৰ মাজেৰে কৃষক মানসিক উন্মেষৰ চেষ্টাও চলোৱা হৈছিল।

প্ৰধানতঃ কিতাপখনত লং-বোৰ কৃষকসকলে অতি কম সময়ৰ ভিতৰতে কেনেকৈ 'বাগৰ সলালে' তাকেই দেখুওৱা হৈছে। কেই সপ্তাহমানৰ ভিতৰতে এই গাওঁখন প্ৰতিক্ৰিয়াশীল শক্তিৰ ঘাটিৰপৰা বিপ্লৱৰ এটা প্ৰধান কেন্দ্ৰলৈ ৰূপান্তৰিত হৈ পৰিল। (লং-বো আছিল জাপানীবোৰ অধিকাৰ কৰি থাকি সুৰক্ষিত কৰি ৰখা গাওঁবোৰৰ অন্যতম।)

হিনটনে এই গাওঁখনত প্ৰায় ছয় মাহমান আছিল। অৱশ্যে ইতিমধ্যে এই গাওঁখন মুক্ত কৰা হৈছে আৰু গাঁৱৰ মানুহে সক্ৰিয়ভাৱে ভূমি সংস্কাৰ আৰম্ভ কৰি দিছে।

পিছে এই ছয় সপ্তাহমানৰ ঘটনাৰ বিৱৰণ দিয়াৰ আগতে লংবোত চলি থকা বৈপ্লৱিক ধাৰা বুজি পোৱাত সুবিধাৰ কাৰণে হিনটনে লংবোৰ সংক্ষিপ্ত ইতিহাস দাঙি ধৰিছে। এই ইতিহাস হ'ল বহু শতাব্দী ধৰি চলি থকা চীনৰ গ্ৰাম্যজীৱনৰ প্ৰতীক।

হিনটনৰ কিতাপখন সাতোটা খণ্ডত বিভক্ত। প্ৰথম খণ্ডত অতীত আৰু বৰ্ত্তমানৰ ইতিহাস বৰ্ণোৱা হৈছে। ইয়াৰ ভিতৰত আছে গাওঁখনৰ প্ৰাকৃতিক বিৱৰণ, গাঁৱৰ মুখীয়াল মানুহবোৰৰ কথা, প্ৰধান ব্যৱসায় আৰু বানিজ্যৰ কেন্দ্ৰৰ বৰ্ণনা ইত্যাদি। ইয়াৰ ভিতৰত গাঁৱৰ গেলামালৰ দোকানখন হ'ল আড্ডাখানা। এইবোৰ সকলোখিনি সংক্ষেপে কিন্তু স্পষ্টভাৱে বৰ্ণনা কৰা হৈছে। এই চিত্ৰবোৰ বাস্তৱ আৰু ইয়াত গাওঁখনৰ সকলো দিশৰ কথা উজ্জলভাৱে ফুটি উঠিছে। আনকি এই চিত্ৰত ঘৰৰ সন্মুখত থকা শৌচাগাৰৰ দৃশ্যও বাদ পৰা নাই। অৱশ্যে কৃষি নিৰ্ভৰ অৰ্থনৈতিক ব্যৱস্থাত ইয়াৰ গুৰুত্ব উলাই কৰিব নোৱাৰি।

গাওঁখনৰ বৰ্ণনা দিয়াৰ পিছত হিনটনে লংবোৰ বিভিন্ন শ্ৰেণীৰ মানুহৰেহে বিৱৰণ দিয়ে। তেওঁ ইয়াত এক শ্ৰেণীৰ মানুহৰহে শাসন আৰু শোষণৰ চিৰন্তন অধিকাৰৰ কথালৈ আলোচনা কৰে।



OKDISCD

লংবোৰ জন সংখ্যাৰ শতকৰা ৭ ভাগ হ'ল জমিদাৰ আৰু আঢ্যবন্ত খেতিয়ক। কিন্তু এওঁলোকৰ হাতত আছিল শতকৰা ৩১ ভাগ মাটি আৰু ৩৩ ভাগ পশু সম্পদ। আনহাতে যদিও গাৱঁৰ দুখীয়া খেতিয়ক আৰু বনুৱাৰ সংখ্যা হ'ল শতকৰা ৫৩ ভাগ, তেওঁলোকৰ হাতত আছিল শতকৰা ২৪ ভাগ মাটি আৰু ১ ভাগ পশুসম্পদ। হিনটনে বৰ্ণনা কৰা গাৱঁৰ প্ৰত্যেকজন মানুহ আৰু তেওঁৰ ঘৰ দুৱাৰৰ কথা চিত্তাবৰ্ধক। লংবোত প্ৰচলিত শোষণ পদ্ধতিৰ অৰ্থ নৈতিক, সামাজিক আৰু সাংস্কৃতিক পটভূমিৰ বিশ্লেষণো আকৰ্ষণীয়। উদাহৰণ স্বৰূপে শ্বেন-চিং-হো কেৱল জন্মসূত্ৰে আৰু পৰিস্থিতিৰ কাৰণেই গাৱঁৰ আটাইতকৈ চহকী ভূস্বামী হোৱা নাই। ইয়াৰ মূলতে তেওঁৰ গাৱঁৰ মানুহক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে শোষণ কৰাৰ সক্ৰিয় প্ৰচেষ্টাও আছে। দুৰ্দশা-গ্ৰস্ত খেতিয়ক আৰু বনুৱা এজনৰ পৰিয়ালৰ জন সংখ্যা সাধাৰণতে তিনি-জন। সেই হিচাপে স্বেন-চিং-হোৰ পৰিয়ালটোৰ মানুহৰ সংখ্যা হ'ল সাত, আনৰ তুলনাত যথেষ্ট বেচি। এজন সাধাৰণ দুখীয়া খেতিয়কৰ মাটিৰ পৰিমাণ গঢ়ে আধা একৰতকৈ কম আৰু সাধাৰণ ভূ-স্বামী এজনৰ মাটিৰ পৰিমাণ গঢ়ে তিনি একৰ। সেই ক্ষেত্ৰত স্বেন-চিং-হোৰ আছিল ২৩ একৰ উৰ্ব্বৰ মাটি। এই মাটিৰ হিচাপ ধৰিলেই স্বেন-চিং-হোক এজন বেচ ধনী মানুহ বুলি কব পাৰি। তেওঁৰ পশুসম্পদো আছিল যথেষ্ট। বহুতো দুখীয়া খেতিয়কৰ গৰু এটাতো নায়েই, গৰুৰ ভৰি এখনো নাই। (তেওঁলোকে কেইবাজনো লগলাগিহে এটাহে গৰু ৰাখিছিল।)

ইয়াৰ বাহিৰেও গাৱঁৰ মদ প্ৰস্তুত কৰাৰ কাৰখানাটো হ'ল স্বিন-চিং-হোৰ। তেওঁৰ উদ্বৃত্ত অৰ্থেৰে ৰূপ কিনি ঘৰৰ পিছফালে পুতি থৈছিল। শুনি অবিশ্বাস্য যেন লাগিলেও তেওঁ শতকৰা মাহিলী ৫০ টকা সুত হিচাবে টকা ধাৰলৈ দিছিল। অতি সামান্য পৰিমাণৰ টকা ঋণ লৈ খেতিয়কৰ সৰ্ব্বস্বান্ত হোৱাৰ বহু চিত্ৰ হিনটনে দাঙি ধৰিছে।

চিং-হোৰ তাল বহুত। তেওঁ এফালে বুদ্ধধৰ্ম্মাবলম্বী সংস্থা এটাৰ 'পেই-লো-স্বি' নামে "দাতব্য" প্ৰতিষ্ঠানৰ কাৰ্য্য পৰিচালনা কৰিছিল আনহাতে গাৱঁৰ কনফিউচিয় প্ৰতিষ্ঠানটোৰ কৰ্ণধাৰ আছিল। এইদৰে ধৰ্ম্মৰ জৰিয়তেও তেওঁ নিজৰ স্বাৰ্থ সিদ্ধি কৰিছিল। বুদ্ধমান মানুহ। দৰকাৰ হলে পৰলোকগত





পিতামাতাৰ আত্মাৰ সৈতে কথা পাতিবৰ ব্যৱস্থাও তেওঁ কৰি দিছিল। কি নকৰিছিল? তেওঁ গাৱঁৰ ৰাজনীতিতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেওঁ গাওঁখনৰ গাওঁবুঢ়াও আছিল। দেখাত এই কামৰ কাৰণে তেওঁ দৰ্মহা পোৱা নাছিল কিন্তু আদায় কৰা সকলো কৰকাটলৰ অংশ এটা পাইছিল। স্বাভাৱিকতে এনেকুৱা বহুমুখী প্ৰতিভাৰ অধিকাৰীজন কুমিনটাং দলৰো সক্ৰিয় সভ্য আছিল। আচলতে মুক্ত হোৱাৰ আগতে চীনৰ সমগ্ৰ গ্ৰামাঞ্চলৰ শাসনত অধিষ্ঠিত প্ৰতিপত্তিশীল মানুহৰ চানেকি হ'ল এই চিং-হো।

ইয়াৰ বিপৰীতে লংবোৰ দুখীয়া আৰু ভূমিহীন খেতিয়কৰ পৰিয়ালৰ সংখ্যা আছিল শতকৰা ৬৩ ভাগ। (২৫১ টা পৰিয়ালৰ ভিতৰত ১৫৭ টা) এই শ্ৰেণীৰ মানুহৰ প্ৰতিনিধি হিচাপে আমি দুখীয়া খেতিয়ক শ্বেনক লব পাৰো। শ্বেনে তেওঁৰ বেমাৰী ঘৈণীয়েক কাৰণে দৰবপাতি কিনিবলৈ চেংহোৰপৰা ৪ ডলাৰ ঋণ লৈছিল। এই ধাৰ সুজিবলৈ তেওঁ নিজৰ ল'ৰাজনক চেং হোৰ ঘৰত ৭ বছৰ গোলাম হিচাপে থৈছিল। ৭ বছৰ পিছতো দেখা গ'ল যে আগৰ ঋণ বাঢ়ি গৈ গৈ বহুগুণ হৈছে। ৭ বছৰ পিছত ল'ৰাজনে নিজৰ থকা ঘৰটোৰ এটা অংশ ভাঙি কাঠবোৰ বিক্ৰি কৰি সেই ধনেৰে কোনোমতে নিজৰ মুক্তি লাভ কৰে।

তৃতীয় অধ্যায় 'বিষপানত' এনেকুৱা বহু ঘটনাৰ উল্লেখ আছে। পিছে ভূস্বামী আৰু চহকী খেতিয়কইঁত জানো সঁচাকৈয়ে চহকী আছিল? নিশ্চয় আছিল। চাৰিওফালৰ চৰম দুৰৱস্থাৰ তুলনাত নিশ্চয় তেওঁলোকৰ অৱস্থা ভালেই আছিল। শ্বেন-ফা-লিঙক মাত্ৰ চাৰি ডলাৰৰ কাৰণে চিং-হোৰ ঘৰত ৭ বছৰ গোলাম হৈ আছিল, ওৱাং চাং লাইৰ পৰিবাৰক ৯ বছৰ বয়সত ভাইৰ শহুৰেকৰ ঘৰত বান্দী হিচাপে বিক্ৰি কৰা হৈছিল। লংবোৰ দুখীয়া মানুহৰ চৰম দুৰৱস্থাৰ প্ৰমাণ হিচাপে এনেকুৱা বহু ঘটনাৰ উল্লেখ আছে। গতিকে হিনটনে উদ্ধৃত কৰা তলৰ বৰ্ণনা থিনি পঢ়ি আমি আচৰিত নহওঁ।

"মই মোৰ ল'ৰা-ছোৱালীৰ সৈতে আনৰ কণীধানৰ খেতিত নিৰোৱাৰ কাম কৰিছিলো। আমাক দিনটোত আধা কোৱাৰ্ট শস্য দিছিল। তাৰে একোমুঠি শাক-পাতৰ সৈতে সিজাই লৈছিলো। ল'ৰা-ছোৱালীৰ পেটবোৰ ডাঙৰ হৈছিল আৰু চালৰ তলৰ হাড়বোৰ ওলাই আহিছিল। কিছুদিনৰ



OKDISCD

পিচত সৰু ল'ৰাজনে শেতেলীৰ পৰা উঠিবই নোৱাৰা হ'ল। গ্ৰহণী আৰু লগতে কৃমি। তাৰ গুহ্যদ্বাৰেদি এক চৰু কৃমি ওলাই আহিল। তাৰ মৃত্যু-হোৱাৰ পিচতো কৃমিবোৰ ওলায়েই আছিল। সৰু ছোৱালীজনীয়ে এটোপা গাখীৰ পোৱা নাছিল। নিজে খাবলৈ নাপালে গাখীৰ ক'ৰ পৰা হব? তায়ো মৰি থাকিল।”

ব্যক্তিগত উদাহৰণবোৰ ভয়ঙ্কৰ হলেও আচল আতঙ্কৰ উহ হ'ল সমাজ ব্যৱস্থা। হিনটনৰ ভাষাত—“সেই সময়ৰ লংবোৰ মানুহৰ দুৰৱস্থাৰ আটাইতকৈ ডাঙৰ অংশ হিচাপে এই সৰ্ব্বব্যাপী দুৰৱস্থাৰ কোনো এটা দিশ মাত্ৰকে আঙুলিয়াব নোৱাৰি। আটাইতকৈ ডাঙৰ কথা হ'ল এই দুৰৱস্থাৰ কেতিয়াবা যে ওৰ পৰিব তাৰ সামান্যতম আশাৰ ৰেঙণি ক'তো নাই। পৰিবৰ্ত্তন কিবা হোৱাৰ অৰ্থ আছিল আৰু বেয়ালৈহে পৰিবৰ্ত্তন” মানুহে কৈছিল—“ঋণ লগত লৈ সন্তান ভূমিষ্ঠ হয়। ল'ৰা ওপজাৰ এমাহৰ মূৰত ঘৰৰ মানুহে অলপ আনন্দ উৎসৱ কৰিবলৈ হাবিয়াস কৰে। গতিকে ধাৰ কৰি পিঠাপনা বনায়। ফলত ল'ৰাজন বহিব পৰা হোৱাৰ আগতেই ভূস্বামীৰ তাত ঋণগ্ৰস্ত হৈ পৰে। ল'ৰাজন যিমানে ডাঙৰ হয় ঋণৰ পৰিমাণো সিমানে বাঢ়ি যায় আৰু শেষত অবস্থা অসহনীয় হৈ পৰে।”

গাওঁখনৰ বিৱৰণ শেষ কৰি হিনটনে বহুশতাব্দী ধৰি চলি থকা শোষণৰ প্ৰধান সহায় যাক ‘স্বৰ্গৰ তিনিটা স্তম্ভ’ বুলি জাহিৰ কৰা হয় তাৰেই ক্ষুৰধাৰ বিশ্লেষণ এটি দিয়ে। এই স্তম্ভৰ এটা হ'ল কুলীনাধিপত্য। এই পদ্ধতিয়ে মুষ্টিমেয় মানুহৰ শাসন ব্যৱস্থাক পৰাম্পৰাগত ভাৱে চিৰস্থায়ী কৰি লোৱা হৈছে। এই ব্যৱস্থাটো হ'ল কনফিউচীয় মতৰ এটা বিকৃত ৰূপ। এই প্ৰণালীৰ জৰিয়তে শোষণক এটা নৈতিক মৰ্য্যাদা দিয়া হৈছে। দ্বিতীয় স্তম্ভটো হ'ল গাৱঁৰ শাসন ব্যৱস্থা। এই শাসনকৰ্ত্তাবোৰ ৰাইজৰ মনোনীত ব্যক্তি নহ'লেও এওঁলোকে শোষণ ব্যৱস্থাক কাৰ্য্যকৰী কৰাৰ ক্ষমতা হাতত পায়। তৃতীয় ব্যৱস্থা হ'ল সদায় ভয় দেখুৱাই আৰু শাৰীৰিক নিৰ্য্যাতন কৰি অসন্তুষ্ট জনসাধাৰণক দমন কৰি ৰখাৰ পদ্ধতি। তলত দিয়া কথা খিনিতে এই ব্যৱস্থাৰ বহুল প্ৰয়োগৰ প্ৰমাণ পোৱা যায়। “দৰ্কাৰ হলে এশ জন নিৰ্দ্দোষী মানুহক হত্যা কৰাও ভাল তথাপি চাবা যেন এজন কমিউনিষ্টো পলাই সাৰিব নোৱাৰে।”





এই তিনিটা স্তম্ভৰ বাহিৰেও অলপতে নতুন এটা স্তম্ভৰ সৃষ্টি হৈছিল। এই স্তম্ভটোও শোষণ ব্যৱস্থাক ধৰি ৰখাৰ বিৰাট এক সহায়। এইটো হ'ল কেথলিক গীৰ্জা। গাৱঁৰ মানুহৰ শতকৰা ২০ ভাগৰ অলপ বেছি মানুহ এই গীৰ্জাৰ অনুগত। চীনৰ গ্ৰামাঞ্চলত এই কেথলিক গীৰ্জাৰ ভূমিকা সম্বন্ধে হিনটনৰ বিৱৰণে তেওঁৰ সূক্ষ্ম দৃষ্টিৰ পৰিচয় দিয়ে। এই বিৱৰণ পঢ়ি থকা অৱস্থাত ভাৰতীয় পাঠকৰ সদায় ভাৰতৰ গ্ৰামাঞ্চলত গীৰ্জাবোৰৰ অনুৰূপ ভূমিকাৰ কথাও মনত পৰিব। ১৮৪০ চনত যুদ্ধত (First Opium War) চীনৰ পৰাজয়ৰ পিচতেই ইটালীৰ ধৰ্ম সম্প্ৰদায় এটাই বিধৰ্মী সকলক ‘উদ্ধাৰ’ কৰিবলৈ চীন দেশলৈ আহে। তাৰ পিছত ওলান্দাজ আৰু ফৰাচী ত্ৰানকৰ্ত্তাবোৰৰ আবিৰ্ভাব হয়। এইদৰে বিধৰ্মী সকলৰ উদ্ধাৰ কাৰ্য্যত নিযুক্ত থকা অৱস্থাত গীৰ্জাবোৰ প্ৰচুৰ ভূসম্পত্তিৰ গৰাকী হ'ল। তেওঁলোকৰ হাতত থকা ‘দাতব্য’ প্ৰতিষ্ঠান বোৰৰ জৰিয়তেও যথেষ্ট ক্ষমতা হাতলৈ আহিল আৰু এইদৰে লগে লগে শোষণৰ ক্ষমতাও ব্যৱহাৰ কৰিলে। শোষণ ব্যৱস্থাৰ পৰম্পৰাগত স্বীকৃতি এটা আছিলেই এইবেলি ব্যৱস্থাটোৱে ধৰ্ম্মীয় অনুমোদনো লাভ কৰিলে। এই চালু ব্যৱস্থাৰ বিৰুদ্ধে কাৰো মনত প্ৰশ্ন নুঠে। “বেলি পশ্চিমফালে উঠিবনে?” এনেকুৱা প্ৰশ্ন জানো কোনোবাই সোধে? মাজে মধ্যে এই ব্যৱস্থাৰ বিৰুদ্ধে যে বিদ্ৰোহ কৰা নহৈছিল তেনে নহয়। গ্ৰামাঞ্চলত প্ৰায়েই যে এনেকুৱা কৃষক বিদ্ৰোহ হৈছিল সেই কথাও হিনটনে লিখিছে। পিছে এইবোৰ বিদ্ৰোহ আছিল ব্যক্তিগত হতাশাৰ স্বতঃস্ফূৰ্ত্ত প্ৰকাশ। এই বিদ্ৰোহ নিৰ্ঘাত ব্যৰ্থ হৈছিল। কেতিয়াবা বিদ্ৰোহৰ নায়ক সকলে শেষ পৰ্য্যন্ত গ্ৰামাঞ্চলত ডকাইতি কৰিহে ফুৰিছিল। ডকাইতৰ সম্বন্ধে গামাঞ্চলত বহুতো কিংবদন্তীৰ সাধু প্ৰচলিত আছে। এই কৃষক বিদ্ৰোহবোৰ প্ৰায়েই বৰ হিংসাত্মক আছিল। কিন্তু এই চৰম আৰু বিপথগামী হিংসাৰ প্ৰকাশে ৰাজনৈতিক শক্তি হিচাপে খেতিয়কবোৰৰ কিছুমান মৌলিক দুৰ্ব্বলতাহে সূচায়। ইয়াৰ প্ৰথম কথা হ'ল উগ্ৰ ব্যক্তিস্বতন্ত্ৰতা আৰু দ্বিতীয় কথা হ'ল বৃহত্তৰ সামাজিক সমস্যাৰ অজ্ঞতাৰ কাৰণে দৃষ্টিৰ সংকীৰ্ণতা। গাৱঁৰ মানুহক শোষণ কৰা মহাজন যে সাম্ৰাজ্যবাদী শোষকৰ লগত একেটা সূত্ৰেৰে বন্ধা সেই কথাটো সাধাৰণ মানুহে বুজি পোৱা নাছিল। আৰু এটা কথাও আছে। এই তৃতীয় কথাটো হ'ল গ্ৰাম্য নিবুৰ্দ্ধিতা। অৱশ্যে গাওঁবোৰ পৃথিবী



OKDISCD

আৰু দেশখনৰ ঘটনাৱলীৰ পৰা সম্পূর্ণভাৱে আঁতৰত থকা কাৰণে এইটো হবই। আৰু শেষত হল যিকোনো কামত আবেগ আৰু উচ্ছ্বাসৰ আধিক্য। ইয়াৰ ফলত কম্যুনিষ্ট পাৰ্টিয়ে পৰিচালনা কৰা বিপ্লৱতো বহুধৰণৰ হিংসা আৰু অত্যাচাৰৰ আধিক্য ঘটিছিল।

হিনটনে জাপানৰ অধিকাৰত থকা কালছোৱাৰ বৰ্ণনা দি গাৱঁৰ সামাজিক ব্যৱস্থাৰ বিৱৰণ শেষ কৰে। জাপানীসকলৰ কাৰণে লংবোৰ যথেষ্ট সামৰিক গুৰুত্ব আছিল। দুইদল সৈন্য বাহিনীৰ মাজত যোগাযোগ স্থাপন কৰিব বিচৰা ৰাজপথৰ মাজত ইয়াৰ অৱস্থান। গতিকে জাপানীসবলে লংবো অধিকাৰ কৰি ঠাইখনক যথেষ্ট সুৰক্ষিত কৰি ৰাখিছিল।

কিতাপখনত জাপানীবোৰৰ লগত সহযোগ কৰাৰ কিছুমান উদাহৰণো দিয়া হৈছে। অৱশ্যে গাৱঁৰ সৰহভাগ সহযোগকাৰী বা দালাল আছিল ভদ্র শ্ৰেণীৰ মানুহ। চহকী খেতিয়কো আছিল দুই-চাৰিজন। বহতীয়া চৰকাৰ গঠন আৰু এই চৰকাৰৰ নিষ্ঠুৰ ভাৱে ক্ষমতাৰ প্ৰয়োগ, অবিশ্বাস্য পদ্ধতিৰে জোৰ কৰি শস্য আৰু শ্ৰম আদায় ইত্যাদিৰ বিৱৰণ কিতাপখনত লিপিবদ্ধ কৰা হৈছে। স্থানীয় দালালবোৰে নিষ্ঠুৰতা আৰু আক্ৰোশৰ প্ৰকাশত দখলকাৰী সেনা-বাহিনীকো চেৰ পেলাইছিল।

লাহে লাহে গাৱঁৰ ভিতৰতে প্ৰতিৰোধ আন্দোলন গা কৰি উঠিল। তাৰ পিছত অষ্টম স্থল বাহিনীয়ে উত্তৰ ছানচিৰ ইয়েনানৰ পৰা বিজয় অভিযান কৰি অহাৰ লগে লগে চীনৰ কমুনিষ্ট পাৰ্টিৰ শক্তি বাঢ়ি গ'ল। ক্ৰমে ক্ৰমে মুক্ত অঞ্চলৰ আয়তন বাঢ়ি গ'ল। মুক্ত অঞ্চলত সংযুক্ত চৰকাৰ গঠন কৰা হ'ল। এই সংযুক্ত চৰকাৰত প্ৰথমে কম্যুনিষ্ট, দেশপ্ৰেমী কুমিনটাং দলৰ মানুহ আৰু নিৰ্দ্দলীয় সদস্যও আছিল। সাময়িকভাৱে 'নাঙল যাৰ মাটি তাৰ' এই নীতি বাদ দি 'দ্বৈত ৰেহাই' নীতি গ্ৰহণ কৰা হ'ল। এই 'দ্বৈত ৰেহাইৰ' অৰ্থ হ'ল খাজনা আৰু সুত হ্ৰাস। এইবোৰ সকলো ঘটনা হিনটনে বিষদ ভাৱে বৰ্ণনা কৰিছে।

হিনটনৰ প্ৰধান উদ্দেশ্য হ'ল গাওঁ অঞ্চলৰ সৰু সৰু সমাজ একোখনৰ ওপৰত এই ঘটনাবোৰৰ প্ৰভাৱ কি সেইটো ব্যাখ্যা কৰা। হিনটনে লংবোত ঘটা ঘটনাবোৰ ধাৰাবাহিক ভাৱে বৰ্ণনা কৰি গৈছে। প্ৰতিৰোধ আন্দোলনৰ





উদ্ভৱ আৰু জাপানী সৈন্যবাহিনীয়ে আগষ্ট মাহৰ ১০ তাৰিখে আত্মসমৰ্পণ কৰাৰ চাৰি দিন পিছতে অষ্টম স্থলবাহিনী আৰু লুচেং অঞ্চলৰ গণবাহিনীৰ দ্বাৰা গাওঁখনৰ মুক্তি। মিত্ৰবাহিনীৰ হাতত জাপানীৰ আত্মসমৰ্পন আৰু চীনৰ বিভিন্ন ঠাইত দখলদাৰী সেনাৰ পতনৰ মাজত থকা এই চাৰি দিনৰ ব্যৱধানৰ মূলতে আছে চিয়াংকাইচেকৰ এক কুটিল দুৰভিসন্ধি। ইয়াৰ উদ্দেশ্য আছিল দৰকাৰ হ'লে জাপানীৰ সহায়েৰেও 'লাল সৈন্যৰ' অগ্ৰগতি প্ৰতিৰোধ কৰা। পিছতো গৃহযুদ্ধৰ কালছোৱাত এই উদ্দেশ্যে সিদ্ধ কৰাৰ কাৰণে আমেৰিকাৰ সাহায্য লোৱা হৈছিল। লংবো চীনৰ প্ৰথমেই মুক্ত হোৱা ঠাইৰ অন্যতম। অষ্টম স্থলবাহিনীৰ অভিযানৰ বাটত অৱস্থান হেতুকে এইটো সম্ভৱ হৈছিল। লংবোতো অলপ সময়ৰ কাৰণে হ'লেও প্ৰতিবিপ্লৱ এটা হৈছিল কিন্তু সফল হোৱা নাছিল। লংবোত চিয়াঙৰ বিভীষণ আছিল আন্দোলনৰে এজন মূখীয়াল সদস্য। অৱশ্যে এই মানুহজনেই পিছত কম্যুনিষ্ট পাৰ্টিৰ গ্ৰাম্য শাখাৰ এজন সক্ৰিয় সদস্য হৈছিল, আনকি জিলা সংস্থাৰো 'পূৰ্ণ পৰ্য্যায়ৰ' সদস্য হৈছিল।

হিনটনে কিতাপৰ দ্বিতীয় খণ্ডত বেলি যে সঁচাকৈ পশ্চিমফালে উঠিল সেই কথাকে কৈছে। কবলৈ গ'লে এই সময়ছোৱাক বেদখল কৰাৰ কাল বুলি কব পাৰি। মুক্ত অঞ্চলত এই কামটো বৰ বিশৃঙ্খল ভাবে কৰা হৈছিল। কম্যুনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় সমিতিয়ে 'দ্বৈত ৰেহাই' নীতি গুচাই আকৌ যেতিয়া 'নাঙল যাৰ মাটি তাৰ' এই নীতি প্ৰবৰ্ত্তন কৰি মে মাহৰ ৪ তাৰিখে নিৰ্দ্দেশ জাৰি কৰে তেতিয়া এই বেদখল কৰা কাৰ্য্যটোৱে এটা চৰম সীমা পায়গৈ। কিতাপত লংবোৰ খেতিয়ক সকলৰ ৰাজহুৱা সভা এখন পতাৰ প্ৰথম চেষ্টাৰ কথাও কোৱা হৈছে। এইখন আচলতে 'বিশ্বাসঘাতকক নিপাত কৰাৰ' সভা। এই সভাত অতি বজ্জাত দালাল বোৰৰ শাস্তিৰ বিহিত কৰা হয়। সামগ্ৰিক ভাবে এটা সন্ত্ৰাসৰ কাল নামি আহে। অৱশ্যে সন্ত্ৰাসৰ কাল বুলি কোৱাটো ঠিক নহব কাৰণ এই কালছোৱাত সৰ্ব্বমুঠ আধাডজন মানুহক হত্যা কৰা হৈছিল। এই প্ৰসঙ্গত কিতাপৰ দ্বিতীয় খণ্ডৰ আৰম্ভনিতে মাৰ্কটোৱেনৰ যিটো উদ্ধৃতি দিয়া হৈছে সেইটো মনকৰিবলগীয়া।

“ভালকৈ মনদি বিবেচনা কৰিলে আমি দেখিম যে 'সন্ত্ৰাসৰ ৰাজত্ব' দুই ধৰণৰ। এটাত ক্ৰোধত উন্মত্ত হৈ হত্যাকৰা হয় আৰু আনটোত সুস্থ মস্তিস্কেৰে



OKDISCD

নির্দ্দয় ভাৱে হত্যা কৰা হয়। একধৰণৰ স্থায়িত্ব কেইমাহমান মাত্ৰ আৰু আনটোৰ স্থায়িত্ব হাজাৰ হাজাৰ বছৰ। এটাত মৃত্যু হয় হাজাৰ জনৰ আৰু আনটোত হয় লক্ষ কৌটিৰ। প্ৰথম বিধ সাময়িক সন্ত্ৰাসৰ বিভীষিকা দেখি আমি নিজেও আতঙ্কত শিয়ৰি উঠো। ক্ষুধা, অপমান, অত্যাচাৰ আৰু আজীৱন আশাভঙ্গৰ বেদনা লৈ তিলে তিলে মৃত্যুযন্ত্ৰনা ভোগ কৰাৰ তুলনাত তৰোৱালৰ একঘাপতে মৰি যোৱাটো জানো বেচি আতঙ্কজনক? তুঁহজুইত উমিউমি পুৰি মৰাৰ সতে বজ্ৰাঘাতত তৎক্ষণাৎ মৃত্যুৰ জানো তুলনা হয়? আমি যি সন্ত্ৰাস দেখি শিয়ৰি উঠাৰ শিক্ষা পাইছো, সেই ক্ষণস্থায়ী সন্ত্ৰাসৰ ফলত মৃত সকলকে কবৰ দিবলৈ চহৰৰ কবৰখানা এটাই যথেষ্ট। কিন্তু দ্বিতীয় বিধ অবৰ্ণনীয় ভয়ঙ্কৰ সন্ত্ৰাসৰ ফলত মৃত অগণন মানুহক কবৰ দিবলৈ হ'লে গোটেই ফৰাচী দেশখনো নুজুৰিব। এই দ্বিতীয় বিধ সন্ত্ৰাসৰ বিভীষিকা আমাৰ চকুত নপৰে, কাৰণ এই বিষয়ে সচেতন হোৱাৰ শিক্ষা আমাক দিয়া নহয়।"

'বিশ্বাসঘাতকক খতম কৰা' আন্দোলন কিয় এই কথাযাৰ বুজিবলৈ গ'লেই গাৱঁৰ সমাজ ব্যৱস্থা বুজি পোৱা যাব। গাৱৰ সৰহ ভাগ মানুহ কিয় ইমান দৰিদ্ৰ সেই কথাৰো সূত্ৰ পোৱা যাব। "সামন্ততন্ত্ৰৰ গেলা শিপাবোৰ উঘালি পেলোৱা।" পিছে শিপাবোৰনো ক'ত? বিচাৰি উলিয়াবৰ উপায় কি? জমিদাৰবোৰক পোতক তুলিবলৈ প্ৰথমেই কৃষক সমিতিৰ প্ৰতিষ্ঠা কৰাৰ মাজতে এই প্ৰশ্নৰ উত্তৰ আছে। গাৱঁৰ আটাইতকৈ চহকী জমীদাৰ শেন চিং হো সাওঁ এৰি পলাই গ'ল। তেওঁ পুণৰায় ঘূৰি নাহিল। কিন্তু বাকীবোৰ জমিদাৰ আৰু খেতিয়ক থাকি গ'ল। তেওঁলোকৰ মুখীয়াল হ'ল ৱোং লাই শ্বন, মহা কানিখোৰ। কানি থায় বুলি লোভ আৰু আক্ৰোহ কিন্তু কম নহয়।

হিনটনৰ বৰ্ণনা বাস্তৱধৰ্ম্মী। খেতিয়কসকলে কৰা অন্যায় অত্যাচাৰৰ বৰ্ণনা দিওঁতে তেওঁ ইতস্তত: কৰা নাই। কেতিয়াবা গোটেই পৰিয়াল এটাও এই অত্যাচাৰৰ বলি হৈছিল। উদাহৰণ স্বৰূপে কেথলিক সংস্থা এটাৰ মেনেজাৰ ৱোং কুয়েই চিঙৰ কথাই ধৰক। তেওঁক কোবাই কোবাই শেষ কৰা হৈছিল।

"পোতক তোলা" অভিযান ১৯৪৬ চনৰ জানুৱাৰী মাহৰ ৪ তাৰিখে আৰম্ভ হৈছিল আৰু চাৰি সপ্তাহমান আছিল। এই অভিযান আৰু আগতে





আৰম্ভ কৰা "বিশ্বাসঘাতকক খতম কৰা" অভিযান, এই দুয়োটা লগ লাগি জমিদাৰ শ্ৰেণীক খতম কৰিলে; অন্তত: কঁকাল ভাঙি দিলে।

এই ব্যৱস্থাৰ কাৰ্য্যকৰী লাভক নুই কৰিব নোৱাৰি। গাৱঁৰ সৰ্ব্বমুঠ ৯৫১ একৰ মাটিৰ প্ৰায় এক চতুৰ্থাংশ জব্দ কৰা হ'ল। ইয়াৰ ২১১ একৰ ব্যক্তিগত ভূস্বামীৰ আৰু ৫৫ একৰ হ'ল বিভিন্ন সংস্থাৰ। গাৱৰ ৮০০ টা ঘৰৰ প্ৰায় আধা জব্দ কৰা হ'ল। জব্দ কৰা মাটি আৰু বস্তুবাহানিৰ মূল্য হব প্ৰায় ১০০০০০ ডলাৰ। লংবোৰ কথা মনত ৰাখিলে শকত পৰিমাণৰ ধন। লংবোৰ সকলো মুনিহ তিৰোতা আৰু শিশুৰ প্ৰায় ৫ বছৰৰ মুঠ উপাৰ্জ্জন। মাটি আৰু সম্পত্তিৰ জবৰদখলৰ পিছত আহিল তাৰ বিতৰণ। এই বিতৰণৰ ফল হ'ল তলত উল্লেখকৰা ধৰণৰ। এশ চল্লিশটা পৰিয়ালে (সৰ্ব্বমুঠ, জনসংখ্যা ৫১৭) অৰ্থনৈতিক ক্ষেত্ৰত 'বাগৰ সলালে।' গাইপতি ভোগকৰা মাটিৰ পৰিমান ৪৪ একৰৰ পৰা ৮৩ একৰলৈ বাঢ়ি গ'ল। জব্দকৰা আৰু বিতৰণত যদিও বহুতো ভুলভ্ৰান্তি হৈছিল তথাপিও খেতিয়কসকলৰ সমান অধিকাৰ প্ৰতিষ্ঠা কৰাৰ এই প্ৰচেষ্টাৰ গুৰুত্ব উলাই কৰিব নোৱাৰি। প্ৰথম বাৰৰ কাৰণে লংবোৰ সাধাৰণ খেতিয়ক এজনে উপলব্ধি কৰিলে যে তেওঁৰ ভাগ্য নিয়ন্ত্ৰন কৰাত তেওঁৰো অলপ ভূমিকা আছে। বহুদিন ধৰি চলি থকা "ভাই, ভাতমুঠি খৰা হৈছেনে?", এই সম্ভাষণৰ ঠাই ললে "কমৰেড, বাগৰ সলাইছেনে?" এই সম্ভাষণটোৱে।

লংবোৰ খেতিয়কসকলৰ মুক্তিৰ লগে লগে চীনদেশৰ তিৰোতা সকলৰো (চীনৰ জনসংখ্যাৰ আধা) মুক্তি হ'ল। লংবোতো এটা নাৰী সমিতি গঠন কৰা হ'ল। কিতাপখনত নাৰীমুক্তিৰ কথাখিনি বহলভাৱে আলোচনা কৰা হৈছে। পাৰ্টিৰ কৰ্ম্মীৰ লগত কাজিয়া, বুঢ়ীবোৰৰ লগত নতুনচাম তিৰোতাৰ কাজিয়া, শাহু বোৱাৰীৰ মাজৰ সংঘাত এইবোৰ সকলো কথা বিস্তাৰিতভাৱে আলোচনা কৰা হৈছে। 'পৰিবাৰক কোবোৱা' চীনত চলিথকা, 'ভাল ভাল' পুৰণি নিয়মৰ অন্যতম। 'পৰিবাৰক কোবোৱা' প্ৰশ্ন লৈ এজন পুৰুষ কম্যুনিষ্ট পাৰ্টিৰ কৰ্ম্মী আৰু পাৰ্টিৰ সদস্য নহয় এনেকুৱা তিৰোতামানুহৰ মতানৈক্যৰ বিৱৰণ আমোদজনক।

নতুন পৰিস্থিতিত ডাঙৰীয়া শ্ৰেণীয়ে (gentry) খেলিমেলি সৃষ্টি কৰাৰ চেষ্টাক ব্যৰ্থ কৰা হ'ল আৰু কমুনিষ্ট পাৰ্টিৰ শাখা প্ৰতিষ্ঠা কৰা হ'ল।



OKDISCD

গাৰঁৰ পাৰ্টিৰ শাখাৰ সংগঠনৰ হিনটনে দিয়া বিৱৰণ বেচ শিক্ষাপ্ৰদ। এই অৱস্থাত তেতিয়াও পাৰ্টিয়ে গোপনে কাম কৰিবলগীয়া হৈ আছিল। অথচ গাৱঁৰ চাৰিটা প্ৰবীন সংস্থাৰ কাৰ্য্যকলাপৰ মাজত সমন্বয় কৰাৰ কাৰণে গাৱঁত পাৰ্টিৰ এটা শাখা থকাটোও অত্যন্ত প্ৰয়োজনীয়। এই চাৰিটা সংস্থা হ'ল; (১) বৰ্ত্তমান অৱস্থাত অধিকতৰ গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্ব্বাচিত গ্ৰাম্য চৰকাৰ, (২) গণসৈন্যবাহিনী, (৩) কৃষক সভা আৰু (৪) নাৰীসমিতি। যদিও পাৰ্টিয়ে এই সংস্থাবোৰত কোনো এটাৰ ওপৰত নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবৰ চেষ্টা কৰা নাছিল তথাপিও প্ৰকাশ্যে কামকাজ কৰাৰ আগতেও ইয়াৰ প্ৰতিটোতে নিজৰ সদস্য আছিল। পাৰ্টিৰ শ্ৰেণীগত গঠনো বৈশিষ্টপূৰ্ণ। গাৱঁৰ পাৰ্টিৰ ৩০ জন সভ্যৰ শতকৰা আশীভাগ অতি সামান্য মাটি থকা বা মাটিহীন খেতিয়ক আৰু বনুৱা। শতকৰা কুৰিভাগ হ'ল মাটিথকা খেতিয়ক যেনে গ্ৰাম চৰকাৰৰ নতুন মুৰব্বী স্বি ফু ইউয়ান। এওঁ এজন মধ্যবিত্ত খেতিয়ক আৰু এওঁ জাপানীৰ বিৰুদ্ধে প্ৰতিৰোধ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পাৰ্টিত চহকী খেতিয়ক বা জমিদাৰ বংশৰ মানুহ নাছিল।

মাত্ৰ ৩০ জন সভ্য লৈও পাৰ্টিয়ে প্ৰতিটো সংস্থাত মুখ্য স্থান অধিকাৰ কৰি আছিল। কুয়ো চেং কুয়ান কৃষক সভাৰ সভাপতি আছিল, আগতে উল্লেখ কৰা ভিখাৰিণী শ্ৰীমতী হুচে চেন হ'লগৈ নাৰীসমিতিৰ সম্পাদিকা, লি হুং আৰু গণবাহিনীৰ প্ৰধান আৰু স্বি ফু ইউয়ান হ'ল গাৱঁৰ শাসনযন্ত্ৰৰ প্ৰধান। এওঁলোক হ'ল পাৰ্টিৰ সভ্য। পাৰ্টিৰ সভ্যসকলে বিভিন্ন সংস্থাৰ গুৰুত্বপূৰ্ণ পদত থাকিও বিপ্লৱৰ প্ৰথম অৱস্থাত লংবোত বহুতো অপ্ৰীতিকৰ ঘটনা ঘটাত বাধা দিব পৰা নাই। লি হুং আৰ' অৰ আছিল মাতব্বৰী কৰা স্বভাৱ। কিতাপখনত তেওঁৰ এই দুৰ্ব্বলতা সম্বন্ধে বহুবাৰ উল্লেখ কৰা হৈছে। এইবোৰ ঘটনা বৰ্ণনা কৰিবলৈ গৈ হিনটনে লুকঢাক কৰা নাই। বিপ্লৱৰ প্ৰথম পৰ্য্যায়ৰ কিছুমান কথা বৰ্ত্তমান যুগৰ পৰিপ্ৰেক্ষিতত আমাৰ কাৰণে তাৎপৰ্য্যপূৰ্ণ। হিনটনে বৰ্ণনা কৰা মতে কুসংস্কাৰৰ বিৰুদ্ধে অভিযানৰ ভিতৰত আছিল দেৱতা আৰু বিগ্ৰহ চূৰ্ণ কৰা, গ্ৰহণী বেমাৰ সৃষ্টি কৰাৰ ক্ষমতা সম্পন্ন বৌদ্ধ দেৱতা চি টি এন'অৰ মজা বাহিৰ কৰা। কৃষক সভাই হিচাপ কৰি চালে যে চি টি এন'অৰ পূজাত ইমানদিনে বছৰি বছৰি যি ধন খৰচ কৰা





হৈছে সেই ধনেৰে আকালৰ সময়ত বহু মানুহৰ জীৱন ৰক্ষা কৰিব পৰা গল হেতেন। এই কথা আবিষ্কাৰ কৰাৰ পিছত বিগ্ৰহটো গুৰি কৰি পেলোৱা হল। (আমাৰ বিপ্লৱীবোৰে পিছে ধৰ্ম্মস্থানত হাত নিদিয়ে বৰং পৰলোকগত মানুহৰ ছবিবোৰহে ভাঙে, যদিও এই ছবিবোৰতকৈ কুসংস্কাৰৰ অধিকতৰ প্ৰত্যক্ষ প্ৰতীক বহুতো আছে।)

“দ্বৈত ৰেহাই” নীতি গুচাই মে মাহৰ চাৰি তাৰিখে যেতিয়া “নাঙল যাৰ মাটি তাৰ” এই নীতি প্ৰৱৰ্ত্তন কৰাৰ নিৰ্দ্দেশ দিয়া হয় তেতিয়া মুক্ত অঞ্চলৰ সংগ্ৰাম তীব্ৰতৰ আৰু অধিকতৰ প্ৰচণ্ড হৈ উঠে। কম্যুনিষ্ট পাৰ্টিৰ প্ৰাদেশিক কমিটিয়ে যি আহ্বান জনায় তাৰ সাৰমৰ্ম্ম হল ঃ (১) ভালকৈ দোষ উদ্ঘাটন কৰা, অবিৰাম সংগ্ৰাম চলাই যোৱা, সম্পূৰ্ণৰূপে ‘বাগৰ সলোৱা’। (২) পেটৰ ভাত, পিন্ধনৰ কাপোৰ, খেতিৰ মাটি আৰু থকা ঘৰ। (সকলোৰে হব লাগে।) (৩) দুখীয়া খেতিয়কক দুখীয়া হৈ থাকিব নিদিবা, পিছপৰি থকা সম্প্ৰদায়ক পিছপৰি থাকিব নিদিবা, বিভিন্ন সম্প্ৰদায়ৰ মাজত উদ্ভৱ হোৱা সমস্যাক সমাধান নকৰাকৈ নাৰাখিবা, মানুহৰ চিন্তাধাৰাত সামন্ততান্ত্ৰিক ভাৱাদৰ্শ থাকিবলৈ নিদিবা আৰু জমিদাৰক তেওঁৰ ভূসম্পত্তি ভোগদখল কৰি থাকিবলৈ নিদিবা। এইটো বুজা টান নহয় যে এই আহ্বান কাৰ্য্যকৰী কৰোঁতে অত্যাচাৰৰ মাত্ৰা বাঢ়ি যাব। আৰু গৈছিলো। লগে লগে কম্যুনিষ্ট পাৰ্টিৰ বিৰাট প্ৰভাৱ-প্ৰতিপত্তিৰ কাৰণে পাৰ্টিৰ সভ্য হোৱাটো আছিল গৌৰবৰ কথা। ইয়াৰ ফলত প্ৰভাৱ আৰু ক্ষমতাৰ অপব্যৱহাৰ কৰাৰ যথেষ্ট উদাহৰণো পোৱা যায়। যেনে ওৱাং মেন শ্বি ভদ্ৰশ্ৰেণীৰ ফালৰ অত্যাচাৰীৰ পৰা সাধাৰণ মানুহৰ প্ৰতিনিধিত্ব কৰা অত্যাচাৰীত পৰিণত হল। এনেকুৱা বহুতো উদাহৰণ আছে। আটাইতকৈ দগাবাজ আছিল কৃষক সভাৰ উপসভাপতি ওয়াং উলাই আৰু তেওঁৰ ল'ৰা ওয়াং ওৱে টে, যাক দেউতাকে পুলিচৰ মুখীয়াল, এই ক্ষমতাপূৰ্ণ পদত কায়দা কৰি বহুৱাই দিছিল। আৰু আছে। গণবাহিনীৰ কেপটেন লি হুং-আৰ আৰু গ্ৰাম্য শাসনযন্ত্ৰৰ উপপ্ৰধান ওৱাং হেই উ। এই চাৰিজনে বাৰংবাৰ ‘ডেওনা পাৰ’ হ'বলৈ অপাৰগ হয়। ৰাজহুৱা সভাত এইটো আশা কৰা হয় যে পাৰ্টিৰ কৰ্ম্মীবোৰে নিজৰ দোষত্ৰুটি বিশ্লেষণ আৰু পৰস্পৰৰ সমালোচনাৰ মাজেৰে অইনক পতিয়ন নিয়াব লাগে যে তেওঁলোকৰ স্বভাৱ চৰিত্ৰৰ সলনি হৈছে। প্ৰসঙ্গক্ৰমে কব



OKDISCD

পাৰি যে হিনটনে উল্লেখ কৰা দোষত্ৰুটিৰ বেচিভাগ হ'ল যৌন অনাচাৰ সম্পৰ্কীয়। এইবোৰ দোষ 'বদমাচ আচৰণ'ৰ অন্তৰ্গত। দেখাদেখিকৈ চীন দেশত যৌন অনাচাৰক আটাইতকৈ ডাঙৰ দোষ বা অপৰাধ বুলি গণ্য কৰা হৈছিল। এইবোৰ ঘটনাই বহুসময়ত বিপ্লৱৰ কামত খেলিমেলি সৃষ্টি কৰিছিল। আৰু এটা কথাত উন্নাই প্ৰায় বিশেষজ্ঞ হৈ উঠিছিল। তেওঁ যাক দেখিব নোৱাৰিছিল তাক কুমিনটাঙৰ দালাল বুলি অভিযুক্ত কৰি 'দালালৰ টুপি' মূৰত পিন্ধি ফুৰিবলৈ বাধ্য কৰাইছিল।

যেতিয়া কৰ্ম্মীবাহিনী গাৱঁত উপস্থিত হয় তেতিয়া ইতিমধ্যে লংবোৰ সাধাৰণ মানুহে বিপ্লবী কৰ্ম্মী আৰু গণবাহিনীৰপৰা বেচ কিছু আঁতৰি গৈছে। এওঁলোকৰ মাতব্বৰী আৰু লাহবিলাহৰ মাত্ৰা বৰ বাঢ়ি গৈছিল। ইয়াৰ ফলত আন্দোলনৰ ভৱিষ্যত সম্বন্ধে সন্দেহৰ উদয় হৈছিল। পুৰণি শ্ৰেণীটোক ক্ষমতাচ্যুত কৰা হৈছে, গোটেই গাওঁখনতে এটা অস্থিৰ অৱস্থা অথচ এই সময়ত অভাৱ নিৰ্ভুল পৰিচালনাৰ। নতুন চাম পৰিচালক তৰুণ কিন্তু উচ্চাভিলাসী, গাৱঁৰ বাহিৰত কোনো বিপ্লৱত অংশ গ্ৰহণ কৰাৰ অভিজ্ঞতা নাই, যথেষ্ট শৃঙ্খলাবোধো নাই। শিকলি ছিঙি বিপ্লবী জনতা এটা তৰল অৱস্থাত আছে কিন্তু অভাৱ হ'ল নিৰ্ভুল আৰু বৈপবিক নেতৃত্ব দিবপৰা মানুহৰ। অৱশ্যে অভিজ্ঞতাৰ মাজেৰে ভুলভ্ৰান্তিৰ মাজেৰে এই জনসাধাৰণৰ মাজৰপৰা নেতা ওলাব লাগিব। কৰ্ম্মীবাহিনীক নেতৃত্ব দিবলৈ পঠিওৱা হোৱা নাই। কৰ্ম্মীবাহিনীৰ কাম হ'ল পৰ্য্যবেক্ষণ কৰা, কামত অংশ গ্ৰহণ কৰা আৰু ইয়াৰ মাজেৰে শিক্ষালাভ কৰা আৰু পাৰিলে শিকোৱাও।

( আগলৈ )

**পৰিস্থিতি জনিত অনিবাৰ্য্য কাৰণত এই সংখ্যা নতুন পৃথিৱী ওলোৱাত অলপ পলম হ'ল। তাৰ বাবে ক্ষমা বিচাৰিছো।**



# অসমত ভূমি সংস্কাৰ কংগ্ৰেছ চৰকাৰৰ দ্বাৰা সম্ভৱনে ?

শ্ৰীসুৰেন হাজৰিকা

আজি কিছুদিন ধৰি শাসক দল আৰু তেওঁলোকৰ চৰকাৰে অসমত ভূমি সংস্কাৰ কৰাৰ নামত বৰকৈ ঢাক-ঢোল কোবাইছে। ইতিমধ্যে অসম প্ৰজাস্বত্ব আইন পাছ কৰিছে আৰু ৫০ বিঘাৰ সীমা বান্ধি চিলিং আইন পাছ কৰিছে। অতীততো চৰকাৰে আৰু শাসক দলে ভূমি-সংস্কাৰৰ নামত বহুবাৰ ঢাক-ঢোল কোবাইছিল যদিও এইবাৰৰ কোবটো আগৰ কেইবাৰতকৈ বেছি। যোৱা কেইবছৰৰ ভিতৰত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত, বিশেষকৈ কেৰালা, পশ্চিমবঙ্গ, অন্ধ্ৰ, পঞ্জাৱ আদি ৰাজ্যত ভূমিহীন আৰু কম মাটি থকা কৃষক সকলে মাটিৰ কাৰণে কৰা আন্দোলন বিলাকে শাসক দল আৰু তেওঁলোকৰ চৰকাৰক ভয় খুৱাইছিল। কোনো কোনো ঠাইত এই আন্দোলন বিলাকে ব্যাপক ৰূপ ধাৰণ কৰাৰ ফলত শাসক দলে উপলব্ধি কৰিছে যে কৃষক ৰাইজৰ এই আন্দোলন বিলাক বাধা দিব নোৱাৰিলে এইবোৰ শান্তিপূৰ্ণ ভাৱে চলি নাথাকিব পাৰে আৰু হয়তো এইবোৰে ভাৰতৰ জমিদাৰ মহাজন শ্ৰেণীকো উটাই লৈ যাব। সেই কাৰণে এওঁলোকে নতুন কথা, নতুন ঢাক-ঢোল কোবাব লগা হৈছে।

অন্যান্য ৰাজ্যৰ তুলনাত অসমত মাটিহীন খেতিয়কৰ সংখ্যা যদিও কিছু কম তথাপিও যোৱা ১০।১৫ বছৰত অসমৰো প্ৰায় প্ৰতিটো ফৰেষ্ট, ৰিজাৰ্ভ আৰু গ্ৰেজীং বেদখল হৈছে। ইয়াৰ দ্বাৰা এইটোৱেই প্ৰমাণিত হয় যে চৰকাৰে ভূমি সংস্কাৰৰ নামত যিমানেই যি নকৰক মাটিহীন খেতিয়কৰ সংখ্যা বাঢ়িছেহে। সেয়ে কংগ্ৰেছ চৰকাৰৰ ভূমি সংস্কাৰ নামৰ ঢোলটো যে ফুটা তাক সাধাৰণ কৃষকেও উপলব্ধি কৰিব পাৰিছে।

অসমত স্বাধীনতাৰ আগতেই এক বুজন অংশত মাটিৰ মহাজন সৃষ্টি হৈছিল। এই মহাজন সকলে গাঁৱলীয়া খেতিয়কক দুৰৱস্থাৰ সময়ত অধিক



OKDISCD

পাৰি যে হিনটনে উল্লেখ কৰা দোষত্ৰুটিৰ বেচিভাগ হ'ল যৌন অনাচাৰ সম্পৰ্কীয়। এইবোৰ দোষ 'বদমাচ আচৰণ'ৰ অন্তৰ্গত। দেখাদেখিকৈ চীন দেশত যৌন অনাচাৰক আটাইতকৈ ডাঙৰ দোষ বা অপৰাধ বুলি গণ্য কৰা হৈছিল। এইবোৰ ঘটনাই বহুসময়ত বিপ্লবৰ কামত খেলিমেলি সৃষ্টি কৰিছিল। আৰু এটা কথাত উলাই প্ৰায় বিশেষজ্ঞ হৈ উঠিছিল। তেওঁ যাক দেখিব নোৱাৰিছিল তাক কুমিনটাঙৰ দালাল বুলি অভিযুক্ত কৰি 'দালালৰ টুপি' মূৰত পিন্ধি ফুৰিবলৈ বাধ্য কৰাইছিল।

যেতিয়া কৰ্ম্মীবাহিনী গাৱঁত উপস্থিত হয় তেতিয়া ইতিমধ্যে লংবোৰ সাধাৰণ মানুহে বিপ্লবী কৰ্ম্মী আৰু গণবাহিনীৰপৰা বেচ কিছু আঁতৰি গৈছে। এওঁলোকৰ মাতব্বৰী আৰু লাহবিলাহৰ মাত্ৰা বৰ বাঢ়ি গৈছিল। ইয়াৰ ফলত আন্দোলনৰ ভবিষ্যত সম্বন্ধে সন্দেহৰ উদয় হৈছিল। পুৰণি শ্ৰেণীটোক ক্ষমতাচ্যুত কৰা হৈছে, গোটেই গাওঁখনতে এটা অস্থিৰ অৱস্থা অথচ এই সময়ত অভাৱ নিৰ্ভুল পৰিচালনাৰ। নতুন চাম পৰিচালক তৰুণ কিন্তু উচ্চাভিলাসী, গাৱৰ বাহিৰত কোনো বিপ্লৱত অংশ গ্ৰহণ কৰাৰ অভিজ্ঞতা নাই, যথেষ্ট শৃঙ্খলাবোধো নাই। শিকলি ছিঙি বিপ্লবী জনতা এটা তৰল অৱস্থাত আছে কিন্তু অভাৱ হ'ল নিৰ্ভুল আৰু বৈপবিক নেতৃত্ব দিবপৰা মানুহৰ। অৱশ্যে অভিজ্ঞতাৰ মাজেৰে ভুলভ্ৰান্তিৰ মাজেৰে এই জনসাধাৰণৰ মাজৰপৰা নেতা ওলাব লাগিব। কৰ্ম্মীবাহিনীক নেতৃত্ব দিবলৈ পঠিওৱা হোৱা নাই। কৰ্ম্মীবাহিনীৰ কাম হ'ল পৰ্য্যবেক্ষণ কৰা, কামত অংশ গ্ৰহণ কৰা আৰু ইয়াৰ মাজেৰে শিক্ষালাভ কৰা আৰু পাৰিলে শিকোৱাও।

( আগলৈ )

**পৰিস্থিতি জনিত অনিবাৰ্য্য কাৰণত এই সংখ্যা নতুন পৃথিৱী ওলোৱাত অলপ পলম হ'ল। তাৰ বাবে ক্ষমা বিচাৰিছো।**



# অসমত ভূমি সংস্কাৰ কংগ্ৰেছ চৰকাৰৰ দ্বাৰা সম্ভৱনে ?

শ্ৰীসুৰেন হাজৰিকা

আজি কিছুদিন ধৰি শাসক দল আৰু তেওঁলোকৰ চৰকাৰে অসমত ভূমি সংস্কাৰ কৰাৰ নামত বৰকৈ ঢাক-ঢোল কোবাইছে। ইতিমধ্যে অসম প্ৰজাস্বত্ব আইন পাছ কৰিছে আৰু ৫০ বিঘাৰ সীমা বান্ধি চিলিং আইন পাছ কৰিছে। অতীততো চৰকাৰে আৰু শাসক দলে ভূমি-সংস্কাৰৰ নামত বহুবাৰ ঢাক-ঢোল কোবাইছিল যদিও এইবাৰৰ কোবটো আগৰ কেইবাৰতকৈ বেছি। যোৱা কেইবছৰৰ ভিতৰত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত, বিশেষকৈ কেৰালা, পশ্চিমবঙ্গ, অন্ধ্ৰ, পঞ্জাৱ আদি ৰাজ্যত ভূমিহীন আৰু কম মাটি থকা কৃষক সকলে মাটিৰ কাৰণে কৰা আন্দোলন বিলাকে শাসক দল আৰু তেওঁলোকৰ চৰকাৰক ভয় খুৱাইছিল। কোনো কোনো ঠাইত এই আন্দোলন বিলাকে ব্যাপক ৰূপ ধাৰণ কৰাৰ ফলত শাসক দলে উপলব্ধি কৰিছে যে কৃষক ৰাইজৰ এই আন্দোলন বিলাক বাধা দিব নোৱাৰিলে এইবোৰ শান্তিপূৰ্ণ ভাৱে চলি নাথাকিব পাৰে আৰু হয়তো এইবোৰে ভাৰতৰ জমিদাৰ মহাজন শ্ৰেণীকো উটাই লৈ যাব। সেই কাৰণে এওঁলোকে নতুন কথা, নতুন ঢাক-ঢোল কোবাব লগা হৈছে।

অন্যান্য ৰাজ্যৰ তুলনাত অসমত মাটিহীন খেতিয়কৰ সংখ্যা যদিও কিছু কম তথাপিও যোৱা ১০।১৫ বছৰত অসমৰো প্ৰায় প্ৰতিটো ফৰেষ্ট্ ৰিজাৰ্ভ আৰু গ্ৰেজীং বেদখল হৈছে। ইয়াৰ দ্বাৰা এইটোৱেই প্ৰমাণিত হয় যে চৰকাৰে ভূমি সংস্কাৰৰ নামত যিমানেই যি নকৰক মাটিহীন খেতিয়কৰ সংখ্যা বাঢ়িছেহে। সেয়ে কংগ্ৰেছ চৰকাৰৰ ভূমি সংস্কাৰ নামৰ ঢোলটো যে ফুটা তাক সাধাৰণ কৃষকেও উপলব্ধি কৰিব পাৰিছে।

অসমত স্বাধীনতাৰ আগতেই এক বুজন অংশত মাটিৰ মহাজন সৃষ্টি হৈছিল। এই মহাজন সকলে গাঁৱলীয়া খেতিয়কক দুৰৱস্থাৰ সময়ত অধিক



OKDISCD

সুদত ধন ধাৰলৈ দি বছৰে বছৰে মূল টকাৰ লগত সুদ যোগ কৰি সেই টকাৰ ওপৰত পুনৰ সুদ কছি এক চক্ৰবেহুৰ ভিতৰত পেলাই কোৰ্ট-কাছাৰীৰ যোগেদি অজ্ঞলা খেতিয়কৰ পৰা মাটি কাঢ়ি লৈছিল। অভাৱৰ সময়ত এমোণ ধান ধাৰলৈ দি আৰু এমোণ সুদৰ বাবদ আদায় কৰা, নতুন ধান চপোৱাৰ সময়ত ১০।১২ টকা মোণ দৰে ধান দিয়াৰ চুক্তিত আগধন দিয়া আদি ব্যৱস্থা প্ৰায় বিলাক গাৱঁতেই আছে। গাৱলীয়া সমাজত মাক বাপেকৰ মৃত্যুত সমাজৰ বান্ধোনত চুৰা গুচাই উদ্ধাৰ হোৱাৰ নামত বিৰাট ব্যয়-বহুল সকাম কৰা, বিভিন্ন কাৰণত সকাম, নাম, বিয়া, জ্বৰ-বেমাৰ আদিত শ-শ টকা মহাজনৰ পৰা অতি নিকৃষ্ট চৰ্ত্তত ধাৰলৈ লোৱা ব্যৱস্থা আজিও আজিও অবাধে চলি আছে। সকলোতকৈ ডাঙৰ কথা হৈছে সাধাৰণ খেতিয়কৰ কাৰণে বৰ্ত্তমান সময়ত হাল-গৰু যোগাৰ কৰাটো। এহাল ভাল গৰুৰ দাম বৰ্ত্তমান বজাৰত ১৫০/২০০ টকালৈকে উঠিছে। আমাৰ গাওঁ বিলাকত মাজে মাজে দেখা দিয়া গৰু মহৰ বেমাৰ বিলাকে একোখন গাওঁ আৰু একোটা অঞ্চলৰ গৰু-ম'হ ধুই নিয়াৰ দৰে নিঃশেষ কৰে। যদিও আগৰ তুলনাত পশু-চিকিৎসা ব্যৱস্থা অনেক উন্নত হৈছে তথাপিও পশুৰ এই মহামাৰী বেমাৰ নিবাৰণ হোৱা নাই। এনে বিপদত অনেক খেতিয়কেই জীৱিকাৰ একমাত্ৰ সম্বল মাটিকণকে বাধ্য হৈ মহাজনক বন্ধ-বিক্ৰি কৰিব লগা হৈছে। এই বিলাক দুৰৱস্থাত পৰিয়েই গাৱঁলীয়া অঞ্চলৰ মাটি মুষ্টিমেয় মাটি-মহাজনৰ হাতৰ মুঠিত সোমাই পৰিবলৈ বাধ্য হৈছে। গাৱঁৰ মাটি মহাজন সকলে নিজে দুখ-কষ্ট নকৰি প্ৰায় সকলো মাটিকেই আধি ব্যৱস্থাত খেতিয়কক ৰুবলৈ দিছে আৰু কোনো কোনোৱে নিজে ঘৰত হালোৱা আদি ৰাখিও খেতি কৰিছে। আজি-কালি অনেকেই আকৌ নিজে ট্ৰেক্টৰ লৈ আধুনিক সাৰ আদি প্ৰয়োগ কৰি, চৰকাৰৰো বিভিন্ন সাহায্য লৈ খেতি কৰিবলৈ লৈছে। কৃষিত পুঁজিবাদ এইভাবেই অসমৰ মাটিত প্ৰৱেশ কৰিছে।

“আধি”—এটা পুৰণা সামন্ততান্ত্ৰিক ব্যৱস্থা। এই ব্যৱস্থাত আধিয়াৰে খেতিয়কক শোষণ কৰাৰ তীব্ৰতাহে বেছি। কিয়নো এজন মহাজনে ১০ বছৰৰ আগত যি পুৰা মাটি ১০০০্ টকাত কিনি লৈছিল সেই মাটি পুৰাত বছৰি ৪০ মোণ ধান উৎপন্ন, তাৰ অৰ্দ্ধেক অৰ্থাৎ ২০ মোণ ধান মহাজনে নিজে আধিয়াৰৰ





পৰা লৈ যায়। মহাজনে বছৰি এই ধানৰ দাম কমেও ৩০০'০০ (তিনিশ) টকা পায়। আনহাতে খন্দুৱা (টকালৈ লগোৱা) হিচাবেও অনেক ঠাইত পুৰাত ২০০'০০ (দুশ) টকাকৈ মাটি লগোৱা দেখা যায়। এজন মহাজনে যদি ১০০০'০০ (এহেজাৰ) টকাত এপুৰা মাটি কিনি প্ৰতি বছৰে বিনা-পৰিশ্ৰমে ৩।৪ শ টকাকৈ উপাৰ্জ্জন কৰিব পাৰে তেন্তে তাতকৈ আৰু লাভজনক ব্যৱসায় কি হব পাৰে? কোনো কোনো ঠাইত আধিয়াৰক মাটি ডোখৰ সম্পূৰ্ণ ঠিকা ব্যৱস্থাতো ৰুবলৈ দিয়া হয়। এই ব্যৱস্থাত মাটিত খেতি ঠিক ভাৱে নহলে এইটো মাটি মালিকৰ লক্ষনীয় নহয়; কিন্তু আধিয়াৰে যি ধন বা ধান দিয়াৰ চুক্তিত সেই মাটি ৰুবলৈ লৈছিল মহাজনে যি কোনো ভাৱেই সেইখিনি আদায় কৰি লয়। এনেকুৱাও শ, শ উদাহৰণ আছে যে আধিয়াৰে গোটেই বছৰ পৰিশ্ৰম কৰিও মালিকক দিব লগা খিনিকে উৎপাদন কৰিব নোৱাৰে। প্ৰাকৃতিক দুৰ্যোগ, হালৰ গৰু, ৰোৱনী-দাৱনী আদিৰ বেমেজালি ইত্যাদি আধিয়াৰৰ কপালত আছেই। বিভিন্ন গাৱঁৰ পৰা পোৱা বাতৰিৰ পৰা জনা যায় যে মাটিৰ মহাজনে অৱস্থাহীন খেতিয়কক বিপদৰ সময়ত সাহায্য কৰাৰ নামত ধন ধাৰলৈ দি অতি নিৰ্দ্দয় ভাৱে পিছত মাটি-বাৰী কাঢ়ি লয়। ৪০।৫০ টকাতে এপুৰা মাটি লোৱা, দোকানৰ সামান্য বাকীতে মাটি লোৱা মহাজনৰ উদাহৰণ অনেক আছে। আধি খোৱা খেতিয়কে মাটিৰ মালিকক সন্তুষ্ট ৰাখিবলৈ মালিকৰ ঘৰত নিজে গৈ ধান দি অহা, মালিকৰ ঘৰত বিনামূল্যে কাম কৰি দিয়া আদি নিয়ম আজিও গাওঁ অঞ্চলত চলি আছে।

মাটি মহাজনৰ ওপৰোক্ত অমানুষিক শোষণৰ বিৰুদ্ধেই প্ৰধানতঃ উজনি অসমত অসমত কৃষক সভাৰ প্ৰতিষ্ঠা হৈছিল। ১৯৪৭/৪৮ চনতেই কিছুমান ডেকাই মাৰ্ক্সবাদৰ দীক্ষা লৈ সমাজৰ কাম কৰিবলৈ আগবাঢ়ি আহিছিল। উজনি অসমৰ ভিতৰত তিতাবৰ অঞ্চলৰ মাটি অতি সাৰুৱা। তাত ২০/২৫ জন লোকে ওপৰত উল্লেখ কৰা শ শ পুৰা মাটিৰ মালিক হৈছিল। মাটিৰ মালিক সকলৰ অত্যাচাৰত শ শ কৃষক স্থানান্তৰ হবলগা হৈছিল। ২/৪ জন এনেকুৱা মহাজনো আছিল যিসকলে গুটিধানৰ আধি লওঁতে ৪ (চাৰি) দোনীয়া পাছিৰ পূৰা ব্যৱহাৰ কৰিছিল। আচলতে ৩ (তিনি) দোনতেই এপুৰা হয়। এপুৰা মাটিৰ ভেৰোণ আছিল ৫০ পুৰা পৰ্য্যন্ত। এই মহাজনে ৪ দোনীয়া পাছিৰ



OKDISCD

ব্যৱহাৰ কৰি ৫০ পুৰাতকৈও আৰু ৫০ দোন অধিক ধান আওপাকেদি আধিয়াৰৰ পৰা অতিৰিক্ত লৈছিল। আনহাতে গোছা ধানৰ সমান আধি লওঁতেও নিজে পথাৰত উপস্থিত থাকি গধূৰ গধূৰ চাই নিজৰ ভাগৰ ডাঙৰিখিনি বাচি বাচি লৈ পাতল বা নোহোৱা ধানৰ ডাঙৰিখিনিহে আধিয়াৰক দিছিল। আধিয়াৰে মাটি মহাজনৰ এই চক্ৰান্ত জানিও, পিছৰ বছৰ সেই মাটিখিনিৰ দখল নোপোৱাৰ ভয়ত কোনো প্ৰতিবাদ নকৰি সেই অন্যায় ভাৱেই মাটি মহাজনক ভেৰোণ আদায় দিবলৈ বাধ্য হৈছিল। এইবোৰ পদ্ধতিৰেই তিতাবৰৰ এজন মাৰোৱাৰী মহাজন ১৮০০ ( ওঠৰশ ) পুৰা মাটিৰ মালিক হৈছিল।

তিতাবৰত আধিয়াৰে কৃষক-সভা প্ৰতিষ্ঠা কৰিয়েই ৪ দোণীয় পুৰাৰ পাছি প্ৰত্যাহাৰ কৰাৰ আন্দোলন আৰম্ভ কৰিছিল। এই আন্দোলনত অনুপ্ৰাণিত হৈ বহুত আধিয়াৰে মাটি মহাজনৰ এই ৪ দোণীয়া পুৰাৰ পাছি নিজে নিজে বৰ্জন কৰিছিল। পৰবৰ্ত্তী কালত ধানৰ বদলি ধনেৰে ( চৰকাৰী খাজনাৰ দুগুণ ) খাজনা দিয়াৰ দাবী আৰম্ভ কৰিছিল। কিছু অঞ্চলৰ শ, শ নিপীড়িত আধিয়াৰে এই আন্দোলনত সমৰ্থন দিছিল। কামৰূপৰ বেলতলা আৰু শিৱ-সাগৰৰ তিতাবৰত মাটিৰ মহাজনৰ বিৰুদ্ধে আধি আন্দোলনৰ ঢৌ উঠিছিল। নানা অজুহাতত শ শ কৃষকক গ্ৰেপ্তাৰ কৰি আৰু আধিয়াৰক মাটিৰ পৰা উচ্ছেদ কৰাৰ ভাবুকি দি এই আন্দোলনত চেচা পানী ঢালিবলৈ সেই সময়তো মাটিৰ মালিক আৰু তেওঁলোকৰ চৰকাৰে প্ৰাণপণে চেষ্টা কৰিছিল।

এই আন্দোলনৰ ব্যাপকতা আৰু সুদূৰ-প্ৰসাৰী তাৎপৰ্য্য বুজিয়েই চৰকাৰে বিধানসভাত ১৯৪৮ চনত অসম আধিয়াৰ সংৰক্ষণ আইন পাছ কৰিছিল। প্ৰথমতে মাটিৰ মালিকক আধিমাটিৰ উৎপাদনৰ $\frac{1}{4}$ অংশ আৰু পিছলৈ $\frac{1}{5}$ অংশ দিয়াৰ বিধান কৰিছিল। মালিকে আধিধান পোৱাৰ ৰচিদ দিয়া, বিনাবিচাৰে উচ্ছেদ কৰিব নোৱাৰা, প্ৰতি চাৰ-ডেপুটি চাৰ্কোলত থকা আধিয়াৰ চালিছী বোৰ্ড বিলাকত বিচাৰ কৰা আদি বহুতো প্ৰথা বিধি-আইনৰ অন্তৰ্ভুক্ত কৰা হৈছিল। আধিয়াৰৰ প্ৰচণ্ড আন্দোলনৰ হেঁচাত চৰকাৰে এনে ধৰণৰ এখন আইন পাছ কৰিবলৈ বাধ্য হৈছিল যদিও বিগত ২৫ বছৰে অসমৰ কোনো জিলাতে এই আইনখন কাৰ্য্যকৰী কৰিবৰ কাৰণে কোনো ধৰণৰ উদ্যোগ বা প্ৰচেষ্টা লোৱাৰ প্ৰমাণ নাই। আনকি যি বিধান সভাৰ সভ্যই নিজেই এই





আইন পাছ কৰিছিল সেই সভ্যয়ো এই আইনক উলঙ্ঘা কৰি নিৰিখতকৈ অতিৰিক্ত ধান লৈছিল আৰু বলপূৰ্ব্বক উচ্ছেদ কৰি আধিয়াৰৰ ওপৰত পুলিচ আৰু মোকৰ্দ্দমা জাপি দিছিল। আধিয়াৰৰ আইনৰ ৫ম ধাৰাত মাটিৰ মালিকক উচ্ছেদৰ যি অধিকাৰ দিছিল সিয়েই এই আইন কাৰ্য্যকৰী কৰাত আধিয়াৰ সকলক ভয় খুৱাই দিছিল। ফলত অসমৰ আধি মাটিৰ $\frac{1}{20}$ ভাগতো এই আইনৰ ব্যৱস্থা হ'লনে নাই কোৱা টান। আনহাতে যিবিলাক সংগঠনে এই আইন কাৰ্য্যকৰী কৰিবৰ কাৰণে যত্ন কৰিছিল সেই সংগঠনক আৰু সংগঠনৰ অন্তৰ্ভুক্ত আধিয়াৰসকলৰ ওপৰত মাটিৰ মালিক আৰু তেওঁলোকৰ চৰকাৰে ব্যাপক জুলুম আৰু অত্যাচাৰ চলাইছিল। মাটিৰ মালিক আৰু চৰকাৰে এই আইনক কি চকুৰে চায় যোৱা বছৰৰ তিনিটা ঘটনাৰ পৰা তাক জানিব পাৰি।

যোৰহাট মহকুমাৰ হেজাৰী মৌজাৰ এখন গাওঁৰ এজন লোক সেই মৌজাৰ এজন মাটিৰ মালিকৰ পুৰণিকলীয়া আধিয়াৰ আছিল। উক্ত মাটিৰ মালিকে কোনোমতেই আধিয়াৰ আইনমতে ধান নিবলৈ ৰাজি নহৈ বলেৰে মাটি উচ্ছেদ কৰিবৰ কাৰণে সেই মাটিত হাল বাবলৈ চক্ৰান্ত কৰিছিল। আধিয়াৰজনে তেওঁৰ গাৱৰ কৃষক ৰাইজৰ সহযোগত আগৰদৰে মাটিখিনি ৰুইছিল। সেই সময়ত মাটিৰ মালিকে পথাৰলৈ গৈ কাজিয়া কৰাটো সম্ভৱ নহ'ল। কিন্তু মাটি ৰোৱাৰ কিছুদিনৰ পিছত আধিমাটিৰ ওচৰৰ চৰকাৰী ৰাস্তাৰ ওপৰত মাটিৰ মালিকে তিনিজন পুতেকক লগত লৈ দা-যাঠি আদিৰে উক্ত আধিয়াৰ আৰু ভতিজাক এজনক আক্ৰমণ কৰি এনেভাবে আঘাত কৰে যাৰ ফলত ভতিজাকজনৰ লগে লগেই মৃত্যু হয় আৰু আধিয়াৰজনৰো হস্পিতালত কেইদিন-মান পিছতেই মৃত্যু হয়। পুলিচ থানাত যথাসময়ত খবৰ দিয়া সত্ত্বেও ৪ দিন পৰ্য্যন্ত হত্যাকাৰী সকলক গ্ৰেপ্তাৰ কৰা হোৱা নাছিল। অৱশেষত কৃষক সভা আৰু মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিয়ে জিলাৰ উপায়ুক্তৰ ওচৰত দাবী কৰাৰ পাছতহে হত্যাকাৰীসকলক গ্ৰেপ্তাৰ কৰে।

২য় ঘটনা হ'ল তিতাবৰ মৌজাৰ চুঙ্গি অঞ্চলৰ ১০০ পুৰা মাটিৰ মালিক এজনৰ মাটিডোখৰ সেই অঞ্চলৰ তিনিজন ককাই-ভায়েকে যোৱা ৮.৯ বছৰ ধৰি আধি হিচাবে ৰুই আছিল। অসম চৰকাৰৰ প্ৰজাস্বত্ব আইনৰ গোন্ধ



OKDISCD

পায়েই উক্ত মাটিৰ মালিকে বলেৰে সেই মাটিডোখৰ উচ্ছেদ কৰিবলৈ চেষ্টা কৰি বিফল হোৱাত যোৰহাট কাছাৰীত কেবাটাও মোকৰ্দ্দমা [ ফৌজদাৰী ] তৰিলে। এই মোকৰ্দ্দমাবিলাকত মালিকৰ পক্ষে ৰায় হোৱাৰ কোনো সম্ভাৱনা নেদেখি মালিকে লগত ৩০।৪০ জন সশস্ত্ৰ লোক লৈ আধিয়াৰ আৰু তেওঁলোকৰ আত্মীয়স্বজনে মাটিত হাল-কোৰ বাই থকা অৱস্থাতে পথাৰত আক্ৰমণ কৰে আৰু তাৰ ফলত এজন ডেকাৰ মৃত্যু হয়। কেইবাজনো গুৰুতৰভাৱে আহত হয়। আধিয়াৰ পক্ষই এই আক্ৰমণৰ বিৰুদ্ধে পুলিচক ৰিপৰ্ট দিয়াত পুলিচে অনেক দেৰিকৈ আক্ৰমণকাৰী মাটিৰ মালিকপক্ষৰ কেইজনমানৰ লগতে আধিয়াৰৰ পক্ষৰো ১৩।১৪ জনকো অহৈতুক গ্ৰেপ্তাৰ কৰি তেওঁলোকৰ বিপক্ষে ফৌজদাৰী মোকৰ্দ্দমা আৰম্ভ কৰে।

তৃতীয়তে, যোৰহাট নগৰৰ ওচৰত থকা চাৰিগাওঁ মৌজাৰ এখন গাওঁৰ এজন লোক আন এখন গাওঁৰ এজন আধিয়াৰৰ মৃত্যুৰ লগে লগেই আধি মাটিখিনি এৰুৱাবৰ কাৰণে মাটিমালিকপক্ষ উঠি-পৰি লাগিল। আধিয়াৰৰ বিধবা পত্নীয়ে উপায় নেপাই যোৰহাট আধিয়াৰ চালিছি বোৰ্ডৰ আশ্ৰয় লোৱাত আধিয়াৰ বোৰ্ডে কিছু মাটি এৰুৱাই মাত্ৰ ৫ বিঘা মাটিৰ দখল তেওঁক দিয়ে। এই মাটিত খেতি কৰিবলৈ মৃত আধিয়াৰৰ পৰিয়ালৰ লোক যেতিয়া গ'ল তেতিয়া মাটিৰ মালিকে তেওঁলোকক মাৰপিট কৰে; পিছত শিৱসাগৰ জিলাৰ ডেপুটি কমিশ্যনাৰৰ আশ্ৰয় লৈ পুলিচৰ সহায়ত আধিয়াৰৰ পক্ষই মাটিৰ ধান কিছু কাটি আনিবলৈ সক্ষম হয়। কিন্তু মালিকসকলে সশস্ত্ৰভাৱে বাধা দিয়াত আধিয়াৰ পক্ষই সেই মাটিত প্ৰবেশ কৰাৰপৰা বিৰত থাকিব লগা হয়। চৰকাৰৰ ওচৰত আবেদন নিবেদন কৰিও আধিয়াৰে কোনো প্ৰতিকাৰ নাপালে। ওপৰোক্ত ঘটনাবিলাকে এইটোকে প্ৰমাণ কৰিছে যে চৰকাৰী আইনক যেতিয়া দেখাদেখিকৈ মালিকসকলে উলঙ্ঘা কৰে তেতিয়া আইনৰ ৰক্ষক চৰকাৰে আধিয়াৰসকলৰ নিৰাপত্তা নিদিয়ে; বৰং আওপাকেদি মাটিৰ মালিক পক্ষকহে সাহায্য কৰে। ৰাজ্যৰ যি জিলাত বা যি অঞ্চলত আধিয়াৰে নিজস্ব সংগঠন কৰিবপৰা নাই তেনে ঠাইত এতিয়াও মাটিৰ মালিক মহাজনে বৃটিচ ৰাজত্বত চলোৱাৰ দৰে শোষণ আৰু জুলুম অব্যাহত ৰাখিছে।





স্বাধীনতাৰ পৰবৰ্ত্তী কালত মাটিহীন আৰু কম মাটি থকা খেতিয়কে মাটি পোৱাৰ কাৰণে সমগ্ৰ ৰাজ্যতে এটা আন্দোলন গঢ়ি তুলিছিল। ১৯৫০ চনৰ প্ৰলয়ঙ্কৰী ভূমিকম্প, মাজে মাজে হৈ থকা ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া আৰু বিভিন্ন নদীৰ বাণে বিধ্বস্ত কৰা ৰাইজৰ পুনৰ সংস্থাপনৰ প্ৰশ্নবিলাকো প্ৰবলভাৱে উত্থাপন কৰা হৈছিল। এই সুযোগতে প্ৰাক্তন সৈনিক, ৰাজনৈতিক নিৰ্য্যাতিত কৰ্ম্মীসকলেও চৰকাৰৰ ওচৰত মাটিৰ দাবী কৰে। চৰকাৰে চৰকাৰী পতিত মাটি, গ্ৰেজীং আৰু ফৰেষ্ট ৰিজাৰ্ভৰ এক বুজন অংশ মাটি খুলি দিয়ে। তাৰ পৰবৰ্ত্তী কালত ভূমি অধিগ্ৰহণ আইন পাছ কৰি চাহবাগানৰ কিছু অতিৰিক্ত মাটিও বিতৰণ কৰা হ'ল। অসম চৰকাৰৰ মতে ১৯৫৮ চন পৰ্য্যন্ত ভূমিকম্প আৰু বানপানী পীড়িত লোকৰ কাৰণে বনাঞ্চলৰ ১৬,৭৫৪ একৰ পি, জি, আৰ, বা ভি, জি, আৰ গ্ৰেজীঙৰপৰা ১০,০১৭ একৰ আৰু চাহ-বাগানৰ পৰা ৪৬,৩৬৫ একৰ ওপৰঞ্চি মাটি অধিগ্ৰহণ কৰা হৈছিল। ( খেতিৰ মাটি বন্দোবস্তি সম্পৰ্কে লোৱা প্ৰস্তাৱ ) ১৯৫৮ চনৰ পৰা ১৯৬৮ চনলৈকে বিভিন্ন লোকক চৰকাৰে বিচৰণ কৰিবলৈ বুলি লোৱা মাটিৰ পৰিমাণ তলত দিয়া হ'ল।

| | |
|---|---|
| চৰকাৰী পতিত মাটি ( বিঘা হিচাবে ) ... ... ... | ২,৯৭০০০ |
| সংৰক্ষিত গঞা-চৰণীয়া পথাৰ ... ... ... | ২৫৭৬১ |
| ব্যৱসায়িক সংৰক্ষিত পথাৰ ... ... ... | ৬০৫০৩ |
| চাহ-বাগিচাৰ অধিগ্ৰহণ কৰা মাটি ... ... .. | ১৫,৮৭৩ |
| | ( ১৯৪৯ চনৰ পৰা ) |
| সংৰক্ষিত বনাঞ্চল ... ... ... | ৮০,০০০ |
| | ( ১৯৫১ চনৰ পৰা ) |

( অসম চৰকাৰৰ ভূমি পট্টন নীতি—১৯৬৮ চন )

এই মাটিখিনি চৰকাৰে কেনে ধৰণৰ লোকৰ মাজত বিতৰণ কৰিলে আৰু প্ৰকৃত মাটিহীন খেতিয়কে মাটি পালেনে নাই তাৰ বিচাৰ কৰা হওক। প্ৰথম অৱস্থাত চৰকাৰে জিলা পৰ্য্যায়ত মাটি বিতৰণ উপদেষ্টা বোৰ্ড গঠন কৰা নাছিল। চাব-ডেপুটি কলেক্টৰ, ডেপুটি কমিশ্যনাৰ, মাটিমন্ত্ৰী আৰু চৰকাৰ পক্ষৰ স্থানীয় এম্ এল্ এ সকলেই মাটি বিতৰণৰ ঘাই হৰ্ত্তা-কৰ্ত্তা আছিল। পাছৰ



OKDISCD

কালত জিলা পৰ্য্যায়ত মাটি বিতৰণ উপদেষ্টা বোৰ্ড গঠন কৰিলে যদিও সেই-বিলাকত প্ৰকৃত খেতিয়কৰ প্ৰতিনিধি লোৱা হোৱা নাছিল। শাসক দলৰ বিভিন্ন পদবীত থকা অৱস্থাপন্ন লোকসকলেই এই কমিটিবোৰৰ সদস্য আছিল। অৱশ্যে এই কমিটিকো অগ্ৰাহ্য কৰি মাটি মন্ত্ৰীয়ে নিজেও মাটি দিব পাৰিছিল। ফলত যি পৰিমাণৰ মাটি বিতৰণ কৰিলে তাৰ অৰ্দ্ধেকৰো বেছি মাটি যাৰ মাটিবাৰী আছে, যাৰ অৱস্থা অন্যপ্ৰকাৰেও ভাল, তেনে লোকেহে পালে। একোজন মানুহে নিজৰ নামত, তেওঁৰ পৰিয়ালৰ আন আন মানুহৰ নামতো মাটি পালে। গাওঁ অঞ্চলত থকা শাসক দলৰ প্ৰায় সকলো কংগ্ৰেছ কৰ্মী আৰু নেতাইও মাটি পালে। গাড়ী আৰু ভাল চাকৰি থকা আৰু নিজে খেতিও নকৰা লোকে বিভিন্ন ঠাইত মাটি পোৱাৰ উদাহৰণ আছে। মৃত লোক, কেও কিছু নোহোৱা, ভালদৰে লৰচৰ কৰিব নোৱাৰা বুঢ়ীৰ নামতো মাটি বিতৰণ হৈছে। যি সামান্য অংশ মাটি মাটিহীন খেতিয়কক দিয়া হৈছিল নিজৰ আৰ্থিক দুৰাবস্থাৰ কাৰণে তেওঁলোকে সেই মাটিও বিক্ৰি বা বন্ধক দিবলৈ বাধ্য হৈছে। ৰিকিউজিশ্যন কৰা গ্ৰান্ট, ফৰেষ্ট ৰিজাৰ্ভ বা বিতৰণ হোৱা চৰকাৰী পতিত মাটিত এক শ্ৰেণীৰ নতুন মহাজনৰ সৃষ্টি হৈছে যিসকলে আজিও সেই মাটিত আধিয়াৰী শোষণৰ লগতে ধন বা ধান ধাৰলৈ দি মহাজনী শোষণ চলাই থাকিব পাৰিছে। ১০।১২ বছৰৰ আগতে যি মাটিহীন খেতিয়কে মাটি পাইছিল সেই খেতিয়কো মহাজনী শোষণৰ কবলত পৰি আকৌ মাটিহীন খেতিয়কত পৰিণত হৈ এতিয়া মাটি বিচাৰি অনাই বনাই ফুৰিব লগীয়াত পৰিছে।

বৰ্ত্তমান চৰকাৰে ইতিমধ্যে ঘোষণা কৰিছে যে এতিয়াৰপৰা বোলে কোনো মাটি কোনো ব্যক্তি বিশেষক নিদি সমবায় কৃষি গোটকহে দিব। এই ক্ষেত্ৰত আমাৰ প্ৰশ্ন হৈছে এই 'গোট'টো কোনে নিৰ্ব্বাচিত কৰিব? এচ, ডি, চি আদি আমোলাই নে গাওঁ অঞ্চলত থকা শাসক দলৰ লোকসকলে? ইতিমধ্যে দেখা গৈছে যে চৰকাৰে এই নীতিৰ ঘোষণা কৰাৰ লগে লগেই একশ্ৰেণীৰ লোকে নানা অসৎ উপায়েৰে এই গোট গঠন কৰিবলৈ লৈছে। স্বাভাৱিকতেই নিৰ্ব্বাচনৰ সময়ত শাসক দলক সকলো প্ৰকাৰে সহায় কৰা গাৱঁৰ অৱস্থাপন্ন লোকসকলেই এই গোট গঠন কৰি মাটি লব আৰু নানাধৰণৰ সুযোগ সুবিধা





দি পুঁজিবাদী পদ্ধতিত কৃষিপাম গঠনত সাহায্য কৰিব। গতিকে ইয়াৰ দ্বাৰায়ো গাৱঁৰ প্ৰকৃত মাটিহীন কৃষকে মাটি নাপাব।

১৯৫৬ চনত চৰকাৰে মাটিৰ সৰ্ব্বোচ্চ সীমা নিৰ্দ্ধাৰণ কৰিলে ১৫০ বিঘা। অসমত থকা ডাঙৰ ডাঙৰ মাটিৰ মালিকৰ ক্ষেত্ৰত এই ব্যৱস্থা প্ৰয়োগ কৰি যিখিনি অতিৰিক্ত মাটি ওলায় তাক মাটিহীন কৃষকক দিব বুলি চৰকাৰে ঘোষণা কৰিছিল। আইনৰ সীমা ইতিমধ্যে কমাই আনি ৫০ বিঘা কৰা হৈছে। কিন্তু এই আইনৰ বলত চৰকাৰে কিমান মাটি মহাজনৰ পৰা আনিছে বা আনিব পাৰিব তাৰ কোনো সঠিক হিচাপ পোৱা হোৱা নাই। কিন্তু নিজৰ জিলাৰ অভিজ্ঞতাৰে পৰা বুজিব পৰা হৈছে যে সমগ্ৰ জিলাত ১০০০ (এহেজাৰ) বিঘা মাটিও চৰকাৰে এই আইনৰ দ্বাৰা ১৫০ বিঘা সীমা নিৰ্দ্ধাৰণ থাকোঁতে লব নোৱাৰিলে আৰু ৫০ বিঘাৰ সীমা নিৰ্দ্ধাৰণ কৰাৰ পিছতো পাৰিব বুলি আশা কৰিব নোৱাৰি। তিতাবৰৰ ১৮০০ পুৰা (৭২০০ বিঘা) মাটিৰ মালিকৰো যেতিয়া এই আইনে এবিঘা মাটিও বিচাৰি নাপালে তেনেস্থলত ১০০/১৫০ পুৰা মাটিৰ মালিকৰ মাটি ওলাবনে? আচলতে এনে ধৰণৰ আইন এখন যে চৰকাৰে পাছ কৰিবলৈ লৈছিল তাক বহু দিনৰ আগতেই মাটিৰ মালিক সকলক জনাই দিয়া হৈছিল। বৰ্তমানো এই আইনৰ সীমা ৫০ বিঘালৈ যে নমাব তাৰ কাৰণে ব্যাপক প্ৰচাৰ হৈছে। মাটিৰ মালিক সকলে এই সুযোগ পুৰা ভাৱেই ব্যৱহাৰ কৰিছে। তেওঁলোকে সকলো মাটি নিজৰ পৰিয়াল আত্মীয় স্বজন আনকি জাল নামতো ভাগ কৰি লৈছে। চৰকাৰী অফিচ বিলাক এওঁলোকৰ দ্বাৰাই নিয়ন্ত্ৰিত হোৱা বাবে তেনেদৰে মাটিবোৰ ভাগ কৰাত কোনো অসুবিধা হোৱা নাই। মাটি টুকুৰা কৰাত আৰু পট্টা বেলেগ কৰাত নিজে আধুনিক ধৰণেৰে খেতি কৰাত, নতুবা সামন্ততান্ত্ৰিক পদ্ধতিৰে আধি-খন্দুৱালৈ এই মাটি লগাই শোষণ কৰাত কোনো অসুবিধা হোৱা নাই। আচলতে কৃষক শ্ৰমিক ৰক্ষাকাৰী প্ৰকৃত গণতান্ত্ৰিক চৰকাৰ এখনৰ সম্পূৰ্ণ সহযোগ নহলে এই চুৰি মাটি উদ্ধাৰ কৰা বা এনে ধৰণৰ আইনৰ প্ৰণয়ন কৰি মাটিহীন কৃষকক মাটি দিয়াতে কেতিয়াও সম্ভৱ নহয়।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হৈছে যে স্বাধীনতাৰ পৰৱৰ্ত্তীকালত ভূমি সংস্কাৰৰ নামত যদিও চৰকাৰে কেবাখনো আইন প্ৰণয়ন কৰিলে আৰু



OKDISCD

যদিও কেবা লাখ বিঘা মাটি বিতৰণ কৰিলে তথাপিও প্ৰকৃত ভুমিহীন খেতিয়কৰ সমস্যা বা কৃষিত চলি থকা সামন্ততান্ত্ৰিক শোষণ আৰু কমা নাই বৰং বেচিহে হৈছে। ফলত অসমৰ কৃষিৰ বিকাশ আৰু অগ্ৰগতি অবৰুদ্ধ হৈ পৰিছে। গাওঁ, বাগিচা আৰু পাহাৰৰ প্ৰায় ৯০ লাখ খেতিয়কৰ সৰহভাগৰ কাৰণে জীৱন ধাৰণৰ অতি নিম্ন থাপৰ মানো ৰক্ষা কৰা টান হৈ পৰিছে। সেয়েহে গাৱেঁ-ভূঞে মাটিৰ কাৰণে ইমান হাহাঁকাৰ হৈছে।

ভূমি সংস্কাৰৰ মৌলিক কৰ্ত্তব্যৰ পৰা ফালৰি কাটি এৰাই গৈ চৰকাৰে কৃষি উন্নয়নৰ নামত যিবোৰ আচঁনিৰ ঢাক ঢোল কোবাই আছে এইবোৰ ইতিমধ্যে অকামিলা বুলি প্ৰমাণিত হৈছে। সামন্তবাদী ভূমি-ব্যৱস্থা টিকাই ৰাখি অকল উন্নত বীজ, ৰসায়নিক সাৰ আৰু যন্ত্ৰ প্ৰয়োগৰ যোগেদি যে কৃষিৰ উন্নয়ন সম্ভৱ নহয় তাৰ ডাঙৰ প্ৰমাণ হল অসমত প্যাকেজ প্লেনৰ শোচনীয় ব্যৰ্থতা। কাচাৰত প্যাকেজ প্লেনৰ প্ৰথম তিনিবছৰত উন্নত বীজ, ৰসায়নিক সাৰ আদি প্ৰয়োগ কৰা স্বত্বেও ১৯৪৬ চনৰ আহু আৰু শালিৰ উৎপাদনতকৈ ১৯৬৬ চনৰ আহু আৰু শালিৰ উল্লেখযোগ্য ভাৱে কমি যায়। বাস্তৱ অভিজ্ঞতাৰ পৰা দেখা যায় যে এইবিধৰ আচনিৰ নামত যি কৌটি কৌটি টকাৰ ৰাজহুৱা ধনৰ খৰচ হৈছে তাৰ ফলত প্ৰকৃত খেতিয়ক শ্ৰেণী উপকৃত নহল, বৰঞ্চ গাৱঁৰ অৱস্থাপন্ন কৃষক আৰু জমিদাৰ মহাজন সকলহে লাভবান হ'ল।

এনেদৰে চৰকাৰে দেশৰ ব্যাপক সংখ্যক খেতিয়কক পিছ পেলাই ৰখাৰ ফলত অকল খেতিৰ উন্নতি ব্যাহত হোৱাই নহয়, সামগ্ৰিক ভাৱে গোটেই সমাজ ব্যৱস্থা সংকটৰ সন্মুখীন হৈছে। যি অৱস্থাত এই দেশৰ জনসংখ্যাৰ শতকৰা ৭৫ জনৰ ভিতৰত সৰহভাগেই কোনোমতে নিজৰ খাদ্য মুঠিও যোগাৰ কৰিব নোৱাৰে তেতিয়া শিল্পজাত সাধাৰণ ব্যৱহাৰ্য্য বস্তুখিনিও তেওঁলোকৰ পক্ষে কিনা যে সম্ভৱ নহয় তাক নকলেও হব। ফলত দেশৰ ভিতৰত তৈয়াৰী শিল্পজাত বস্তুৰ চাহিদা কমি গৈছে আৰু ইয়াৰ দ্বাৰা কৃষিৰ লগতে শিল্প উদ্যোগৰ ক্ষেত্ৰত সংকট বৃদ্ধি হৈছে। বহুতো শিল্প উদ্যোগ বন্ধ হোৱাৰ লগে লগে দেশত বেকাৰৰ সংখ্যাও বাঢ়িছে। আৰ্থিক দুৰাৱস্থাৰ কাৰণে সৰহভাগ কৃষকে নিজৰ ল'ৰা-ছোৱালীক প্ৰয়োজনীয় শিক্ষা দিব পৰা নাই আৰু পৰিয়া-





লৰ লোকসকলৰ বেমাৰ হলে সাধাৰণ চিকিৎসাৰ সুবিধাকনো দিব পৰা নাই।

এনে অৱস্থাত মৌলিক ভূমি-সংস্কাৰ অৰ্থাৎ জমিদাৰী, মহাজনী আদি ব্যৱস্থাৰ বিলোপ সাধন, প্ৰকৃত খেতিয়কক প্ৰয়োজনীয় খেতিৰ মাটি আৰু কৃষিৰ উপকৰণৰ গৰাকী কৰাৰ ব্যৱস্থা কৰিহে কৃষি আৰু কৃষকক সংকটৰ পৰা মুক্ত কৰা সম্ভৱ। মৌলিক ভূমি-সংস্কাৰ অবিহনে কৃষিৰ পুনৰগঠনৰ আন পথ নাই।

কিন্তু অতি দুখ আৰু পৰিতাপৰ বিষয় এই যে চৰকাৰে এই পথত নগৈ একালেদি পুৰণা সামন্ততান্ত্ৰিক শোষণ আৰু জুলুম টিকাই ৰাখিব বিচাৰিছে আৰু আন হাতেদি গাওঁ অঞ্চলত এক শ্ৰেণীৰ নতুন মাটিৰ মহাজনৰ যোগেদি কৃষিত পুঁজিবাদ প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছে।

আধুনিক পুঁজিবাদী পদ্ধতিৰে খেতি কৰিলে কৃষিৰ উৎপাদন কিছু বাঢ়িব পাৰে আৰু নতুন এক কৃষি-শ্ৰমিক বাহিনী সৃষ্টি হব পাৰে, কিন্তু তাৰ দ্বাৰা দেশৰ বিৰাট অংশ মাটিহীন কৃষকৰ সমস্যাৰ সমাধান নহব। চৰকাৰৰ নিজৰ হিচাপতেই গাৱঁলীয়া অঞ্চলত মাটিহীন কৃষক আৰু নিবনুৱাৰ সংখ্যা অব্যাহত ভাবে বাঢ়ি গৈ আছে। সৰ্ব্বভাৰতীয় হিচাপত গাওঁ অঞ্চলত বৰ্ত্তমান কৃষকৰ ৭৬% অংশৰ হাতত মাটিৰ ১৯% অংশহে মাথোন আছে। চৰকাৰৰ হিচাপত দৰিদ্ৰ লোকৰ অনুপাত ১৯৬০-৬১ চনত শতকৰা ৫২ জন আছিল, ৮ বছৰৰ পিছত শতকৰা ৭১ জন হৈছেগৈ। এই সংখ্যা বৰ্ত্তমান আৰু বাঢ়িছে।

অসমৰ প্ৰতিখন গাৱঁতে দিন হাজিৰা কৰি জীৱন ধাৰণ কৰিব লগা শ্ৰম বাহিনীৰ সৃষ্টি হৈছে। এওঁলোক হয় মহাজনৰ ঘৰত অতি কম মজুৰীত হালোৱা সোমাইছে নহয় হাতত দা-কুঠাৰ লৈ নগৰত ৩/৪ টকা দিন হাজিৰাত হাজিৰা কাম কৰিবলৈ আহিব লগা হৈছে। বৰ্ত্তমান শ্ৰমিকৰ সংখ্যা বৃদ্ধিৰ লগে লগে এনে ধৰণে কাম কৰিবলৈও কাম নোহোৱা হৈ পৰিছে। গাৱঁলীয়া নিবনুৱা ডেকা সকলে মটৰ গেৰেজ, বিভিন্ন কাৰখানা, চহৰৰ দোকান, পুলিচ মিলিটেৰীৰ ৰিক্ৰুটিং অফিচত চাকৰি বিচাৰি হাবাথুৰি খাইছে। যোৱা নিৰ্ব্বাচনৰ সময়ত এওঁলোকৰ অনেকেই হয়তো ভাবিছিল যে চৰকাৰৰ তথাকথিত "গৰিবী হটাও"ৰ আচনিয়ে হয়তো এওঁলোকক কোনো ঠাইত সংস্থাপন কৰিব। কিন্তু অসম চৰকাৰে ইতিমধ্যে লোৱা ব্যয় সঙ্কোচন ব্যৱস্থাৰ ফলত গড়-কাপ্তানী



OKDISCD

বিভাগৰ ৰাস্তাৰ কামতেই ১৪,১৫ হাজাৰ গাৱঁলীয়া লোকৰ চাকৰি যোৱাৰ খবৰে তেওঁলোকক কিছু মোহমুক্ত কৰিছে। গাঁও অঞ্চলত বসবাস কৰা এই মাটিহাৰা মজদুৰসকলেই বৰ্ত্তমান সময়ত সকলোতকৈ শোষিত আৰু নিষ্পেষিত। এওঁলোকৰ ভাগ্যত যোৱা পচিশ বছৰে চৰকাৰৰ কেৱল আশ্বাসৰ বাহিৰে আন একো মিলা নাই। গাৱঁৰ এই অংশ লোকৰ শিক্ষা আৰু ৰাজনৈতিক চেতনাৰ অভাৱৰ ফলতেই এক শ্ৰেণীৰ সুবিধা-বাদী লোকে সময়ে সময়ে জাতি-ধৰ্ম্ম-বৰ্ণ আদিৰ দোহাই দি এওঁলোকক বিপথগামী কৰিবৰ কাৰণেও প্ৰয়াস পাইছে।

এনে অৱস্থাত আজি গাওঁ অঞ্চলৰ তল শ্ৰেণীৰ খেতিয়কৰ সন্মুখত এটা ডাঙৰ প্ৰশ্নই দেখা দিছে। হয় তেওঁলোকে যোৱা ২৫ বছৰৰ দৰে চৰকাৰৰ আশ্বাসৰ ওপৰত বিশ্বাস ৰাখি পেটত গামোচা বান্ধি অথৰ্বীৰ দৰে ঘূৰি ফুৰিব লাগিব নহয় এই অৱস্থা পৰিবৰ্ত্তনৰ কাৰণে লোকৰ মুখাপেক্ষী নহৈ নিজে নিজৰ ভৰিত থিয় হব পাৰিব লাগিব। অতি ধীৰে ধীৰে হলেও এই শ্ৰেণীৰ কৃষকে দ্বিতীয় শ্ৰেণীতেই ভৰি দিবলৈ লৈছে। নহলে অসমৰ প্ৰতিটো গ্ৰাণ্ট, গ্ৰেজীং আৰু ৰিজাৰ্ভত ইমান ব্যাপক ভাবে বেদখল নহল-হেতেন। পুলিচৰ জুলুম, ফৰেষ্ট আৰু চেটেলমেণ্ট্ কৰ্ম্মচাৰী সকলৰ অত্যাচাৰেও তেওঁলোকক খেদি পঠাব পৰা নাই।

আমাৰ বিশ্বাস যদি অসম চৰকাৰে এই ৰাজ্যৰ ভিতৰত থকা জমিদাৰ মহাজনসকলৰ সীমাৰ অতিৰিক্ত মাটিখিনি আৰু নামে বেনামে চুৰি কৰি ৰখা মাটিখিনি উদ্ধাৰ কৰি প্ৰকৃত মাটিহীন আৰু কম মাটি থকা খেতিয়কক নাচায় তেনেহলে এই সকলেই সেই মাটি উদ্ধাৰৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা লব। হয়তো চৰকাৰে মাটিহীন কৃষক ৰাইজৰ এই মনোভাৱ বুজিয়েই মাটিহীন কৃষকক মাটি দিয়া, ৫০ বিঘাৰ চিলিং আইন কাৰ্য্যকৰী কৰা, নতুন প্ৰজাস্বত্ত্ব আইন চালুকৰা আদি ভাল ভাল কথাবিলাক কৈছে। কিন্তু বাস্তৱ অভিজ্ঞতাৰ পৰা কব পাৰি যে ই কেৱল কথাতেই থাকিব, কাৰ্য্যকৰী হৈ নুঠিব।

উক্ত চৰকাৰী শ্লোগানবিলাক বাস্তৱত ৰূপ দিয়াৰ কাৰণে হয়তো শাসকদলৰ এক অংশ লোকৰ ইচ্ছা আছে। কিন্তু শাসকদল আৰু চৰকাৰৰ অংশীদাৰ হিচাপে মাটিৰ মালিক মহাজন শ্ৰেণীও আছে বাবে তেওঁলোকৰ ইচ্ছা কাৰ্য্যকৰী





হোৱা সম্ভৱ নহব। মহাজন শ্ৰেণীয়ে নিজৰ শ্ৰেণী-স্বাৰ্থৰ খাতিৰত অতীতত আধিয়াৰ আইন কাৰ্য্যকৰী কৰিবলৈ নিদিয়াৰ দৰে ইয়াকো ব্যৰ্থ কৰি দিব। ইয়াৰ নমুনা বিধানসভাৰ নিৰ্ব্বাচনৰ বাবে শাসকদলৰ প্ৰাৰ্থী মনোনয়নৰ ক্ষেত্ৰতেই দেখা পোৱা গৈছে। সমাজতন্ত্ৰী আঁচনি কাৰ্য্যকৰী কৰিবলৈ এক বুজন অংশ কংগ্ৰেছীক নিৰ্ব্বাচিত মাটিৰ মালিকক বিধান সভালৈ নিৰ্বাচিত কৰা হৈছে। এই সকলে আগৰ দৰেই বিধান সভাৰ মজিয়াত বক্তৃতা দিব এক ধৰণেৰে আৰু সমাজৰ মাজত কাম কৰিব অন্য ধৰণেৰে।

তদুপৰি বৰ্ত্তমান চৰকাৰ আমোলাতন্ত্ৰৰ ওপৰত নিৰ্ভৰশীল। ভূমি আইন সমূহ কাৰ্য্যকৰী কৰাটো বহু পৰিমানে নিৰ্ভৰ কৰে ৰাজহ বিভাগৰ কৰ্ম্মচাৰী মণ্ডল, কানুনগু, এচ্ ডি চিৰ ওপৰত। বাস্তৱত দেখা গৈছে এই সকলৰ বেছি ভাগেই মহাজন শ্ৰেণীৰ পৰাই আহিছে। তাৰ উপৰি যি সকল প্ৰথম অৱস্থাত হয়তো মাটিৰ মালিক নাছিল তেওঁলোকো কিছুদিন কাম কৰাৰ পিছত মাটিৰ মালিক হৈছে। গতিকে এওঁলোকে নিজৰ শ্ৰেণী স্বাৰ্থৰ বিৰুদ্ধে যোৱা কোনো কামেই নিষ্ঠাৰে কৰিব নোৱাৰে বা নকৰে। চৰকাৰে ইতিমধ্যে বিতৰণ কৰা হাজাৰ হাজাৰ বিঘা মাটি থকা লোকে পোৱাত এওঁলোকৰ বৰঙণি কম নহয়। চিলিং আইনত ফাঁকি দিয়াৰ কৌশল এওঁলোকেই মাটিৰ মহাজনৰ দেখুৱাই দিছে। যোৱা জৰিপৰ সময়ত আধি বা খন্দুৱা খোৱা খেতিয়ক সকলৰ খতিয়ান কৰি ৰায়তী-পট্টা দিবৰ কাৰণে চৰকাৰৰ যি নিৰ্দ্দেশ আছিল তাক যথাযথ ভাৱে এওঁলোকে কাৰ্য্যকৰী নকৰিলে। যাৰ ফলত বহু বছৰ একাদিক্ৰমে দখল কৰি আধি-খন্দুৱা খোৱা খেতিয়কৰ মাটি দখলৰ কোনো ৰেকৰ্ড চৰকাৰৰ হাতত নাই। ফলত মাটিৰ মালিকে এই দখলকাৰী খেতিয়কৰ ওপৰত নানা ফৌজদাৰী আৰু উচ্ছেদৰ মোকৰ্দ্দমা জাপি দিবলৈ সুযোগ পাইছে। এই আমোলাতন্ত্ৰক কোনো উপদেশৰ দ্বাৰা সংশোধন কৰা নাযায়। সৰ্ব্ব-সাধাৰণ ৰাইজে এই কাম নিজেই কৰিবলৈ দায়িত্ব লব লাগিব। কিন্তু বৰ্ত্তমান চৰকাৰ সাধাৰণ খেতিয়ক ৰাইজৰ পৰা বহু আঁতৰত হোৱা বাবে সাধাৰণ ৰাইজে কোনো ঠাইত এইধৰণৰ ব্যৱস্থা লব খুজিলেও শান্তি শৃঙ্খলা ৰক্ষাৰ নামত ওলোটাই সেই সকলৰ ওপৰতেই চৰকাৰী জুলুম চলোৱা হয়।

এনে এটা পৰিস্থিতিত আমি এটা সিদ্ধান্তলৈ অহাৰ বাহিৰে অন্য কোনো



OKDISCD

উপায় নাই। সেইটো হৈছে—আমাৰ দেশত প্ৰকৃত ভূমি-সংস্কাৰ হব পাৰে এনে এটা চৰকাৰৰ ৰাজত্বতহে যি চৰকাৰ প্ৰকৃততেই সামন্ততন্ত্ৰ বিৰোধী।

চৰকাৰে এই দেশৰ একচেটিয়া পুজিপতি আৰু জমিদাৰ মহাজনৰো এহাতে স্বাৰ্থ ৰক্ষা কৰিব আৰু আনহাতে মাটিহীন আৰু কম মাটি থকা খেতিয়কক খেতিৰ মাটিৰ প্ৰকৃত মালিক কৰি কৃষি আৰু শিল্প উদ্যোগৰ উৎপাদন বৃদ্ধি কৰিব ঃ এই দুয়োটা কাম একেলগে হব নোৱাৰে। আমাৰ দেশৰ শ্ৰমিক শ্ৰেণীৰ মানুহে যিমান সোনকালেই এই সত্যক উপলব্ধি কৰিব সিমান সোনকালেই তেওঁলোকৰ দুখ কষ্ট দূৰ হব। কিন্তু সাধাৰণ মানুহৰ উপলব্ধিৰ কাৰণে দেশৰ সচেতন লোকসকলে বিশেষকৈ বুদ্ধিজীৱী সকলে তেওঁলোকৰ ঐতিহাসিক দায়িত্ব পালন কৰিব লাগিব। প্ৰায় ১৫০ বছৰ ইংৰাজ শাসন আৰু ২৫ বছৰীয়া স্বদেশী শাসনে গাঁৱৰ সাধাৰণ মানুহক যি দুৰবস্থাত পেলাইছে তাৰ পৰা উঠাই আনিবলৈ যথেষ্ট সময় আৰু ধৈৰ্য্যৰ আৱশ্যক হ'ব।

—×—

বছৰেকীয়া গ্ৰাহক সকললৈ আন্ধাৰ ছাৰ্টিফিকেট অব পোষ্টিং বুক পোষ্টত নতুন পৃথিৱী গ্ৰাহকৰ কোনো ভৰণি নোলোৱাকৈ পঠোৱা হয়। ৰেজিষ্ট্ৰি কৰি পঠাব লাগিলে ওপৰঞ্চি খৰচ গ্ৰাহকে ভৰিব লাগিব।



# অৰ্চ্চনা

( একাঙ্কিকা নাট )

**অনিমেষ কান্তি চৰকাৰ**

( পিছফালে বগা ছিন এখনত অংকিত অসমৰ মানচিত্ৰ। চাকি ধূপ-ধূনাৰে মঞ্চ আকৰ্ষিত কৰিব লাগিব। ভিতৰৰ পৰা শঙ্খ, ঘণ্টা আদিৰ ধ্বনিত পূজাৰ পৰিবেশ সৃষ্টি হব লাগিব। )

কবি ঃ শিল্পানুৰাগী আৰু কলামোদী ৰাইজ। জয় জয়তে আপোনালোকলৈ আমাৰ আন্তৰিক সম্ভাষণ জনাইছো। আপোনালোকলৈ এতিয়া আগবঢ়োৱা হৈছে আমাৰ একাংকিকা নাট "অৰ্চ্চনা"।

নাট আৰম্ভণিৰ আগতে আপোনালোকে চাই লওক এয়া সুজলা সুফলা শস্য-শ্যামলা এই দেশ। এই অসম দেশ। ইয়াৰ বুকুৰেদি কুলু কুলু শবদে বৈ যোৱা কত শত জান, জুৰি, নৈ, কত সেউজীয়া পাহাৰ, বননিত কতবিধ জীৱ-জন্তু, বহুমূলীয়া গছ-গছনি। চৰাই চিৰিকতিৰ কি অন্তৰ্স্পৰ্শা মাত। সচাঁকৈ ভাবিলে মন প্ৰাণ জুৰ পৰি যায়।

এইখন অসম দেশ—
মৰমৰ দেশ
আপোনাৰ দেশ
স্বৰ্গতকৈয়ো অধিক তই
অসমী আই।
তোৰ বুকুত আশ্ৰয় পাই
ধন্য মই
হে মোৰ অসমী আই—
খাবলৈ অভাৱ নাই
পিবলৈ অভাৱ নাই
এই দেশ ক'ত পাই।



OKDISCD

দৰ্শক ঃ ( উগ্ৰমূৰ্ত্তি ধৰি কৈ কৈ দৰ্শকৰ মাজৰ পৰা মঞ্চত উঠে )

বন্ধ কৰক ! বন্ধ কৰক ! আপোনাৰ এই কবিতা। বন্ধ কৰক আপোনাৰ এই অপপ্ৰচাৰ। অসম জননীৰ মানচিত্ৰ সমুখত লৈ আপোনাৰ এই অবাস্তৱ প্ৰচাৰ বন্ধ কৰক। আমি নাট্যামোদী হলেও দেখ্ দেখ্ কৈ আপুনি আমাৰ চকুত ধুলি মাৰিব নোৱাৰে। আমি ইয়াত ভেৰাৰ পাল বহি থকা নাই।

কবি ঃ ইচ্ ৰাম ! আপুনি এইচব্ কি আৰম্ভ কৰিছে ? আপুনি দৰ্শক ; দৰ্শকৰ মাজলৈ যাওক। আমাৰ নাটখন অভিনয় কৰিবলৈ সুযোগ দিয়ক। শ-শ মানুহে নীৰৱে ধৈৰ্য্য ধৰি বহি আছে আমাৰ এই নাটৰ পৰিণতি লৈ আৰু—আৰু আপুনি এজন শিক্ষিত ডেকা হৈ এইদৰে শিল্পৰ প্ৰগতিত বাধাদান কৰাটো জানো উচিত হৈছে ?

দৰ্শক ঃ উচিত। মই উচিতেই কৰিছো। উচিত অনুচিতৰ বিচাৰ আপুনি কৰিব নোৱাৰে। কৰিলে সেয়া ৰাইজেহে কৰিব। আপুনি কবি। স্বপ্নদ্ৰষ্টা বাস্তব বুদ্ধি বৰ্জ্জিত এজন ভাৱাটিয়া কবি। আপুনি কবিতা লিখিছে।—

খাবলৈ অভাৱ নাই—
পিবলৈ অভাৱ নাই
এই দেশ কত পাই।

কবি ঃ আপুনি মোক ইমান ৰাইজৰ আগত অপমান কৰিছে ? আপুনি মোক স্বপ্নদ্ৰষ্টা বাস্তব বুদ্ধি বৰ্জ্জিত এজন ভাৱাটিয়া কবি বুলি ইতিকিং কৰিছে ? কিন্তু আপুনি কি বুজিব কবিৰ কথা। অভাৱ বা প্ৰাচুৰ্য্য সেয়া মানুহৰ মনৰ কথা। আপোনাৰ মনতেই সুখ, আপোনাৰ মনতেই দুখ। আপোনাৰ মনতেই অভাৱ বা অনাভাৱ, সেয়েহে কবিয়ে কৈছে—

"যি ভাৱে দেখিবা সংসাৰখন
সিভাৱে পৰষিব তোমাৰ জীৱন।"

মই কবি। সেয়েহে মোৰ চকুত কন্দাও হাঁহে, হহাও কান্দে। প্ৰাণহীনেও প্ৰাণ পায়।





দৰ্শক ঃ আপোনাৰ পুত্ৰ এজনৰ মৃত্যুত যদি আপুনি ভাবিব খোজে মোৰ আৰু এজন পুত্ৰৰ জন্ম হল বুলি—সেয়া আপুনি ভাবিব পাৰিব জানো ? মই যদি আপোনাৰ টেটু চেপি ধৰো তেন্তে সেয়া ভগবানে আপোনাক চুমা খাইছে বুলি সান্ত্বনা পাব জানো ? পাৰিব জানো নিচিঞৰাকৈ থাকিবলৈ ?

কবি ঃ মই আপোনাৰ লগত তৰ্ক কৰিবলৈ বিচৰা নাই। তৰ্কেৰে সমস্যাৰ সমাধান কৰিব নোৱাৰি। কবিৰ কথাত কবলৈ গলে—

"কবিৰ অন্তৰখনি আলসুৱা অতি
তুমি তাত নিদিবা যাতন
কবিৰ প্ৰাণৰ কথা বুজি বা কি তুমি
তোমাৰ যে উপকৰা মন।"
"হে তাৰ্কিক জ্ঞানগৰ্ব্বী নেচাপিবা কাষ
তোমাৰ সি তৰ্কজাল লৈ
কবিৰ অন্তৰখনি পুণ্য তপোবন
যুক্তিহীন ভকতি আলয়।"

এতিয়া আপুনি যাওক। দৰ্শকৰ মাজলৈ যাওক। আপুনি আপোনাৰ ঠাইত বহকগৈ। Please help me. মোক নাটকখন অভিনয় কৰিবলৈ দিয়ক। চাওক আপোনাৰ কাণ্ডকাৰখানাত দৰ্শক মণ্ডলী উত্তেজিত হৈ পৰিছে। আপোনাক বেয়া পাইছে। আপুনি এনে কাম কৰাটো শোভা নাপায়। যাওকনা আপুনি। অভিনয়ত বাধা নিদিব।

দৰ্শক ঃ আপোনাৰ অভিনয়তো মই বাধা দিয়া নাই। এয়াওতো এক অভিনয়। দৰ্শকমণ্ডলীয়ে আমাৰ অভিনয়ৰ অভিনেতা আৰু অভিনেত্ৰী। এয়া এক বাস্তৱ অভিনয়। মই আপোনাৰ অভিনয়ত বাধা দিয়া নাই। ৰাইজ মোৰ এই প্ৰতিবাদত বেয়া পাব নোৱাৰে। উত্তেজিত হব নোৱাৰে। ময়ো ৰাইজৰেই এজন। ৰাইজ মোৰ। আপোনাৰ দৰে স্বপ্নবিলাসী কবিৰ নহয়। আপুনি আপোনাৰ কবিতাৰ মাজেৰে ৰাইজৰ মনৰ কথা কব পৰা নাই। সাধাৰণ ৰাইজৰ প্ৰাণস্পৰ্শ কৰিব পৰা নাই। মাতৃভূমি আজি বিপদাপন্ন। আৰু আপুনি বন-বননিক লৈ কবিতা

লিখাত ব্যস্ত। বন বননি জানেঁ। অসমত এতিয়াও আছে কবি? জানে জানেঁ। আপোনাৰ মাতৃভূমিৰ গৌৰৱ ভৰা ইতিহাস? নেজানে। জানিলেনো আজিও কবিতা লিখেনে—

“খাবলৈ অভাৱ নাই
পিবলৈ অভাৱ নাই
এনেদেশ কত পাই।”

যুগৰ লগত সম্বন্ধ নথকা কবি!

( দৰ্শকৰ মাজৰ লেতেৰা কণ্‌ কণ্‌ লৰা ছোৱালীলৈ আঙুলিয়াই )

এয়া চাওক আপোনাৰ মাতৃভূমিৰ ভৱিষ্যত কৰ্ণধাৰ অহাকালিৰ নাগৰিকে কি কুৎসিত জীৱন যাপন কৰিছে। চাওক আপোনাৰ দেশে কি দৰে এটি পঙ্গু generation ৰ সৃষ্টি কৰিছে।

[ ৰাইজৰ মাজৰ ভিখাৰী এটালৈ আঙুলিয়াই ]

সৌৱা চাওক—এটি পইচা এটি পইচা বুলি মগনীয়া জনে কি দৰে জন সমাগমৰ মাজত ভিক্ষা মাগি ফুৰিছে। এই নিপীড়িত জনৰ প্ৰতি, এই সৰ্ব্বহাৰা জনৰ প্ৰতি, জীৱনটোক যিজনে এটি সংগ্ৰামৰূপে গ্ৰহণ কৰিছে; জীয়াই থাকিবলৈ যিয়ে জীৱনক Challenge ৰূপে গ্ৰহণ কৰিছে—তাৰ প্ৰতি আপোনাৰ উদাসীনতা কিয়?

কবি ঃ ভিখাৰীতো থাকিবই। দেশ এখনত ধনী-দুখী ভাল বেয়া সকলোবিধ মানুহেই থাকিব। তাৰ বাবে চিন্তা কৰি কি লাভ? চৰকাৰেতো ইয়াৰ বাবে যথেষ্ট ভাবিছে। ১৯৬৩ চনতে অসম বিধান সভাই ভিক্ষাবৃত্তি নিৰোধ বিলখন আইনত পৰিণত কৰিছেই।

দৰ্শক : চৰকাৰে কেৱল বিল আইনত পৰিণত কৰিলেই হবনে? সেয়া কাৰ্য্যকৰীও কৰিব লাগিব?

কবি ঃ হব-হব! লাহে লাহে সকলো হব। আপুনি মগনীয়া জনৰ কথা যিমান উপলব্ধি কৰিছে, সি নিজে কিন্তু সিমানখিনি উপলব্ধি কৰিব পৰা নাই।

দৰ্শক ঃ আচৰিত! কিয় এখন দেশৰ অৰ্থনীতি, ৰাজনীতি আৰু সমাজনীতিত থাকিব লাগে ইমান প্ৰভেদ। আৰু মগনীয়াজনে যদি উপলব্ধি কৰিব





পৰা নাই তাৰ নিজৰ অৱস্থাটো তেন্তে তাক সেয়া উপলব্ধি কৰিবলৈ শিকাওক। আপুনি যদি আপোনাৰ লিখনিৰে তাৰ অন্তৰত সচেতনতা জগাই তুলিব নোৱাৰে তেন্তে আপুনি কিহৰ কবি? মাতক সেই মগনীয়াজনক। হিচাপ কৰক তাৰ জীৱনৰ অংক। হেৰা মগনীয়া ইফালে আহাচোঁন। আহা। এই লোৱা পইচা লোৱা……।

মগনীয়া : ( মঞ্চত উঠি ) বাবু-পইচা… ! ভগবানে আপোনাৰ মঙ্গল কৰক। বাবু, ভগবানে আপোনাৰ মঙ্গল কৰক। (কবিলৈ হাত মেলি) আপুনি বাবু! দয়া ধৰম কৰিব বাবু—( পইচা দিয়াত ) ভগবানে মঙ্গল কৰক বাবু! ভগবানে আপোনাৰ মঙ্গল কৰক। (মঞ্চৰ পৰা যাব খোজে)।

দৰ্শক ঃ হেৰা শুনাচোন। কত যোৱা? শুনা। ইয়াত অলপ ৰবা। শুধকচোন-কবি মহোদয়,—এইজন মগনীয়াৰ উপলব্ধিৰ ক্ষমতা আছেনে নাই?

কবি ঃ মগনীয়া তোমাৰ নামটো কি? জীৱনত তুমি কি বিচাৰিছা?

মগনীয়া ঃ বাবু মোৰ নাম? মোৰ নামতো কোনেও নোসোধে। আপোনাৰনো কিহৰ প্ৰয়োজন মোৰ নামৰ? মইতো নাম পাহৰি গৈছোঁ। পাহৰি গৈছো মই মোৰ জীৱনৰ। আৰু জীৱনত মই কি বিচাৰিছো? এই প্ৰশ্নওটো কোনেও মোক কোনোদিনেই সুধা নাই। মোক এইবোৰ নুসুধিব বাবু। মোক যাবলৈ দিয়ক।

দৰ্শক ঃ নাই তুমি যাব নোৱাৰা। কৈ যোৱা তোমাৰ জীৱনৰ কাহিনী। কোনোদিনে নুশুনা কাহিনী শুনক তোমাৰ দেশৰ এই কবিয়ে।

কবি ঃ কোৱা মগনীয়া। কোৱা। উত্তেজিত হৈ নুঠিবা।

মগনীয়া ঃ মোৰ জীৱন কাহিনী শুনিবলৈ আপোনালোক ইমান ব্যাকুল হোৱাৰ কাৰণ মই বুজিব পৰা নাই। মোক আপোনালোকে পাহৰি যোৱা জীৱনৰ সেই ভয়াবহ অধ্যায়লৈ ঠেলি দি, পাহৰি যোৱা জুইৰ লেলিহান শিখাৰে আপোনালোকে কিয় মোক পুৰিব খুজিছে জীৱন্তে।

দৰ্শক ঃ তোমাৰ জীৱন-কাহিনী শুনাৰ প্ৰয়োজন আছে এই কবিৰ। এওঁ-লোকেই একোখন সমাজ আৰু একোটি যুগৰ আৰ্চি আঁকে লিখনিৰে। তোমাৰ জীৱনৰ ভয়াবহ চিত্ৰ আৰ্চিত বান্ধি ৰাখিবলৈ এওঁলোকৰ প্ৰয়োজন আছে। প্ৰয়োজন আছে এওঁলোকৰ তোমাৰ দৰে অলিয়ে



OKDISCD

গলিয়ে ঘূৰি ফুৰা মগনীয়াৰ জীৱন-কাহিনী শুনাব। তোমাৰ জীৱন-কাহিনী তুমি কবই লাগিব। অতীতৰ পাহৰি যোৱা স্মৃতিবোৰ যদি জাগি উঠে উঠক। সেই স্মৃতি জুইৰ লেলিহান শিখাই যদি তোমাক পুৰি শেষ কৰি দিয়ে দিয়ক। তোমাৰ জীৱন-কাহিনীয়ে যদি এই অনভিজ্ঞ কবি আৰু শ শ জনতাৰ হৃদয়স্পৰ্শ কৰিব পাৰে-যদি অনুভূতি জগাই তুলিব পাৰে—তেন্তে সেয়া তোমাৰ আৰু তোমাৰ দৰে বহু মগনীয়াৰ কামত আহিব। তোমাৰ জীৱন ইতিহাসে এখন সমাজক জগাই তুলিব পাৰে। এখন সমাজৰ ৰূপ পৰিবৰ্ত্তন কৰিব পাৰে। কোৱা-কোৱা মগনীয়া তোমাৰ জীৱনৰ বাস্তব ইতিহাস।

মগনীয়া : কম! কম! মোৰ জীৱন ইতিহাস মোৰ ব্যাভিচাৰী বন্ধুসকলৰ আগত। আজি আপোনালোকে যি স্বাধীনতাৰ বাবে গৌৰৱ কৰিছে, স্বাধীনতাৰ কাহিনীবোৰ পঢ়ি বক্তৃতা দিছে, গল্প লিখিছে, কবিতা লিখিছে, সাহিত্য-সৃষ্টি কৰিছে, স্বাধীনতা দিৱসত শ্লোগান দিছে, স্বাধীন পতাকাৰ তলত গীত গাইছে, স্বাধীন পতাকাৰ তলত একত্ৰিত হৈছে, সেই স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰা—এইজন নিপীড়িত, নিৰ্য্যাতিত, শোষিত, অৱহেলিত, প্ৰতাৰিত, লাঞ্চিত, পদদলিত, ঘৃণিত আৰু সমাজৰ কলংক মগনীয়াই জীৱনৰ সকলো ছন্দ হেৰুৱাই শোভাযাত্ৰাৰ মাজে মাজে এটি পইচা বিচাৰি ফুৰিছে, মাথো খুদেকণে খাই জীয়াই থাকিবলৈ।

কবি : তুমি স্বাধীনতা সংগ্ৰামী ৰাজনৈতিক নিৰ্য্যাতিত কৰ্ম্মী। তোমাৰ আজি এই অৱস্থা কিয়? তুমি ৰাজনৈতিক পেঞ্চন নোপোৱা জানো?

মগনীয়া : ৰাজনৈতিক নিৰ্য্যাতিত কৰ্ম্মী? ৰাজনৈতিক পেঞ্চন? দেশমাতৃক শৃঙ্খলমুক্ত কৰিবলৈ কৰা সংগ্ৰামৰ প্ৰতিদান মই বিচৰা নাই। যাৰ জীৱনৰ হিচাব নাই, পত্নী-পুত্ৰৰ হিচাব নাই—তাৰ আকৌ কিহৰ ৰাজনৈতিক পেঞ্চন! যিখন দেশৰ স্বাধীনতাৰ বাবে কৰিলো সংগ্ৰাম, আহিল স্বাধীনতা—সেইখন দেশৰে স্বাধীনতাৰ প্ৰকৃত ৰূপ বিচাৰি আন্দোলন কৰোঁতে স্বাধীন পুৰস্কাৰ পালো। জেইল হল মোৰ। এদিন জেইলৰ পৰা মুক্তি পাই ওলাই আহিলোঁ। কিন্তু বিচাৰি নেপালো





মোৰ ঘৰ-দুৱাৰ বাসস্থান। বহুতো পৰিবৰ্ত্তন। মোৰ গাওঁখন গাওঁ হৈ থকা নাই। গাৱঁৰ কিছু অংশ বলীয়া লুইতৰ কোবাল সোঁতত—তাৰ অতল গৰ্ভত লীন হল। বাকীখিনি সাম্ৰাজ্যবাদীৰ পোহনীয়া দালালহঁতেৰে ভৰি পৰিছে। মোৰ ঘৰ-দুৱাৰত অচিনাকি মানুহ বাস কৰিছে।

কবি : আচৰিত কথা! তোমাৰ ঘৰত অচিনাকি মানুহ বাস কৰিছে—তোমাৰ অজ্ঞাতে। আৰু তুমি আজি পথৰ ভিখাৰী। ই কিদৰে সম্ভৱ হব পাৰে?

মগনীয়া : পাৰে। এয়াও সম্ভৱ হব পাৰে। বৰ্ত্তমান শাসন ব্যৱস্থাত অসম্ভবো সম্ভৱ হব পাৰে।

কবি : নাই ই অসম্ভৱ। মই বিশ্বাস কৰিব নোৱাৰো। তুমি মিছা কথা কৈছা।

মগনীয়া : মই মিছা কথা কৈছোঁ। কিয়নো মই পথৰ ভিখাৰী। আৰু আপোনালোকে সচাঁ মানুহ। মোৰ জীৱনৰ সঁচা ঘটনাকো বিশ্বাস কৰিবলৈ টান পোৱা সঁচা মানুহ।

দৰ্শক : কোৱা—কোৱা মগনীয়া। স্বপ্নবিলাসী কবিয়ে বিশ্বাস নকৰিলেও বিশ্বাস কৰা মানুহ তোমাৰ সমুখত আছে। মই জানো এয়া সঁচা। কোৱা। কৈ যোৱা মগনীয়া।

মগনীয়া : তাৰ পিছত পুত্ৰ পত্নীৰ খবৰ নাই......। নাই......মই আৰু কব নোৱাৰোঁ। কোনোবাই যেন মোৰ কণ্ঠ ৰোধ কৰি দিছে। সৌৱা! সৌৱা! মোৰ পত্নী আৰু পুত্ৰৰ প্ৰেতাত্মাই মোক অভিশাপ দিছে। বেমাৰত ঔষধ নেপাই, ভোকত এমুঠি আহাৰ নেপাই, শুকাইশুকাই জীয়াতু ভুগি মৃত্যুবৰণ কৰা মোৰ পত্নী পুত্ৰৰ প্ৰেতাত্মাই মোক অভিশাপ দিছে।

দৰ্শক : শুনিছে কবি? উপলব্ধিৰ ক্ষমতা নথকা এই মগনীয়াৰ জীৱন কাহিনী কিমান কৰুণ। কিমান শোকাবহ। এনে নিঃকিন আপোনাৰ স্বাধীন দেশৰ বুকুত অলেখ আছে। এওঁৰ জীৱন ইতিহাসে জানো আপোনাৰ কবিতাক,। আপোনাৰ মহান সাহিত্যক ইতিকিং কৰা নাই? আপোনাৰ



OKDISCD

স্বাধীন দেশৰ স্বাধীনতাই জানো লাজ পোৱা নাই এই সৰ্ব্বহাৰাৰ জীৱন ইতিহাস শুনি ?

কবিঃ সঁচাকৈ মই থকা ৰাজ্যখন এখন আন্ধাৰ ৰাজ্য, জীৱনৰ পোহৰ এই ৰাজ্যত প্ৰবেশ কৰিব পৰা নাই। মহাভাৰতৰ বুকুত থকা মোৰ এই সোণৰ অসমৰ এই পৰিণতি! ধনে-ধানে-শস্যে ভৰা মোৰ এই সোণৰ অসমত তেন্তে আজি চলিছে মগনীয়াৰ পাল।

মগনীয়াঃ কেৱল মগনীয়াৰ পালেই নহয়। যত চোৰ-ডকাইত, শোষকৰ দল অসমৰ চৌদিশে আজি বিয়পি পৰিছে। টাটা বিৰলাইঁতৰ ভৰি চেলেকা পুঁজিবাদী তাবেদাৰইঁতে তাক সমাদৰ কৰিছে। বিদেশী পুঁজিপতি-ইঁতৰো শোষণক সম্ভাষণ জনাই আমাৰ দেশীয় চৰকাৰে সিহঁতক ফুলৰ মালা পিন্ধাইছে। আৰু এই মৌলিক সমস্যাৰ প্ৰতি যাতে অসমৰ বৃহত্তৰ জনসংখ্যাৰ দৃষ্টি আঁতৰি থাকে আৰু ইয়াক ওফৰাই দিয়াৰ ঐক্যবদ্ধ জংগী সংগ্ৰাম গঢ়ি নুঠে তাৰ বাবে পুঁজিপতি, পুঁজি-বাদী চৰকাৰে একমাত্ৰ মেডিছিন হিচাবে "চৌভিনিজম্" অৰ্থাৎ উগ্ৰ-জাতীয়তাবাদক ইন্ধন জগাই আমাৰ জনতাক ভাগ ভাগ কৰি ৰাখিছে। আৰু এইদৰে অসমক ধ্বংসস্তূপলৈ ঠেলি দিয়া হৈছে। উচিত নেতৃত্ব আৰু জনজাগৰণৰ অভাৱত অসম মাতৃয়ে আজি হাহাঁকাৰ কৰিছে।

কবিঃ উচিত নেতৃত্বৰ অভাৱত অসম মাতৃয়ে আজি হাহাঁকাৰ কৰিছে? সেয়া কিহৰ নেতৃত্ব!

দৰ্শকঃ সেয়া অসমক শোষণৰপৰা মুক্ত কৰি অতীৰ বিক্ৰমেৰে প্ৰগতিৰ পথত আগবাঢ়িবলৈ সুযোগ দিয়াৰ নেতৃত্ব। সেয়া কবি পৃথিৱীৰ শান্তিকামী আৰু মেহনতী মানুহৰ পহিলা নম্বৰ শত্ৰু মাৰ্কিন সাম্ৰাজ্যবাদীইঁতৰ এজেণ্ট সকলৰ হাতৰপৰা অসমক মুক্ত কৰাৰ নেতৃত্ব। অসমৰ বিশ্ব-বিদ্যালয় সমূহৰপৰা আৰম্ভ কৰি সীমান্তলৈকে কুখ্যাত মাৰ্কিন চোৰাং চোৰা আৰু সিহঁতৰ ভৰি চেলেকা দেশীয় কুকুৰ সকলৰ দপ্ দপনি আৰু সময় সুযোগমতে উগ্ৰজাতীয়তাবাদৰ শ্লোগান তুলি পৃথিৱীৰ মেহনতী মানুহৰ সংগ্ৰামৰ সতে কান্ধত কান্ধ মিলাই ভাৰতৰ বিভিন্ন প্ৰান্তৰৰ দৰে অসমৰ মেহনতী মানুহেও আগবাঢ়ি অহা সংগ্ৰামক দমন





কৰিব খোজা কু অভিসন্ধিক পৰাস্ত কৰি আমাৰ অৰ্থনৈতিক সমতা আদায় কৰাৰ দৃঢ়তৰ সংগ্ৰামৰ এক সবল নেতৃত্বৰ বৰ প্ৰয়োজন। মাৰ্কিন চোৰাংচোৰাৰ টকাৰে আৰামত থোৱা, ফুৰাইঁতে জাতীয়তাবাদৰ মুখস্থ শ্লোগান আওৰাব পাৰে, কিন্তু জাতীয়তাবাদী হব নোৱাৰে। বিশ্ব ইতিহাস আৰু বিশ্ব ৰাজনীতিৰ অধ্যয়ণ নকৰাকৈ, দিনকদিনে অগ্ৰগতি লাভ কৰা দেশ সমূহৰ আদৰ্শ গ্ৰহণ নকৰাকৈ আপুনি নিজ জাতিৰ উন্নতি সাধিব নোৱাৰে। কওক মগনীয়া, ভুল কৈছো?

মগনীয়াঃ মুঠেই ভুল নহয়—চফল ডেকা! আমাৰ অসম দেশৰদৰে ভাৰতৰ অন্যান্য প্ৰান্তৰতো চলিছে একেই শাসনতন্ত্ৰৰ একেই শোষণ, একেই জালিয়াতি। প্ৰয়োজন বোধে কিছু কম বা কিছু বেছি পাৰ্থক্য মাথোন এয়ে। দেশৰ উন্নয়নৰ বাবে আমি আমাৰ দেশত দেশীবিদেশী পুঁজিৰ শোষণ ৰুদ্ধ কৰিব লাগিব। জাতিৰ বৃহত্তৰ অংশ খাটি খোৱা মানুহৰ উন্নয়নৰ হকে সুস্থ শুদ্ধ আঁচনি লাগিব। পুঁজিপতিৰ ৰক্ষক চৰকাৰৰ দ্বাৰা সেয়া সম্ভৱ নহয়। তাৰ বাবে লাগিব শ্ৰমিক শ্ৰেণীৰ নেতৃত্বৰ চৰকাৰ। সেয়েহে দেশৰ মানুহক মই দৃঢ়কণ্ঠে আহ্বান জনাই কৈছোঁ গণজাগৰণ আৰু ৰক্ত পাতেৰে মাতৃভূমিৰ শেতা পৰা ওঁঠত হাঁহিৰ ৰেঙনি ফুটাই তোলাৰ দিন আহিছে।

কবিঃ কিন্তু মাতৃভূমিত ৰক্তপাত? সেয়া কাৰ ৰক্তেৰে?

মগনীয়াঃ যি সকলে পৃথিৱীৰ মেহনতী আৰু শান্তিপূৰ্ণ মানুহৰ শত্ৰু পৃথিৱীৰ সাম্ৰাজ্যবাদী শক্তি সমূহৰ লগলাগি মাতৃৰ সন্তানইঁতক দিনেদিনে পথৰ ভিখাৰী বনাইছে, যিসকলে আমাৰ ৰক্ত শোষণ কৰিছে, যি সকলে আমাৰ দেশ আৰু জাতিৰ উন্নয়নৰ হেঙাৰ হৈছে—সেই পাষণ্ডইঁতৰ তেজেৰে। সেই পাষণ্ডইঁতৰ ৰক্ষক—গুণ্ডা বাহিনীৰ তেজেৰে।

কবিঃ বিনা ৰক্তপাতেৰে নোৱাৰি নেকি?

দৰ্শকঃ বিনাৰক্তপাতেৰে পোৱা স্বাধীনতাই কি দিছে? সাম্ৰাজ্যবাদীইঁতৰ লগত আপোচচুক্তিত পুতৌ লগা স্বাধীনতাই শ্ৰেণীহীন সমাজ গঢ়িব পাৰিছে নে?



OKDISCD

ভিখাৰী : শুনক কবি! বিনা ৰক্তপাতেৰে সাম্ৰাজ্যবাদী দালালহঁতৰ পৰা ক্ষমতা দখল কৰিব নোৱাৰে। সিহঁতে আপোচত কাহানিও শোষণ বন্ধ নকৰে। বিনা ৰক্তপাতে শ্ৰেণীহীন সমাজ ৰচনাৰ নজীৰ বিশ্বত নাই কবি।

কবি : সেয়ে হব। সেয়ে হব বিদ্ৰোহী! চকুৰ আগতে যদি মাতৃভূমিৰ এই লাঞ্ছনা অৱমাননা, তেন্তে কিহৰ বাবে মোৰ এই অৰ্চ্চনা। ( চাকি ধূপ আচুৰি, লথিয়াই ভাঙে )। মগনীয়া! তুমি মোৰ কাষত থাকিবা। আহক বিদ্ৰোহী, আজি অসমৰ গাঁৱে ভূঞে, নগৰে-চহৰে সোমাই যাওঁ— দলে দলে—অসম মাতৃৰ হেৰোৱা ছন্দ—হেৰোৱা ৰূপ বিচাৰি। মই মোৰ লিখাত বাস্তৱতাক ৰূপায়িত কৰিম। দেশত এক নৱজাগৰণৰ সৃষ্টি কৰাত আমাৰ কলমেও যুঁজিব।

দৰ্শক : আহক প্ৰপীড়িত ৰাইজ। আওৱাই আহক! আপোনালোকেই আনিব লাগিব দেশত বিপ্লৱ। আপোনালোকৰ চেতনা আৰু সহযোগীতাত আজি আৰম্ভ হওক নতুন অভিযান—শোষণ বঞ্চনাৰ বিৰুদ্ধে। আহক ৰাইজ। মাতৃভূমিৰ আকাশে বতাহে বিয়পাই দিওঁ আমাৰ পেটৰ আৰু মনৰ জুইৰ ফিৰিঙতি বোৰ—কণ কণ ফিৰিঙতি লগ লাগি সৃষ্টি কৰক খাণ্ডৱ দাহ। তাতেই চিতাভস্ম কৰোহক—দেশৰ শোষণ নিপীড়ন। নতুন অসম, নতুন ভাৰত—নতুন পৃথিৱী আমিয়েই গঢ়োহঁক। আমি আকাশ বতাহ মুখৰিত কৰি কওঁহক—

—ইনকিলাব—জিন্দাবাদ—

[ আটাই কেইজনে আৰু ৰাইজৰো—একাংশই শ্লোগান ধৰে ]*

* নাটখনে ১৯৬৮ চনত বিলাসীপাৰা "কলেজ সপ্তাহ" নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ নাট আৰু শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। নাটখন যোৱা বছৰ অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেচনৰ বিলাসীপাৰা আঞ্চলিক অভিবৰ্ত্তনতো অভিনীত হয়।



# সত্য—বিশ্বাস—ধৰ্ম্ম আৰু মাক্স‌্‌বাদ

বিপ্লৱ ৰূপক বৰুৱা

সত্য আৰু বিশ্বাস দুয়োটাৰে অৰ্থ ভিন্ন। যদিও দুয়োটাৰে সম্পৰ্ক বৰ নিকটবৰ্ত্তী তথাপি দুয়োটা একে নহয়। ই এটা বাস্তৱ সন্মত কথা। সকলো সত্যকে মানুহে বিশ্বাস কৰে, কিন্তু সকলো বিশ্বাসৰ মূলতে সত্য নিহিত নেথাকে। মানৱ বুৰঞ্জীৰ পাহে পাহে এই সত্য লুকাই আছে। সাতে পাঁচে বাৰ বা জৱহাৰলাল মৰিল বা চন্দ্ৰত মানুহে ভৰি দিলেগৈ বা ইতিহাসৰ চালিকা শক্তি শ্ৰেণী সংগ্ৰাম—এই এনেধৰণৰ কথাবোৰ সত্য আৰু মানুহে এনেবোৰক বিশ্বাস কৰে—ই বাস্তৱ সন্মত কথা। গতিকে সত্য সদায় সত্য সৰ্ব্বকালৰ বাবে। কিন্তু প্ৰত্যেক বিশ্বাসৰ মূলতে সত্য নাথাকে—মানুহে এনে কিছুমান কথাও বিশ্বাস কৰে, কৰি আহিছিল আৰু কৰি আহিছে, যিবোৰ অকল অসত্যই নহয়—অদ্ভুতো। সেয়েহে আমাৰ মৰমৰ ককা আইতাই চন্দ্ৰত মানুহ নমা কথাষাৰ তামোলৰ পিক পেলোৱাৰ দৰে অৱজ্ঞা কৰে। তেওঁলোকে বিশ্বাস কৰে যে চন্দ্ৰত হৰিণা পশু আৰু তুলসী গছহে আছে—ঠিক যেনেকৈ প্ৰতিক্ৰিয়াশীল আৰু বুৰ্জোৱাৰ দালাল বিভীষণ ভাইহঁত আৰু, আৰু বহুতো অচেতন অজ্ঞ মানুহে বিশ্বাস কৰে যে ইতিহাসৰ চালিকা শক্তি 'শ্ৰেণী সমন্বয়' 'শ্ৰেণী সংগ্ৰাম' নহয় বা তেনে ধৰণৰ পুঁজিবাদ শক্তিশালী হোৱা আৰু কৰিব পৰা কথা আৰু মতবাদবোৰ। তেন্তে সত্য আৰু বিশ্বাস দুটা বেলেগ কথা দুয়োটাৰে মাজত এটা দ্বন্দ্ব আছে—দুয়োটাৰে মাজত অহৰহ সংগ্ৰাম চলিছে আৰু মানৱ ইতিহাসেই প্ৰমাণ যে এই সংগ্ৰামৰ একমাত্ৰ বিজেতা 'সত্য', আৰু ই সংগ্ৰামৰ প্ৰত্যেক পদক্ষেপতে শক্তি জগাই আহিছে। কিন্তু কথা হল এনেধৰণেই কি সদায় চলি থাকিব? নিশ্চয় নেথাকে। সমাজৰ অগ্ৰগতিয়ে এই কথাই দোহাৰে।

সত্যৰ সংজ্ঞা কি? বিশ্বাসৰ সংজ্ঞা কি? এইটো এটা প্ৰশ্ন। আৰু ই সিমান পুৰণি প্ৰশ্ন, যিমান পুৰণি মানৱৰ সত্য অন্বেষণৰ কাহিনী। কিন্তু

প্ৰশ্নোত্তৰৰ আগতে আমি অন্য এটা সিদ্ধান্তলৈ আহিব লাগিব। সেইটো হল মানুহৰ মনত প্ৰশ্নৰ উদয় হয় কিয়? ঘপক কৰে অৱশ্যে এটা উত্তৰ দিয়া যায় যে কৌতুহল হ'লে। এই আংশিক ভাৱে সত্য হলেও সকলো কথাকে সামৰি নধৰে। আচলতে প্ৰশ্ন জনাৰ প্ৰধান সৰ্ত হল যে প্ৰশ্ন কৰ্ত্তাৰ সেই বিশেষ বিষয় সম্পৰ্কে পৰিষ্কাৰ ধাৰণা নাই বা বাস্তৱ অভিজ্ঞতাৰ সৈতে বিষয়টোৰ সম্পৰ্কত থকা নিজস্ব ধ্যান-ধাৰনা বোৰ ৰঞ্জিতা খোৱা নাই। সেয়েহে প্ৰত্যেক প্ৰশ্নৰ অন্তৰালত থকা কৌতুহল বা সন্দেহৰ নিৰসন তেতিয়াহে হয় যেতিয়াই যি কোনো বিষয় বস্তুৰ সম্পৰ্কে থকা ধ্যান ধাৰণা আৰু বাস্তৱ অভিজ্ঞতাৰ (ব্যক্তিগত বা সমষ্টিগত) সমন্বয় হয়—তেতিয়া এনে বিশ্বাসবোৰ স্বাভাৱিক সত্য ৰূপে সমাজত পৰিগণিত হয়।

সাতে পাচে বাৰ বা শ্ৰেণী সংগ্ৰামৰ যোগেদিহে সমাজৰ মৌলিক ৰূপান্তৰ সম্ভৱ—আদি কথাবোৰকলৈ কোনেও প্ৰশ্ন নকৰে যিহেতু এইবোৰ হাতে-কামে সত্য। সময়ৰ অগ্ৰগতিৰ লগে লগে নৱ নৱ অভিজ্ঞতাই আনি দিয়া বাস্তৱতাই এই সত্যবোৰক আৰু দৃঢ়, আৰু উন্নত কৰি তুলিছে। শ্ৰেণী বিভক্ত সমাজৰ দৃষ্টি ভঙ্গীৰ বিভিন্নতা স্বীকাৰ কৰিলেও তেন্তে কব পাৰি যে যুক্তি, প্ৰমাণ আৰু অভিজ্ঞতাৰ সমন্বয়ৰ দ্বাৰা পৰিলক্ষিত বিশ্বাসবোৰেই সত্যৰ ওপৰত প্ৰতিষ্ঠিত বিশ্বাস। আগতেই কোৱা হৈছে যে সকলো বিশ্বাসেই সত্যৰ ওপৰত প্ৰতিষ্ঠিত বিশ্বাস নহয়। মানুহে এনে বিশ্বাসো কৰে যে (কৰিছিল, কৰি আহিছে) পৃথিবীৰ তলত এটা কাছ আছে বা ভেকুলীৰ বিয়া পাতিলে বৰষুণ হয় বা বিনা শ্ৰেণী সংগ্ৰামৰে মৌলিক পৰিবৰ্ত্তন সম্ভৱ—আদি কথাবোৰ চেতনা সম্পন্ন মানুহৰ বাবে বৰ আচৰিত আৰু অদ্ভুত কথা—তথাপিও মানুহে এনে কথা বিশ্বাস কৰে। কিন্তু কিয়?—স্বাৰ্থপৰ গোষ্ঠীৰ দ্বাৰা এনে কথাৰ জোৰ প্ৰচাৰ, কাৰণ সকলো কথা অভিজ্ঞতাৰ কষটি শিলত পৰীক্ষা কৰি লোৱাৰ আগ্ৰহ হীনতা —কাৰণ এনেকুৱা কুসংস্কাৰ আৰু বিশ্বাস দূৰীকৰণ কৰিব পৰাকৈ কোনো বৈজ্ঞানিক পৰিবেশ আৰু জীৱন যাত্ৰাৰ অভাৱ। তাহানিৰ পৰাই ভাৰতত সাধাৰণ মানুহৰ বিশ্বাস যে প্ৰহ্লাদে খুটাটোৰ ভিতৰতে ঈশ্বৰক বিচাৰি পাইছিল—আৰু এই অদ্ভুত ভ্ৰান্ত ধাৰণা ইমান স্বাভাৱিক হৈ পৰিছিল (হৈ পৰি আহিছে) যে কোনেও খুটা এটা গোৰমাৰি ভাঙি চোৱা নাই—আৰু সন্দেহবাদী সকলক





হিৰণ্য কশিপুৰ ফলীয়া বুলিটো সমাজৰ পৰা নাকচ কৰি দিয়াৰ ব্যৱস্থা আছেই।

তথাপিও যুগে যুগে মানুহে এনে বিশ্বাস বোৰৰ সত্যতা সম্পৰ্কে প্ৰশ্ন কৰি আহিছে (আহিছিল, আহিব)। ইয়েই প্ৰমাণ কৰে এনে বিশ্বাস বা প্ৰবাদ বোৰেই চূড়ান্ত পৰ্য্যায়ত সংগ্ৰামৰ একমাত্ৰ নিৰ্দেশিকা শক্তি নাছিল। যিহেতু অভিজ্ঞতা, বাস্তৱতা আৰু ধ্যান ধাৰণাৰ মাজত অহৰহ এটা দ্বন্দ্ব চলি আহিছে, সেয়ে এনে অমূলক ধাৰণাবোৰক ওপৰ মহলৰ পৰা জাপি দিয়া সত্বেও আমি এনেবোৰৰ সত্যতাক প্ৰত্যাহ্বান জনাই অহা বিভিন্ন চিন্তা চৰ্চা বা বিভিন্ন Schools of thought দেখিবলৈ পাওঁ।

তেতিয়া হলে যুক্তিৰ কোনো জাল নেপাতি বিভিন্ন দাৰ্শনিক পণ্ডিতৰ মুৰ কামুৰি যোৱা তথ্যৰ অৱতাৰণা নকৰি আমি সহজ ভাৱেই কব পাৰোঁ যে যিহেতু এনে বিশ্বাস বোৰৰ সত্যতা সম্পৰ্কে মানুহে অবিৰাম ভাবে প্ৰশ্ন কৰি আহিছে, গতিকে নিশ্চয় এনে বিশ্বাস বোৰক মানুহে সাতে পাচে বাৰ আদিক বিশ্বাস কৰি অহাৰ দৰে সহজে বিশ্বাস কৰি অহা নাই। এনে বিশ্বাস বোৰৰ ওপৰত মানুহৰ সন্দেহ আৰু সংশয় আছে। উপযুক্ত জ্ঞান আহৰণৰ পৰিবেশে, অভিজ্ঞতাই,শোষণ বিৰোধী জীৱন সংগ্ৰামে, সত্যৰ জোৰ প্ৰচাৰে এনে অহেতুক বিশ্বাস বোৰক নিশ্চয় চিৰকালৰ বাবে দূৰ কৰি দি সেইবোৰক ইতিহাসৰ অগ্ৰগতিৰ এসময়ৰ জঞ্জালত পৰিণত কৰিব। যি হওঁক যেতিয়ালৈকে এনে হোৱা নাই তেতিয়ালৈকে এনেবোৰক Reality বুলি মানিব লাগিব।

এই পৰিপ্ৰেক্ষিততেই বৈজ্ঞানিক সমাজ বাদ গঢ়ি তোলাৰ অন্যতম প্ৰধান হেঙাৰ ধৰ্মবোধ আৰু বিশ্বাসক বিচাৰ কৰিব লাগিব। মন কৰিবলগীয়া কথা যে এই বিশ্বাস যিমান পুৰণি সিমানেই পুৰণি এনে বিশ্বাসৰ ওপৰত থকা মানুহৰ সন্দেহ আৰু সংশয়। সেয়ে এনে বিশ্বাসে জীৱন বিচাৰত প্ৰধান ভূমিকা পালন কৰিলেও জীৱনৰ বাস্তৱ দিশটোৰ সৈতে সদায় ইয়াৰ সংঘৰ্ষ হৈ আহিছে। ফলত চিন্তা চৰ্চাৰ মানব বুৰঞ্জীত সমান্তৰাল ভাবে আমি এটা বৈজ্ঞানিক চিন্তা সুঁতিও দেখিবলৈ পাওঁ। সেয়ে জীৱনৰ প্ৰত্যেক পদক্ষেপ objective reality ৰ দ্বাৰা পৰিচালিত হোৱা সত্বেও চিন্তা চৰ্চাৰ ক্ষেত্ৰত থকা ধাৰ্মিক প্ৰৱণতা মানব বুৰঞ্জীৰ এটা প্ৰধান দ্বন্দ্ব। বাস্তৱ অভিজ্ঞতাই



OKDISCD

মানুহক শিকাইছে যে কাছ এটাৰ ওপৰত থিয় দিলে কাছটো মৰি থাকিব পাৰে। তথাপিও মানুহে বিশ্বাস কৰে যে পৃথিবী খনৰ দৰে এটা গধুৰ বস্তু কাছ এটাৰ ওপৰত চলি আহিছে। মানুহে জানে যে ঔষধেহে ৰোগ নিবাৰণ কৰিব পাৰে, তথাপিও ৰোগ নিবাৰণৰ বাবে গোসাঁই ঘৰত চাকি জ্বলায়। ( কত Nuclear ডক্টৰেতে পদোন্নতিৰ বাবে তাবিজ পিন্ধে তাৰ হিচাব বা নিদিলোঁৱেই )।

তেন্তেনো ধৰ্ম কি ? 'Religion is one of the forms of spiritual oppression which everywhere weighs down heavily upon the masses of the people, overburdened by their perpetual work for others, by want and isolation. Impotence of the exploited classes in their struggle against the exploiters just as inevitably gives rise to the belief in a better life after death as impotence of the savage in his battle with nature gives rise to belief in Gods." ( Lenin on Socialism and religion. Page 3. Progressive publishers, Moscow 1963 )। তেন্তে ধৰ্ম্ম বিশ্বাসৰ ( অযুক্তিকৰ, অবাস্তৱ, অভিজ্ঞতাৰ লগত খাপ নোখোৱা সত্বেও ) ব্যাপকতাৰ মূল কাৰণ শ্ৰেণীবিভক্ত সমাজত চলি অহা শোষণ ব্যৱস্থাৰ অন্তৰালতেই নিহিত হৈ আছে। শোষণৰ দ্বাৰা ব্যাপক জনতা বাস্তৱিক সুখ, শান্তি, আনন্দ মধুৰতাৰপৰা বঞ্চিত হৈ যি দুৰূহ জীৱন যাপন কৰিছে—সেইখিনিক বাস্তৱত পাহৰি থাকিবলৈ সুখ, শান্তি, আনন্দৰ মা-মচলাৰে এখন সমাজ কল্পনা কৰি পৰিত্ৰাণ বিচৰাৰ বাহিৰে কোনো গত্যন্তৰ নাছিল। সামন্ত যুগত ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাধীনতাৰ পৰা বঞ্চিত, বজাৰৰ পণ্য সামগ্ৰীৰ দৰে ব্যৱহৃত পণ্য হৈ অহা সহস্ৰ দাসবোৰে নিজ দুখ-দুৰ্দ্দশাৰ outlet হিচাবে মনতে গঢ়ি লৈছিল এনে এক স্বৰ্গৰাজ্য য'ত সকলো সমান, মৃত্যু যত অসম্ভৱ, বয়স য'ত সকলোৰে ভৰা যৌৱন। জীৱনৰ প্ৰত্যেক খোজতে ন্যায় বিচাৰৰপৰা বঞ্চিত এই মানুহবোৰে সৃষ্টি কৰি লৈছিল এনে এক শক্তিক যি তেওঁলোকে দেখি অহাৰ দৰে সৰ্ব্বশক্তিমান—যি ( তেওঁলোকে বিচৰাৰ দৰে ) সুবিচাৰক—যি ( বাস্তৱত দেখি অহা ) শাসকজনৰ দৰেই খেয়াল খুচিমতেই





বিশ্বব্ৰহ্মাণ্ড পৰিচালনা কৰে ( বেচেৰা ! )। ব্যাপক মানবৰ লাঞ্চিত আত্মাই ধৰি লৈছিল যে এই মহাপুৰুষ (?) দয়ালু (?) উদাৰ (?) কোমল অন্তৰৰ (?) বিলাস প্ৰাচুৰ্য্যতাৰ সাগৰত উটিফুৰা। ( যিকোনো যুগৰ ) মুষ্টিমেয় পৰ নিৰ্ভৰশীল শোষক শ্ৰেণী যাৰ বিলাস প্ৰাচুৰ্য্যতা নিৰ্ভৰ কৰে হাজাৰ হাজাৰ শোষিত জনতাৰ দেহভঙা পৰিশ্ৰমৰ ওপৰত—সেইসকলে ৰাজনৈতিক ক্ষমতাৰে পৰিশ্ৰমী জনতাক পদদলিত কৰি ৰখাৰ উপৰিও আত্মিকভাৱে জনতাক অন্ধ কৰি ৰাখিবলৈ চেষ্টা এনেধৰণেই চলাইছিল—এই মানদণ্ডৰেই ধৰ্মবিশ্বাসক তেওঁলোকে উপযুক্ত হাতিয়াৰৰূপে ব্যৱহাৰ কৰিছিল। এনে পৰিপ্ৰেক্ষিততেই মাৰ্ক্সে কৈছিল যে মানুহৰ চেতনাক নিচাগ্ৰস্ত কৰি ৰাখিবলৈ ধৰ্ম্মই হ'ল উপযুক্ত কানি। দৈহিক, আত্মিকভাৱে পীড়িত জনতাক ধৰ্ম্মই প্ৰকৃততেই প্ৰকৃত বাস্তৱতাৰপৰা লুকুৱাই ৰাখিবলৈ সক্ষম হৈছিল ( হৈ আছিছে )। অৰ্থনৈতিক দুৰৱস্থাই স্বাভাবিকতেই পৰিশ্ৰমী জনতাক কৰি তুলিছিল মানসিকভাৱে দুখীয়া। আদিম যুগৰ মানুহে প্ৰকৃতিৰ বিৰুদ্ধে চলাবলগীয়া সংগ্ৰামৰ ভাঁজে ভাঁজে অনুভৱ কৰিছিল প্ৰকৃতিৰ অসীম শক্তিক। আৰু প্ৰকৃতিৰ বিৰুদ্ধে বলিষ্ঠ ভাবে ঠিয় দিব নোৱাৰাৰ অভিজ্ঞতাই, অক্ষমতাই মনত ঈশ্বৰ বোধৰ জন্ম দিছিল। সেয়েহে মাৰ্ক্সে কৈছিল যে সৰ্ব্ব শক্তিমান ঈশ্বৰ এজনক সৃষ্টি কৰিছিল মানুহেই আৰু অৱশেষত মানুহেই নিজ সৃষ্টি এই সৰ্ব্বশক্তিমান ঈশ্বৰৰ দাস হৈ পৰিল। প্ৰকৃতিৰ কাণ্ডকাৰখানা বোৰক ভালকৈ বুজি নোপোৱা হেতু তেওঁলোকৰ প্ৰাকৃতিক ধাৰণা অবৈজ্ঞানিক হবলৈ বাধ্য আৰু ইয়েই জন্ম দিছিল devil and Miracle ৰ অদ্ভুততাক। আৰু যুগে যুগে সেই শ্ৰেণী বুদ্ধিজীৱীৰ, এঙ্গেলচৰ ভাষাত যাৰ চাৰিত্ৰিক লক্ষণ—"A dog acknowledges his master to be his god, though this master may the biggest Scoundrel on Earth ৰ ( Ante Duhring, page 105 P. P. 1969 ). দৰে—যাৰ একমাত্ৰ জীয়াই থকাৰ অৱলম্বন সেই যুগৰ শাষিত শোষক দলৰ শোষণৰ হাতিয়াৰ এনে ধৰণৰ ধ্যান-ধাৰণাক perfect কৰা—তেওঁলোকে সদায় এনে চিন্তা চৰ্চ্চাক প্ৰশংসা কৰিছিল, প্ৰচাৰ কৰিছিল। সম্পদ উৎপন্নকাৰী পৰিশ্ৰমী জনতাক শোষণৰ প্ৰক্ৰিয়া লুকাই ৰাখিবলৈ এই শ্ৰেণীৰ বুদ্ধিজীৱীয়েই শিকাইছিল (শিকাই আছিছে) যে জগৎ অসাৰ—পাৰ্থিৱ সুখ মানবৰ লক্ষ্য হোৱা অনুচিত—

OKDISCD

ইহ জন্মৰ সকলো দুখ কষ্টৰ মূলতে পূৰ্ব জন্মৰ কৰ্ম্মফল—আৰু ইয়াৰ পৰা হাত সৰাৰ একমাত্ৰ উপায় হল জীৱন সুখী, সুন্দৰ কৰি তুলিব পৰা সকলো ধৰণৰ বাস্তৱ আহিলাপাতিক তুচ্ছ জ্ঞান কৰা, চৰম দৰিদ্ৰতাকে মোক্ষ লাভৰ একমাত্ৰ উপায় বুলি গণ্য কৰি ৰজা হৰিশ্চন্দ্ৰৰ দৰে সৰ্ব্বস্ব দান কৰি এক দাস মনোবৃত্তিৰ বিনিয়তাৰে, ধৈৰ্য্যৰে গান্ধীজীৰ প্ৰিয় বান্দৰ কিটাৰ দৰে চকু-কাণ-মুখ বন্ধ কৰি তেজক পানী কৰি হাড়ক মাটি কৰি শ্ৰীকৃষ্ণই অৰ্জ্জুনক কোৱাৰ দৰে ফলা-ফলৰপ্ৰতি নজৰ নিদি মাত্ৰ শ্ৰম কৰি যোৱা—তেহে যদি আগন্তুক জন্মত পোক পৰুৱা বা খেতিয়ক নহৈ বৰ্ত্তমানৰ ৰজা-ৰাণীৰ দৰে সুখী হব পৰা সৌভাগ্য অৰ্জ্জন কৰা যায়।

এবা ঠিকেইটো—এনে ধাৰণা আৰু বিশ্বাসৰ দ্বাৰা মোহাচ্ছন্ন কৰি ৰাখিব নোৱাৰিলে যে মহা বিপদ। গতিকেই পৃথিবীৰ সকলো ৰজায়েই নিজকে চিনাক্ত কৰাইছিল "স্বৰ্গদেৱ" বুলি, ঠিক যেনেকৈ আজিৰ জগতত কিছু শাসকে দাবি কৰে ৰাজদণ্ড ঈশ্বৰৰ নামত পৰিচালনা কৰিছো বুলি। সকলো ৰাজনৈতিক আৰু অৰ্থনৈতিক হাতিয়াৰৰ শোষক শ্ৰেণীৰ আশ্ৰিত পুৰোহিত শ্ৰেণীক বনোৱা হৈছিল মানুহৰ চিন্তা চৰ্চ্চাৰ আত্মাৰ একমাত্ৰ মালিক। যাৰ একমাত্ৰ কাম হ'ল বৰ্ব্বৰ যুগৰ উত্তৰাধিকাৰী সূত্ৰে পোৱা এনে ধৰণৰ ধ্যান ধাৰণাৰ বিশ্বাসক চলমান যুগৰ গতিৰ সৈতে খাপ খোৱাকৈ নিখুঁত আৰু নিকপকপীয়া কৰা। (ঠিক যেনেকৈ আজিৰ যুগৰ পুঁজিবাদী ব্যৱস্থাই দালাল বুদ্ধিজীৱীৰ যোগেদি 'বাদমুক্ত'? বিভিন্ন মতবাদৰ ঢাকোনৰে একেখিনি কামকে কৰি তাহানিৰ পুৰোহিত শ্ৰেণীৰ ভূমিকা পালন কৰি অহা আমি দেখিবলৈ পাওঁ।)

মূলতঃ ধৰ্ম্ম বিশ্বাসৰ এয়েই হল গুৰি কথা। তেন্তে মগজুক ধুৱঁলী-কুৱঁলী কৰি ৰখা এনে ভ্ৰান্ত ধাৰণাক দূৰ কৰি বাস্তৱ জগতত স্বৰ্গৰাজ্য প্ৰতিষ্ঠা কৰাৰ

মাৰ্ক্সীয় ব্যাখ্যা কি?

তত্বগত ভাবে ইয়াক বৰ সহজেই ব্যাখ্যা কৰা যায়। যেহেতু সঁচা কথা বুজিবলৈ যেনে সহজ কবলৈও তেনে সহজ। সত্যৰ ই এটা ধৰ্ম্ম। জুয়ে পোৰে, তাক পণ্ডিত বালক সকলোৱে বুজে। কিন্তু জুইয়ে নোপোৰে এইযাৰ কথা বুজাবলৈ হাজাৰ কিতাপ আৰু স্বাৰ্থ থকা পণ্ডিতৰ প্ৰয়োজন।

এটা যুগৰ চিন্তা চৰ্চ্চা আৰু ধাৰণা এটা যুগৰ সমাজ ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল। সমাজ ব্যৱস্থাক গঢ় দিয়ে সেই যুগৰ উৎপাদন প্ৰণালী আৰু বিনিময় প্ৰথাৰ লগত থকা মানুহৰ সামাজিক সম্পৰ্কই।

সহজে বুজা যায় যে মানুহে ৰাজনীতি, বিজ্ঞান, কলা, ধৰ্ম্ম আদি বিষয় বিলাক লৈ ব্যস্ত হোৱাৰ চৰ্ত্ত হিচাপে খাবলৈ পিন্ধিবলৈ পাব লাগিব। মানে—জীৱন সংগ্ৰামৰ পিছতহে জীৱন উন্নত কৰা সংগ্ৰামৰ প্ৰশ্ন আহে। গতিকেই একেলগে গোট খাই উৎপাদন কৰিবলৈ আৰু উৎপাদিত বস্তু বিতৰণ কৰিবলৈ শিকাৰ পাছতহে মানবে সামাজিক অন্যান্য স্বাৰ্থৰ প্ৰতি চকু দিয়াৰ প্ৰশ্ন আহে। (সেয়ে কোনো এক সময়ৰ) তৎকালীন জৰুৰী বস্তুৰ উৎপাদন আৰু পৰিপ্ৰেক্ষিতত অৰ্জ্জা ৰাজনৈতিক উন্নতিৰ ওপৰতহে গঢ়ি উঠে—"The state institution, the legal conception, ideas on art and even on religion of the people concerned have been evolved". (Engels)

সহজ কথাত—যুগে যুগে সমাজ নামৰ যি অদৃশ্য বান্ধোনৰ দ্বাৰা মানব জীৱন পৰিচালিত হৈ আহিছে আৰু ধৰ্মই যি বান্ধোন বোৰক দৈৱিক বুলি প্ৰচাৰ চলাই আহিছে—সেই অদৃশ্য বান্ধোনৰ অন্তৰালৰ আচল কাহিনী আচলতে লুকাই আছে বস্তুৰ উৎপাদন আৰু বিনিময় প্ৰথাৰ মাজত আৰু তাৰ আলমত সৃষ্টি হোৱা শ্ৰম বিভাজন আৰু শ্ৰেণী বিভাজন ব্যৱস্থাৰ মাজত।

গতিকেই যদি আমি কোনো এটা যুগৰ ধ্যান-ধাৰণা বিশ্বাসবোৰক বদলাব খোজোঁ তেন্তে স্বাভাৱিকতেই আমি সেই যুগৰ উৎপাদন প্ৰণালী আৰু বিনিময় প্ৰথাৰ সৈতে থকা মানুহৰ সামাজিক সম্পৰ্কখিনি বদলাব লাগিব।

সেয়ে আমি যদি বৰ্ত্তমান সমাজত প্ৰচলিত এনে প্ৰতিক্ৰিয়াশীল ধ্যান-ধাৰণা-বোৰ বদলাব খোজোঁ তেন্তে আমি বৰ্ত্তমান সমাজত প্ৰচলিত উৎপাদন প্ৰণালী আৰু বিনিময় প্ৰথাৰ লগত থকা মানুহৰ সামাজিক সম্পৰ্কবোৰ বদলাব লাগিব। সহজ কথাত পৰনিৰ্ভৰ (সকলো বস্তুৰ) মালিকবোৰৰ পৰিবৰ্ত্তে পৰিশ্ৰমী আৰু প্ৰকৃত বস্তুৰ উৎপাদনকাৰী জনতাক সমাজে সকলো বস্তুৰ মালিক কৰি তুলিব লাগিব। তাকে কৰিবলৈ যাওঁতে শোষিত পৰিশ্ৰমী জনতাই প্ৰথমতে নিজৰ হেৰোৱা ৰাজনৈতিক ক্ষমতা কাঢ়ি আনিব জানিব লাগিব। ৰাজনৈতিক বিপ্লৱৰ পিচতহে সেয়ে সাংস্কৃতিক বিপ্লব সম্ভৱপৰ। এনে কাম বৰ্ত্তমানত যিহেতু হঠাতে হৈ যোৱাৰ কোনো সম্ভাৱনা নাই গতিকে চেতনা সম্পন্ন মানব দৰদী বুদ্ধিজীৱীয়ে



OKDISCD

হাতে-কামে বৈজ্ঞানিক ভাৱে সমস্যাৰ দিশ বুজি কৰিব লাগিব। শোষিত জনতাৰ প্ৰধান ব্যাপকতম অংশটোক একত্ৰিত কৰি শোষণ প্ৰক্ৰিয়াৰ প্ৰকৃত ৰহস্য সম্পৰ্কে চেতনা জগাই তুলিব পৰাটোৱেই হৈছে সমস্যাৰ প্ৰধান দিশ। এনে কৰিবলৈ যাওতে প্ৰয়োজনীয় ৰাজনীতি আৰু ৰণ কৌশল আদৰ্শবান আৰু প্ৰগতিশীল বুদ্ধিজীৱিসকলে কিতাপ আৰু বাস্তৱ অভিজ্ঞতাৰ যোগেদি আহৰণ কৰিব লাগিব।

গতিকেই আহক,—জগতখনক ব্যাখ্যা কৰি থকাৰ পৰিবৰ্তে বদলাবলৈ শিকোঁ।

—×—



# কৃষি আৰু কৃষকৰ ভৱিষ্যত

( এটা মত )

তাৰকচন্দ্ৰ গোস্বামী

অসম তথা ভাৰতৰ কৃষি ব্যৱস্থালৈ যোৱা কিছু বছৰৰ ভিতৰত এক নতুন ধৰণৰ পৰিবৰ্তন অহাৰ কিছুমান লক্ষণ প্ৰকাশ পাইছে। এই পৰিবৰ্তনৰ ফলত সাধাৰণ শ্ৰেণীৰ কৃষক আৰু কৃষি বনুৱাসকলৰ জীৱন সংগ্ৰামৰ ক্ষেত্ৰত কেনে প্ৰতিক্ৰিয়া হৈছে আৰু ইয়াৰ বৃদ্ধিৰ লগে লগে সেই প্ৰতিক্ৰিয়াই কেনে ৰূপ ল'ব পাৰে সেই বিষয়ে অধ্যয়ন কৰাৰ আৱশ্যক হৈছে। এনে অধ্যয়নৰ যোগেদি এফালে সাধাৰণ কৃষক আৰু কৃষিবনুৱা শ্ৰেণীৰ সমস্যাৰ বিষয়ে সম্যক জ্ঞান পোৱা আৰু আনফালে তেওঁলোকৰ শ্ৰেণী স্বাৰ্থৰ অনুকূলে কেনেকুৱা সংগঠন আৰু আন্দোলনৰ প্ৰয়োজন হব পাৰে তাৰ বিষয়েও আভাস পোৱা যাব। অৱশ্যে এনে অধ্যয়নৰ বাবে প্ৰত্যক্ষ পৰ্যবেক্ষণ আৰু অনুসন্ধান অপৰিহাৰ্য্য। ব্যয় আৰু শ্ৰম বহুল হোৱা বাবে এনে অধ্যয়ন গাঁই-গুটীয়া প্ৰচেষ্টাৰে সম্পন্ন কৰাটো দুৰুহ। কৃষক সংগঠন, শিক্ষানুষ্ঠান, সমাজ-অৰ্থনীতিৰ গৱেষণা প্ৰতিষ্ঠান আদিয়ে এই কাম হাতত ললে নিয়াৰিকৈ সম্পন্ন কৰিব পাৰিব। আমাৰ এই প্ৰবন্ধ তেনে কোনো অনুসন্ধান বা বিশেষ প্ৰত্যক্ষ পৰ্যবেক্ষণৰ দ্বাৰা সমৃদ্ধ অধ্যয়নৰ ফল নহয় বাবে ইয়াক এই বিষয়ৰ আগ কথা বুলিহে গণ্য কৰা উচিত হব।

আমাৰ কৃষি ব্যৱস্থাত তাকৰীয়া পৰিমাণে হলেও যি পৰিবৰ্তন নতুনকৈ পৰিলক্ষিত হৈছে তাৰ লক্ষণবোৰৰ ভিতৰত মাটি চহোৱাৰ ক্ষেত্ৰত ট্ৰেক্টৰ আৰু পাৱাৰ টিলাৰ আৰু পানী যোগানৰ ক্ষেত্ৰত পাৱাৰ পাম্পৰ ব্যৱহাৰৰ উপৰিও আধুনিক কৃষিৰ পদ্ধতিৰ অন্যান্য উপাদান যেনে ৰাসায়নিক সাৰ, উন্নত সঁচৰ কঠিয়া, কীট-পোক নাশক ঔষধ পাতিৰ ব্যৱহাৰ আদিয়েই উল্লেখ যোগ্য। চৰকাৰী হিচাপ অনুসৰি ১৯৫৬ চনত অসমত ট্ৰেক্টৰৰ সংখ্যা আছিল ১৫৯ খন, ১৯৬৬ চনত ইয়াৰ সংখ্যা হয়গৈ ৫৮৯ খন। অৰ্থাৎ দহ বছৰৰ ভিতৰত অসমত ট্ৰেক্টৰৰ ব্যৱহাৰ তিনিগুণতকৈও অধিক সংখ্যালৈ



OKDISCD

বৃদ্ধি পাইছে। ট্ৰেক্টৰৰ বাহিৰেও মাটি চহোৱাৰ কামত কিছু সংখ্যক পাৱাৰ টিলাৰৰো ব্যৱহাৰ হৈছে। কিন্তু এই বিষয়ৰ তথ্য সংগ্ৰহ কৰিব পৰা হোৱা নাই। আকৌ চৰকাৰী হিচাপ অনুসৰি তেলেৰে চলোৱা পাৱাৰ পাম্পৰ সংখ্যা ১৯৫৬ চনত ৭৪ টাৰ পৰা ১৯৬৬ চনত ৩৬২ টালৈ বাঢ়িছে। এই ক্ষেত্ৰত দহ বছৰৰ ভিতৰত বৰ্দ্ধিত সংখ্যাৰ পৰিমাণ প্ৰায় পাচগুণ। তেলেৰে চলোৱা পাম্পৰ উপৰিও বিজুলি চালিত পাম্প ১৯৬৬ চনত ২২ টা ব্যৱহাৰ হোৱা বুলি একে ঠাইতে উল্লেখ আছে। নাইট্ৰোজেন আৰু ফচফৰাচ জাতীয় ৰাসায়নিক সাৰৰ ব্যৱহাৰ চৰকাৰী হিচাপ অনুসৰি ১৯৬০ চনত আছিল ৭০৭১ টন আৰু ১৯৬৬ চনলৈ ছয়বছৰৰ ভিতৰত তিনিগুণকৈ অধিক পৰিমাণ লৈ (২৪৪৬৩ লৈ) বৃদ্ধি পাইছে। উন্নত সঁচৰ কঠিয়া আৰু কীট-পোক নাশক ঔষধৰ ব্যৱহাৰ সম্পৰ্কে পোনপতীয়া তথ্য পোৱা হোৱা নাই। কিন্তু সমূহীয়া খণ্ড উন্নয়ন আচনিৰ সফলতা সম্পৰ্কে দিয়া তথ্য সমূহৰ তালিকাত অন্যান্য কথাৰ লগতে উন্নত সঁচৰ কঠিয়া আৰু কীট-পোক নাশক ৰাসায়নিক ঔষধৰ বিতৰণৰ পৰিমাণৰ উল্লেখ আছে। সেই অনুসৰি প্ৰথম পৰিকল্পনাৰ পাচ বছৰত মুঠতে ১২২২৮ কুইণ্টল উন্নত সচৰ কঠিয়া আৰু ১০০,৫৬৫ কেজি কীট নাশক ৰাসায়নিক ঔষধ বিতৰণ কৰা হৈছিল। অৰ্থাৎ বছৰি গড়ে ২৪৪৫ কুইণ্টল উন্নত সঁচৰ কঠিয়া আৰু ২০০৭৩ কেজি ৰাসায়নিক ঔষধ বিতৰণ কৰা হৈছিল। ১৯৬৬ চনত বিতৰণ কৰা উন্নত সঁচৰ কঠিয়াৰ পৰিমাণ ২১,৯১৫ কুইণ্টল আৰু ৰাসায়নিক সাৰৰ পৰিমাণ ১৩৯,১৩৪ কেজি হয়গৈ। ইয়াৰপৰা দেখা যায় যে প্ৰথম পৰিকল্পনাৰ কালৰ তুলনাত ১৯৬৬ চনত উন্নত সঁচৰ ব্যৱহাৰ প্ৰায় ৯ গুণলৈ আৰু কীট পোক নাশক ৰাসায়নিক ঔষধৰ পৰিমাণ প্ৰায় ৭ গুণলৈ বৃদ্ধি পায়।

ওপৰত যিখিনি তথ্য দাঙি ধৰা হৈছে সেয়া ১৯৬৬ চনলৈ পোৱা তথ্যহে। কিন্তু ১৯৬৬ চনৰ পৰা বৰ্ত্তমান ১৯৭২ চনলৈ এই পৰিবৰ্ত্তনৰ পৰিসৰ আৰু অধিক উচ্চ হাৰত বৃদ্ধি হোৱা বুলি অনুমান কৰিব পাৰি। কাৰণ ১৯৬৬ চনৰ পৰাই কৃষিৰ ক্ষেত্ৰত নতুন ধৰণৰ উন্নয়ন নীতি গ্ৰহণ কৰাৰ কথা চৰকাৰী নথী পত্ৰত পোৱা যায়। ইয়াকে চৰকাৰীভাষাত 'কৃষি উন্নয়নৰ বাবে নতুন কৌশল" ('New Strategy for Agricultural Development") বুলি





অভিহিত কৰা হৈছে। চৰকাৰৰ এই তথাকথিত নতুন কৌশল বোলোতে কৃষি ব্যৱস্থাত আধুনিক উৎপাদন পদ্ধতি প্ৰয়োগ কৰাৰ কথাকে বুজোৱা হৈছে। ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, পাৱাৰ পাম্প আদি উন্নত সা-সজুলিৰ ব্যৱহাৰৰ লগতে উন্নত সঁচৰ কঠিয়া, ৰাসায়নিক সাৰ কীট-পোকনাশক ৰাসায়নিক দৰব আদিৰ ব্যৱহাৰ আধুনিক কৃষি পদ্ধতিৰ অপৰিহাৰ্য্য অঙ্গ। কৃষি ব্যৱস্থাত এইবোৰ উপাদান ব্যৱহাৰ কৰাটো আমাৰ দেশৰ বাবে এতিয়াও "নতুন কৌশল" হৈ থাকিলেও পৃথিৱীৰ উন্নত দেশ সমূহত বহু আগৰে পৰা এইবোৰ ব্যৱস্থাত হৈ আহিছে। আমাৰ দেশৰ কৃষি ব্যৱস্থাত এইবোৰ উৎপাদনৰ ব্যৱহাৰ ইমান পলমকৈ আৰম্ভ হোৱাৰ বাবে এইদেশৰ পিচপৰা অৰ্থ ব্যৱস্থা সাধাৰণভাৱে যেনেদৰে দায়ী তেনেদৰে ইয়াৰ কৃষি ব্যৱস্থাত চলি থকা সামন্তবাদী উৎপাদন সম্পৰ্ক বিশেষ ভাৱে দায়ী। সামন্তবাদী কৃষিব্যৱস্থাত কৃষিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান মাটিৰ মালিকিস্বত্ব প্ৰকৃত কৃষকসকলৰ হাতত নাথাকি থাকে মাটিৰ মালিক শ্ৰেণীৰ মাজত যি সকলে কোনো কাম নকৰাকৈয়ে খেতিৰ আয়ৰ এক অংশ তেওঁলোকৰ মাটিত খেতি কৰা খেতিয়কসকলৰপৰা আদায় কৰে আৰু এনেদৰে আদায় কৰা অংশৰ পৰিমাণ, বহুত ক্ষেত্ৰত, খেতিৰ মুঠ উৎপন্নৰ আধা বা তাতকৈও বেচি। এনে অৱস্থাত কৃষি পদ্ধতিৰ ওপৰত উল্লেখ কৰা আধুনিক উৎপাদনসমূহৰ প্ৰয়োগ প্ৰায়ে হব নোৱাৰে। মাটিৰ মালিক শ্ৰেণীয়ে একো কাম নকৰাকৈয়ে উৎপন্নৰ এক বৃজন অংশ পায় দেখি তেওঁলোকে উৎপন্ন বৃদ্ধিৰ বাবে আৱশ্যকীয় উপাদানসমূহত ধন খৰচ কৰিবলৈ প্ৰয়োজন বোধ নকৰে। আনহাতে উৎপন্নৰ এটা অংশ মালিক শ্ৰেণীয়ে নিয়াৰ পিছত খেতিয়ক শ্ৰেণীৰ লোকসকলৰ ভাগত উৎপন্নৰ যিটো অংশ থাকে তাৱে তেওঁলোকৰ নিজৰ আৰু পৰিয়ালৰ লোকসকলৰ ভৰণ-পোষণ যথেষ্ট পৰিমানে নহয় দেখি খেতিৰ উৎপন্ন বৃদ্ধিৰ বাবে আৱশ্যকীয় মূলধন খটাবলৈ তেওঁলোক অসমৰ্থ। অৱশ্যে কিছু সংখ্যক খেতিয়কে নিজৰ মাটিত খেতি কৰে যদিও মাটিৰ পৰিমাণ কম হোৱা বাবে আৰু অন্যান্য কাৰণত তেওঁলোকৰ আয় ইমান কম যে আধুনিক পদ্ধতিত খেতি কৰিবলৈ তেওঁলোকৰো সামৰ্থ্যৰ অভাৱ।

চৰকাৰে প্ৰৱৰ্তন কৰা "কৃষি উন্নয়নৰ নতুন কৌশল"ৰ নীতি অনুসৰি



OKDISCD

আধুনিক পদ্ধতিত খেতি কৰিবলৈ আৱশ্যক হোৱা উপাদান সমূহৰ বাবে নানা প্ৰকাৰৰ ঋণ খেতিয়ক সকললৈ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে। এগ্ৰি-কালচাৰেল ৰিফাইনেন্স ক'ৰপোৰেচন, লেণ্ড ডেভেলপমেণ্ট বেঙ্ক, চেণ্ট্ৰেল ক'অপাৰেটিভ বেঙ্ক আৰু এগ্ৰো-ইণ্ডাষ্ট্ৰিজ ক'ৰপোৰেচন নামৰ প্ৰতিষ্ঠানবিলাক কৃষি উন্নয়নৰ বাবে আৱশ্যক হোৱা ঋণ আৰু সা-সজুলিৰ যোগান ধৰাৰ উদ্দেশ্যে গোটেই দেশৰ বিভিন্ন অঞ্চলত স্থাপন কৰা হৈছে। তৃতীয় পৰি-কল্পনাৰ পাঁচবছৰত এই প্ৰতিষ্ঠানসমূহে মুঠতে ১১২ কোটি টকা বা গড়ে বছৰি ২২ কোটি ৪০ লাখ টকা যোগান ধৰিছিল; কিন্তু ১৯৬৬ চনৰপৰা ১৯৬৯ চনলৈ তিনিবছৰত এই প্ৰতিষ্ঠানবিলাকে মুঠতে ২৩০ কোটি টকা বা গড়ে বছৰি ৭৬ কোটি ৬৬ লাখ টকা যোগান ধৰে। ইয়াৰ উপৰিও জাতীয়-কৰণ কৰা ব্যৱসায়ী বেঙ্কসমূহেও কৃষি ঋণ আগ বঢ়ায়। অসমৰবাবে স্বকীয়া তথ্য সংগ্ৰহ কৰিব নোৱাৰাৰ বাবে ১৯৬৬ চনৰ পিছত এই ক্ষেত্ৰত ৰাজ্যখনত কেনেধৰণৰ পৰিবৰ্ত্তন হৈছে তাৰ আভাস দিব পৰা নহ'ল। গোটেই দেশৰ লগতে অসমতো যে কিছু পৰিমাণে "কৃষি উন্নয়নৰ নতুন কৌশল" প্ৰবৰ্ত্তন কৰা হৈছে তাত সন্দেহ নাই। পঞ্জাৱ, হাৰিয়ানা আদি কিছুমান আগবঢ়া ৰাজ্যৰ তুলনাত অসম এই ক্ষেত্ৰত পাছ পৰি আছে।

এতিয়া প্ৰশ্ন হৈছে ওপৰত যি পৰিবৰ্ত্তনৰ কথা উল্লেখ কৰা হৈছে তাৰ পৰা আমি কি ধাৰণা কৰিব পাৰো? দেশৰ সাধাৰণ শ্ৰেণীৰ কৃষকৰ কিবা উপকাৰ সাধন কৰিছেনে? এক কথাত কবলৈ হলে এই পৰিবৰ্তনে আমাৰ দেশৰ কৃষিব্যৱস্থাত পুঁজিবাদী প্ৰথাৰ আৰম্ভণি হোৱা বুজাইছে। সৰহ পৰি-মাণৰ মাটি থকা আগৰ সামন্ত শ্ৰেণীৰ কিছুসংখ্যক লোকে আৰু নতুনকৈ সৰহ পৰিমাণৰ মাটি কিনা নতুন একশ্ৰেণীৰ লোকে চৰকাৰে আগবঢ়োৱা বিভিন্ন সুযোগ সুবিধা গ্ৰহণ কৰি আধুনিক পদ্ধতিত খেতি কৰিবলৈ লৈছে। মালিক শ্ৰেণীৰ মাটি আধি-ঠিকা লৈ খেতি কৰা, আৰু কম পৰিমাণৰ নিজা মাটি থকা, সাধাৰণ শ্ৰেণীৰ খেতিয়কসকলে আধুনিক পদ্ধতিত খেতি কৰিবলৈ সমৰ্থ হোৱা নাই। কাৰণ চৰকাৰৰ বিভিন্ন প্ৰতিষ্ঠানে আগবঢ়োৱা সুবিধা-সমূহ এইশ্ৰেণীৰ লোক সকলে গ্ৰহণ কৰিব নোৱাৰে। ট্ৰেক্টৰ, পাৱাৰ পাম্প, ৰাসায়নিক সাৰ আদি কিনিবলৈ এওঁলোকৰ নিজা ধনো নাই আৰু ঋণ





পাবলৈও এওঁলোক অযোগ্য। আকৌ ঋণ লাভৰ বাবে জামিন স্বৰূপে আগ বঢ়াবলৈ এওঁলোকৰ যথেষ্ট পৰিমাণৰ মাটি বা অন্য সা-সম্পত্তি নাই। এনে অৱস্থাত এই নতুন পৰিবৰ্তনসমূহৰ লগে লগে সাধাৰণ শ্ৰেণীৰ খেতিয়কসকলৰ সৰহ ভাগেই লাহে লাহে কৃষিৰ পৰা বিতাড়িত হোৱাৰ আশঙ্কাই দেখা দিছে। আধুনিক কৃষি পদ্ধতি আৰম্ভ হোৱাৰ লগে লগে এনে ধৰণৰ কৃষিৰ যোগেদি লাভবান হোৱাৰ সুযোগ ওলাইছে বাবে মাটিৰ মালিকসকলে হয় নিজে আধুনিক পদ্ধতিত খেতি কৰিবলৈ আৰম্ভ কৰিব নহয় টকা থকা অন্যলোকে তেওঁলোকৰ পৰা মাটি কিনি লৈ খেতি কৰিবলৈ লব। আনকি তাকৰীয়া পৰিমাণৰ মাটি থকা খেতিয়কসকলেও পুজিঁবাদী কৃষি ব্যৱস্থাৰ প্ৰতিযোগিতাত তিষ্ঠিব নোৱাৰি মাটি বিক্ৰি কৰি দি কৃষি কাৰ্য্যৰ পৰা বিদায় লবলগীয়া হব। অৱশ্যে এই লোকসকলৰ কিছু অংশই নতুন পদ্ধতিত খেতি কৰা ধনী খেতিয়ক-সকলৰ অধীনত কৃষি বনুৱা হিচাপে কাম পাব। কিন্তু সৰহভাগেই কৃষিৰ বাহিৰলৈ ওলাই আহিব লগীয়া হব। সেয়ে হলে এই সকলৰ কৰ্ম সংস্থান লৈ এক জটিল সমস্যাই দেখা দিব। কাৰণ এই লোকসকলক সামৰি লব পৰা ধৰণে এহাতে আমাৰ দেশৰ ঔদ্যোগিক উন্নয়নৰ গতি ক্ষিপ্ৰ হোৱা নাই আৰু আনহাতে পুৰণি পদ্ধতিৰ কাৰ্য্যত অভ্যস্ত এই লোকসকলৰ অন্যকামৰ বাবে যোগ্যতাও সীমাবদ্ধ।

ইয়াৰ পিচত স্বাভাৱিকতে প্ৰশ্ন উঠে যে যিহেতুকে আধুনিক কৃষি পদ্ধতিৰ প্ৰবৰ্তনৰ লগত পুজিঁবাদী প্ৰথা সাঙোৰ খাই আছে সেয়ে সাধাৰণ শ্ৰেণীৰ কৃষকসকলৰ স্বাৰ্থত এই কৃষি-পদ্ধতিৰ অগ্ৰগতিত বাধা দিয়া উচিত হব নেকি? এই প্ৰশ্নৰ উত্তৰ দিয়াৰ আগেয়ে আমি চাব লাগিব আধুনিক কৃষি পদ্ধতি প্ৰয়োগ নোহোৱাকৈ থাকিলেই আমাৰ কৃষি-ব্যৱস্থা আৰু কৃষকসকল সমস্যামুক্ত হৈ থাকিব নেকি? আগৰে পৰা চলি থকা আমাৰ পুৰণি কৃষি ব্যৱস্থাত ভূমি-সমস্যাৰ বাহিৰেও বহু অন্য সমস্যা আছে। অৱশ্যে ভূমি সমস্যাৰ লগত আনবোৰ সমস্যা সাঙোৰ খাই আছে। কিন্তু আৰ্থিক বিশ্লেষণৰ সুবিধাৰ বাবে ভূমি সমস্যাৰ পৰা পৃথককৈ বাকীবিলাক সমস্যা বিচাৰ কৰি চাব পাৰি। কৃষিৰ উৎপাদিকা শক্তি অৰ্থাৎ প্ৰতি বিঘা মাটিত কোনো এবিধ শস্য কি পৰিমাণে উৎপন্ন হয় তাৰ বিষয়ে আলোচনা কৰিলেই আমাৰ কৃষি ব্যৱস্থাৰ



OKDISCD

কিছুমান সমস্যাৰ কথা ওলাই পৰে। আমাৰ দেশত কৃষিৰ উৎপাদিকা শক্তি বৰ কম। ১৯৫৫ চনৰ পৰিসংখ্যা অনুসৰি অসমত প্ৰতি হেক্টৰ মাটিত আহু-ধান গড়ে ৯৫৫ কেজিকৈ আৰু শালিধান গড়ে ৯৮৫ কেজিকৈ উৎপন্ন হয়।[৭] মোটা মোটি ভাবে এক হেক্টৰ মাটি ৭ বিঘাৰ সমান আৰু ৪০ কেজিত এক মোন বুলি ধৰিলে দেখা যায় যে সেই অনুসৰি প্ৰতি বিঘা মাটিত গড়ে আহুধান হয় ১৩৬ কেজি বা ৩ মোণ ১৬ কেজি আৰু শালিধান হয় গড়ে ১৪০ কেজি বা ৩ মোণ ২০ কেজি। ১৯৫৫ চনৰ পিচত অসমত প্ৰতি বিঘা মাটিত উৎপন্ন হোৱা ধানৰ পৰিমাণ নাবাঢ়ি কমিছেহে। ১৯৬৯ চনৰ পৰি-সংখ্যা অনুসৰি প্ৰতি হেক্টৰ মাটিত আহুধান গড়ে ৭১৭ কেজি আৰু শালি-ধান গড়ে ৯৬৪ কেজিকৈহে উৎপন্ন হয়।[৮] অৱশ্যে এই গড় হিচাপতকৈ অধিক পৰিমাণে উৎপন্ন হোৱা মাটি যেনেকৈ আছে ইয়াতকৈ কম পৰিমাণে উৎপন্ন হোৱা মাটিও তেনেকৈ আছে। পৃথিবীৰ ধান উৎপাদনকাৰী উন্নত দেশসমূহত প্ৰতি বিঘা মাটিত ধানৰ উৎপন্ন ইয়াতকৈ বহুত বেচি হয়। উদাহৰণ স্বৰূপে জাপানত আমাৰ ইয়াৰ চাৰিগুণতকৈ বেচি পৰিমাণে ধান উৎপন্ন হয়। অন্যান্য শস্যৰ ক্ষেত্ৰতো এই একেই অৱস্থা। আমাৰ দেশৰ পুৰণি কলীয়া অনুন্নত কৃষি পদ্ধতিৰ বাবেই মাটিৰ উৎপাদিকা শক্তি ইয়াত ইমান কম। খেতিৰ মাটিত কৃত্ৰিম উপায়ে পানী যোগানৰ ব্যৱস্থা নথকাৰ উপৰিও মাটিত আৱশ্যকীয় পৰিমাণে সাৰৰ ব্যৱহাৰ কৰাৰ ব্যৱস্থা নাই বাবে আৰু কীট-পোক, জীৱ-জন্তু আদিৰ উপ দ্ৰৱৰ পৰা শস্য ৰক্ষাৰ ব্যৱস্থা নথকাবাবে আমাৰ খেতিয়কসকলে পৰিশ্ৰম কৰিও উপযুক্ত পৰিমাণে ফচল নাপায়। পানী যোগানৰ সমস্যাটো আমাৰ বোধেৰে আন সমস্যাবোৰতকৈ অধিক গুৰুত্বপূৰ্ণ। আমাৰ দেশৰ খেতিয়ক-সকলে খেতি পথাৰত পানী যোগানৰ বাবে ঘাইকৈ বৰষুণৰ ওপৰতে নিৰ্ভৰ কৰে। ১৯৬৬ চনত গোটেই দেশতে খেতিকৰা মাটিৰ মুঠ পৰিমাণ ১৩ কৌটি ৭১ লাখ হেক্টৰ[৯], ইয়াৰে কৃত্ৰিম উপায়ে পানী যোগানৰ ব্যৱস্থা থকা মাটিৰ পৰিমাণ হৈছে মাত্ৰ ৩ কৌটি ৭২ লাখ হেক্টৰ[১০], অৰ্থাৎ মুঠ খেতিৰ মাটিৰ চাৰিভাগতকৈও কম। কৃত্ৰিম উপায়ে পানী যোগানৰ ব্যৱস্থা নথকা বাবে আমাৰ খেতিয়কসকলে খেতি কৰা শস্য সমূহে সময় মতে পানী নাপায় আৰু সেয়ে সিবিলাকৰ ফচলো কম হয়। আকৌ পানী যোগানৰ ব্যৱস্থা





নথকা বাবেই আমাৰ দেশৰ সৰহভাগ অঞ্চলত বছৰত বাৰিষাকাল আৰু ইয়াৰ আগে পাছে কেইমাহ মান জুৰি মাত্ৰ এটাহে খেতি কৰিব পাৰে। দেশৰ খেতি কৰা মুঠ ১৩ কৌটি ৭২ লাখ হেক্টৰ মাটিৰ মাত্ৰ ১ কৌটি ৯৫ লাখ হেক্টৰ মাটিতহে[১১] অৰ্থাৎ মুঠ খেতিৰ মাটিৰ শতকৰা ন ভাগতকৈও কম মাটিহে বছৰত একাধিকবাৰ খেতি কৰা হয়। নামত পানী যোগানৰ ব্যৱস্থা থকা কিছুমান মাটিতো খৰালি কালত পানীৰ নাটনি হয় দেখিয়ে একাধিক বাৰ খেতি কৰিব পৰা নাযায়। সেয়ে পানী যোগানৰ সুবিধা থকা মাটিৰ পৰিমাণ ৩ কৌটি ৭২ লাখ হেক্টৰ হলেও একাধিক বাৰ খেতি কৰা মাটিৰ পৰিমাণ ১ কোটি ৯৫ লাখ হেক্টৰহে। অসমত ভৈয়ামৰ জিলাকেইখনত খেতি কৰা মুঠ মাটিৰ পৰিমাণ ১২ লাখ ২৫ হাজাৰ হেক্টৰ।[১২] অসমত পানী যোগানৰ কোনো বৃহৎ প্ৰকল্প এতিয়ালৈ সম্পন্ন হোৱা নাই। নগাৱঁৰ যমুনা নদীৰ প্ৰকল্প অসমত সম্পন্ন হোৱা একমাত্ৰ মজলীয়া পানী যোগান আঁচনি। ইয়াৰ দ্বাৰা কিমান মাটিত পানী যোগানৰ ব্যৱস্থা হৈছে তাৰ হিচাপ সংগ্ৰহ কৰিব পৰা হোৱা নাই। ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰে ৩য় পৰিকল্পনাৰ কালত মুঠতে ৩ লাখ ৯০ হাজাৰ একৰ আৰু ১৯৬৭ চনত ৯৬ হাজাৰ একৰত পানী যোগানৰ ব্যৱস্থা কৰা হৈছিল বুলি চৰকাৰী তথ্য পোৱা গৈছে।[১৩] এই অনুসৰি মুঠতে ২ লাখ হেক্টৰ অৰ্থাৎ অসমৰ ভৈয়াম অঞ্চলৰ মুঠ খেতিৰ মাটিৰ দহভাগৰ এভাগতো পানী যোগানৰ ব্যৱস্থা হোৱা নাই। অসমত বাৰিষা প্ৰচুৰ বৰষুণ হলেও বছৰত একাধিকবাৰ খেতি কৰা মাটিৰ পৰিমাণ পানী যোগানৰ ব্যৱস্থা নথকা বাবেই বৰ কম। ভৈয়াম অঞ্চলৰ মুঠ ২১ লাখ ২৫ হাজাৰ হেক্টৰ খেতি কৰা মাটিৰ ভিতৰত মাত্ৰ ৪ লাখ ৮৫ হাজাৰ হেক্টৰ মাটিতহে[১৪] অৰ্থাৎ মুঠ মাটিৰ প্ৰায় চাৰিভাগৰ এভাগ মাটিতহে বছৰত একাধিক বাৰ খেতি কৰা হয়। অসমত বাৰিষা বানপানী হোৱা ঠাই বিলাকত বানপানীয়ে খেতি নষ্ট কৰে, কিন্তু এইবোৰ ঠাইত পানী যোগানৰ ব্যৱস্থা নথকা বাবে খৰালিও খেতি কৰিব পৰা নহয়।

যুগ যুগ ধৰি সামন্তবাদী শোষণৰ কবলত পৰিয়েই যে আমাৰ দেশৰ কৃষি ব্যৱস্থাত পুৰণিকলিয়া পদ্ধতি চলি আছে তাক আগেয়ে উল্লেখ কৰি অহা হৈছে। কৃষিৰ উৎপাদিকা শক্তি বৃদ্ধি হবলৈ হলে সামন্তবাদী প্ৰথাৰ অৱসান



OKDISCD

হবই লাগিব; কিন্তু অকল ইয়াৰ দ্বাৰাই কৃষিৰ উৎপাদিকা শক্তি নাবাঢ়ে বা আমাৰ খেতিয়ক সকলৰ আৰ্থিক দুৰৱস্থাৰ অৱসান নহয়। এই কথাটো এটা কাল্পনিক উদাহৰণেৰে ইয়াত বুজাবলৈ চেষ্টা কৰা হ'ল। ধৰিলোঁৱা হ'ল যে পুৰণিকলীয়া সা-সজুলিৰে যি পৰিমাণৰ মাটি নিজে খেতি কৰিব পাৰে সেই পৰিমাণৰ মাটি প্ৰতিজন খেতিয়কক দিয়া হৈছে। এই অনুসৰি এজন এজন খেতিয়কে বৰ বেচি গড়ে ১২ বিঘা মাটিত খেতি কৰিব পাৰিব। আগেয়ে উল্লেখ কৰি অহা হৈছে যে এবিঘা মাটিত ধানৰ উৎপন্ন গড়ে ৪ মোনতকৈও কম। এনে স্থলত এডোখৰ মাটিত যদি বছৰত দুটাকৈও খেতি কৰে বুলি ধৰা হয় আৰু প্ৰতিবিঘা মাটিত এবাৰত যদি ৪ মোণতকৈও ধান উৎপন্ন হয় বুলি ধৰা হয় তেনেহলেও এজন খেতিয়কে বছৰত মুঠতে ১২×৪×২=৯৬ মোন ধানহে উৎপন্ন কৰিব পাৰে। প্ৰকৃততে আমাৰ দেশৰ সৰহভাগ মাটিত বছৰত এটাকৈহে খেতি কৰা হয় বুলি ওপৰত আমি পাই আহিছোঁ। পানী যোগানৰ ব্যৱস্থা নথকা মাটিত খৰালিৰ খেতি কৰিলেও ফচল বৰ কম হয়। যি নহওক এজন খেতিয়কে যি ৯৬ মোন ধান বছৰত উৎপন্ন কৰে বুলি পোৱা হ'ল তাৰ পৰা তেওঁৰ পৰিয়ালটোক বছৰটোৰ বাবে খাবলৈ আৱশ্যক হোৱা ধানখিনি বাদ দিলে কিমান বাকী থাকিব? খেতিয়কজনৰ পৰিয়ালটোত ৭ জন লোক বুলি ধৰি ললে (ইয়াতকৈ সৰহ সংখ্যক লোকো পৰিয়ালত থাকে) আৰু প্ৰতিজন লোকক এমাহত গড়ে আধা মোণকৈ ধান লাগে বুলি ধৰিলে, বছৰত পৰিয়ালটোক মুঠতে ৪২ মোণ ধান খাবলৈ লাগিব। ইয়াৰ উপৰিও আলহি অতিথি, বিয়া শ্ৰাদ্ধ আদিতো কমেও ১০ মোণ আৰু কঠিয়াৰ বাবে কমেও ৮ মোন ধান লাগিব (আমাৰ পুৰণিকলিয়া পদ্ধতিত কঠিয়াৰ বাবে প্ৰতিবিঘা মাটিত এবাৰত ২ৰ পৰা ৪ পাল্লাকৈ ধান লাগে)। গতিকে ৯৬ মোণ ধানৰ পৰা ৪২+১০+৮=৬০ মোন ধান বাদ যাব আৰু বাকী থাকিব ৩৬ মোণ। যদি মোনত ২৫ টকাকৈ দাম ধৰা হয় (চৰকাৰী দাম আৰু খেতি চলোৱাৰ সময়ৰ বজাৰ দাম ইয়াতকৈও কম) তেনেহলে ৩৬ মোণ ধান বিক্ৰী কৰি খেতিয়ক জনে পাব ৯০০ টকা। এই নশ টকাৰ পৰা মাটিৰ খাজনা আদি বাদ যোৱাৰ পিচত পৰিয়ালটোৰ অন্যান্য খৰচৰ বাবে মাহে ৭০ টকাতকৈও



কম থাকে। এই খিনিৰে ৭ জনীয়া পৰিয়ালৰ নিমখ, খোৱা তেল, কেৰাচিন চেনি, চাহ, কাপোৰ কানি, ল'ৰা-ছোৱালীৰ শিক্ষা বেমাৰ আজাৰ হলে ঔষধ-ডাক্তৰ অনা আদি বিভিন্ন খৰচ আজিৰ দিনত কোনো পধ্যে চলিব নোৱাৰে। এই হিচাপত খৰাং বতৰ, বানপানী, ব্যাপক কীট পোকৰ উপদ্ৰৱ আদিত হব পৰা ক্ষতিৰ কথা ধৰাই নাই। আকৌ খেতিৰ কামত ব্যৱহৃত হোৱা হালৰ গৰু আৰু কোৰ নাঙল আদি সজুলিৰ বাবে হব পৰা খৰচৰ কথাও ধৰা নাই। মাজতে গৰুৰ বা খেতিৰ কাম কৰা মানুহৰ বেমাৰ হলে, বা গৰু মৰিব লগীয়া হলে কি অৱস্থা হব পাৰে তাকো ভাবি চাব-লগীয়া। বিয়া, শ্ৰাদ্ধ আদিৰ উপৰিও ঘৰ-দুৱাৰ বন্ধা আৰু মেৰামতি কৰাৰ খৰচৰ কথাও ইয়াত উল্লেখ কৰা হোৱা নাই। আমি ইয়াত পানী, সাৰ, কীটনাশক দৰব আদি যোগান ধৰাৰ কথা বাদ দিয়া বাবে তেনে ক্ষেত্ৰত হব পৰা খৰচো ধৰা নাই। গতিকে দেখা গ'ল যে পুৰণি পদ্ধতিত নিজৰ মাটিত খেতি কৰিলেও এজন খেতিয়কে নিজৰ আৰু পৰিয়ালৰ লোকসকলৰ আৱশ্যকীয় নিম্নতম পৰ্য্যায়ৰ ভৰণ-পোষণ চলাব নোৱাৰে। এইবাবেই আমাৰ দেশৰ খেতিয়ক সকলে পুৰুষ পুৰুষ ধৰি ঋণৰ বোজা বহন কৰি জীৱন নিৰ্বাহ কৰে; এই বাবেই মহাজন আৰু বেপাৰী বিলাকে তেওঁলোকক অধিক সুদত ধন ধাৰে দি বা আগতীয়াকৈ ধন দি কম দামত শস্য কিনি নি শোষণ কৰি থাকিব পাৰিছে; এইবাবেই আমাৰ খেতিয়কে সকলৰ হাতৰ পৰা খেতিৰ মাটি মহাজন আৰু ধনী খেতিয়কৰ হাতলৈ যাব পাৰিছে। অৱশ্যে অতি ভাল খেতিৰ মাটি থকা মানুহে য'ত বিঘাই প্ৰতি ১২।১৪ মোণকে এটা খেতিত ধান উৎপন্ন হয়— হয়তো কোনো মতে জীৱিকা প্ৰৱৰ্ত্তন কৰিব পাৰে। কিন্তু সাধাৰণ শ্ৰেণীৰ খেতিয়কসকলৰ এনে ধৰণৰ মাটি প্ৰায়ে নাই। তেওঁলোকে মাটিৰ মালিকৰ পৰা আধি-ঠিকা লৈহে খেতি কৰে। এনে অৱস্থাত তেওঁলোকৰ বৰ্তমান আৰ্থিক অৱস্থা কেনেকুৱা পৰ্য্যায়ৰ হব পাৰে আমাৰ এই কাল্পনিক হিচাপৰ পৰা তাৰ কিছু আভাস পাব পাৰি।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে পুৰণি পদ্ধতিত খেতি কৰি নিজৰ মাটি থকা খেতিয়কেও জীৱন ধাৰণৰ নিম্নতম মানদণ্ড এটা ৰক্ষা কৰি চলিব নোৱাৰে। সেয়ে খেতি পথাৰত পানী সাৰ আদিৰ যোগান ধৰি উন্নত



OKDISCD

সঁচৰ শস্যৰ কঠিয়া আৰু কীট-পোক নাশক দৰৱ আদি ব্যৱহাৰ কৰি আধুনিক পদ্ধতিৰে খেতি কৰিবলৈ লোৱাৰ প্ৰয়োজনীয়তা আছে। আগেয়ে কোৱা হৈছে যে সাধাৰণ শ্ৰেণীৰ খেতিয়কে এনেদৰে খেতি কৰিবলৈ অক্ষম। কিন্তু জনসংখ্যা বৃদ্ধিৰ লগে লগে খাদ্য সামগ্ৰী আৰু অন্যান্য কৃষি-জাত বস্তুৰ চাহিদা বঢ়া বাবে সামৰ্থ্য থকা লোকৰ বাবে আধুনিক পদ্ধতিৰে কৃষি এতিয়া বেচ লাভজনক হৈছে। পুৰণি পদ্ধতিত খেতি কৰিলে এবিঘা মাটিত যি পৰিমাণৰ উৎপন্ন হয় আধুনিক পদ্ধতিত তাৰ চাৰি পাচগুণ অধিক উৎপন্ন কৰিব পাৰি। ইয়াৰ বাবে খৰচ পুৰণি পদ্ধতিতকৈ বাঢ়িলেও উৎপন্ন বৃদ্ধিৰ তুলনাত কমকৈ বাঢ়ে। বিশেষকৈ ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আদি ব্যৱহাৰ কৰি সৰহ পৰিমাণৰ মাটি এটা গোট হিচাপে লৈ খেতি কৰিলে খৰচ অতি কম পৰিমাণেহে বাঢ়ে। এই বাবেই ধনী খেতিয়কসকলৰ কিছু-সংখ্যক এই পথ গ্ৰহণ কৰিবলৈ লোৱা দেখা গৈছে। এনে অৱস্থাত সাধাৰণ শ্ৰেণীৰ খেতিয়কসকলে কি কৰিব? তেওঁলোকে যদি পুৰণি পদ্ধতিত খেতি কৰি থাকে তেনেহলে হয়তো অদূৰ ভৱিষ্যতত তেওঁলোক কৃষি খণ্ডৰ পৰা বিতাড়িত হব। কাৰণ পুঁজিবাদী কৃষি-ব্যৱস্থাৰ প্ৰসাৰৰ লগে লগে সাধাৰণ শ্ৰেণীৰ খেতিয়ক সকলৰ দখলত থকা মাটিবিলাক ক্ৰমশ ধনী খেতিয়কৰ হাতলৈ স্থানান্তৰিত হব আৰু ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আদিৰ ব্যৱহাৰে কৃষি বনুৱাৰ সংখ্যাও কমাব। এনেকুৱা অৱস্থাত সাধাৰণ খেতিয়কসকলে গাইগুটীয়া ভাবে নোৱাৰিলেও সমূহীয়া ভাবে আধুনিক পদ্ধতিত খেতি কৰিবলৈ লোৱাৰ বাহিৰে অন্য উপায় নাথাকিব বুলি অনুমান হয়। সমবায়ৰ ভিত্তিত লগ লগাই সমূহীয়া ভাবে আধুনিক পদ্ধতিত খেতি কৰিবলৈ সাধাৰণ খেতিয়ক সকলক উৎসাহিত কৰিব পাৰি নেকি কৃষক সংগঠন সমূহে ভাবি চাব পাৰে। অৱশ্যে চৰকাৰৰ সমবায় বিভাগৰ দ্বাৰা এই কাম কৰা সম্ভৱ নহয়। আমোলাতান্ত্ৰিক প্ৰশাসনৰ অধীনত কোনো উৎপাদন কাৰ্য্য হব নোৱাৰে। সেয়ে প্ৰকৃত প্ৰগতিশীল ৰাজনৈতিক দলসমূহৰ নেতৃত্বত পৰিচালিত কৃষক সংগঠনবিলাকে কৃষকসকলৰ ভৱিষ্যত স্বাৰ্থ ৰক্ষাৰ বাবে এই কাম হাতত লোৱাৰ কথা ভাবি চাব পাৰে। অৱশ্যে পুঁজিবাদী প্ৰথা চলি থকা সময়ত সমবায় প্ৰথা সফলতাৰে কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত বহুতো বাধাৰ সন্মুখীন হব লাগিব বুলি আশঙ্কা হয়।





এইখিনিতে এটা প্ৰশ্ন উঠিব পাৰে: ভূমি সংস্কাৰৰ আন্দোলন সফল হোৱাৰ আগেয়ে আধুনিক কৃষি পদ্ধতি প্ৰবৰ্ত্তনৰ বাবে সাধাৰণ কৃষক শ্ৰেণীক উৎসাহিত কৰাৰ পৰা কিবা লাভ হব জানো? ভূমি সংস্কাৰৰ আন্দোলনৰ অগ্ৰাধিকাৰৰ কথা স্বীকাৰ কৰিও আমাৰ দেশৰ বাস্তৱ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিহে ভূমি সংস্কাৰৰ আন্দোলনৰ লগতে আধুনিক কৃষি পদ্ধতি প্ৰবৰ্ত্তনৰ বাবেও কৃষক সকলক সমবায়ৰ ভিত্তিত সংগঠিত কৰাৰ সপক্ষে মত প্ৰকাশ কৰিছোঁ। এই প্ৰসঙ্গত আমি মনত ৰাখিব লাগিব যে ভূমি সংস্কাৰৰ আন্দোলনেই আমাৰ দেশৰ কৃষি ব্যৱস্থাত পুঁজিবাদী প্ৰথা প্ৰবৰ্তন হোৱাত ইন্ধন যোগাইছে। তলতীয়া খেতিয়কসকলৰ দখলত থকা মাটি চিৰদিনৰ বাবে হেৰুওৱাৰ ভয়তে মালিক শ্ৰেণীৰ লোকসকলে ছলে-বলে-কৌশলে নিজৰ দখললৈ আনি হয় নিজে আধুনিক পদ্ধতিত খেতি কৰিবলৈ লৈছে নহয় নিজৰ শ্ৰেণীৰ আন লোকক বিক্ৰি কৰি লৈছে। আমাৰ দেশত কৃষিৰ ওপৰত নিৰ্ভৰশীল লোকৰ অনুপাতে খেতিৰ উপযোগী মাটিৰ পৰিমাণ তাকৰীয়া। জাতীয় নমুনা পিয়লৰ (NSS) এটা হিচাপ অনুসৰি আমাৰ গোটেই দেশত খেতিৰ কাৰ্য্যকৰী গোট (operational holding) মুঠতে ৪,৯৮২ কোটি, প্ৰতিটো গোটৰ আকাৰ গড়ে ৬ দশমিক ৫৭ একৰ আৰু প্ৰতিটো গোটেই আকৌ গড়ে ৫ দশমিক ৭৪ টা খণ্ডত বিভক্ত। খেতিৰ এটা গোট বুলিলে মালিক যিয়েই নহওক, সাধাৰণতে এটা সংগঠনে বা এটা পৰিয়ালে খেতি কৰা মাটিৰ পৰিমাণকে বুজায়। এই গড় হিচাপে প্ৰকৃত অৱস্থাৰ পৰিচয় নিদিয়ে। কাৰ্য্যকৰী গোটৰ মুঠ সংখ্যাৰ শতকৰা ১৮ ভাগৰ আকাৰ ১ একৰতকৈ কম আৰু দেশৰ মুঠ খেতিৰ মাটিৰ শতকৰা ১ ভাগহে এই শ্ৰেণীৰ গোট সমূহৰ ভিতৰত পৰে। আকৌ খেতিৰ কাৰ্য্যকৰী গোটৰ মুঠ সংখ্যাৰ শতকৰা ৪৪ ভাগৰ আকাৰ ১ একৰৰ পৰা ৫ একৰৰ ভিতৰত আৰু ইয়াৰ ভিতৰত দেশৰ খেতিৰ মাটিৰ মুঠ পৰিমাণৰ মাত্ৰ ১৮ ভাগহে আছে। আনহাতে কাৰ্য্যকৰী গোটৰ মুঠ সংখ্যাৰ শতকৰা ৩ ভাগৰ আকাৰ ৩০ একৰতকৈও ডাঙৰ আৰু দেশৰ মুঠৰ মাটিৰ শতকৰা ২৫ ভাগেই এই শ্ৰেণীৰ গোটৰ ভিতৰত সোমাই আছে।[১৬] ইয়াৰ পৰা বুজিব পাৰি যে খেতিৰ কাৰ্য্যকৰী গোটৰ মুঠ সংখ্যাৰ শতকৰা ১৮+৪৪=৬২ ভাগেই ৫ একৰ বা ১৫ বিঘাৰ ভিতৰত। এই কথাই প্ৰমাণ কৰিছে যে আমাৰ দেশৰ



OKDISCD

খেতিয়কসকলৰ খেতিৰ মাটিৰ নাটনি হৈছে। নিজৰ মাটিৰ কথা নকওঁৱেই, লোকৰ মাটিও খেতি কৰিবলৈ আৱশ্যকীয় পৰিমাণে তেওঁলোকে পোৱা নাই। অসমত গোটেই দেশৰ তুলনাত মাটিৰ নাটনি আৰু অধিক। কাৰণ ইয়াত খেতিৰ মাটিৰ কাৰ্য্যকৰী গোটৰ আকাৰ গড়ে ৩ দশমিক ৮৮ একৰ[১৭] অৰ্থাৎ ৩১ বিঘাৰ অলপ বেঁচ। কিন্তু এই গড় আকাৰতকৈ সৰু আকাৰৰ গোটৰ সংখ্যাই নিশ্চয় সৰহ। এই সম্পৰ্কে তথ্য সংগ্ৰহ কৰিবপৰা হোৱা নাই বাবে ইয়াত উল্লেখ কৰিব পৰা ন'হল। খেতিয়কসকল খেতিৰ মাটিৰ নাটনিৰ সন্মুখীন হোৱা বাবেই ভূমি সংস্কাৰৰ আন্দোলন মন্থৰ গতিত চলিছে বুলি ভাবিবলৈ অৱকাশ আছে। এজন খেতিয়কে যিখিনি মাটিত খেতি কৰি আছে সেই খিনিৰ দখল হেৰুৱাব লগা হলে তেওঁৰ পৰিয়ালৰ অৱস্থা কি হব তাক সহজে অনুমান কৰিব পাৰি। নতুনকৈ ভাঙি উলিয়াবলৈও দেশত আৰু বৰ বেচি পতিত মাটি নাই। সেয়ে খেতিয়কসকলৰ মাজতে মালিক পক্ষক সন্তুষ্ট ৰাখিবলৈ প্ৰতিযোগিতা চলে। আইন, আদালত যিমানেই থাকক, মালিক পক্ষই অন্যায় কৰিলেও বৰ্ত্তমানৰ সমাজ ব্যৱস্থাত তলতীয়া খেতিয়কে তাৰ পৰা সুবিচাৰ আশা কৰিব নোৱাৰে। এনে অৱস্থাত ভূমি সংস্কাৰৰ আন্দোলন ক্ষিপ্ৰ গতিত হব বুলি আশা কৰিব নোৱাৰি। আনহাতে পুঁজিবাদী কৃষি ব্যৱস্থাৰ প্ৰসাৰৰ লগে লগে খেতিয়কসকলৰ হাতৰ পৰা মাটিৰ দখল গৈ থাকিব। গতিকে খেতিৰ মাটিৰ লগতে খেতিয়কসকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে কৃষক সংগঠনৰ নেতৃত্বত সমবায়ৰ ভিত্তিত সমূহীয়া কৃষিপাম খোলাৰ প্ৰচেষ্টা চলোৱাৰ পৰামৰ্শ আগবঢ়োৱাৰ বাহিৰে অন্য উপায় বিচাৰি পোৱা নাই। সুবিধা বুজি মালিক পক্ষৰ লগত বুজাবুজিৰ যোগেদি হলেও এনে ব্যৱস্থা হাতত লোৱাৰ কথা ভাবিব পাৰি। মুঠতে খেতিয়ক শ্ৰেণীৰ হাতৰ পৰা মাটিৰ দখল যাতে নাযায় তাৰ ব্যৱস্থা হব লাগে। অকল আইন প্ৰণয়নৰ দ্বাৰা ই এই ব্যৱস্থা যে হব নোৱাৰে সেই বিষয়ে খেতিয়ক ৰাইজেতো আধিয়াৰ আইন, চিলিং আদিৰ ব্যৰ্থতাৰ পৰাই নিশ্চয় বুজিব পাৰিছে।

প্ৰসঙ্গক্ৰমে অসম চৰকাৰে অলপতে ঘোষণা কৰা কৃষিপাম নিগমৰ বিষয়ে চমুকৈ মন্তব্য দিয়াৰ আৱশ্যকতা বোধ কৰিলো। এই আচনি কাগজৰ পিঠিত থকালৈকে বৰ ভাল যেনেই লাগিছে। কিন্তু কাৰ্য্যকৰী কৰাৰ সময়ত চৰকাৰী





আমোলাতন্ত্ৰ আৰু শাসক শ্ৰেণীৰ লোকৰ মাজত থকা অলিখিত চুক্তি অনুসৰি এই আঁচনিৰ প্ৰকৃত উদ্দেশ্য সফল নহব যেন লাগে। যেনেকৈ চৰকাৰৰ নেতৃত্বত আৰম্ভ কৰা গুৱাহাটীৰ সহায়িকা, দেৰগাওঁৰ চেনিকল প্ৰমুখ্যে বিভিন্ন সমবায় প্ৰতিষ্ঠানসমূহত আৰু চৰকাৰী বীজপামসমূহত লোকচান ভৰিবলগীয়া হৈছে কৃষিপথ নিগমৰ ক্ষেত্ৰতো লোকচান ভৰিব লগা হব পাৰে। আনকি গুৱাহাটীৰ সহায়িকাৰ দৰে ইয়াৰো তলাবন্ধ কৰিবলগীয়াও হব পাৰে। এই বাবেই খেতিয়ক সকলক লৈ যি সমবায় গঠনৰ কথা ওপৰত উল্লেখ কৰা হৈছে তাক প্ৰকৃত প্ৰগতিশীল ৰাজনৈতিক দলৰ নেতৃত্বাধীন কৃষক সংগঠনৰ দ্বাৰাহে কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। সৰ্বহাৰা শ্ৰেণীৰ প্ৰকৃত বন্ধু আৰু পথ প্ৰদৰ্শকৰ নেতৃত্বৰ অবিহনে সাধাৰণ কৃষক শ্ৰেণীৰ বাবে হাতত লোৱা কোনো আঁচনিয়ে কাৰ্য্যকৰী হোৱাৰ আশা নাই।

**Notes :**


১ Statistical Hand Book, Assam, 1970, P. 49
২ Ibid, P. 48
৩ Fourth Five year plan of Assam, A Draft Outline. 1968, P. VI
৪ Statistical Hand Book, Assam, 1970, P. 148
৫ India 1970, P. 241
৬ Ibid, P. 242
৭ Statistical Hand Book, Assam, 1970, PP 31—33
৮ Ibid
৯ India 1970, P. 233
১০ Ibid, P. 285
১১ Ibid, P. 233
১২ Statistical Hand Book, Assam, 1970, P. 27
১৩ Fourth Five year plan of af Assam, A Draft Outline 1968, P. 40
১৪ Statistical Hand Book, Assam, 1970, P. 27
১৫ India 1970, P. 173
১৬ Ibid
১৭ Ibid P. 174

# প্ৰতিজ্ঞা

[ এটা নক্সা ]

শ্ৰীগজেন বৰা

বোকা দিয়া মাটিত শেষ কঠিয়াভাৰ হুকুসকৈ পেলাই হোলোঙাটো টান মাৰি উলিয়াই সৰুকণে ঘৰলৈ খোজ লয়। তাৰ মনত পৰে ৰত্নৰ কথা—"তহতে যিমান কষ্ট কৰ তাৰ ফল সেই পৰিমাণে নাপাৰ। তহঁত একগোট নহলে বচাৰ উপাই নায়। গৰীব কৃষক, আধিয়াৰ কৃষক একগোট হবই লাগিব। আজি নহয় কালিলৈ, কালিলৈ নহলে পৰহিলৈ।" "সচা কথাই কৈছে সি। উদ্ বাপৰে! ইমান কষ্ট! কান্ধত জুই জ্বলি গৈছে। বোকাত খোজ কাঢ়োতে কাঢ়োতে আঠুৰ জোৰা লৰি গৈছে। তথাপিও সিহঁতে আমাৰ কষ্টক কষ্ট বুলিব নোখোজে। গোটেই সোপা ধান, সিহঁতকেই লাগে। যিমান পায় সিমান নিজলৈকে টানিব খোজে। শ শ পুৰা মাটি সিহঁতে ক'ত পালে? জন্ম হওঁতেতো লগত মাটি লৈ অহা নাই। "সিহঁতক ঈশ্বৰে দিছে। পূৰ্ব্বজন্মৰ পুণ্যৰ ফল।" ওহো, আজি আৰু এইবোৰ কথা বিশ্বাস নহয়। পূৰ্ব্বজন্মৰ পুণ্যৰ ফলত অবুজ লিখা-পঢ়া নজনা মানুহৰ পৰা কেনেকৈ ঈশ্বৰে সিহঁতৰ হাতত সম্পত্তি উঠাই দিয়া আজি নিজ চকুৰে দেখিছে। বন্ধকী লোৱা মাটি মাটিগিৰিৰ পেটত সোমোৱা, ধাৰে নিয়া টকা পৰিশোধ কৰিলেও নাই কৰা বুলি সমাজ গোটাই মাটি কাঢ়ি নিয়া, নানান লোভ দেখুৱাই নিজৰ নামত মাটি লিখাই লোৱা; এইবোৰ হল 'পুণ্যৰ ফল'। পাপৰ ফলত সম্পত্তি যায়, পুণ্যৰ ফলত সম্পত্তি পায়। এয়াই হ'ল ধনীৰ বিৰুদ্ধে মুখ দাঙি কব নোৱাৰা গঞাৰ বিচাৰৰ ফল। আজি প্ৰত্যেক নামঘৰে নামঘৰে মুখাপিন্ধা পুণ্যবান ভাল মানুহবোৰে পুণ্যৰ ভাগবঢ়াবলৈ, গাৱঁত পাপ হৈছে বুলি আৰু কেইজনমানক লাওলোৱা কৰিবলৈ শাস্ত্ৰ-ভাগৱত পাঠ কৰে। ভগবানৰ নামত কিযে শোষণ!

দিনটো কাম কৰিও দুবেলা দুমুঠি পেটভৰাই খাবলৈ নাপাওঁ। ভাই-





টোক ভগা স্কুলখনত পঢ়াবলৈও চোলা-পেন্ট কিতাপ-ফলি যোগাব নোৱাৰো। আধিমাটি কৰি ঘৰ চলোৱা মহা সমস্যা হৈছে।

ঃ ইয়াত হল নেকি তোৰ—দদাইয়ে চিঞৰিলে।

ঃ ও, হল। আজি দুবিঘা বোকা দি লেঠাটো মাৰিছো। ঘৰৰ পৰা ইয়ালৈ দুমাইলৰ কম নহব। এই ডৰা বোকাত আহোঁতে আহোঁতে ভাগৰেই লাগে।

ঃ মাটিডোখৰ হলে বেচ ভাল দেই। হৰদম পানী নুগুচেই।

ঃ সেই বাবেই এৰিব পৰা নাই। নহলে এইবাৰেই এৰি দিলো হয়। মাটি আধি খাওঁ বুলি ওঃ বুলিলেই দৌৰ মাৰিব নোৱাৰো নহয়।

: কিবা লাগিছিল নেকি?

ঃ লাগিব আৰু কি? তাৰ বাহাদুৰি দেখা নাই জানো। "অমুকে গুটি আধি দিব, তমুকে কাটি আনি ভৰালত সুমুৱাই দিব" আৰু কত কি? এৰি দিও যেন লাগে এইবোৰ শুনিলে, মাটিডোখৰৰ কথা মনলৈ আহিলে আকৌ মোহ জাগে। বুজিছ দেদাই মই কিন্তু আগা-আগি কৈ দিছো—অইনৰ কথা নাজানো মই খুব বেচি দিব পাৰো। এনেকৈ নকৈ উপায়ো নাই, নহলেযে মাটিডোখৰ হাতচাৰা হয়।

ঃ নকবি আৰু বোপাই। মইও মাটি পাইছো গুটি আধি দিম বুলি কোৱাতহে। নহলে বোলে পহুচোৱা গাৱঁৰ মানুহক দিলে হেতেন। সিহত বোলে আহ বুলি কলেই আহে, নানান কামত সহায়ো কৰে, সময়ত মাছ-পুথি-হাঁহ-কুকুৰা আদিও দিয়ে। এই গাওঁ খনৰ মানুহেই যি কৰিব লাগে কৰি আছে।

ঃ অভাৰতো তোৰ মোৰেই নহয়, সকলোৰে আছে। পেটৰ জ্বালাত মানুহে সকলো কৰিব পাৰে। তহঁতক কলেও নামান নহয়। ৰত্নই কিমান কলে! এখন মিটিঙো পাতিলে নাম ঘৰত। তহতেতো মুখকে নেদেখুৱালি। অন্য মানুহকো হাক দিলি 'সেইখন আমাৰ মিটিং নহয়' বুলি। দুটামান ধনীৰ লগহৈ তহতেই মিটিংখন পণ্ড কৰিলি। গাৱঁৰ দুখীয়া আধিয়াৰ সকলে নিজৰ দুখ বিপদৰ কথা শুনাৰ পৰাও তহঁতে বঞ্চিত কৰিলি। যাৰেই মিটিং নহওক শুনিলেনো ক্ষতি কি হয়। এইখন গাৱঁৰেই লৰা ৰত্ন। দুশ্ৰেণী পঢ়ি দুটা



OKDISCD

কথা শিকিছে। তাৰ বাপেকো আমাৰ দৰে এজন গৰীব কৃষক। তাক পঢ়া-ওঁতে বাপেকৰ কিমান কষ্ট হল। চাকৰি বাকৰি কৰিলে ঘৰখন অলপ টনকিয়াল হব বুলি ভাবিছিল বাপেকে। কিন্তু সি চাকৰি পালে ক'ত! বুটি কোৰৰ ধনৰেতো চাকৰি কিনিব নোৱাৰি। শেষত ৰাইজৰ, সমাজৰ কামতেই হাত দিলে সি। সঁচা কথা কোৱাৰ কাৰনেই, দুখীয়া মানুহক পথ দেখুৱাই দিয়াৰ চেষ্টা কৰাৰ কাৰণেই তাক আজি বনাই পেলালে আমাৰ শত্ৰু। যি বিলাকে আমাক ফাঁকি-ফুকা দি আমাৰ চাল টানি খাইছে সিহঁত হল আমাৰ মিত্ৰ। চাৰিওফালৰ পৰা তইঁতে কোৱা 'এই মিত্ৰ' দলে আমাক শুহি শুহি খাইছে। খাবলৈ নহলে ধান এটিন আনিলে সিহতক দিব লাগে তিনিটিন। টকা এশ আনিলে সুত দিব লাগে দুই-তিনিমোণ ধান।

ঃ দেউতাহঁতে কোন শত্ৰু কোন মিত্ৰ একো নুবুজে, বুজিছ ককাইদেউ। ধনী দেখিলেই ভয়তে বিক ক'লেও হক, বেঠিক কলেও ঠিক, মিছা কলেও সঁচা বৈছে বুলি ধৰা মানুহহে! এই ভোদা মানুহবোৰে ভালকৈ ঠেকা নেখালে নুবুজে—দেদাই।

ঃ ধৰ্ম আছে নহয় বোপাই—

ঃ ধৰ্ম, ঈশ্বৰ, ভগবানৰ নামত ফাঁকি-ফুকা দিয়েই সিহতে আমাক শোষণ কৰি আছে। আমি দুখীয়াবিলাকে ধৰ্ম ঈশ্বৰক যেনেকৈ ভয় কৰো, মানো, সিহতেতো কোনোদিন মনা নাই। সমাজত অতি জঘন্য বেয়া কাম কৰিছে সিহতেই। "ধনীৰ বিৰুদ্ধে নকৰি ঈশ্বৰে নসহে, ধান মাৰি কাটি গুটি কৰি নিদিলে অধৰ্ম হব।" খাবলৈ মৰাতকৈ সংগ্ৰাম কৰি অধৰ্ম কৰাই ভাল। আমি দুখীয়াবোৰ একগোট নোহোৱালৈকে আমাৰ বাচিবৰ উপায় নাই। এজন এজন হৈ ধনী মাটিগিৰিৰ বিৰুদ্ধে কেতিয়াও যুজিব নোৱাৰো। সিহঁতৰ হাতত দমনৰ যন্ত্ৰ আছে। আইন, আদালত, পুলিচ, মিলিটাৰি আছে এক-মাত্ৰ গৰীবক দমন কৰিবলৈ।

ইফালে আমি ভাবি আছো ৰত্ন শত্ৰু, ৰত্ন কমিউনিষ্ট। তাৰ লগত লগ হলে আমাৰ মাটি-বাৰী সকলো যাব। আমি খেতিয়কবোৰে নিজকে নিজে বহুত ধনী বুলি ভাবো। এবিঘা থকা জনেও মাটি নোহোৱা জনতকৈ ধনী বুলি গৌৰৱ কৰো। নিজৰ সৰ্ব্বস্ব গলেও আশা কৰি থাকো এবিঘাৰ লগত





আৰু এবিঘা লোৱাৰ। কিন্তু এই স্বপ্ন এই সমাজ ব্যৱস্থাত স্বপ্ন হৈয়ে ৰবা। গৰীবৰ সংখ্যা, মাটিহীনৰ সংখ্যা সদায় বাঢ়ি আছে। গৰীব খেতিয়কে নিজৰ বৈষম্য দূৰ কৰি "মোক লাগে'ৰ ঠাইত 'আমাক লাগে লাগে" বুলি কব নোৱাৰালৈকে ধনী মাটিগিৰিৰ বিৰুদ্ধে সাহসেৰে থিয় হব নোৱাৰিম। জান দেদাই, গৰীৱ কৃষক এক হব লাগিব। আমাৰ প্ৰত্যেকৰে সমস্যা একেই এ নাওল. গৰুলৈ হাতে হালোৱা আমি প্ৰত্যেকেই এটা জাতৰ মানুহ। অসমীয়া নেপালী, বঙ্গালী, মুছলমান এইবোৰ আমাৰ জাত নহয়।

সিদিনাৰ ঘটনাটোলৈকে চাছোন! কিমান ভাল লাগে সেই খেতিয়ক সকলৰ সাহস দেখি। "হাতীপতি" গোপচাৰত বহুদিন ধৰি খেতি কৰি কেই-টামান কৃষক পৰিয়াল পোহপাল হৈ আছিল। সেই অঞ্চলৰ ভদ্ৰলোকসকলে কলেজৰ নামত খেতি কৰিবলৈ মাটিখিনি জোখ-মাখ কৰে। ঘিলাধাৰী নদীৰ পাৰৰ এই মহৎ গোপচাৰটোত ২৮৩ বিঘা মাটি ওলায়। মাটি দিয়াৰ লোভ দেখুৱাই কেইজনমান নিবনুৱা যুবকক হাত কৰি মুখিয়াল সকলে খেতিয়ক সকলক মাটি এৰি যাবলৈ কয়। নহলে ট্ৰেক্টৰ আনি খেতি-বাতি ভাঙি খেদোৱাৰ ভয় দেখুৱাই। কৃষকসকলে ভয় নাখাই স্থানীয় কৃষক সভালৈ খবৰ পঠালে। কৃষক সভাই তেখেত সকলক সকলো প্ৰকাৰ সহায় কৰাৰ প্ৰতিশ্ৰুতি দিলে। এদিন হাতীপতিত ট্ৰেক্টৰ লৈ মুখা পিন্ধা ভদ্ৰলোক সকল হাজিৰা হল। ইফালে কৃষক সভাৰ পতাকালৈ কৃষক সকলো সাজু হল। গৰীৱ কৃষকৰ সংগঠিত দলক দেখি মাটি লোৱাৰ আশা ত্যাগ কৰি ভদ্ৰলোকৰ দল পিচ হুহকিল। এই কৃষকৰ দলটোৰ মাজত অসমীয়া, বঙ্গালী বাগানৰ মজদুৰ সকলো আছিল। আজিও সেই মাটিত কন্দুৰা কাইৰ নেতৃত্বত সকলো কৃষকে এক গোট হৈ খাই আছে। তইয়ে কছোন দেদাই, এই কৃষকে সকলে নিজৰ জাতি ধৰি থকাহলে মাটি ৰখাব পাৰিলেহেঁতেন নে?

'তহঁতেই হে পাৰিবি। আমাৰ দিন গৈছেই আৰু।' এৰা দেদাইৰ কথাযাৰতো অৰ্থ আছে। দেদাইহঁতৰ বয়স হৈছে। এতিয়া আমাক উপদেশহে দিব পাৰিব। আমাৰ গাৱঁতো এখন কৃষক সভা পাতিম। সকলো গৰীৱ খেতিয়কক সজা কৰিবলৈ কৃষকৰ সমস্যা সমাধানৰ বাটত আগ বাঢ়িম। শ্ৰেণী সংগ্ৰাম জগাই তুলিব লাগিব গাৱেঁ গাৱেঁ। জমিদাৰ, মাটিগিৰিয়ে লুকুৱাবলৈ নৌ পাওঁতেই



OKDISCD

চিলিঙৰ বাহিৰৰ মাটি আমি কাঢ়ি লবই লাগিব। আমি শোষক দলক দেখুৱাই দিম যে আমিও মানুহ, আমিও জীয়াই থাকিব খোজো মানুহৰ দৰেই। এতিয়াৰ পৰাই কৃষক সভা গঢ়াৰ কামত হাত দিব লাগিব। তেতিয়াহে ধান কটাৰ দিনত আমাৰ দাবী খটুৱাব পাৰিম। ৰত্নই কৈছিলে আইনমতে মহাজনক পাচ ভাগৰ এক অংশ দিব লাগে। আজিলৈকে আমি কোনেও এই আইন মানিবলৈ সুযোগ পোৱা নাই। অকলে অকলে কৰিবলৈ যোৱাৰ বাবেই এনে হৈছে। সকলো লগ হোৱা হলে মহাজনক শুনাই দিলেহেঁতেন “আমি আইন অনুযায়ী অংশ দিম।’ পুলিচ মিলিটাৰি আনিলেও ... ধেৎ এইবিলাক কি ভাবিছো! ৰত্নৰ কথাবোৰে মোকো কমিউনিষ্ট কৰি পেলাইছে দেখোন! হুঁ এইবোৰ কথাতো মিছা নহয়। এয়া মোৰ, আমাৰ সকলোৰে মনৰ কথা, গৰীব মাটিহীন কৃষকৰ মনত গুজৰি গুমৰি থকা কথা।

আমি একগোট হʼবই লাগিব। তাৰ বাবে প্ৰাণপণ চেষ্টা কৰিম। সকলো ত্যাগ কৰিব লগা গৰীব কৃষকক একগোট কৰিমেই। জীয়াই থাকিবলৈ হলে সংগ্ৰাম কৰিবই লাগিব। আমি জীয়াই থাকিব খোজোঁ মানুহৰ দৰে।

—×—

ডঃ হীৰেণ গোহাঁইৰ
শেহতীয়া প্ৰবন্ধ সম্ভাৰ

বাস্তৱৰ স্বপ্ন

বেচ—পাচটকা মাত্ৰ

প্ৰকাশক :—
গুৱাহাটী বুকষ্টল
শিলপুখুৰী : গুৱাহাটী-৩



# সাময়িক প্ৰসংগ

## স্বাধীন দেশৰ স্বৰূপ

ব্ৰিটিছ আমোলতো ভাৰতবাসী সাধাৰণ প্ৰজাৰ দাৰিদ্ৰ্য আছিল সৰ্বজনবিদিত। এই দুৰ্দ্দশাৰ বাবে ব্ৰিটিছৰ শোষণ আছিল প্ৰধানকৈ দায়ী। ব্ৰিটিছ শাসকহঁতৰ মনতো সেইবাবে কিঞ্চিৎ লজ্জাবোধ আছিল। তেওঁলোকে ১৯২৩ চনত দুৰ্ভিক্ষপীড়িত মানুহক সাহায্য দিবৰ বাবে নিম্নতম প্ৰয়োজনৰ ভিত্তিত প্ৰতিজন মানুহৰ বাবে এখন খাদ্যৰ তালিকা বনায়। অতি কম পৰিমাণৰ খাদ্য ধৰি লৈ তেওঁলোকে হিচাপ কৰে যে চাউল দাইল, নিমখ তেলৰ বাবে প্ৰতিজন মানুহে বৰ্ত্তমান (বজাৰ দৰ মতে) ২ টকা ১২ পইচাৰ খাদ্য পাব লাগিব। তেনে সামান্য আৰু নিকৃষ্ট বিধৰ খাদ্য কিনিবলৈ এজন মানুহে মাহে ৬৩ টকা ৬০ পয়চা কৰিব লাগিব।

আজি দেশ স্বাধীন হʼল। ৰাস্তাত দালান আৰু মটৰ গাড়ীৰ সংখ্যা লেখিলে ওলাব যে স্বাধীনতাৰ পিছত একশ্ৰেণীৰ মানুহৰ কিছু উন্নতি হʼল। টাটা আৰু বিড়লাই স্বাধীনতাৰ আগৰ কালৰ ১৬ কোটি আৰু ১৪ কোটি টকাৰ পৰা ১৯৭১-৭২ চনত প্ৰত্যেকেই ৮০০ কোটি টকাৰ মালিক হৈছে।

কিন্তু সৰ্বসাধাৰণৰ অৱস্থা কেনে? ১৯৭২ চনত স্বাধীন দেশৰ ২২ কোটি লোকে মাহে ২০ টকাও খৰছ কৰিব নোৱাৰে। আৰু ৩০ কোটি মানুহে মাহে ২৫ টকাৰ পৰা ৩০ টকাৰ বেছি খৰচ কৰিব নোৱাৰে। দুৰ্ভিক্ষৰ সময়ত বিদেশী জাতিৰ চৰকাৰে অতি কমকৈ ধৰা খাদ্যও এওঁলোকে যোগাৰ কৰিব নোৱাৰে। অথচ এই দেশ স্বাধীন!

আৰু ইয়াৰে জনসাধাৰণে অৱস্থাপন্ন মধ্যবিত্তৰ উচটনিত ধৰ্ম্ম, ভাষা আৰু অন্যান্য কাৰণত নিজৰ ভিতৰতে মূৰ ফলাফলি কৰি মৰে। (সংগ্ৰহ)

## চীন দেশ আৰু শিক্ষাৰ প্ৰসাৰ

যি দেশত শোষক শ্ৰেণী আৰু শাসক গোষ্ঠীয়ে জনসাধৰণক কেৱল লুণ্ঠন আৰু শোষণৰ সামগ্ৰী বুলি ভাৱে তাত নিৰক্ষৰতা দূৰ নোহোৱাত বিচিত্ৰ কি? পৃথিবীৰ ৮০ কোটি নিৰক্ষৰ মানুহৰ ভিতৰত ভাৰততেই আছে ৩০ কোটি!



OKDISCD

আনহাতে য'ত জনসাধাৰণক পৃথিবীৰ শ্ৰেষ্ঠ সম্পদ বুলি ধৰা হয় তাত জনসাধাৰণক সকলো ধৰণে শিক্ষিত কৰি তুলিবলৈ ৰাষ্ট্ৰই আন্তৰিক পৰিশ্ৰম কৰে। যদি খেতিয়কে উৎপাদন বঢ়াই নিজৰ আৰু দহজনৰ বাবে পৰ্য্যাপ্ত পৰিমাণে উৎপাদন কৰিব লাগে, তেন্তে তেওঁৰ সেই ধৰণৰ শিক্ষাও থাকিব লাগিব। সেয়ে চীন দেশত নিৰক্ষৰতা দূৰ কৰাৰ প্ৰবল অভিযান চলিছে আৰু জনসাধাৰণেও আগ্ৰহেৰে লেখা-পঢ়া শিকাৰ সুবিধা লৈছে। আজি চীন দেশত ৪২ বছৰৰ তলত এনে এজন মানুহ নাই য়ে লেখা পঢ়া নাজানে! (সংগ্ৰহ)

## জইন্ট ছেক্টৰ সম্পৰ্কে

ব্যক্তিগত খণ্ড (Private sector) আৰু ৰাষ্ট্ৰীয় খণ্ড (public sector)—এই দুই খণ্ডত ভাৰতৰ শিল্প ব্যৱসায় বিভক্ত। এতিয়া চৰকাৰী মহলে ঘোষণা কৰিব ধৰিছে যে দেশলৈ সমাজতন্ত্ৰ আনিবৰ বাবে হেনো জইণ্ট ছেক্টৰ বা যৌথ খণ্ড (Joint Sector) এটা আৰম্ভ কৰাটো অপৰিহাৰ্য্য হৈ উঠিছে। বৃহৎ শিল্পপতি সকলেও মহানন্দে সমৰ্থন জনাই কৈছে যে এনে উপায়ে সমাজবাদ অনাত তেওঁলোকে সহযোগিতা কৰিব।

চৰকাৰে দিয়া প্ৰস্তাৱত দেখা যায় যে এনেবোৰ প্ৰস্তাৱিত প্ৰতিষ্ঠানত বা উদ্যোগত সৰ্বমুঠ অংশৰ (equity বা ভোটাধিকাৰ থকা share) শতকৰা ২৬ ভাগ চৰকাৰৰ, ২৫ ভাগ পুঁজিপতিৰ আৰু বাদবাকী শতকৰা ৪৯ ভাগ শ্বেয়াৰ মাৰ্কেটৰ পৰা আহিব! কিন্তু সকলোৱে জানে যে বেলেগ নামত এই শতকৰা ৪৯ ভাগ শ্বেয়াৰ বজাৰত পুঁজিপতি গোষ্ঠিয়েই কিনি ৰাখিব পাৰে? তেনে স্থলত পুঁজিপতিৰ অংশ হব শতকৰা ৭৫ ভাগ। অৰ্থাৎ এই যৌথখণ্ডৰ ওপৰত পুঞ্জিপতি গোষ্ঠিৰে কৰ্তৃত্ব চলিব!!

আনহাতে চৰকাৰী অংশ থকা বাবে চৰকাৰী নানাবিধ বিত্তীয় নিগম আৰু ৰাষ্ট্ৰীয়কৃত বেংকবোৰৰ পৰা টকা লোৱাৰ সুবিধা হব। সেই বোৰ টকা দেশৰ খাটি খোৱা মানুহৰ পৰিশ্ৰমৰ পৰা আহিব। মাছৰ তেলেৰে মাছ ভজা কাক কয়? (সংগ্ৰহ)

## জয় আই অসম!

আমাৰ দেশপ্ৰেমিক নেতাসকলে দেশপ্ৰেমৰ আটাহ পাৰি গগন ফটাইছে। সুযোগ পালেই নিজৰ দেশপ্ৰেমৰ প্ৰমাণ দাখিল কৰাৰ তালত আছে এওঁলোক।





কিন্তু আচলতে দেশৰ ৰাইজৰ কি অৱস্থা তেওঁলোকে ভু নাৰাখে। তেওঁলোকৰ অবৰ্ণনীয় দাৰিদ্ৰ্য আৰু দুৰ্দ্দশা সামান্য মোচন কৰিবলৈকো এওঁলোকে চেষ্টা নকৰে। তলত আমি দুখন সাধাৰণ অসমীয়া গাৱঁৰ ৰাইজৰ বৰ্ত্তমান অৱস্থা কেনে, সেই সম্পৰ্কে তথ্যপাতি ডাঙি ধৰিলোঁ। এই দুয়োখন গাৱঁৰ ৰাইজে এতিয়া লঘোণীয়া পেটেৰে দিন কটাইছে। জংঘলৰ কচুটেপু, কেতিয়াবা মাৰি অনা মাছ, দুঘৰ মান ভালঅৱস্থাৰ গৃহস্থৰ পৰা খুজি অনা চাউল এমুঠি ধৰি প্ৰাণ বচাইছে। আন কালেও এনে দুৰৱস্থা হয়। এইবাৰ কিন্তু দুৰ্দ্দশাই নাৰকীয় ৰূপ পাইছেগৈ।

এই অঞ্চলৰ ৰাইজ চুটিয়া, কোচ, আহোম আৰু পূৰ্বে চাহবাগানৰ বনুৱা হৈ থকা লোক। অৱশ্যে চাহবাগানৰ বনুৱা সকল খোৱা বোৱা পিন্ধাউৰাই, সম্পূৰ্ণ অসমীয়া হৈ পৰিছে! এওঁলোকে ঘৰত অসমীয়া কয়, হুচৰি গায়, ভাওনা কৰে।

খেতিৰ বাহিৰে এওঁলোকৰ আন জীৱিকা নাই। আনহাতে খেতিৰ মাটিও নিচেই তাকৰ। লগত দিয়া তালিকাখনৰ পৰা বুজা যাব যে তেওঁলোকৰ বহুতৰে মাটি এচিকটাও নাই। আনকি বহুতৰে বাৰীমাটিও নাই। চাকৰি কৰা মানুহ বৰডোগত মাত্ৰ দুঘৰ, ননকে নাহৰণিত মাত্ৰ তিনিঘৰতহে আছে।

“সেউজী বিপ্লৱ”ৰ ঢক ফুটি গ'লেও এই দুখন গাঁৱৰ ধানৰ উৎপাদন বিঘাত ৫ মোণ মাত্ৰ। খুতিৰাম বৰাৰ ঘৰত খাওঁতা ১০ জন, মাটি ১২ পুৰা, কিন্তু তেওঁলোকৰো বছৰত কোনোমতে খাবলৈ জোৰেহে। তাৰ উপৰিও বৰডোগ বানপানীত প্ৰায়ে জুকলা। ননকে নাহৰণিত পালে পালে বনৰীয়া হাতী আহি শইচ মহতিয়াই থৈ যায়। কৰ্তৃপক্ষলৈ বহু আবেদন নিবেদন গৈ থকা সত্বেও ৰাইজৰ এই বিপদত চৰকাৰৰ কাণসাৰ নাই।

এইবাৰ ভোকাতুৰ গঞা ৰাইজক test relief ৰ কাম দি পেটপ্ৰবৰ্ত্তনৰ ব্যৱস্থা কৰিব বুলি B. D. O. আৰু D. C. য়ে হেনো ভৰসা দিছিল। পিছে ভাষা আন্দোলনৰ প্ৰকোপত হেনো পিছলৈ B. D. O. আৰু D. C. য়ে ৰাইজৰ পিনে মনোযোগ নিব নোৱাৰা হ'ল। বাদবাকী অৱস্থা পঢ়ুৱৈ সমাজে নিজেই বিচাৰ কৰি চাব। অসমীয়া জাতিক আমাৰ দেশপ্ৰেমিক নেতা-সকলে এনেকৈয়ে ডাঙৰ কৰিব খোজে নেকি? তালিকাখন পিচৰ পৃষ্ঠাত চাওক।



OKDISCD

জিলা— গাওঁ—

পোঃ আঃ— মৌজা—

## গাওঁ—নন্‌কে নাহৰণি

### পোঃ আঃ ডুৰিয়া

বিধান সভাৰ সদস্যৰ নাম ঃ—শ্ৰীযুত ৰাম শৰ্ম্মা

লোকসভাৰ সদস্যৰ নাম ঃ—শ্ৰীযুত কমলা প্ৰসাদ আগৰৱালা

| পৰিয়ালৰ মূল মানুহজনৰ নাম | পৰিয়ালৰ জনসংখ্যা | মাটিৰ পৰিমাণ | হালৰ গৰু আছে নে নাই | বৰ্ত্তমান খাবলৈ আছে নে নাই (+) (—) |
|---|---|---|---|---|
| ১। পেৰু বৰুৱা ... | ৮ | | + | — |
| ২। গোপাল দত্ত ... | ৭ | × | — | — |
| ৩। ইন্দ্ৰেশ্বৰ বৰা ... | ৫ | | + | — |
| ৪। কমলা বৰা ... | ৭ | × | — | — |
| ৫। মেঘনাদ বৰা ... | ২ | × | — | — |
| ৬। তৰাদৈ বৰা ... | ৩ | × | — | — |
| ৭। কেহমন বৰা ... | ৮ | × | + | — |
| ৮। বানেশ্বৰ হাজৰীকা ... | ৬ | × | — | — |
| ৯। সোনাৰাম শইকীয়া ... | ৭ | | + | — |
| ১০। কৰ্ণেশ্বৰ বৰা ... | ১১ | | + | + |
| ১১। মানিক বৰা ... | ১০ | × | + | — |
| ১২। গোলাপ শইকীয়া ... | ৯ | × | — | — |
| ১৩। বগিৰাম শইকীয়া ... | ৭ | × | + | — |
| ১৪। পোনাই শইকীয়া ... | ১ | × | — | — |
| ১৫। খুদিৰাম বৰা ... | ১০ | | + | + |
| ১৬। যোগেশ্বৰ গন্ধিয়া ... | ৭ | × | + | — |
| ১৭। বোপাই চুটীয়া .. | ৯ | | + | + |





| পৰিয়ালৰ মূল মানুহজনৰ নাম | পৰিয়ালৰ জনসংখ্যা | মাটিৰ পৰিমাণ | হালৰ গৰু আছে নে নাই | বৰ্ত্তমান খাবলৈ আছে নে নাই (+) (—) |
|---|---|---|---|---|
| ১৮। বালাৰাম লিগিৰা ... | ৬ | × | + | — |
| ১৯। ৰামেশ্বৰ নেওঁগ ... | ৮ | | + | — |
| ২০। সন্তৰাম বৰুৱা ... | ৬ | × | + | — |
| ২১। নৰেশ্বৰ শইকীয়া ... | ৬ | | + | — |
| ২২। থেপাই চুটীয়া ... | ৫ | | + | — |
| ২৩। অকন কাঠকটীয়া ... | ৬ | × | + | — |
| ২৪। বিৰাই চুটীয়া ... | ৮ | | + | + |
| ২৫। বাপ দত্ত ... | ৪ | × | + | — |
| ২৬। সকুলৰা দত্ত ... | ৫ | × | — | — |
| ২৭। নগেন চেতীয়া ... | ৫ | | + | — |
| ২৮। কণ নেওঁগ ... | ৩ | × | + | — |
| ২৯। ভোলাৰাম বৰা ... | ৭ | | + | + |
| ৩০। তিলেশ্বৰ চুটীয়া ... | ৫ | | + | + |
| ৩১। খগেশ্বৰ বৰা ... | ৭ | | + | + |
| ৩২। ভকতি হাজৰিকা ... | ৭ | | + | + |
| ৩৩ কেৰ দত্ত ... | ৪ | × | — | — |
| ৩৪। বীৰু পাহাৰীয়া ... | ১০ | × | — | — |
| ৩৫। জেঠু পাহাৰীয়া ... | ৪ | × | + | — |
| ৩৬। ভদ্ৰ কৰ্ম্মকাৰ ... | ৬ | | + | — |
| ৩৭। ভাগীৰথ কৰ্মকাৰ ... | ৪ | | + | — |
| ৩৮। সন্তু কৰ্মকাৰ ... | ৮ | | + | — |
| ৩৯। ৰাজেন্দ্ৰ কৰ্মকাৰ ... | ৬ | | + | — |
| ৪০। শত্ৰুঘ্ন কৰ্মকাৰ ... | ১০ | × | — | — |
| ৪১। ভাৰত কৰ্মকাৰ ... | ৪ | × | — | — |
| ৪২। শঙ্কৰ কৰ্মকাৰ ... | ৬ | × | — | — |



OKDISCD

| পৰিয়ালৰ মূল মানুহজনৰ নাম | | পৰিয়ালৰ জনসংখ্যা | মাটিৰ পৰিমাণ | হালৰ গৰু আছে নে নাই | বৰ্ত্তমান খাবলৈ আছে নে নাই (+) (–) |
|---|---|---|---|---|---|
| ৪৩। | পগ্রু পাহাৰীয়া ... | ৮ | × | — | — |
| ৪৪। | পাঞ্চু পাহাৰীয়া ... | ৮ | × | — | — |
| ৪৫। | শ্যাম পাহাৰীয়া ... | ৪ | × | — | — |
| ৪৬। | তুকুমনি সবৰ ... | ৩ | × | — | — |
| ৪৭। | ৰাম সিং ... | ৭ | × | + | — |
| ৪৮। | কিনুৰাম গড় ... | ১০ | × | — | + |
| ৪৯। | কাণ্ডাৰা মুণ্ডা ... | ৮ | × | — | — |
| ৫০। | গোলোৰা পাহাড়ীয়া ... | ৪ | × | — | — |
| ৫১। | মঙ্গল পাহাড়ীয়া ... | ২ | × | + | — |
| ৫২। | লুগীয়া পাহাড়ীয়া ... | ১০ | × | — | — |
| ৫৩। | দূৰ্গা ওৰাং ... | ৪ | × | + | — |
| ৫৪। | মতিৰাম কৰ্মকাৰ ... | ৭ | × | — | — |
| ৫৫। | মুনু ওৰাং ... | ৪ | × | — | — |
| ৫৬। | মিনি ভূমিজ ... | ৪ | × | — | — |
| ৫৭। | বোবাই পাহাড়ীয়া ... | ৪ | × | + | — |
| ৫৮। | কাৰ্ত্তিক পাহাড়ীয়া ... | ২ | × | — | — |
| ৫৯। | ৰঘু পাহাড়ীয়া ... | ৯ | × | — | — |
| ৬০। | ৰবি কৰ্মকাৰ ... | ৪ | × | — | — |
| ৬১। | বাবুনা পাহাৰীয়া ... | ৭ | × | — | — |
| ৬২। | চেনীৰাম পাহাড়ীয়া ... | ৪ | × | — | — |
| ৬৩। | কৰ্ণ ভুমিজ ... | ৫ | × | + | — |
| ৬৪। | আচাৰাম কৰ্মকাৰ ... | ৮ | × | + | — |
| ৬৫। | ফিৰ্তু গোৱালা ... | ৪ | × | — | — |
| ৬৬। | ৰচুনা কৰ্মকাৰ ... | ৬ | × | — | — |
| ৬৭। | লালচাই গড় ... | ৭ | × | + | — |
| ৬৮। | চুফল কৰ্মকাৰ ... | ৮ | × | — | — |
| ৬৯। | চুকৰা ... | ৩ | × | — | — |
| ৭০। | তিকু গুৱালা ... | ১৫ | × | + | — |

নোমল চন্দ্ৰ বৰা
সাং ননকে নাহৰণি





জিলা—দৰং গাওঁ—বৰডোগ
পোঃ অঃ ডুবিয়া মৌজা—গহপুৰ

| পৰিয়ালৰ মূল মানুহজনৰ নাম | | পৰিয়ালৰ জনসংখ্যা | মাটিৰ পৰিমাণ | হালৰ গৰু আছে নে নাই | বৰ্ত্তমান খাবলৈ আছে নে নাই |
|---|---|---|---|---|---|
| ১। | ভূধৰ শইকীয়া ... | ৮ | | + | — |
| ২। | ধৰ্ম শইকীয়া ... | ৫ | | + | — |
| ৩। | বগাই শইকীয়া ... | ৬ | × | — | — |
| ৪। | যগেশ্বৰ বৰা ... | ৯ | | + | — |
| ৫। | উমাৰাম তামুলী ... | ৯ | × | + | — |
| ৬। | উমেশ শইকীয়া ... | ৮ | × | — | — |
| ৭। | প্ৰভাত চলিহা ... | ৬ | × | + | — |
| ৮। | বলাই শইকীয়া ... | ৭ | × | + | — |
| ৯। | ডিম্বেশ্বৰ শইকীয়া ... | ৮ | × | + | — |
| ১০। | থুল বৰা ... | ৩ | × | — | — |
| ১১। | সুধীৰ বৰা ... | ২ | × | + | — |
| ১২। | প্ৰেম বৰা ... | ৩ | | | |
| ১৩। | যদু শইকীয়া ... | ৬ | | — | — |
| ১৪। | তুভী বৰুৱা ... | ৩ | | — | — |
| ১৫। | মোহন বৰুৱা ... | ৭ | | — | — |
| ১৬। | গন্ধৰাম বৰুৱা ... | ৩ | | + | — |
| ১৭। | মইনা বৰুৱা ... | ৭ | | — | — |
| ১৮। | পূৰ্ণ কাকতি ... | ১০ | | + | — |
| ১৯। | গুণাৰাম ভূঞা ... | ৬ | | + | — |
| ২০। | ভৰত হাজৰীকা ... | ১ | × | + | — |
| ২১। | জুৰণ বৰা ... | ৩ | × | × | — |
| ২২। | মলুকা বৰা ... | ৭ | | — | — |
| ২৩। | বাপুকন বৰা ... | ১৩ | | + | — |
| ২৪। | বাপুৰাম বৰা ... | ৮ | | + | — |
| ২৫। | কন বৰা ... | ৭ | × | — | — |



OKDISCD

| পৰিয়ালৰ মূল মানুহজনৰ নাম | | পৰিয়াল জনসংখ্যা | মাটিৰ পৰিমাণ | হালৰ গৰু আছে নে নাই | বৰ্ত্তমান খাবলৈ আছে নে নাই |
|---|---|---|---|---|---|
| ২৬। | চাকীৰাম বৰা ... | ৯ | | + | — |
| ২৭। | অনুৰাম বৰা ... | ৯ | × | × | — |
| ২৮। | ভদ বৰা ... | ৭ | | — | — |
| ২৯। | খলৌ বৰা ... | ৭ | × | — | — |
| ৩০। | চেপাই বৰা ... | ৭ | | — | — |
| ৩১। | হেমোৰাম বৰা ... | ৬ | × | — | — |
| ৩২। | মনিৰাম বৰা ... | ২ | | — | — |
| ৩৩। | গুণাৰাম শইকীয়া ... | ১০ | | + | — |
| ৩৪। | লাঙিয়া বৰা ... | ৪ | × | — | — |
| ৩৫। | গোলাপ বৈষ্ণৱ ... | ৮ | | + | — |
| ৩৬। | গণেশ ভড়ালী ... | ১০ | | + | — |
| ৩৭। | বাবুল দাস ... | ৮ | × | — | — |
| ৩৮। | অকন ভৰালী ... | ১০ | | + | — |
| ৩৯। | গণেশ ভূঞা ... | ১২ | | + | — |
| ৪০। | নীলকান্ত বৰা ... | ৬ | | + | — |
| ৪১। | থলুৱা বৰা ... | ৭ | | + | — |
| ৪২। | বেজীয়া বৰুৱা ... | ৮ | | + | — |
| ৪৩। | পোৱাল ভূঞা ... | ৭ | | + | — |
| ৪৪। | অকন ৰাজখোৱা ... | ৬ | × | — | — |
| ৪৫। | সোম বৰা ... | ৭ | | + | + |
| ৪৬। | কনাই ভূঞা ... | ২ | | + | ÷ |
| ৪৭। | কন দাস ... | ৮ | | + | + |
| ৪৮। | তিলক বৰা ... | ৫ | | + | + |
| ৪৯। | বলী হাজৰীকা ... | ৩ | | + | + |
| ৫০। | উমাৰাম হাজৰীকা ... | ১৪ | | + | + |
| ৫১। | পুণ্য প্ৰসাদ বৰুৱা ... | ৭ | | + | + |
| ৫২। | গোপাল ভূঞা ... | ৭ | | + | + |
| ৫৩। | খগেশ্বৰ শইকীয়া ... | ৭ | | + | + |
| ৫৪। | ভোগেশ্বৰ হাজৰীকা ... | ১ | | + | + |

সংগ্ৰাহক নোমল চন্দ্ৰ বৰা
সাং—ননকে নাহৰণি



# শ্বেক্সপীয়েৰ আৰু তেওঁৰ সমাজ

শ্ৰীযামিনী ফুকন

( যোৱা সংখ্যাৰ পাছৰ পৰা )

ব্যৱসায়িক শ্ৰেণী ঃ

শ্বেক্সপীয়েৰৰ যুগৰ ব্যৱসায়িক শ্ৰেণীৰ কথা উল্লেখ কৰিবলৈ যাওঁতে মনলৈ আহে শ্বেক্সপীয়েৰৰ দ্বাৰা ৰচিত The Merchant of Venice নাটকত ছাইলকে বেছেনিঅক এণ্টনিঅৰ কথা উল্লেখ কৰি কোৱা কথাষাৰ "he hath an argosy bound to Tripolis, another to the Indies ; I understand, moreover, upon the Rialto, he hath a third at Mexico, a fourth for England—and other ventures he hath, squand'red abroad. But ships are but boards, sailors but men ; there be land-rats and water-rats, water-thieves and land-thieves—I mean pirates ;" ( Act 1, Scene 3, ). ছাইলকৰ উক্ত মন্তব্যই শ্বেক্সপীয়েৰৰ যুগৰ ইংলেণ্ডৰ সদাগৰসকলে প্ৰায় সমগ্ৰ বিশ্ব জুৰি কৰা ব্যৱসায়ৰ চিত্ৰ এখন আমাৰ আগত ডাঙি ধৰে। সদাগৰ শ্ৰেণীৰ প্ৰতিনিধি স্বৰূপ এণ্টনিঅৰ বৃহদাকাৰৰ বাণিজ্য জাহাজ এখন ট্ৰিপলিলৈ গৈছে। ট্ৰিপলি হ'ল উত্তৰ আফ্ৰিকাৰ এটা বন্দৰ আৰু লিবিয়া দেশৰ ৰাজধানী। তেওঁৰ আন এখন জাহাজে বাণিজ্য-সম্ভাৰ ইণ্ডিজ অৰ্থাৎ ভাৰতবৰ্ষলৈ কঢ়িয়াইছে। তৃতীয়খন মেক্সিকলৈ যাবলৈ সাজু হৈছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ইংলেণ্ডৰ সদাগৰসকলে তেওঁলোকৰ বাণিজ্য স্বদেশ বা ইউৰোপৰ ভিতৰতে আৱদ্ধ নাৰাখি সাগৰ-মহাসাগৰৰ উত্তাল তৰঙ্গ অদম্য সাহস আৰু অফুৰন্ত উৎসাহেৰে অতিক্ৰম কৰি পৃথিবীৰ বিভিন্ন প্ৰান্তলৈ সম্প্ৰসাৰণ কৰিলে। মহাৰাণী এলিজাবেথৰ যুগত আৰম্ভ হোৱা যি বৈদেশিক বাণিজ্যই সময়ৰ সোঁতত বেলি ডুব নোযোৱা সাম্ৰাজ্য এখন প্ৰতিষ্ঠা কৰাত ইংলেণ্ডক সহায় কৰিছিল সেই বাণিজ্য স্বাভাৱিকতে একেদিনাই গঢ়লোৱা নাছিল। কিছুদূৰ উলটি গলে দেখা পাওঁ যে ৩য় এডৱাৰ্ডৰ ৰাজত্ব কালতেই ( ৰাজত্ব কাল ১৩১২-১৩৭৭ )



OKDISCD

ইংলেণ্ডৰ বৈদেশিক বাণিজ্যৰ প্ৰশস্ত আৰু সুদৃঢ় ভেটি স্থাপন কৰা হৈছিল। অতীতৰ পৰাই বস্ত্ৰোৎপাদনকাৰী দেশ হিচাপে ইংলেণ্ড বিখ্যাত আছিল। ৩য় এডৱাৰ্ডৰ ৰাজত্ব কালত ইংলেণ্ডত কাপোৰৰ উৎপাদন যথেষ্ট বৃদ্ধি পায়। দেশৰ চাহিদা পূৰণ কৰি ৰাহি হোৱা কাপোৰ বিদেশলৈ ৰপ্তানি কৰি ইংলেণ্ডে যথেষ্ট অৰ্থ সম্পদ লাভ কৰে। হাতলৈ ধন অহাৰ লগে লগে মানুহৰ ধৰণ পৰিবৰ্তন হোৱাটো নিতান্তই স্বাভাৱিক। ইংলেণ্ডৰ বিত্তবান সম্প্ৰদায়ো ইয়াৰ ব্যতিক্ৰম নাছিল, বৰং তেওঁলোকৰ জীৱনত সুদূৰ প্ৰসাৰী পৰিবৰ্তন সংঘটিত হ'ল। চতুৰ্দশ শতাব্দীৰ শেষৰপৰাই তেওঁলোকে লাহ-বিলাহ পূৰ্ণ আৰামদায়ক জীৱন-যাত্ৰা আৰম্ভ কৰিলে। লাহ-বিলাহ বৃদ্ধিৰ লগে লগে না-না বিধ ব্যৱসায়ৰ সম্প্ৰসাৰণো হ'ল কিয়নো "ভদ্ৰ সম্প্ৰদায়ে" বিচৰা বিলাসৰ সামগ্ৰীসমূহ যোগানধৰি ব্যৱসায়িক শ্ৰেণীটোৱে পুনৰ বহুত ধন লাভ কৰিলে। কষ্টবিহীন বিলাসী জীৱন যাপন কৰা "ভদ্ৰ সম্প্ৰদায়" টোৱেই এনেদৰে বণিক সম্প্ৰাদায়ক সহায় কৰি শ্ৰেণী হিচাপে তেওঁলোকক শক্তিশালী কৰিলে।

ফ্ৰান্সৰ লগত হোৱা এশ বছৰীয়া যুদ্ধৰ সময়ত ৩য় এডৱাৰ্ডৰ ৰাজকোষত যথেষ্ট ধন নথকাত নিজৰ প্ৰজাৰ পৰাই ৰজাই ধন ধাৰে লবলৈ বাধ্য হৈছিল। ৰজাৰ এই আৰ্থিক সঙ্কটৰ সুযোগ পুৰামাত্ৰাই গ্ৰহণ কৰিছিল ধন ধাৰে দিয়া লোকসকলে; তেওঁলোকে হয় নিজৰ পৰিয়ালৰ বাবে নহয় তেওঁলোকৰ উদ্যোগ বা ব্যৱসায় বা তেওঁলোকে বাসকৰা নগৰখনৰ উন্নতিৰ কাৰণে কিছুমান সুবিধা ৰজাৰ পৰা আদায় কৰিছিল। এই খিনিতে এই কথা উল্লেখ কৰা উচিত হব যে এশ বছৰীয়া যুদ্ধখন অকল ৰাজবংশৰ উচ্চাকাঙ্ক্ষা পূৰণৰ কাৰণেই সংঘটিত হোৱা নাছিল; ফ্লেণ্ডাৰচ্ (Flanders) আৰু ফ্ৰান্সত যাতে ইংলেণ্ডৰ কাপোৰ আৰু উলৰ ব্যৱসায় অব্যাহত থাকে সেই উদ্দেশ্যেও ইংলেণ্ডৰ শাসকবৰ্গ তৎপৰ হৈছিল। শ্ৰেণী হিচাপে ব্যৱসায়ীসকলক দুৰ্বল আৰু নিশকতীয়া কৰিবলৈ যত্ন কৰাটো দূৰৰ কথা, সকলোধৰণৰ সা-সুবিধা আগবঢ়াই ৰজাই বৰং তেওঁলোকক ৰক্ষণাবেক্ষণহে দিছিল। উদাহৰণস্বৰূপে কব পাৰি যে বিদেশী জাহাজে যাতে ইংৰাজ ব্যৱসায়ীৰ পণ্য-সামগ্ৰী ইংলেণ্ডৰ নদ-নদীৰ বুকুৰেদি কঢ়িয়াই নিব নোৱাৰে তাৰ ব্যৱস্থা ২য় ৰিচাৰ্ডৰ ৰাজত্ব কালতেই (জন্ম ১৩৬৭—মৃঃ ১৪০০) আইনৰ যোগেদি কৰা হৈছিল। অৱশ্যে এই কথা





স্বীকাৰ্য যে প্ৰয়োজনীয় সংখ্যক জাহাজ নিজৰ নথকা বাবে ষ্টুৱাৰ্টসকলৰ দিনলৈকে বস্ত্ৰবস্তুৰ আমদানি বা ৰপ্তানিৰ ক্ষেত্ৰত ইংৰাজ বণিকসকলে বিদেশী জাহাজৰ সহায় লবলৈ বাধ্য হৈছিল।

চতুৰ্দশ শতাব্দীৰ শেষভাগত ইংলেণ্ডে উৎপাদন কৰা কেঁচা উল য়ুৰোপৰ প্ৰায় সকলো দেশলৈকে ৰপ্তানি কৰা হৈছিল আৰু এই ব্যৱসায়ত লাভকৰা অভিজ্ঞতাৰে এই দেশে পিছৰ যুগত প্ৰায় সমগ্ৰ বিশ্বৰ কাপোৰৰ ব্যৱসায় বহুদূৰ পৰ্যন্ত নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছিল।

এই বস্ত্ৰোৎপাদন আৰু ৰপ্তানি কাৰ্য্যত নিহিত আছিল পুঁজীবাদৰ বীজ। ইংলেণ্ডৰ বণিক শ্ৰেণীৰ কথা কবলৈ যাওঁতে সেই দেশত পুঁজিবাদৰ বীজ কেনেকৈ সিচা হ'ল তাক চমুকৈ উল্লেখ কৰা প্ৰয়োজন।

মধ্যযুগৰ ইংলেণ্ডৰ সৰু সৰু নগৰবোৰত বাস কৰা বণিকসকলে বেহা-বেপাৰ বৃদ্ধি কৰিবৰ উদ্দেশ্যে নিজ নিজ অঞ্চলত কিছুমান নীতি নিয়ম কৰি লৈছিল। বিভিন্ন নগৰত বাসকৰা বণিকসকলৰ মাজত মৈত্ৰীৰ ভাৱতো নাছিলেই বৰং এখন নগৰত ব্যৱসায় বাণিজ্য বৃদ্ধি হোৱা দেখিলে অন্য এখন নগৰৰ বণিক সকল ঈৰ্ষানলত দাহ গৈছিল। কিন্তু বিদেশৰপৰা যেতিয়া ধন আহিবলৈ ললে তেতিয়া 'জাতীয় স্বাৰ্থ'ৰ খাতিৰত, নগৰবোৰৰ নিজা নিয়মৰ পৰিবৰ্তে 'জাতীয়' নীতি-নিয়ম সৃষ্টি কৰি সকলো নগৰকে সেই নীতি-নিয়মৰ বান্ধোনৰ মাজলৈ আনিবৰ কাৰণে সময়ে সময়ে প্ৰচেষ্টা চলোৱা হৈছিল। সেই প্ৰচেষ্টা এসময়ত ফলবতী হ'ল।

বিদেশৰ বজাৰত ইংলেণ্ডৰ কাপোৰৰ চাহিদা ক্ৰমশঃ বৃদ্ধি হোৱাত ইয়াৰ উৎপাদনো ক্ৰমশ: বৃদ্ধি কৰিব লগা হ'ল আৰু উৎপাদন ব্যৱস্থা অব্যাহত ৰাখিবৰ কাৰণে প্ৰয়োজন হ'ল যথেষ্ট পৰিমাণৰ 'মূলধন'ৰ। উৎকৃষ্ট কাপোৰ তৈয়াৰ কৰিবলৈ হলে সূতা কটা, বোৱা, ৰং দিয়া, উৎকৰ্ষসাধন কৰা (finishing) ইত্যাদি বিভিন্ন পৰ্যায়ৰ মাজেদি আগবাঢ়িব লগা হয় আৰু গোটেই কামখিনিৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ যি পৰিমাণৰ মূলধন প্ৰয়োজন সেই পৰিমাণৰ মূলধন ইংলেণ্ডৰ সেই সময়ৰ Craft Guild বোৰৰ হাতত নথকাত আঢ্যৱন্ত লোকসকলে এই সুযোগ গ্ৰহণ কৰিলে। এতিয়া তেওঁলোকৰ তত্ত্বধানত উৎপাদনৰ আৰু বিক্ৰি কাৰ্য্য চলিল।



OKDISCD

বস্ত্ৰোৎপাদনৰ সমস্ত কাৰ্য্য আকৌ একেখন ঠাইতেই সম্পাদিত হোৱা নাছিল। ক'ৰবাত উৎপাদন হৈছিল কেঁচা মাল, ক'ৰবাত হৈছিল সূতা কটা, ক'ৰবাত তাত বোৱা হৈছিল, বোৱা কাপোৰৰ ওপৰত ৰং দিয়া হৈছিল আন কোনো এখন ঠাইত। মুঠতে সেই সময়ত ইংলেণ্ডৰ প্ৰায় সকলোবোৰ ঠাইতেই বস্ত্ৰোৎপাদন সম্পৰ্কীয় কিবা এবিধ নহয় কিবা এবিধ কাৰ্য্য সম্পাদন কৰা হৈছিল। এনে কাৰ্য্যৰ কথা উল্লেখ কৰি William Forrest নামৰ এজন কবিয়ে লিখিছে ঃ

"No town in England, village or borough
But thus with clothing to be occupied.
Through not in each place clothing clean thorugh
But as the town is, their part so applied.
Here Spinners, here weavers, there clothes to be dyed,
With fullers and shearers as be thought best.
As the clothier may have his cloth drest."

(G. M. Trevelyan ৰচিত 'English Social History'ৰ পৰা উদ্ধৃত, পৃ ১৩৬)

"ইয়াত বাহিৰে নাই চহৰ, নগৰ বা গাওঁ ইংলেণ্ডত
কাপোৰৰ ব্যৱসায় য'ত চলি আছে।
যদিও একো স্থানতে পৰিপাটী কাপোৰ নোলায়
চহৰখনৰ ৰীতি ভিন্ ভিন্ অংশতহে ৰয়।
কৰবাত সুতা কাটে, বয়, নাইবা ৰং সানে
ক'ৰবাত ধোবা থাকে, ক'ৰবাত নোম কটা জনে।
যিদৰেই সাজোঁতাই পোছাক সাজিব ভাল পায়।"

বিভিন্ন স্থানৰ পৰা উৎপাদনৰ সামগ্ৰী কেঁচা মাল সংগ্ৰহ কৰি উল্লেখিত বিভিন্ন পৰ্য্যায়ৰ কামৰ কাৰণে বিভিন্ন স্থানত থকা বিভিন্ন কাৰিকৰলৈ (crafts man) প্ৰেৰণ, তাৰ পিছত ৰপ্তানিৰ কাৰণে গাওঁৰ পৰা নগৰহৈ বন্দৰলৈ চালান ইত্যাদি কাম সুচাৰুৰূপে সম্পাদন কৰিবলৈ পুঁজিবাদী ব্যৱসায়ীসকলে বহুতো কৰ্ম্মচাৰী দৰ্মহাৰ ভিত্তিত নিয়োগ কৰিব লগা হ'ল (যন্ত্ৰপাতিৰ সহায়ত ফেক্টৰি তৈয়াৰ কৰি তাৰ যোগেদি উৎপাদন কৰা হয় ১৮ শ শতাব্দীত।





তেতিয়ালৈকে পুঁজিপতি সকলে নিজৰ নিজৰ ঘৰতেই কাৰিকৰ নিয়োগ কৰি পণ্যদ্ৰব্য উৎপাদন কৰি নিজা পণ্যাগাৰত (warehouse) উৎপাদিত সামগ্ৰী সমূহ জমা ৰাখিছিল।) নৌ-পৰিবহন, কয়লাৰ ব্যৱসায় ইত্যাদি ব্যৱসায়ো এনে-ধৰণৰ পুঁজিবাদী ব্যৱস্থাৰে পৰিচালিত কৰা হৈছিল।

এইখিনিতে উল্লেখযোগ্য যে চতুৰ্দ্দশ শতাব্দীতেই পুঁজি বৃদ্ধিৰ উদ্দেশ্যে নিয়োগ-কাৰী ব্যৱসায়ী সকলে নানা ন উপায়েৰে কৰ্মচাৰী সকলক শোষণ কৰিবলৈ আৰম্ভ কৰে। গতিকে কৰ্মচাৰীসকলেও দৰ্মহা বৃদ্ধিৰ দাবীত মাজেসময়ে অকল হৰতাল কৰাই নহয়, নিজৰ শ্ৰেণীৰ সামূহিক অধিকাৰ সমূহ ৰক্ষা কৰা আৰু সা-সুবিধা বৃদ্ধিৰ দাবী কৰিবৰ কাৰণে আধুনিক Trade Union ৰ দৰে 'Yeoman Guilds' নামৰ অনুষ্ঠান পাতি লৈছিল। কৰ্মচাৰী হিচাপে নিয়োজিত হোৱাৰ আগতে কাৰিকৰ আদিৰ ব্যক্তিগত স্বাধীনতাৰ লগতে সামাজিক মৰ্য্যাদাও আছিল ; কিন্তু দৰ্মহাৰ ভিত্তিত কাম কৰিবলৈ লোৱাৰ লগে লগে তেওঁৰ ব্যক্তিগত স্বাধীনতা লুপ্ত হ'ল আৰু লগতে সামাজিক মৰ্য্যাদাকণো হেৰুৱালে।

টিউডৰসকলৰ ৰাজত্বৰ আৰম্ভণিৰ পৰা মাজভাগলৈকে ইংলেণ্ডৰ সামুদ্ৰিক বাণিজ্য এহাতে পৰ্তুগাল আৰু স্পেইন, অন্য হাতেদি হলে'ও পৰ্য্যন্ত চলিছিল। সেই সময়ৰ য়ুৰোপৰ বাণিজ্যৰ কেন্দ্ৰস্থল স্বৰূপ বেলজিয়ামৰ অন্যতম উল্লেখযোগ্য বন্দৰ এণ্টৱাৰ্পৰ (Antwerp) লগতে ইংলেণ্ডৰ সদাগৰ সকলে বেছি ভাগ বাণিজ্য চলাইছিল। ৭ম হেনৰী আৰু ৮ম হেনৰীৰ ৰাজত্বকালত ইংৰাজ সদাগৰ সকলে ইংলেণ্ডৰ জাহাজেৰে পণ্য সামগ্ৰী কঢ়িয়াই ভূমধ্যসাগৰৰ ক্ৰীট (Crete) পৰ্য্যন্ত ব্যৱসায়ৰ কাৰণে গৈছিল। ইতিমধ্যে ইটালীৰ পিচা (Pisa) নামৰ ঠাইতো ইংৰাজ ব্যৱসায়ীসকলে খুটি পুতিছিলগৈ। যোগাযোগৰ সুবিধাৰ কাৰণে ১৪৮৬ চনত তাত এজন ইংৰাজ দূত (Consul) নিযুক্ত কৰা হ'ল।

ইতিমধ্যে ১৪৯৭ চনত পৰ্তুগীজসকলে (ভাস্কোদা গামাৰ নেতৃত্বত) উত্তমাশা অন্তৰীপেৰে (The cape of Good Hope) প্ৰাচ্যলৈ যাব পৰা সামুদ্ৰিক পথ আৱিষ্কাৰ কৰে আৰু ইংৰাজ সকলেও ব্যৱসায়ৰ উদ্দেশ্যে তেওঁলোকৰ পথ অনুসৰণ কৰি "অন্ধকাৰ মহাদেশ"ত পদাৰ্পণ কৰেগৈ। ১৫২৮ চনতেই উইলিয়াম হকিন্স (William Hawkins) নামৰ অগ্ৰণী সদাগৰ এজনে গিনি উপকূলৰ নিগ্ৰোসকলৰ লগত হাতীদাঁতৰ ব্যৱসায় কৰিছিল। কিন্তু এই সদাগৰজনৰ জন (John) নামৰ



OKDISCD

বিখ্যাত পুত্ৰজনে আৰু এখোজ আগ বাঢ়ি গৈ স্বয়ং নিগ্ৰোসকলকে ব্যৱসায়ৰ সামগ্ৰীত পৰিণত কৰিলে।

দেশৰ জাতীয় উৎপাদন আৰু আয় বৃদ্ধিৰ কাৰণে কিছুমান অনুকূল অৱস্থাৰ সৃষ্টি হব লাগিব; দেশত শান্তি-শৃঙ্খলা অটুট থকাৰ উপৰিও ৰজা-প্ৰজাৰ সহযোগিতা আৰু উভয়ৰে মনোযোগ নিতান্তই আৱশ্যক। এলিজাবেথৰ যুগত বেহা-বেপাৰৰ যোগেদি দেশৰ জাতীয় আয় বৃদ্ধি পাইছিল কেইটামান উল্লেখযোগ্য কাৰণত। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল মহাৰাণীৰ দ্বাৰা প্ৰকৃত মূল্যৰ মুদ্ৰা (honest coin) প্ৰৱৰ্তন। এলিজাবেথৰ দেউতাক অষ্টম হেনৰীয়ে তেওঁৰ ৰাজত্বৰ শেষ ভাগত মিশ্ৰিত মুদ্ৰা তৈয়াৰ কৰি কিছুমান জটিল সমস্যাৰ সৃষ্টি কৰিছিল; ষষ্ঠ এডৱাৰ্ড (ৰাজত্ব কাল ১৫৩৭—৫৩) আৰু মেৰীৰ (ৰাজত্বকাল ১৫৫৩—১৫৫৮) ৰাজত্ব কালত বস্তুৰ মূল্য এনেদৰে বৃদ্ধি পাইছিল যে বেতন বা এবাৰ নিৰ্দ্ধাৰিত কৰা কৰ-কাটলে উৰ্দ্ধগামী মূল্যৰ লগত ফেৰ মাৰিব নোৱাৰিছিল। ক্ৰমে গুৰুতৰ আকাৰ ধাৰণ কৰা মূল্যস্ফীতিৰ এই সমস্যাৰ সমাধানৰ কাৰণে দুৰদৰ্শী এলিজাবেথে মনোনিৱেশ কৰি ১৫৬০ চনত ঘোষণা কৰিলে যে পুৰণা মিশ্ৰিত মুদ্ৰাৰ পৰিবৰ্ত্তে নতুন বিশুদ্ধ মুদ্ৰা প্ৰৱৰ্ত্তন কৰা হব। এনে বলিষ্ঠ আৰু দূৰদৃষ্টিসম্পন্ন কাৰ্য্যই প্ৰমাণ কৰিলে যে অৰ্থনীতিৰ এইটো দিশৰ প্ৰতি যে চৰকাৰৰ গধুৰ দায়িত্ব আছে সেই কথা ৰাণীয়ে হৃদয়ঙ্গম কৰিব পাৰিছিল; অন্যান্য বহুত মহামান্য শাসকেই কিন্তু এনেকৈ সময়োচিত কাৰ্য্য সম্পাদন কৰিব পৰা নাই। ৰাণীৰ এই বলিষ্ঠ পদক্ষেপে সুফল দিলে; এতিয়াৰ পৰা বস্তুৰ মূল্য নিয়মিত হ'ল। অৱশ্যে ৰাণীৰ ৰাজত্বকালতে মূল্যবৃদ্ধি ঘটিছিল আৰু স্পেনিচ আমেৰিকাৰ পৰা ৰূপ আৰু সোণৰ সোঁত ইংলেণ্ডলৈ ববলৈ ধৰাত প্ৰথম জেমছ (ৰাজত্ব কাল ১৬০৩—২৫) আৰু প্ৰথম চাৰ্লছৰ ৰাজত্বকালত (ৰাজত্বকাল ১৬২৫—১৬৪৯) দ্ৰব্য মূল্য দ্ৰুতভাৱে উৰ্দ্ধগামী হৈছিল। কিন্তু বেতন আৰু কৰ-কাটল, খাজনা আদিৰ নিৰিখ সময়োপযোগী কৰি সালসলনি কৰাত মূল্য বৃদ্ধিৰ সমস্যাটো নিয়ন্ত্ৰিত অৱস্থাতে আছিল। এই মূল্যবৃদ্ধিয়ে কোনো বিপৰ্য্যয়ৰ সৃষ্টিতো কৰা নাছিলেই বৰং ই ব্যৱসায় আৰু উদ্যোগবৃদ্ধিৰ সহায়কহে হৈছিল।

সীহ, তাম, টিন, লো, কয়লা ইত্যাদি সকলো ধৰণৰ খনিজাত সামগ্ৰীৰ উদ্‌ঘাটন আৰু বহুল ব্যৱহাৰ হ'ল এলিজেবেথৰ ৰাজত্ব কালৰ এটা উল্লেখ-





যোগ্য বৈশিষ্ট্য। উল্লেখিত খনিজাত সামগ্ৰীবোৰৰ সন্ধানত ইংলেণ্ডৰ বহুতো অঞ্চলত খনন কাৰ্য্য চলোৱা হৈছিল; আনকি সুদূৰ Lake District তো জাৰ্মান খনিজীৱীসকলে খনন কাৰ্য্য চলাই তাম আৰু অন্যান্য খনিজাত সামগ্ৰী উদ্ধাৰ কৰিছিল। ৰপ্তানিৰ কাৰণে মেণ্ডিপ পাহাৰত (The Mendip Hills) উদ্‌ঘাটন কৰা হৈছিল যথেষ্ট পৰিমাণৰ সীহ। নিমখ তৈয়াৰী কেন্দ্ৰও বৃদ্ধি পাইছিল। ইংলেণ্ডৰ লোহা পৃথিৱীৰ ভিতৰতে সৰ্বোৎকৃষ্ট বুলি পৰিগণিত হৈছিল। দেশৰ নৌ বাহিনীক সুসজ্জিত কৰি ৰখাৰ আৱশ্যকতা সকলোৱে অনুভৱ কৰিছিল। এই বাহিনীৰ কাৰণে প্ৰয়োজন হোৱা কামান, অন্যান্য অস্ত্ৰ শস্ত্ৰ, বাৰুদ আদি তৈয়াৰ কৰিবৰ কাৰণে লোহা আৰু অন্যান্য আৱশ্যকীয় সামগ্ৰী দেশৰ ভিতৰতে সংগ্ৰহ কৰা হৈছিল। ষ্টুৱাৰ্ট সকলৰ ৰাজত্ব কালত ইষ্ট ইণ্ডিয়া কম্পেনীৰ জৰিয়তে ভাৰতবৰ্ষৰ পৰা কেঁচা মালবোৰ আমদানি নকৰা পৰ্য্যন্ত নিজৰ দেশৰ বস্তুৰেই প্ৰয়োজনীয় চাহিদা পূৰণ কৰা হৈছিল।

শিল্প উদ্যোগ আদিৰ এনে সম্প্ৰসাৰণে দেশৰ বন-সম্পদ ৰাশি যে নিঃশেষ কৰি আনিছিল সেই কথা দেশৰ ৰাইজে ক্ৰমশঃ অনুভৱ কৰিছিল। লোহা, সীহ আৰু আইনা উদ্‌ঘাটন উৎপাদন বা ব্যৱহাৰোপযোগী কৰিবলৈ যাওঁতে বুজন পৰিমাণৰ খৰি বা কাঠ কয়লা পুৰিব লগা হৈছিল। এনেদৰে কাঠ পুৰিব লগা হোৱাত বিশাল বনাঞ্চলবোৰ মুকলি হৈছিল।

পৰিবেশ আৰু ভৌগোলিক অৱস্থাই ব্যক্তিগত আৰু জাতীয় চৰিত্ৰ গঢ় দিয়ে আৰু একোখন দেশৰ ৰাষ্ট্ৰনীতি নিৰ্ণয়ত সহায় কৰে। ক্ষুদ্ৰ ইংলেণ্ডক চাৰিওফালে আবৰি থকা সাগৰ কেইখনে ইংৰাজ জাতিক এটা বিখ্যাত শক্তিত পৰিণত কৰিছিল। এই সাগৰ কেইখনৰ উত্তাল তৰঙ্গৰ মাজত সাতুৰি, নাও বাই, জাহাজ চলাই অভিজ্ঞ হোৱা ইংৰাজ যুৱকে এলিজেবেথৰ ৰাজত্বকালত নতুন তথ্য, নতুন আবিষ্কাৰ আৰু অজস্ৰ সম্পত্তিৰ লগতে অভিজ্ঞতা আহৰণৰ আশাত সাগৰৰ পৰা এখোজ আগবাঢ়ি মহাসাগৰত দুঃসাহসিক যাত্ৰা আৰম্ভ কৰি দিলে। অৱশ্যে এই যাত্ৰা সুগম নাছিল; সম্পত্তি সংগ্ৰহো সহজ নাছিল। বিপদ সঙ্কুল সাগৰ যাত্ৰাৰ উপৰিও নতুনকৈ আৱিষ্কাৰ কৰা অঞ্চল সমূহৰ অধিবাসী সকলক বশ মনাবলৈয়ো অচিনাকী ঠাইত, আচহুৱা পৰিবেশত তুমুল যুদ্ধ কৰিব লগা হৈছিল। যুদ্ধত পৰাজয় কৰি ফ্ৰান্সক ইংলেণ্ডৰ



OKDISCD

বহুতীয়া কৰিবলৈ ইংলেণ্ডৰ প্লেণ্টাজেনেট ( Plantagenet ) ৰজাসকলৰ এটা অদম্য অভিলাষ আছিল। ফ্ৰান্সদেশ জয় কৰিলেও যে ইংৰাজসকল বিশেষ লাভবান হব নোৱাৰিব সেই কথা টিউডৰ যুগৰ ইংৰাজ সকলে বুজি পাবলৈ সক্ষম হ'ল। এতিয়া তেওঁলোকে উপলব্ধি কৰিলে যে দিগন্ত ব্যাপি থকা সাগৰ মহাসাগৰত অবিৰাম যাত্ৰা কৰি অশ্ৰুতপূৰ্ব অঞ্চলত বেহা-বেপাৰ কৰিব পাৰিলেহে ইংলেণ্ডৰ উন্নতি সম্ভৱ হব। ইংলেণ্ডৰ জাতীয় জীৱন বিপন্ন কৰিব খোজা আৰ্মাদাৰ ( Armada )ৰ ঘটনাৱলীয়ে ইংৰাজ সকলৰ মনত এই ধাৰণা দৃঢ় কৰিলে যে নিজ দেশৰ প্ৰহৰীৰ পহৰাধীন সাগৰেদি লুটপাত বা আক্ৰমণৰ কোনো ভয় নথকাকৈ মুকলি মনেৰে বেহা-বেপাৰ কৰিব পাৰি।

প্ৰত্যেক ছবিৰেই দুটা দিশ থাকে; গতিকে অতি সহজেই মানুহৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা সুখ স্বাচ্ছন্দ্যৰ ছবিখনৰ অন্তৰালতো দুঃখ হাহাকাৰ বীভৎসতাৰ কাহিনী থকাটো স্বাভাৱিক। শতিকাৰ পিছত শতিকাধৰি প্ৰদৰ্শন কৰি অহা বদ্‌অভ্যাসবোৰ মানুহে সোনকালে বা সহজে এৰিব নোৱাৰে। বৈদেশিক বাণিজ্যৰে নিজৰ অৱস্থা স্বচ্ছল কৰিব খোজা এলিজাবেথীয়সকলে নিগ্ৰোসকলক পণ্যদ্ৰব্য হিচাপে কিনা বেচা কৰি তেওঁলোকৰ কান্ধত দাসত্বৰ বোজা জাপি দিছিল; কিন্তু ইয়াৰ দ্বাৰা নিগ্ৰোসকলক সকলো মানৱীয় অধিকাৰৰ পৰা কেনে নিষ্ঠুৰভাৱে বঞ্চিত কৰা হৈছিল সেই কথা তেওঁলোকে অনুভৱ কৰিব পৰা নাছিল। অনুৰূপভাৱে আইৰিছ সকলকো লুণ্ঠন বা হত্যা কৰা হৈছিল। কিন্তু এনেবোৰ গৰ্হিত কাৰ্য্যৰ বিৰুদ্ধে কোনো ইংৰাজেই প্ৰতিবাদৰ ক্ষীণ, অস্ফুট ধ্বনি এটাও কৰা নাছিল। স্বৰ্ণ উপত্যকাত ব্যৱসায় কৰা জন হকিন্স ( John Hawkins ) বা আয়াৰলেণ্ডত থকা এডমাণ্ড স্পেন্সাৰৰ নিচিনা উচ্চবংশীয়, উচ্চ শিক্ষিত লোকেও অনুভব কৰা নছিল যে মাৰাত্মক বিষবৃক্ষৰোপণত তেওঁলোকেও অংশ গ্ৰহণ কৰিছে। বিদেশত সংঘটিত কৰা এই অমানুষিক ঘটনাৱলীৰ বাহিৰেও স্বদেশত যেই সেই তিৰোতা মানুহকে যখিনী (witch) বুলি বিবেচনা কৰি শাস্তি বিহা, জেচুইট মিশ্যনেৰীসকলক জীৱন্তে ধৰি টুকুৰা টুকুৰ কৰি কাটি শাস্তি বিহ', ভিন্ন মতবাদী পিউৰিটান (puritan) সকলক ফাঁচী দিয়া—মুঠতে 'এনেবোৰ শাস্তিৰ আশঙ্কাত কিছুমান





মানুহে সন্ত্ৰস্ত জীৱন কটাইছিল। কিন্তু য়ুৰোপৰ কোনো কোনো ঠাইৰ তুলনাত এনে দুৰ্ভোগ ভোগা মানুহৰ সংখ্যা এলিজাবেথীয় ইংলেণ্ডত বৰ বেছি নাছিল। পৃথক ধৰ্ম মতাৱলম্বী মানুহক এনে ধৰণে শাস্তি বিহা হৈছিল যে স্পেইন, নেদাৰলেণ্ড আৰু ফ্ৰান্স এক ধৰণৰ কচাইখানাত পৰিণত হৈছিল। তুলনামূলক ভাৱে ইংলেণ্ড এনে অত্যাচাৰৰ পৰা মুক্ত আছিল। সাগৰৰ সিপাৰে ঘটি থকা এনে নিষ্ঠুৰ ঘটনাৱলী আৰু নিজ দেশত বিৰাজমান শান্তিময় পৰিস্থিতিৰ বিষয়ে অৱগত হৈ ইংৰাজ সকলে অনুভৱ কৰিছিল যে তেওঁলোক প্ৰকৃততেই এটা বেলেগ দ্বীপৰ অধিকাৰী, তেওঁলোকৰ এটা স্বকীয়া সত্বা আছে আৰু তেওঁলোকৰ ৰাণী সঁচাকৈয়ে জ্ঞানী।

সাগৰীয় অভিযানৰ অভূতপূৰ্ব্ব সম্প্ৰসাৰণে এলিজাবেথৰ ইংলেণ্ডত অতি গুৰুত্বপূৰ্ণ সামাজিক পৰিবৰ্ত্তন সাধন কৰিলে। স্মৰণাতীত কালৰেপৰা নেদাৰলেণ্ড আৰু ফ্ৰান্সৰ লগত সামুদ্ৰিক পথেৰে ইংলেণ্ডৰ যোগাযোগ আছিল কিন্তু মহাৰাণীৰ ৰাজত্ব কালতে ইংলেণ্ডৰ সদাগৰ সকলে দূৰৱৰ্ত্তীস্থানত (কেতিয়াবা ভূমণ্ডলৰ সিটো ফালে) নতুন বজাৰ পাতিলেগৈ। নতুন বজাৰৰ আবিষ্কাৰে সামাজিক পৰিবৰ্ত্তন সধাৰ লগে লগে মানুহৰ চিন্তাৰ পৰিবৰ্ত্তনো সাধিছিল। মহাসাগৰত অবিৰাম যাত্ৰা কৰি মহাসাগৰৰ সিপাৰে থকা নতুন নতুন দেশ আবিষ্কাৰৰ প্ৰচেষ্টা, জাতীয় বীৰ বুলি স্বীকৃত হোৱা ড্ৰেক (Drake), ফ্ৰবিছাৰ (Frobisher) আৰু ৰলে' (Raleigh) ইত্যাদি দেশ আবিষ্কাৰক সকলৰ নানা ৰঙেৰে ৰঞ্জিত বীৰত্বৰ কাহিনী, শত্ৰু জাহাজ আক্ৰমণ বা লুণ্ঠনৰ কাৰণে অধিকাৰ পোৱা জাহাজৰ অধ্যক্ষ আৰু দেশ আবিষ্কাৰক সকলৰ জীৱনত ঘটা অবিস্মৰণীয় ৰমনীয় ঘটনা আৰু তেওঁলোকে আহৰণ কৰা সম্পত্তিৰ তালিকা, জাতীয় শক্তি বৃদ্ধি আৰু ব্যক্তিগত উন্নতি লাভৰ উপায় হিচাপে উপনিবেশ স্থাপন কৰা, ইংলেণ্ডৰ সম্পদ বৃদ্ধি আৰু প্ৰকৃত নিৰাপত্তাৰ কাৰণে দেশৰ নৌ বাহিনীক সকলোদিশৰ পৰা শক্তিশালী কৰা ইত্যাদি বিষয়বোৰ ৰাজ পৰিষদ, পাৰ্লামেণ্ট, জমিদাৰৰ বাস ভৱন, মহানগৰী, কাৰখানা আৰু খেতিপথাৰ ইত্যাদি সকলো ক্ষেত্ৰতে থকা সকলো স্তৰৰ মানুহে বিস্তাৰিত ভাৱে আলোচনা কৰিবলৈ ধৰিলে। যি পৰিমাণৰ বৈদেশিক সম্পত্তি ইলেণ্ডলৈ আহিছিল তাৰ তুলনাত ক্ষতি হোৱা ধন-জন অতি নগন্য বিধৰ আছিল। আনকি ফ্ৰান্সৰ কেলেৰ (Calais) ওপৰত



OKDISCD

ইংলেণ্ডে কর্তৃত্ব চিৰ দিনৰ কাৰণে হেৰুৱাবলগীয়া হোৱাতো কোনেও অশ্ৰুপাত নকৰিলে। ১৫৫৮ চনৰ ৮ জানুৱাৰীত কেলে ইংলেণ্ডৰ অধিকাৰচ্যুত হয়।

ইংৰাজ জাতিয়ে এতিয়া নতুন বস্তু, নতুন বিষয়ৰ ওপৰত গভীৰ আশাৰে দৃষ্টিপাত কৰিবলৈ ধৰিলে। ইংৰাজ জাতিৰ মন এতিয়া উৰণীয়া হ'ল; প্ৰতি মুহূৰ্ত্ততে তেওঁলোকে শুনিবলৈ পালে সুদূৰৰ আকুল আহ্বান। The Principal Navigations, Voiages and Discoveries of the English Nation নামৰ কিতাপখনৰ লিখক হেকলুট (Haklynt) শ্বেক্সপীয়েৰৰ যুগত অতি প্ৰভাৱশালী লিখক বুলি পৰিগণিত হ'ল। এই কিতাপখনৰ প্ৰথম প্ৰকাশ হৈছিল ১৫৮৯ চনত, বৰ্দ্ধিত সংস্কৰণ (এই কিতাপৰ) ৩টা খণ্ডত প্ৰকাশ পালে। ইংৰাজ আৱিষ্কাৰক আৰু নাৱিকসকলৰ বীৰত্বপূৰ্ণ কাহিনীৰ সৰস বৰ্ণনাৰ যোগেদি এই লিখকজনে দুঃসাহসিক যুৱক, পণ্ডিত, ৰাজনীতিজ্ঞ সদাগৰ আৰু ধন নিয়োগ কৰিবলৈ সমৰ্থ ব্যক্তিসকলৰ মনোযোগ সাগৰৰ সিপাৰলৈ আকৰ্ষণ কৰিবলৈ সমৰ্থ হ'ল। আনকি সাগৰৰপৰা বহু দূৰত বাস কৰা জমিদাৰ আৰু ধনী খেতিয়কসকলৰ বহুতেই সাগৰ মহাসাগৰৰ সিপাৰে থকা বিৰাট বিৰাট অঞ্চল একোটা কেনেকৈ খেতিৰ উপযোগী কৰিব পাৰিব তাৰ সপোন দেখিবলৈ ধৰিলে। (এই সপোন এদিন বাস্তৱত ৰূপায়িত হৈছিল)।

[আগলৈ]


ডিব্ৰুগড় মাৰ্ক্সবাদী লীগৰ মুখপত্ৰ

ছমহীয়া আলোচনী

**অঙ্গীকাৰ**

গ্ৰাহক চান্দা — বছৰেকীয়া—৬৲ ছমহীয়া—৩৲

সম্পাদক— উদয়ন মিশ্ৰ

ডিব্ৰুগড় বিশ্ববিদ্যালয় পোঃ আঃ




# মানব সমাজৰ অগ্ৰগতি আৰু সমাজ বিপ্লৱ

উমা শৰ্ম্মা

### ১ম খণ্ড

### মাৰ্ক্সবাদৰ পটভূমি আৰু ঐতিহাসিক বস্তুবাদৰ মূল কথা

বৰ্ত্তমান সমাজত আৰু বিগত সমাজ ব্যৱস্থাবোৰতো শাসক শ্ৰেণীয়ে সদায় দেখুৱাই আহিছে আৰু দেখুৱাবৰ চেষ্টা কৰি আহিছে যে বিপ্লৱ মানে কিছুমান উশৃঙ্খল মানুহে সৃষ্টি কৰা কটাকটি মাৰামাৰি আৰু সমাজ বিৰোধী কাৰ্য্য, বিপ্লৱে কোনো হিতসাধন কৰা নাই। আনহাতে শাসক শ্ৰেণীসমূহে শোষিত জনসাধাৰণক প্ৰতাৰণা কৰাৰ উদ্দেশ্যে অৱতাৰণা কৰা কিছুমান অলীক সংস্কাৰবাদী পৰিকল্পনাকো "বিপ্লৱ" বুলি অভিহিত কৰি বিপ্লৱ সম্পৰ্কে জনসাধাৰণৰ মনত কিছুমান ভ্ৰান্তধাৰণাৰ সৃষ্টি কৰাৰ চেষ্টা চলাই থাকে। মানৱ সমাজৰ ইতিহাসৰ, বিভিন্ন স্তৰত বিপ্লৱৰ কিছুমান গুৰুত্বপূৰ্ণ ভূমিকাৰ কাৰণেই জনসাধাৰণৰ মাজত বিপ্লৱৰ প্ৰতি এটা আকৰ্ষণ সাধাৰণ ভাৱে জাগি উঠিছে। বৰ্ত্তমান সমাজত এই আকৰ্ষণে জনসাধাৰণৰ কল্পনাত বিপ্লৱক এনে এটা স্থানলৈ উন্নিত কৰিছে যে বিপ্লৱত বাহিৰে জনসাধাণৰ দুখ মোচনৰ, শোষণৰ অৱসানৰ সামাজিক অসমতা আৰু সামাজিক দুৰ্নীতিবোৰ লোপ কৰাৰ অন্য একো বিকল্প পথ নাই। মানৱ সমাজত বিভিন্ন যুগত বিভিন্ন বিপ্লৱ ঘটিছে। কিন্তু বিগত দুই শতাব্দীত ঘটা ফৰাছী বিপ্লৱ আৰু ইউৰোপৰ অন্যান্য দেশত ঘটা গণতান্ত্ৰিক বিপ্লৱবোৰ আৰু এই শতিকাত ঘটা ৰুচ বিপ্লৱ, চীনৰ বিপ্লৱ আদিৰ স্মৃতি জনসাধাৰণৰ মনত সম্পূৰ্ণ সজীৱ আৰু সতেজ হৈ আছে, আৰু এইবোৰেই জনসাধাৰণক বিপ্লৱৰ প্ৰতি আকৃষ্ট কৰাৰ প্ৰধান উপাদান।

যুগে যুগে বিপ্লৱৰ বিৰুদ্ধে শোষক আৰু শাসক শ্ৰেণীয়ে যেনেকৈ নানা ধৰণৰ দাৰ্শনিক ৰাজনৈতিক আৰু অৰ্থনৈতিক তত্ত্বৰ অৱতাৰণা কৰি আহিছে; ঠিক তেনেদৰেই শোষিত শ্ৰেণী সমূহৰ স্বাৰ্থৰ হকেও, বিপ্লৱৰ হকেও, বিপ্লৱৰ সপক্ষে নানা ধৰণৰ দাৰ্শনিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক তত্ত্বৰ সৃষ্টি হৈছে আৰু এই তত্ত্ববোৰে বিভিন্ন যুগত বিভিন্ন ধৰণে বিপ্লৱ সংঘটিত হোৱাত সহায় কৰিছে।



OKDISCD

উনৈশ শতিকাত ইউৰোপৰ বহু দেশতেই পুঁজিবাদী সমাজ ব্যৱস্থা প্ৰতিষ্ঠা হৈছে আৰু কিছুমান দেশত চলি থকা সামন্তবাদী সমাজ ব্যৱস্থাই পুঁজিবাদলৈ উত্তৰণৰ যাত্ৰা আৰম্ভ কৰিছে, তেনে এটা ঐতিহাসিক পটভূমিত কাৰ্লমাৰ্ক্স আৰু ফ্ৰেদৰিক এঙ্গেলছে ইউৰোপৰ ৰাজনৈতিক মঞ্চত প্ৰবেশ কৰে। সামন্তবাদী সমাজ ব্যৱস্থাক পুঁজিবাদলৈ ৰূপান্তৰিত কৰাৰ কাৰণে উদীয়মান বুৰ্জুৱা শ্ৰেণীয়ে গণতান্ত্ৰিক বিপ্লৱৰ নেতৃত্ব গ্ৰহণ কৰি বিপ্লৱৰ সপক্ষে নানা ধৰণৰ তত্ত্বৰ আশ্ৰয় লৈছে; আৰু সামন্তবাদক জীয়াই ৰাখিব বিচৰা সকলেও বিপ্লৱৰ বিপক্ষে নানা ধৰণৰ তত্ত্বৰ আশ্ৰয় লৈছে সামন্তবাদক জীয়াই ৰখাৰ কাৰণে, সামন্তবাদ বিৰোধী বিপ্লৱবোৰক দমন কৰাৰ কাৰণে সামন্তবাদী শাসক শ্ৰেণীয়ে ৰাষ্ট্ৰযন্ত্ৰক নিজৰ সুবিধাকৈ গঠন কৰিছে; আৰু সেই ৰাষ্ট্ৰযন্ত্ৰক সকলো প্ৰকাৰে ব্যৱহাৰ কৰিছে; আৰু সেই ৰাষ্ট্ৰ যন্ত্ৰক দখল কৰি লোৱাৰ কাৰণে বুৰ্জুৱা শ্ৰেণীয়ে সমাজৰ অন্যান্য শোষিত শ্ৰেণী সমূহক সংগঠিত আৰু সমবেত কৰিবৰ চেষ্টা চলাইছে। আনফালে ইতিমধ্যে পুঁজিবাদী ব্যৱস্থা প্ৰতিষ্ঠিত হোৱা দেশবোৰত বুৰ্জুৱা শ্ৰেণীয়ে শ্ৰমিক শ্ৰেণীৰ ওপৰত তীব্ৰ শোষণ আৰম্ভ কৰি দিছে; সমাজত দৰিদ্ৰতা, নিবনুৱা সমস্যা, দুৰ্নীতি আদিয়ে সমাজ জীৱনত ভালকৈ শিপাই পৰিছে; আৰু পুঁজিবাদী সমাজত থকা শ্ৰমিক শ্ৰেণী আৰু শুভ বুদ্ধি সম্পন্ন মজলীয়া শ্ৰেণীৰ ব্যক্তি সমূহে পুঁজিবাদৰ এই ব্যাধি সমূহ দূৰ কৰাৰ কিবা পথ আছেনে নাই—তাক বিচৰা আৰম্ভ কৰিছে।

এই ঐতিহাসিক পটভূমিত সুদূৰ অতীতত ঘটি হোৱা বিপ্লৱবোৰক আৰু আগন্তুক সম্ভাব্য বিপ্লৱবোৰৰ অৱস্থা আৰু সদ্যজাত পুঁজিবাদত দেখা দিয়া সমস্যাবোৰক অতি সুক্ষ্মভাবে আৰু তন্ন তন্নকৈ বিচাৰ কৰি কাৰ্লমাৰ্ক্স আৰু ফ্ৰেদৰিক এঙ্গেলছে তেওঁলোকৰ দাৰ্শনিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক মতবাদ দাঙি ধৰে।

মাৰ্ক্সবাদে মানব সমাজৰ বিকাশ সম্পৰ্কে ঐতিহাসিক বস্তুবাদৰ তত্ত্ব দাঙি ধৰোতে কোনো কল্পনা জড়িত তত্ত্ব দাঙি ধৰা নাছিল। বিশ্ব প্ৰকৃতিৰ সৃষ্টি আৰু বিকাশ সম্পৰ্কত তেওঁলোকৰ দাৰ্শনিক তত্ত্ব দ্বন্দ্বমূলক বস্তুবাদক মানব সমাজৰ অধ্যয়নত প্ৰয়োগ কৰি তেওঁলোকৰ যুগলৈকে মানব সমাজৰ ইতিহাস অতি গভীৰভাবে অধ্যয়ন কৰে আৰু সমাজ বিকাশৰ সাধাৰণ নিয়ম





সমূহ আবিষ্কাৰ কৰে। বস্তুবাদী দৃষ্টি ভঙ্গীৰে সমাজৰ সকলো ঘটনাকে সকলো বিকাশৰ ধাৰাকে তেওঁলোকে বিজ্ঞান সন্মতভাবে বাখ্যা কৰিবলৈ সক্ষম হয়। তাৰ আগতে মানব সমাজৰ ইতিহাস আছিল কিছুমান বিচিত্ৰ ঘটনাৰ সমাবেশ আৰু সেই ঘটনাবোৰৰ এটাৰ লগত আনটোৰ যোগসূত্ৰ, নিৰ্ভৰশীলতা আৰু এটা পৰবৰ্তী ঘটনাক তাৰ আগৰ ঘটনাটোৰ পৰম্পৰা হিচাপে কোনেও বাখ্যা কৰিব পৰা নাছিল।

## সমাজ বিপ্লৱৰ সূত্ৰ

ঐতিহাসিক বস্তুবাদ মানব সমাজৰ বিকাশৰ বিভিন্ন পৰ্য্যায়ক অধ্যয়ন কৰি এটা পৰ্য্যায়ৰপৰা আনটো পৰ্য্যায়লৈকে কেনেকৈ যায় সকলো দেশতে বিভিন্ন ধৰণৰ ঐতিহাসিক ঘটনা ঘটি থকা সত্বেও সমাজৰ বিকাশ যে একেবাৰে নিয়মৰ দ্বাৰাই নিৰ্দ্ধাৰিত হৈ আছে, তাক অকাট্য যুক্তি আৰু প্ৰমাণ সহকাৰে প্ৰতিপন্ন কৰে।

মানব সমাজৰ অগ্ৰগতিৰ চালিকা শক্তি হ'ল সমাজৰ উৎপাদন ব্যৱস্থা। কিছুমান জীৱন্ত মানুহে জীয়াই থকাৰ কাৰণে হাতত কিছুমান সজুঁলি লৈ অনবৰত শ্ৰম কৰি আছে আৰু প্ৰকৃতিৰ পৰা সম্পদ আহৰণ কৰি সমাজৰ প্ৰয়োজনীয় বস্তুবোৰ উৎপাদন কৰি আছে। এইদৰে উৎপাদন কৰোতে সমাজৰ মানুহবোৰ পৰস্পৰ কিছুমান সম্পৰ্কই মৌলিক ভাবে সমাজত বিভিন্ন মানুহৰ শ্ৰমৰ ধৰণ, সজুঁলিবোৰৰ ওপৰত অধিকাৰ, উৎপাদিত বস্তুবোৰৰ ওপৰত অধিকাৰ আৰু অংশ আদি নিৰ্ণয় কৰি দিয়ে। এই সম্পৰ্কবোৰ মানব সমাজত কোনো মানুহেই এৰাই যাব নোৱাৰে আৰু সেইবোৰ মানুহে ইচ্ছামতে গঢ়ি লবও নোৱাৰে। সমাজৰ বিকাশৰ একোটা স্তৰত মানব জাতিয়ে আয়ত্ব কৰা উৎপাদনৰ সজুঁলিবোৰ যথাৰ্থভাবে ব্যৱহাৰ কৰি যাতে সমাজৰ প্ৰয়োজন অনুপাতে উৎপাদন কৰিব পাৰে, এই লক্ষ্য লৈয়ে সমাজৰ উৎপাদন সম্পৰ্ক সমূহ গঢ়ি উঠে। কিন্তু সমাজৰ উৎপাদিকা শক্তি সমূহ (উৎপাদনৰ সজুঁলি আৰু উৎপাদনকাৰী মানুহবোৰ) অবিৰাম গতিত উন্নত হৈ থাকে। এইদৰে ক্ৰমে ক্ৰমে উন্নত হৈ এনে এটা পৰ্য্যায়ত উপনীত হয়গৈ য'ত আগৰ অৱস্থাত গঢ়ি উঠা উৎপাদন সম্পৰ্ক সমূহ নতুন ধৰণে উন্নত উৎপাদিকা শক্তি সমূহৰ যথাৰ্থ ব্যৱহাৰ

পৰিমাণে আলোচনা নকৰালৈকে আমাৰ এই প্ৰবন্ধৰ লক্ষ্যত উপনীত হব নোৱাৰি। দাসপ্ৰথাত গঢ় উঠা সমাজ সম্পৰ্কবোৰে সমাজত দুটা মুল শ্ৰেণীৰ সৃষ্টি কৰিলে মালিক আৰু দাস। সমাজৰ সম্পত্তিৰ আৰু দাসবোৰৰ সমাজৰ কোনো সম্পত্তিৰ আনকি নিজৰ জীৱনৰ ওপৰতো অধিকাৰ নোহোৱা হ'ল। দাসপ্ৰথা প্ৰসাৰণৰ লগে লগে সমাজত দাসৰ সংখ্যা বাঢ়ি আহিল। সমাজৰ উৎপাদন ব্যৱস্থাত সকলো কায়িক শ্ৰম দাসবোৰৰ ভাগত পৰিল। সমাজ পৰিচালনা, সম্পত্তি ভোগ, বিলাসিতা বিনোদনৰ বাবে সঙ্গীত, সংস্কৃতি আদিৰ চৰ্চা আদি সমাজৰ কামবোৰ পৰিল মালিক শ্ৰেণীৰ ওপৰত। দাসবোৰক পৰিচালনা কৰা, বিদ্ৰোহ যাতে কৰিব নোৱাৰে তাৰ কাৰণে সতৰ্কতা অবলম্বন কৰা ইত্যাদি নানা ধৰণৰ নতুন কাম ওলাই পৰিল, আৰু এই কামবোৰ বহুত মজলীয়া শ্ৰেণীৰ সৃষ্টি কৰিলে; দাস যুগত মানব সমাজত উদ্ভব হোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ অনুষ্ঠান হ'ল ৰাষ্ট্ৰ। ঐতিহাসিক বস্তুবাদে প্ৰতিপন্ন কৰিছে যে সমাজৰ উৎপাদিকা শক্তিবোৰৰ বিকাশৰ এটা বিশেষ পৰ্য্যায়ত উৎপাদনৰ সম্পৰ্কসমূহে মানবসমাজক শ্ৰেণী বিভক্ত কৰিছে, আৰু শ্ৰেণী বিভক্ত সমাজত এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীক দমন কৰি ৰখাৰ উদ্দেশ্যই ৰাষ্ট্ৰৰ উদ্ভৱ হৈছে। উৎপাদিকা শক্তি সমূহৰ বিকাশৰ অন্য এটা বিশেষ পৰ্য্যায়ত সমাজৰ পৰা আকৌ শ্ৰেণীবোৰ উঠি গৈ শ্ৰেণীহীন সমাজ ব্যৱস্থা গঢ়ি উঠিব আৰু শ্ৰেণীহীন সমাজ ব্যৱস্থাত ৰাষ্ট্ৰও নিস্প্ৰয়োজনীয় হৈ পৰিব আৰু কালক্ৰমত লোপ পাব। মাৰ্ক্সবাদৰ অন্যতম প্ৰবক্তা ফ্ৰেদৰিক এঙ্গেলছে তেওঁৰ বিখ্যাত গ্ৰন্থ "পৰিবাৰ, ব্যক্তিগত সম্পত্তি, আৰু ৰাষ্ট্ৰৰ উৎপত্তিত" কৈছে ঃ

"গতিকে ৰাষ্ট্ৰ অনাদিকালৰ পৰাই নাছিল। ৰাষ্ট্ৰ, আনকি ৰাষ্ট্ৰ সম্বন্ধে কোনো ধাৰণা নোহোৱা কৈয়ে বহুত সমাজ পৰিচালিত হৈছিল। অৰ্থনৈতিক বিকাশৰ এটা বিশেষ স্তৰত সমাজ শ্ৰেণী বিভক্ত হৈ পৰে আৰু এই শ্ৰেণী বিভাজনৰ কাৰণেই ৰাষ্ট্ৰৰ প্ৰয়োজন হৈছিল। আমি দ্ৰুতগতিত এনে এটা উন্নতি উৎপাদন ব্যৱস্থাৰ পিনে আগবাঢ়ি যাব ধৰিছে য'ত শ্ৰেণীবোৰৰ প্ৰয়োজনতা নাথাকেই বৰং এই শ্ৰেণীবোৰে উৎপাদনত প্ৰতক্ষ্যভাবে বাধাৰহে সৃষ্টি কৰিব। আগলৈ এটা অৱস্থাত এইবোৰৰ লয় হব। এই শ্ৰেণীবোৰৰ লগতে ৰাষ্ট্ৰৰো অবধাৰিত ভাবেই লয় হব।"





সমাজশ্ৰেণী বিভক্ত হোৱাৰ পিচৰ পৰাই সমাজৰ উৎপাদন সম্পৰ্কবোৰক কেন্দ্ৰ কৰি গঢ়ি উঠা বিভিন্ন শ্ৰেণীবোৰৰ মাজত বিশেষকৈ পৰস্পৰ বিৰোধী শোষক আৰু শোষিত শ্ৰেণী দুটাৰ মাজত শ্ৰেণী সংগ্ৰামো আৰম্ভ হয়। এই শ্ৰেণী সংগ্ৰামৰ উৎস হ'ল উৎপাদিকা শক্তি আৰু উৎপাদন সম্পৰ্কৰ মাজত দেখা দিয়া অসঙ্গতি আৰু সংঘাট। যিমানেই এই অসঙ্গতি বাঢ়ি আহে সিমানেই শ্ৰেণী সংগ্ৰামো তীব্ৰতৰ আৰু ব্যাপক হৈ আহে আৰু এটা পৰ্য্যায়ত গৈ সমাজ বিপ্লৱৰ ৰূপ লয়। সমাজ বিপ্লৱৰ যুগত বিভিন্ন ধৰণৰ দ্বন্দ্ববোৰ মৌলিকভাবে দুটা সোঁতত বৰলৈ ধৰে। এটাই সমাজৰ উৎপাদন সম্পৰ্কবোৰ পৰিবৰ্ত্তিত কৰিব বিচাৰে এটাই সেইবোৰক ধৰি ৰাখিব বিচাৰে। শ্ৰেণী সংগ্ৰামৰ তীব্ৰতম ৰূপ হল বিপ্লৱ। তেতিয়া সমাজৰ এটা অংশই অস্ত্ৰ সস্ত্ৰ আৰু সকলো প্ৰকাৰৰ শক্তি প্ৰয়োগ কৰি আনটো অংশৰ ওপৰত জপিয়াই পৰে, আৰু আনটোক পৰাস্ত কৰি সমাজৰ প্ৰতিষ্ঠিত উৎপাদন সম্পৰ্ক আৰু তাক কেন্দ্ৰ কৰি গঢ়ি উঠা সকলো আইন কানন ৰীতি নীতি ভাঙ্গি চুৰমাৰ কৰি দিয়ে আৰু নতুন উৎপাদন সম্পৰ্ক গঢ়ি তোলে।

ঐতিহাসিক বস্তুবাদে মানব ইতিহাসৰ সকলো ঘটনাকে তন্ন তন্নকৈ বিচাৰ কৰি আৰু সামন্তবাদৰ পুঁজিবাদলৈ উত্তৰণৰ পথত হোৱা বিপ্লৱবোৰৰ প্ৰত্যক্ষ অভিজ্ঞতা বস্তুবাদী দৃষ্টিভঙ্গীৰে বাখ্যা কৰি এই সিদ্ধান্তত আহিছে যে সমাজ শ্ৰেণী বিভক্ত হোৱাৰ পিছৰ পৰাই মানব সমাজৰ ইতিহাস ৰচিত হৈছে শ্ৰেণী সংগ্ৰামৰ দ্বাৰা। শোষক শ্ৰেণীয়ে সমাজৰ সম্পত্তিৰ মালিক হৈ পৰে, আৰু উপযুক্ত সময় হলেও তেওঁলোকে উৎপাদন সম্পৰ্কবোৰক আগৰ দৰেই ৰাখিব বিচাৰে আৰু শোষিত শ্ৰেণী সমূহে নতুন উৎপাদন সম্পৰ্ক গঢ়ি তুলিব বিচাৰে। সেয়ে হ'ল শ্ৰেণী সংগ্ৰামৰ মুল বিষয় বস্তু, তাকে কেন্দ্ৰ কৰি দুয়ো পক্ষয়ে নিজ নিজ পক্ষৰ সমৰ্থনত দাৰ্শনিক, ৰাজনৈতিক, অৰ্থ নৈতিক বিভিন্ন ধৰণৰ পৰস্পৰ বিৰোধী তত্ত্ব মানব সমাজত দাঙি ধৰে, পৰস্পৰ বিৰোধী সংস্কৃতি গঢ়ি তোলে। এইবোৰৰ দ্বাৰা সমাজৰ জনসাধাৰণক নিজ নিজ পক্ষলৈ বলাই আনিবৰ চেষ্টা কৰে। ঐতিহাসিক বস্তুবাদে দেখুৱাই দিছে যে যি কোনো এটা ৰাজনৈতিক বা তত্ত্বকে বিচাৰ কৰোতে তাৰ উৎপত্তিৰ কালটো নিৰ্ণয় কৰি ললেই দেখা যায় যে সেই তত্ত্বৰ মাজেদি সেই কালত দেখা



OKDISCD

দিয়া সমাজৰ উৎপাদিকা শক্তি আৰু উৎপাদন সম্পৰ্কৰ মাজৰ সংঘাটেই প্ৰকাশ পায়, আৰু এটা বিশেষ শ্ৰেণীৰ স্বাৰ্থৰে পোষকতা কৰি আহিছে।

যি কোনো এটা বা আটাইবোৰ দাৰ্শনিক তত্ত্ব, ৰাজনৈতিক তত্ত্ব আৰু অৰ্থনৈতিক তত্ত্বয়ে মিলিতো কোনো কালত বিপ্লৱ সংঘটিত কৰা নাই। কিন্তু বিপ্লৱৰ বাস্তৱ অৱস্থাবোৰেহে (উৎপাদিকা শক্তি আৰু উৎপাদন সম্পৰ্কৰ মাজৰ সংঘাট) এই তত্ত্ববোৰৰ জন্ম দিছে। সমাজৰ কিছুমান মানুহে লগ হৈ প্ৰস্তাৱ গ্ৰহণ কৰি যেনেকৈ মানব সমাজ গঠন কৰা নাই, মানব জাতি জীয়াই থকাৰ সিদ্ধান্ত কৰা নাই। তেনেকৈ বিপ্লৱ কৰাৰো সিদ্ধান্ত কৰিব নোৱাৰে আৰু সিদ্ধান্ত ললেও বিপ্লৱ সংঘটিত কৰিব নোৱাৰে। সমাজৰ সকলো মানুহে সভা পাতি সমাজক বিভিন্ন শ্ৰেণীত ভাগ কৰি লোৱা নাই গতিকে সকলো মানুহে সভা পাতি বা বিবেকৰ দ্বাৰা পৰিচালিত হৈ, সৎবুদ্ধি সম্পন্ন হৈ সমাজৰ পৰা শ্ৰেণী সংঘাট, শ্ৰেণী শোষণ আদি উঠাই দিবও নোৱাৰে। শ্ৰেণীৰ, সৃষ্টি, শ্ৰেণী শোষণ, শ্ৰেণী সংগ্ৰাম, সমাজবিপ্লৱ আদি উৎপাদিকা শক্তি সমূহৰ বিকাশৰ পথত মানব সমাজলৈ আনুষাংগিক ভাবেই আহিছে ; আৰু উৎপাদিকা শক্তি সমূহৰ বিকাশৰ স্তৰে স্তৰে এইবোৰৰো ৰূপান্তৰ হৈ আহিছে আৰু এটা বিকাশৰ স্তৰত হে এইবোৰ নাইকিয়া হৈ যাব।

## ৰাষ্ট্ৰ আৰু বিপ্লৱ

ৰাষ্ট্ৰ আৰু বিপ্লৱ সম্পৰ্কত ইতিহাসৰ বহু তথ্য পাতি পুঁজিবাদী সমাজত থকা ৰাষ্ট্ৰবোৰৰ চৰিত্ৰ ঐতিহাসিক বস্তুবাদৰ ৰাষ্ট্ৰ সম্পৰ্কীয় তত্ত্ব, পুঁজিবাদৰ পৰবৰ্তী সমাজব্যৱস্থাত ৰাষ্ট্ৰৰ চৰিত্ৰ ইত্যাদিক অতি বিশদ ভাবে আলোচনা কৰিছে লেনিনে তেওঁৰ বিখ্যাত গ্ৰন্থ ৰাষ্ট্ৰ আৰু বিপ্লৱত। ৰাষ্ট্ৰৰ উদ্ভৱ হৈছিল সমাজত শ্ৰেণী বিভক্ত হোৱাৰ পিছত এটা শ্ৰেণীক আনটো শ্ৰেণীয়ে দমন কৰাৰ প্ৰয়োজনত। সমাজত দেখা দিয়া শ্ৰেণী সংঘৰ্ষবোৰক আইনৰ দ্বাৰা, বলপ্ৰয়োগ কৰি সীমাবদ্ধ কৰি ৰখাৰ উদ্দেশ্যে।

“……সমাজ বিকাশৰ এটা স্তৰত সমাজতে ৰাষ্ট্ৰৰ সৃষ্টি হৈছে। ৰাষ্ট্ৰ হ’ল সমাজৰ এটা স্বীকৃতি যে সমাজত কিছুমান সমাধান কৰিব নোৱাৰা বিৰোধৰ সৃষ্টি হৈছে। আমাৰ এই বিৰোধবোৰ সমাজৰ পৰা আঁতৰ





কৰাৰ কোনো উপায় নাই। গতিকে এই পৰস্পৰ বিৰোধী স্বাৰ্থ থকা শ্ৰেণীবোৰে যাতে আত্মঘাতী সংঘৰ্ষত লিপ্ত হৈ নিজকে আৰু সমগ্ৰ মানৱ সমাজকে ধ্বংশ কৰি পেলাব নোৱাৰে, তাৰ কাৰণে দেখা দেখিকৈ সমগ্ৰ সমাজৰ ওপৰতে ক্ষমতা প্ৰয়োগ কৰিব পৰা এটা শক্তিৰ প্ৰয়োজন হৈ পৰিল। এই শক্তিটোৰ উদ্দেশ্য হ’ল শ্ৰেণী সংঘৰ্ষ বোৰৰ তীব্ৰতা হ্ৰাস কৰি সেইবোৰক কিছুমান শৃংখলাৰ মাজত সীমাবদ্ধ কৰি ৰখা। এই শক্তিটোৱে সমাজৰ পৰাই সৃষ্টি হৈ সমগ্ৰ সমাজৰ ওপৰতে তাৰ আধিপত্য বিস্তাৰ কৰে আৰু ক্ৰমে ক্ৰমে বেচি পৰিমাণে সমাজৰ পৰা বিছিন্ন হৈ ৰাষ্ট্ৰত পৰিণত হয়।” (এঙ্গেলছ—পৰিবাৰ, সম্পত্তি আৰু ৰাষ্ট্ৰৰ উৎপত্তি)

ৰাষ্ট্ৰৰ উৎপত্তি যিহেতু সমাজৰ শ্ৰেণী সংঘৰ্ষ বোৰক দমন কৰাৰ কাৰণে, স্বাভাৱিকতে সমাজৰ প্ৰভাৱশালী শ্ৰেণীটোৱে অৰ্থাৎ সম্পত্তিৰ মালিক শ্ৰেণীটোৱেই এই যন্ত্ৰটোক হস্তগত কৰে, আৰু তেওঁলোকৰ স্বাৰ্থৰ হকেই তাক ব্যৱহাৰ কৰে। এই ৰাষ্ট্ৰ শক্তিৰ হাতত থাকে আইন কৰাৰ ক্ষমতা, আইনবোৰ কাৰ্যকৰী কৰাৰ কাৰণে বলপ্ৰয়োগ কৰাৰ ক্ষমতা, আইন অমান্য কৰা সকলক শাস্তি দিয়াৰ ক্ষমতা আৰু তাৰ কাৰণেই আদালত সসস্ত্ৰ বাহিনী, পুলিছ বাহিনী, কাৰাগাৰ, আমোলা আদি। এই সকলোবোৰকে ব্যৱহাৰ কৰা হয় সমাজত প্ৰতিষ্ঠিত উৎপাদন সম্পৰ্ক তথা সম্পত্তিৰ সম্পৰ্কবোৰক ৰক্ষা কৰাৰ কাৰণে। সমাজ বিপ্লৱত যেতিয়া সমাজৰ শোষিত, নিপীড়িত আৰু বিক্ষুব্ধ শ্ৰেণী সমূহে সমাজৰ উৎপাদন সম্পৰ্কবোৰৰ পৰিবৰ্ত্তন বিচাৰে, তেতিয়া স্বাভাবিক-তেই ৰাষ্ট্ৰৰ সকলো ক্ষমতাকে প্ৰয়োগ কৰা হয় বিপ্লৱৰ আৰু বিপ্লৱী শ্ৰেণী সমূহৰ বিপক্ষে ; সেইবোৰক দমন কৰাৰ কাৰণে, সেইবোৰৰ সংগঠন প্ৰতিৰোধ কৰাৰ কাৰণে, সেইবোৰৰ সপক্ষে দাঙি ধৰা তত্ত্ব সমূহৰ প্ৰচাৰত আৰু প্ৰসাৰণত বাধা দিয়াৰ উদ্দেশ্যে।

দাস প্ৰথাৰ পৰা সামন্তবাদলৈ উত্তৰণৰ পথত, সামন্তবাদৰ পৰা পুঁজিবাদলৈ উত্তৰণৰ পথত, আৰু পুঁজিবাদৰ পৰা সমাজতন্ত্ৰলৈ উত্তৰণৰ পথত ঘটা সমাজ বিপ্লৱ সমূহত ৰাষ্ট্ৰই সদায় বিপ্লৱৰ বিৰুদ্ধে তাৰ সকলো ক্ষমতাকে প্ৰয়োগ কৰিছে আৰু প্ৰয়োগ কৰি আছে। সেই কাৰণে সকলো বিপ্লৱত প্ৰথম আৰু প্ৰধান কৰ্ত্তব্য হৈ পৰে বিপ্লৱী শ্ৰেণী সমূহৰ দ্বাৰা ৰাষ্ট্ৰ ক্ষমতা দখল। ৰাষ্ট্ৰ



OKDISCD

ক্ষমতা বিপ্লৱী শ্ৰেণী সমূহে দখল কৰিব নোৱাৰিলে সমাজত উৎপাদন সম্পৰ্কৰ পৰিবৰ্ত্তন অনাটো কোনো মতেই সম্ভৱপৰ নহয়। সেই কাৰণেই মাৰ্ক্সবাদৰ প্ৰবক্তা সকলে বাৰে বাৰে কৈ আহিছে যে সকলো বিপ্লৱৰে মূলকথা হ'লগৈ ৰাষ্ট্ৰ ক্ষমতা।

বিপ্লৱৰ উদ্দেশ্য হ'ল সমাজত উৎপাদন সম্পৰ্কবোৰৰ প'ৰিবৰ্ত্তন ঘটোৱা আৰু এই কামত সকলো বাধাৰে সৃষ্টি কৰে ৰাষ্ট্ৰই। গতিকে সকলো বিপ্লৱেই মূলতঃ ৰাষ্ট্ৰ বিৰোধী কাৰ্য্য কলাপ আৰু ৰাজদ্ৰোহ বা ৰাষ্ট্ৰ বিদ্ৰোহ হিচাপে আত্মপ্ৰকাশ কৰে। ৰাজদ্ৰোহ বা ৰাষ্ট্ৰ বিদ্ৰোহ নোহোৱাকৈ বিপ্লৱ সংঘটিত হব নোৱাৰে। কিন্তু সকলো ৰাজদ্ৰোহ বা ৰাষ্ট্ৰদ্ৰোহেই বিপ্লৱ নহয়। জাহাঙ্গীৰে চাহজাহানক বন্দী কৰি ৰাজপাতত বহা, বা আওৰাঙ্গজীৱে চাহজাহানক বন্দী কৰি থৈ ৰাজপাতত বহাটো সমাজ বিপ্লৱ নাছিল, আৰু আলোজেৰিয়াত বুমেদিনে সামৰিক বিদ্ৰোহ কৰি ৰাজ্য লোৱা, বা কম্বোদিয়াত সিংহানুকক খেদি নল চৰকাৰৰ প্ৰতিষ্ঠা হোৱা, বা ইন্দোনেচিয়াত চুহাৰ্টই ৰাষ্ট্ৰ ক্ষমতা দখল কৰা আদিৰে ৰাষ্ট্ৰ বিদ্ৰোহ হব পাৰে, কিন্তু সমাজ বিপ্লৱ নহয়।

(প্ৰথম খণ্ড সমাপ্ত)

—×—

অহা সংখ্যাৰ পুথি সমালোচনাত আলোচিত হব ঃ
ৰবীন চৰকাৰৰ—"বৃত্ত ভঙাৰ গান"।
দিনেশ গোস্বামীৰ—"বৃত্তৰ বাহিৰত"।



# কাৰ্ফিউৰ পৰত

অশোক কুমাৰ বৰঠাকুৰ

বহুৰাতি পাৰ কৰি
প্ৰজা আৰু প্ৰজাপতি একেলগে
হঠাতে দেখিছে কোনো নতুন পোহৰ
—সূৰ্য্য নাই অথচ এন্ধাৰ নাই
ঘৰৰ চালেৰে উৰি জুই আৰু জুই
তথাপি মানুহ নাই।
কিছুমান অতিস্বাভাবিক জীৱ
আৰু তাৰ জয় পৰাজয় ভয়
পাপ-ৰক্ত হাত তুলি
প্ৰথম প্ৰণামে বন্ধু
আৰু অবিকল মানবিক প্ৰীতি পৰিচয়
সহজ বিবেক
অথবা নিপুণ হাতত নাচি নেপথ্যত
মৃতপ্ৰায় সকলো হৃদয়।

এইবোৰ জুই ছাঁই পোহৰৰ চাৰিপিনে
একৰাতি অন্ধকাৰ শেষ হ'লে আৰু এক ৰাতিৰ আগত
মৈথুন মিমাংসা কিংবা শত্ৰুৰ সন্ধান
অথবা আজন্ম কাল
আহাৰৰ আকুল নিয়মে
সময় কটাই সময়ৰ মুগ্ধ অববাহিকাত
খেতিৰ ফচল ফুটে, আৰু স্থিৰ চকু বিবৰ্ণ শৰীৰ
পৰি থাকে, জাকে জাকে
ভীষণ শগুণ নামি আহে
প্ৰাদেশিক প্ৰান্তৰৰ নিশ্চলতা স্থিৰ ভাবে জানি।



OKDISCD

অসমৰ আঘোণ আবেলি আহি
লুইতৰ সোঁতে সোঁতে উটি
কিছুমান শঙ্কৰাব্দ মৌন সংখ্যা জন্ম, মৃত্যু অন্ধকাৰ হলে
কাৰফিউ কাতৰ নগৰ
শূন্য পথ
ৰেচন যন্ত্ৰনা
নাগৰিক সাহস সমিতি য'ত
তিমিৰ ফলক এৰি
হাহাকাৰ শেষ হ'লে
অনুগত বাসত্তৰ শেষ হ'লে
আৰু এক বাসত্তৰ আছে।
ধৰ্ষণৰ কিছু পূৰ্ব্বে
জকাই চুকৰ কোনো নতুন বোৱাৰী
জুহাল গুৰিত বহি এক গধুৰ গধুলি
ভীতমনে জীৱন এয়েই বুলি
নেদেখা বাংলাৰ মুখ
বাৰে বাৰে ধোঁৱাত বিচাৰি
দেখা পায় নতুন পোহৰ
—সূৰ্য্য নাই অথচ এন্ধাৰ নাই
ঘৰৰ চালেৰে উৰি জুই আৰু জুই
তথাপি মানুহ নাই
কিছুমান অতিস্বাভাবিক জীৱ
পাপ-ৰক্ত হাত তুলি
—মৃতপ্ৰায়—

অৱশেষ যন্ত্ৰণাৰ নাড়ী চিঙি
প্ৰথম কান্দোনে শিশু
চিৰন্তৰে অধিকাৰ কৰি বহে
পৃথিৱীত নিজৰ জগৎ
তাৰ কোনো সবিশেষ ভাষা নাই—ধৰ্ম্ম নাই
হৃদয়ৰ অহেতুক দুৰ্ব্বলতা নাই
ওপজা মাটিতে পায়—উঠিবৰ ঠাই
চিকুনি অসম, বাংলা কিংবা নতুন চাংহাই—



# শিল্প জগৎ

## (১) তিনিখন নাটকৰ বিষয়েঃ

'বৈজয়ন্তী'য়ে তৃতীয় নাট সমাৰোহ উপলক্ষে যোৱা বাৰ আৰু তেৰ চেপ্তেম্বৰত গুৱাহাটী জিলা পুথিভঁৰালত মঞ্চস্থ কৰা অসম সাহিত্য সভাৰ দ্বাৰা পুৰস্কৃত হিমেন্দ্ৰ কুমাৰ বৰঠাকুৰ ৰচিত নাট **'বাঘ'** এটা কথাত এখন বিমূৰ্ত্ত গণচেতনাৰ বাৰ্ত্তাবাহক নৈৰাশ্য ধৰ্মী নাট।

প্ৰথম দৃশ্যটিত নাট্যকাৰে বাঘৰ আক্ৰমণৰ সময়ত সাধাৰণ গাওঁবাসীৰ মনত জাগি উঠা সন্ত্ৰাস, পলায়নী মনোবৃত্তি, সাঁচতীয়া ধন বিনাশৰ আশঙ্কাত বলিয়া-প্ৰায় হোৱা মানুহৰ দুৰৱস্থা, গাৱঁৰ মুখিয়াল মানুহৰ স্বলিপ্ততা, সুবিধাবাদীৰ সুযোগ গ্ৰহণ, চৰকাৰী নিৰ্লিপ্ততা প্ৰভৃতি ভিন্ ভিন্ চৰিত্ৰৰ মাজেদি কৃতিত্বৰে ৰূপায়িত কৰিছে। দ্বিতীয় দৃশ্যৰ আৰম্ভণিৰ লগে লগে নাটকখনে প্ৰচাৰ গণ্ডীত প্ৰৱেশ কৰে। বাঘৰ আক্ৰমণত গঞাৰ মনত সৃষ্টি হোৱা সন্ত্ৰাসক সম্পূৰ্ণ অৱজ্ঞা কৰি অজয় আৰু পদুমীৰ দৰে আদৰ্শবাদী নতুন পুৰুষৰ মুখত প্ৰয়োগ কৰা সংস্কাৰগন্ধী সংলাপ আৰু পদুমীৰ মুখৰ বাঘ সম্পৰ্কীয় ( বাঘটোক পিছে বস্তুত ধন্যবাদ দেই, নহ'লেনো ক'ত আপুনি আমাৰ ঘৰলৈ আহিলহেঁতেন ! ) পাতল বিধৰ সংলাপে নাটকৰ প্ৰথম দৃশ্যৰ বাস্তৱবাদী গতিক চূড়ান্তভাৱে ব্যাহত কৰিছে। ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত যৌথ চিন্তাৰ ব্যৰ্থতা, সকলো ক্ষেত্ৰতে স্বলিপ্ততা, স্বাৰ্থ চিন্তাৰ কথা নাট্যকাৰে উপলব্ধি কৰিও মুকুন্দ ভট্টাচাৰ্য্যৰ দৰে বিমূৰ্ত্ত আদৰ্শবাদী মানুহৰ ( তেওঁৰ সংলাপত যদিও বৈজ্ঞানিক দৃষ্টিভঙ্গী আৰু গাণিতিক যুক্তিৰ কথা দিয়া হৈছে ) অৱতাৰনা কৰাটো আত্ম প্ৰতাৰণা মাত্ৰ। নাটকৰ শেষৰ ফালে তেওঁৰ মুখৰ সংলাপেৰে সৃষ্টি কৰা বাচ্যাৰ্থৰ কোনো নাটকীয় গুণ নোহোৱা হেতু সি অতি স্থূল হৈ পৰিছে।

সাম্প্ৰতিক সমাজ ব্যৱস্থাৰ মেৰপাকত আজিৰ পুৰণি সমাজে সঁচা প্ৰগতিৰ পথ আৰু সমাজ সচেতন দৃষ্টিভংগী গ্ৰহণ কৰিব পৰা নাই। (শান্তিৰামৰ চৰিত্ৰ) যদিও জ্ঞান, যুক্তি আৰু বিদ্যাৰ বলত নতুন পুৰুষে এই পথ উন্মোচন কৰিব বুলি আশা কৰা হৈছিল, (মুকুন্দ ভট্টাচাৰ্য্যৰ চৰিত্ৰ) নতুন পুৰুষো নতুন ধৰণে



OKDISCD

পুৰণি চামৰ দৰেই বৰ্ত্তমান সমাজ ব্যৱস্থাৰ আৱৰ্ত্তত পৰিছে। (পত্নুমিৰ চৰিত্ৰ) নাট্যকাৰে এই নেতিবাচক প্ৰতিচ্ছবিহে চিত্ৰিত কৰিছে। সেয়ে এই নাটকখন আদৰ্শধৰ্মী বুলি দাবী কৰাৰ কোনো থল নাই। কাৰণ শিল্প সাহিত্যৰ সাৰ্থক সৃষ্টি সমাজ জীৱনৰ আশা আকাংখ্যাৰ বাৰ্তাবাহী হোৱা উচিত।

শৈল বৰুৱাৰ পৰিচালনাত বৈজন্তী নাট্য গোষ্ঠীয়ে দলীয় সংহতি অক্ষুণ্ণ ৰাখি নাটখনি পৰিবেষণ কৰাত সফল হৈছে। উল্লেখযোগ্য অভিনয় কৰিছে নিলু চক্ৰৱৰ্ত্তীয়ে। উদীয়মান অভিনেতা ৰাম হাজৰিকাৰ ঐকান্তিকতা প্ৰশংসনীয়। অসমৰ নাটকৰ পোহৰ সংযোজক সকলে পোহৰ-সজ্জাৰ প্ৰায় সকলোবিলাক কলা কৌশল আয়ত্ব কৰিলেও আলোক সম্পাতত এতিয়ালৈকে কোনো মনঃস্বিতাৰ (দুই এখন নাটকৰ বাহিৰে) পৰিচয় দিব পৰা নাই। বাঘ নাটকত যিখিনি কৰা হৈছে (নাট্যকাৰৰ নিৰ্দ্দেশত) সি যথাযথ।

অসমৰ যিসকল নাট্যগোষ্ঠীয়ে যি সময়ত নতুন চিন্তাৰ নামত ক্ষয়িষ্ণু আত্ম-মগ্নতাৰে উদ্ভট চিন্তাৰ নাট পৰিবেষণত ব্যস্ত (মনিৰুল হুচেইনৰ 'এখন নতুন যুদ্ধৰ পাতনি', প্ৰফুল্ল বৰাৰ 'মৃত্যুঞ্জয়' আৰু 'নেতা' ইত্যাদি) সেই সময়ত এই ঘূণে ধৰা কাঠামোৰ পৰা মুক্ত হৈ প্ৰগতি শিল্পী সংঘই সুস্থ ধৰণে কৰা নাট্য চিন্তা (আৱদ্ধ, কফিন, জন্ম) এটি চেলেঞ্জ। যোৱা ১৬ আৰু ১৭ চেপ্তেম্বৰত গুৱাহাটী জিলা পুথিভঁৰালত তেওঁলোকে মঞ্চস্থ কৰা মহেন্দ্ৰ বৰঠাকুৰ ৰচিত নাট 'জন্ম'ৰ উপজীব্য হল প্ৰচলিত সমাজ ব্যৱস্থাৰ দুৰ্নীতি, কুশাসন আৰু হৃদয়হীনতাত অতীষ্ঠ হোৱা দুজন মধ্যবিত্ত পৰিয়ালৰ নিবনুৱা যুৱকৰ মনত প্ৰতি মুহূৰ্ত্তত সৃষ্টি হোৱা পৰস্পৰ বিৰোধী ভাৱৰ সংঘাত। অৱশেষত তেওঁলোকৰ মনত এটি নতুন বিশ্বাসৰ জন্ম হৈছে। পৰস্পৰ বিৰোধীভাৱৰ সংঘাতৰ অৱসানত পৰিত্যক্ত মিলিটাৰী কেম্পটোত বিচাৰি পাইছে এটা পুৰণি বন্দুক। (নাটকৰ মাজভাগত চিগাৰেট খাব খুজি দিয়াচেলাইত কাঠি বিচাৰি নাপাই অজয় আৰু অবিনাশৰ যি ক্ষোভ প্ৰকাশ পাইছিল, বন্দুক পাই বন্দুকৰ গুলী নোহোৱাত কিন্তু সেই ক্ষোভ প্ৰকাশ নাপালে।) বন্দুক পোৱাৰ পিছত অসাৰ চিন্তাৰ প্ৰতীক মৰা মানুহৰ হাড়ডাল পেলাই দি তেওঁলোক আবেগত অধীৰ হৈ পৰিল। দুজন পেটী বুৰ্জোৱা লৰাৰ মনত হঠাৎ বিপ্লৱী চেতনাই কেনেকৈ জন্ম পালে ? বিপ্লৱী চেতনা আকাশৰ পৰা সৰি নপৰে। (মহেন্দ্ৰ বৰঠাকুৰৰ খেয়ালতো বিশ্বসংসাৰৰ





নিয়ম নহয়।) প্ৰগতি শিল্পী সংঘই যোৱা বছৰ চেপ্তেম্বৰ মাহতে মঞ্চস্থ কৰা কমল শৰ্মাৰ 'আৱদ্ধ' নাটকৰ পৰিণতিৰ দৰে 'জন্ম' নাটকৰ পৰিণতিও সম্পূৰ্ণ 'ইউটপিয়াৰ' ওপৰত প্ৰতিষ্ঠিত। এই দুখন নাটৰ বক্তব্য আৰু পৰিণতিৰ দুস্তৰ ব্যৱধান সহজেই পৰিলক্ষিত হয়। আঙ্গিক আৰু উপস্থাপন ৰীতিত বাদল চৰকাৰৰ 'পাগলা ঘোড়া'ৰ দ্বাৰা প্ৰভাৱান্বিত 'জন্ম' নাটকত পৰিত্যক্ত মিলিটাৰী কেম্প, মৰা মানুহৰ হাড় আদি প্ৰতীকৰ ব্যৱহাৰ সাৰ্থক হৈছে। নাটকৰ মাজভাগত অবিনাশৰ পিঠিৰে বগাই যোৱা এটা পোক অজয়ে হাতেৰে উলিয়াই আনি বধ কৰা দৃশ্য, 'পাঞ্জা' খেলা দৃশ্য আদি যেনেদৰে ইঙ্গিতবহ, সেই দৰেই স্থূল নাটকৰ শেষৰ ফালে তেওঁলোকে সাৰটা সাৰটি কৰা দৃশা আৰু তেওঁ-লোকৰ মুখৰ আবেগমন্দ্ৰিত সংলাপ।

নাটখনি নিয়াৰিকৈ পৰিচালনা কৰাত পৰিচালক ধীৰদা ভূঞা সফল হৈছে। কমল (ৰাণা) শৰ্মা, চাৰিৰ হাজৰীকা আৰু কুমাৰী অদিতীৰ অভিনয়ৰ এটি বিশেষ মানদণ্ড আছে। অফিচাৰ দুজনৰ ভাৰত অমৰ চক্ৰৱৰ্ত্তী আৰু শৈলেন দাস ব্যৰ্থ হৈছে। বাকী অভিনেতা-অভিনেত্ৰী সকলৰ অভিনয় যথাযথ। নাটকৰ মূল প্ৰৱাহ, পৰস্পৰ বিৰোধী ভাৱৰ সংঘাতক অৱজ্ঞা কৰি জয়ন্ত হাজৰিকাই যি কোনো সময়তে concordant music ব্যৱহাৰ কৰাৰ ফলত নাটকৰ সঙ্গীত আকল শ্ৰুতিমধুৰতাত পৰ্যবসিত। বুৰ্জোৱা কাগজ-পত্ৰৰ সস্তীয়া প্ৰশংসাৰ গৰাহত নপৰি (যিয়ে প্ৰগতিশীল নাটকৰ বক্তব্যক বিভ্ৰান্তিকৰ আলোচনাৰে ঢাকি ৰখাৰ চেষ্টা কৰে), প্ৰগতি শিল্পী সংঘই তেওঁলোকৰ গতানুগতিক চিন্তাধাৰা পৰিত্যাগ কৰি, সুস্থ ধৰণে ইতিহাসৰ গতি-বিধি নিৰীক্ষণ কৰি নাট পৰিবেষণাত মনোনিবেশ কৰে যেন।

গুৱাহাটীৰ মঞ্চত বৰপেটাৰ 'কলাবন'ৰ কিৰণ দাস ৰচিত নাট 'ৰাম বনাম ৰাৱন' এটি আশাপ্ৰদ ঘটনা। যোৱা চেপ্তেম্বৰ মাহত অনুষ্ঠিত হোৱা ৩য় নটসূৰ্য্য ফণী শৰ্মা একাঙ্ক নাট প্ৰতিযোগিতাত পুলিন দাসৰ পৰিচালনাত মঞ্চস্থ হোৱা এই নাটখনিয়ে সম্ভৱতঃ প্ৰথম অসমীয়া এপিকধৰ্মী মৌলিক নাট। ব্ৰেখ্‌টিয় কলা, কৌশল আৰু অভিনয় ৰীতি আয়ত্ব কৰাত নাট্যকাৰ আৰু অভিনেতা-সম্পূৰ্ণকৈ নহলেও বহুদূৰ সফল হোৱা বুলি কব লাগিব।

হেমন্ত কুমাৰ দাস



OKDISCD

## (২) 'ওপজা সোণৰ মাটি' সম্বন্ধে ঃ

কাহিনী তৈয়াৰ হৈছে, এজন ভূমিসম্পত্তিবান ধনী মহাজন, এজন ধনী ঠিকাদাৰ (black marketeer) আৰু তেওঁৰ বিদ্ৰোহী (!!) পুতেক আৰু জীয়েক, এজন নিম্নমধ্যবিত্ত গাৱঁলীয়া শিক্ষক আৰু তেওঁৰ নিবন্নুৱা এম-এ পাছ পুতেক (ধনপোনা), এজন বিয়াল্লিশৰ গণআন্দোলনত লগা কংগ্ৰেছীলোক আৰু তেওঁৰ জীয়েককলৈ। তাৰ বাহিৰেও এই কাহিনীৰ চৰিত্ৰসকল হৈছে কদমকলি গাঁৱৰ গঞা, মহাজনৰ পত্নী আৰু মহাজনৰ দোকানত কাম কৰা দোকান-দাৰী সকল। নিবন্নুৱা ডেকাজনে কংগ্ৰেছীজনৰ পৰামৰ্শমতে সমবায় ভিত্তিত কৃষিপাম খোলাৰ আঁচনি হাতত লৈ গাওঁবাসীক আহ্বান জনাইছে। আধি-বন্ধকীখোৱা মহাজনে নিজৰ মাটি যাতে হেৰাই নেযায়, তাৰ বাবে কদমকলিত মিল খোলাত আগ্ৰহী ধনী ঠিকাদাৰ জনৰ লগত কৃষিপাম ওফৰোৱাৰ চক্ৰান্ত কৰিছে আৰু এই প্ৰত্যাহ্বানৰ সমুখ হবলৈ আগবাঢ়ি আহিছে নিবন্নুৱা ডেকাজন, ঠিকাদাৰৰ পুতেক-জীয়েক, কংগ্ৰেছীজনৰ জীয়েক আৰু ইয়াত সহায় কৰিছে নাৰীলোভী মহাজনৰ অত্যাচাৰত জৰ্জ্জৰিত তেওঁৰ পত্নীয়ে আৰু গঞাসকলে। ঘটনাৰ চৰম পৰিণতিত কৃষিকাৰ্য্য চলি থকা পথাৰত লাঠি আৰু বন্দুকৰ হেতাওপৰাত পঙ্কজ অৰ্থাৎ ঠিকাদাৰৰ পুত্ৰৰ মৃত্যু হৈছে। ইয়াৰ কেইমুহূৰ্ত্ত-মানৰ আগতে দলিলচুৰীৰ অপৰাধত মহাজনে ঘৈণীয়েকক গুলিয়াই মাৰিছে। অলপ আগতে বিবেক দংশন হোৱা ঠিকাদাৰৰ (এওঁ আগতে কংগ্ৰেছী যুজাঁৰু আছিল) লগত পুলিচ আহি ইতিমধ্যে পালেহি—মহাজন গ্ৰেপ্তাৰ হ'ল আৰু ঠিকাদাৰে মহৎ পৰিবৰ্ত্তনৰ (?) কাৰণে পুতেকৰ মৃত্যুক আত্মবলিদান বুলি মানি লৈ (এই ক্ষেত্ৰত পূৰ্ব্বৰ সহচৰ কংগ্ৰেছীজনৰ সান্ত্বনাবাণীয়ে সহায় কৰিছে) নতুন জীৱনৰ সপোন আৰম্ভ কৰিছে!

'ওপজা সোণৰ মাটি'—শোষক, শোসিত, দুৰ্নীতিকাৰী, নিবন্নুৱাকে ধৰি নিদাৰুণ সমস্যাবিলাকক লৈ ৰোমাণ্টিকতাৰ আবেশ সানি গঢ় দিয়া এখন ছবি। এই জ্বলন্ত সমস্যাবোৰ থকা সত্ত্বেও সমস্যাবোৰৰ অন্তৰ্নিহিত দ্বান্দ্বিক চৰিত্ৰৰ জটিল অঙ্কনৰ প্ৰয়াস নথকা কাৰণে, আৰু অচেতন অৰ্দ্ধচেতন দৰ্শকৰ স্থূল তৃপ্তিৰ প্ৰতি সহাৰি দিবলৈ যোৱা হেতুকে, দৰ্শকৰ মনক সমস্যাবোৰৰ প্ৰতি





মৌলিক চিন্তাৰ উন্মেষেৰে আলোড়িত কৰাৰ সাহসৰ (বা জ্ঞানৰ) অভাৱে, নাইবা এক দুৰ্জ্জেয় পথৰ ইঙ্গিতেৰে সমস্যা সমাধানৰ বাট দেখুৱাব পৰা শৈল্পিক নিষ্ঠাৰ অভাৱত ছবিখনে মামুলী সহজ নাটকীয় সামাপ্তিৰ গণ্ডিত ইয়াৰ সাম্ভাব্য কলাসুলভ ঐশ্বৰ্য্য শেষ কৰি দিলে। আনহাতে জনসাধাৰণক জুকলা কৰি থকা এই সমস্যাবোৰকলৈ এক প্ৰচাৰসুলভ, ডকুমেণ্টৰীধৰ্মী (পৰিচালকৰ জ্ঞাতে বা অজ্ঞাতে) তন্ময়তা তৈয়াৰ কৰাৰ দোষত এই ছবিখন অৱশেষত মাত্ৰ প্ৰতি-ক্ৰিয়াশীল। সাধাৰণ গঞাৰাইজকলৈ আৰম্ভ কৰা কাহিনীত ৰাইজৰ সুখদুখৰ সমান্তৰালভাৱে (অৰ্থাৎ ইয়াৰ লগত থেকা খাই) উচ্চমধ্যবিত্ত ঠিকাদাৰ পৰিয়ালত কোনো আদৰ্শৰ সংঘাতে পাতনি নেমেলাত সেই পৰিয়ালৰ আবেগ অনুভূতিৰ খৰিয়ালো মূল্যহীন আৰু সেয়ে ঠৰঙা। —এই মতামতৰ অনুকূলে এইকেইটা প্ৰশ্নই যথেষ্ট হ'ব বুলি ভাবো—

সচৰাচৰ হিন্দী চিনেমাবোৰত বা আলোচিত ছবিত দেখাদৰে বাস্তৱ জগততো অত্যাচাৰীৰ শেষত (অৰ্থাৎ ঘটনাক্ৰমে) হাতত হেণ্ডকাফ লাগি যায় জানো? আৰু লাগিলেও সি আকৌ সুলকি আহি অত্যাচাৰ আৰম্ভ নকৰে জানো তেন্তে সমাজ এক ঘূৰ্ণায়মান অত্যাচাৰ নিষ্পেষণ চক্ৰৰ কাঁইটত ক্ষতবিক্ষত হৈ আছে কিয়? নে 'ওপজা সোণৰ মাটি' কোনোবা বিশেষ কদমকলি গাঁৱৰ এটা বিশেষ সাধু যাৰ অসম বা ভাৰতৰ লগত সম্বন্ধ নাই? পঙ্কজ বা তেওঁৰ ভনীয়েকৰ বিদ্ৰোহৰ স্বৰূপ কি—যি আগতে বাপেকৰ টকাৰ জোৰতেই দামী অভিজাত চালচলন আৰু প্ৰেমৰ ৰিলেৰেছত মত্ত?—আগৰে পৰা বাপেকৰ সৈতে কোনো মৌলিক সংঘাট নথকা এহাল যুৱক যুৱতীৰ বিদ্ৰোহ ৰচনা কৰা হ'ল প্ৰেমৰ বিৰোধেৰে (নিশকতিয়া ড্ৰাইভাৰটোৰ প্ৰতি ৰূঢ় ব্যৱহাৰ হতভগীয়া গঞাৰাইজৰ প্ৰতি দৰদীমনৰ পূৰ্ব্বাভাস নে নিষ্কৰ্ম্মা অভিজাত যৌৱনৰ জমানা মহতিয়াই যোৱা প্ৰেমৰ তেজৰ পূৰ্ব্বাভাস? আমাৰ মতেৰে কাহিনীৰ তৰাং ভাৱ গাথনিতহে এই বোম্বাই মাৰ্কা বীৰ সকলে সোণত সুৱগা চৰালে!)—ৰাতি নোশোওঁ বুলি ঠিকাদাৰ দুহীতাই কলেই নহব নহয়। ৰাতি টোপনি নধৰিলে দিনত মুখ শুকাই থাকে। কিবা মহৎ বাণী প্ৰচাৰ কৰিবলৈ যাওঁতেও কলাকাৰ বক্তা হ'ব নেলাগিব—তাতে আকৌ ইন্দিৰা গান্ধীৰ 'অন্যায় হতাও'ৰ মাজৰ কি অকপট মহৎ প্ৰতিশ্ৰুতিয়ে বিবেকৰ পুনৰ্গঠন কৰাৰ সম্ভাৱনা কঢ়িয়ালে?



OKDISCD

—'ওপজা সোণৰ মাটি' নিশ্চয় শাসক কংগ্ৰেছ দলৰ বাণী বহন কৰা ডকুমেণ্টৰী নহয়! নে টেক্সৰ ৰেহাইৰ আশাৰে এনে কৰা হৈছিল!

ছবিৰ যান্ত্ৰিক দিশবোৰ ভাল যেনেই অনুমান হয় আৰু গাৱঁলীয়া পৰিবেশ আৰু দৃশ্যাৱলী সৰস হৈছে। আৱহ সঙ্গীত আৰু 'ওপজা সোণৰ মাটি' গানটো ভাল হৈছে (অৱশ্যে কাহিনীৰ যান্ত্ৰিকতাই এনে গান আৰু পৰিবেশে আনিব পৰা সঁচা-পৰিবৰ্ত্তন স্বপ্নৰ ব্যাকুলতা স্বাভাৱিকতে ফুটাই তুলিব পৰা নাই)। কিন্তু প্ৰেমৰ খুন্দাৰ পাচত পূৰ্ণিমাই গোৱা গানটো সস্তীয়া involve and relax পদ্ধতিৰ বজৰুৱা হাতিয়াৰ। অভিনয়ৰ ক্ষেত্ৰত, এনে দুৰ্ব্বল কাহিনীৰ মাজত যিমানখিনি অভিনয় আশা কৰিব পাৰি সিমানখিনি পোৱা হৈছে বুলি ক'ব নোৱাৰি। সৰু সুৰা খুটি নাটিৰ দোষ আৰু কেতিয়াবা হাঁহিৰ আতিশয্য দৃষ্টিকটু। কিন্তু মহাজনৰ ভূমিকাত ৺ব্ৰজেন বৰুৱাৰ অভিনয় স্বতঃস্ফূৰ্ত্ত আৰু সাৱলীল (মননশীলতাৰ অভাৱ থকা কাহিনীত ই হয়তো অল্পপ নাটকীয়। মননশীল কাহিনীত ইয়াৰ চেহেৰাও বদলিবলৈ বাধ্য হলহেঁতেন, আনহাতে সমাজৰ সমস্যাৰ প্ৰতি অভ্ৰান্ত দৃষ্টি থকা সবল কাহিনীত ইয়াৰ ৰূপাত্মকতা বা irony ধৰ্ম্মিতা সাৰ্থক হ'লহেঁতেন।)

**সিদ্ধাৰ্থ গোস্বামী**

"অঙ্গীকাৰ", "সাম্প্ৰতিক", "চিতাৰ বুকুৰ চৰাই", "জোঁৱাৰ" প্ৰভৃতি সাময়িক আলোচনী আমাৰ হাতত পৰিছে। তেওঁলোকলৈ আমাৰ অভিনন্দন থাকিল। বিশদ আলোচনা পিছত ওলাব।





( ১৬ পৃষ্ঠাৰ পিছত পৰা )

ইয়াৰ পৰা, এই ভ্ৰাতৃঘাতী বিৰোধৰ আৱৰ্ত্তৰ পৰা অসমৰ জনগণ ওলাই আহিব লাগিব নহলে গত্যন্তৰ নাই।

অসমৰ প্ৰগতিশীল সমাজ সচেতন শক্তি সমূহৰ পৈণত অৱস্থা থকাহেতেন এনে অৱস্থাৰ হাত সাৰি ওলাবৰ বাবে আৰু চক্ৰান্তকাৰী সকলক পৰাস্ত কৰিবলৈ ব্যাপকভাবে সফল চেষ্টা কৰিব পৰা গ'লহেতেন। সুবিধাবাদ আৰু মধ্যবিত্ত সুলভ দুৰ্বলতা বৰ্জিত সকলো প্ৰগতিশীলৰ মনত এটা ধাৰণা স্পষ্ট— যি কোনো আন্দোলনৰ চৰিত্ৰ প্ৰগতিশীল নে প্ৰতিক্ৰিয়াশীল তাক বিচাৰ কৰাৰ একমাত্ৰ মাপকাঠি হ'ল—সেই আন্দোলনৰ সামগ্ৰিক পৰিণতি: ইয়ে সামগ্ৰিক ভাবে জনগণক প্ৰগতিৰ পিনে আগবঢ়াই নিছে নে প্ৰতিক্ৰিয়াশীলতাৰ চাকৈনৈয়াত আবদ্ধ কৰি শোষণ কাৰীক সুবিধা কৰি দিছে?

পৰিস্থিতিৰ সুযোগ লৈ আত্মপ্ৰতিষ্ঠাৰ বা নিজৰ গুৰুত্ব বঢ়োৱাৰ সুবিধা বিচৰা সকলৰ কথা বেলেগ, তেওলোকে আত্মস্বাৰ্থ পূৰণৰ বাবে আদৰ্শ আৰু ধ্যানৰ আবৰণ লয় আৰু সলায়—। কিন্তু সঁচাকৈয়ে আদৰ্শগত সজাবশ্বাসৰ বশৱৰ্তী হৈ নিঃস্বাৰ্থ বাবে জনগণৰ সেৱা কৰিব খোজে তেওলোকে বৰ্ত্তমানৰ এই সময়ছোৱাত নিজৰ ভূমিকা আৰু কাৰ্য্যকলাপ সম্বন্ধে নিজেই আত্মসমালোচনা কৰা উচিত, তেওঁ, কি ব্ৰহ্মপুত্ৰ উপত্যকা, কি কাছাড়, কি শ্বিলং, কি কলিকতা কি দিল্লী যতেই থাকক নালাগে।

সাম্প্ৰতিক ঘটনাবলীয়ে শোষকশ্ৰেণীৰ সেৱাদাস আৰু অন্নদাস একশ্ৰেণীৰ সাংবাদিক, শিক্ষাবিদ, বুদ্ধিজীবী, সাহিত্যসেৱী আৰু 'সমাজ' সেৱকৰ দায়িত্বহীন ধোৱাখুলীয়া অথচ ঘৃণনীয় চৰিত্ৰ আকৌ এবাৰ উদঙাই দিলে। ইহঁতে নিজৰ ভিত্তিত নিজে 'জাতীয়তাবাদী', 'নিৰ্ভীক', 'নিৰপেক্ষ', 'দেশপ্ৰেমিক', 'সমাজবাদী', 'জনগণৰ বন্ধু', আদি প্ৰমাণ-পত্ৰ আৰি নিজকে জহাই ফুৰে। ইজনে সিজনক, পৰস্পাৰে পৰস্পাৰক শলাগে, কিন্তু জনগণৰ বিৰুদ্ধে ইহঁতে কৌশলেৰে কাম কৰে। ইহঁতে প্ৰগতিশীল আন্দোলন, শ্ৰমকাৰী জনগনৰ শ্ৰেণী আন্দোলন আৰু সংগ্ৰামক জনবিৰোধিতা, দেশদ্ৰোহীতা বুলি আখ্যা দিয়ে, শ্ৰেণী সংগ্ৰামৰ লগত জড়িত নিস্বাৰ্থ সমাজ সেৱীসকলক শোষকশ্ৰেণীৰ হৈ গালাগালি কৰে, গিৰিহঁতৰ শত্ৰুক কুকুৰে ভুকাৰ দৰে। তাৰে বিনিময়ত পায় গিৰিহঁতৰ উচ্ছিষ্ট।



OKDISCD

এই অন্নদাস সকলৰ মাজত আদৰ্শ, ভাষা, জাতি, ধৰ্মৰ, দেশৰ প্ৰতি কোনো আনুগত্য নাই অথচ ভাষা জাতি ধৰ্মৰ নামত হৈ চৈ কৰে ইহঁতেই বেচি। হৈ চৈ কৰে জনগণৰ মাজত বিভেদ সৃষ্টি আৰু বিৰোধ বৃদ্ধিৰ বাবে। গুৱাহাটী, কলিকতা, শিলচৰ, যোৰহাট সকলোঠাইৰে এই শ্ৰেণীৰ অন্নদাস-সেৱাদাসৰ ভূমিকা একেইধৰণৰ, চৰিত্ৰও একে। এই সকলৰ বহুতো কেইজন আৰু কেথনমান বাতৰি কাকতে মাৰ্কিন চোৰাংচোৱা সংস্থা চি আই এ আৰু আন বিদেশীৰ ধনৰ বিনিময়ত বেশ্যাবৃত্তি কৰি থকা বুলি যি প্ৰবল জনৰৱ তাকো ৰাইজে বিচাৰ কৰিবৰ হ'ল। কাৰণ এনে শ্ৰেণীৰ সাংবাদিক, বুদ্ধিজীৱী, শিক্ষাবিদ, সাহিত্যিক আৰু বাতৰি কাকতেই যে কলেজীয়া শিক্ষাৰ মাধ্যমৰ প্ৰশ্নটোক ভ্ৰাতৃঘাতী সংঘৰ্ষৰ—বিদ্বেষৰ পিনে ঠেলি দিয়াৰ বাবে দায়ী।

মাধ্যম আন্দোলনত যি সকল ক্ষতিগ্ৰস্ত হ'ল, তেওঁলোকক পুণৰ সংস্থাপিত কৰিবই লাগিব। চক্ৰান্তকাৰী, গুজব ৰটনা কাৰী, বেনামী প্ৰচাৰ পত্ৰ আদি উলিয়াই প্ৰৰোচনা—উচতনি যোগোৱা সকলক উলিয়াই শাস্তি দিবই লাগিব। পুলিচৰ কাৰ্য্যকলাপ, নিষ্ক্ৰিয়তা আৰু সন্ত্ৰাসৰ আতিশয্যৰ তদন্ত কৰিব লাগিব মুঠতে সকলো কথাৰে উচ্চপৰ্য্যায়ৰ ব্যাপক তদন্ত কৰিব লাগিব। যি কোনো ভাষাভাষীৰেই নহওক, ব্ৰহ্মপুত্ৰ উপত্যকা, কাছাড়, কলিকতা, শ্বিলং সকলোবোৰ ষড়যন্ত্ৰকাৰী-বহুৰূপীক বাহিৰ কৰি যথাবিহিত ব্যৱস্থা নকৰিলে অসমৰ ভৱিষ্যত অন্ধকাৰ।

**ভাষা আৰু সংস্কৃতিৰ হৈ মেলা সমাৰোহ পতা, বচন আৰু বিবৃতি দান কৰা উজু; কিন্তু এটা ভাষা আৰু সংস্কৃতিক উপযুক্ত মৰ্য্যাদাৰে প্ৰতিষ্ঠিত কৰাৰ বাবে দীৰ্ঘদিনৰ যৌথ আৰু আশাশুধীয়া নিঃস্বাৰ্থ শ্ৰমৰ সীমাহীন প্ৰয়োজন। আমি অসমীয়া ভাষাক ভাল পোৱা সকলে অলপ সময়ৰ বাবেও পাহৰিলে নচলিব যে এতিয়া ভাৰতীয় আন ভাষাৰ লগ ধৰিবলৈকে আমি বহুদূৰ বাট অতি কম সময়তে অতিক্ৰম কৰিব লাগিব।**

ভ্ৰাতৃঘাতী দ্বন্দ্বই ভাষা সংস্কৃতিকে ধৰি সামগ্ৰিক জনজীৱনৰ উন্নতিত গভীৰ প্ৰতিবন্ধক জন্মাইছে। অসমৰ জনগণৰ ভাষাভাষী সমস্যাৰ সমাধান সৰ্বভাৰতীয় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অসমৰ সমূহ জনগণেই কৰিব লাগিব। কৰিব





লাগিব পাৰস্পৰিক বুজাবুজি প্ৰীতিৰ মাজেদি। অসমৰ শিক্ষাৰ মাধ্যমৰ সমস্যাকো স্থানীয় ভাৱেই এইদৰেই সমাধান কৰিব লাগিব। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সংখ্যা লঘুৰ অভিভাৱক কাছাড় বা কলিকতাৰ উগ্ৰ জাতীয়তাবাদী হব নোৱাৰে। তেনেকৈ মিকিৰ পাহাৰ, উত্তৰ কাছাড়, কাছাড় বা জনজাতীয় অঞ্চলত বাস কৰা সংখ্যা লঘুৰ অভিভাৱক গুৱাহাটী বা যোৰহাটৰ উগ্ৰজাতীয়তাবাদী হব নোৱাৰে। যি ঠাইত বসবাস কৰে তাৰ সংখ্যা লঘু আৰু সংখ্যাগুৰুৰ মাজত পৰস্পৰৰ আলাপ আলোচনা বুজাবুজি সপ্ৰীতিৰ মাজেদিহে এনে সমস্যা মূলতঃ সমাধান হব লাগিব। আমি জনাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ কোনো বঙালী ভাষীয়ে অসমীয়া মাধ্যমৰ বিৰুদ্ধে আন্দোলন কৰা নাই। অসমীয়া মাধ্যম গ্ৰহণৰ ক্ষেত্ৰত তেওঁলোকে পোৱা বাস্তৱ অসুবিধা বিলাক আঁতৰ কৰা-শান্তি পূৰ্ণ পৰিবেশেৰে ধৈৰ্য্য ধৰা নিশ্চয় উচিত। বড়ো সকলে ইংৰাজীকে ৰখাৰ যি দাবী তুলিছে তাক বাৰু আমি বিবেচনা কৰাত দোষ কি? ভাষাৰ প্ৰশ্নত অসমৰ আদি-থলুৱা জনজাতি ভাইভনী সকলৰ সতে অসমৰ আন জনগণৰ বিৰোধৰ কথা ভাবিবই নোৱাৰি। কাছাড় জিলাতো কেৱে বঙালী ভাষাৰ বিৰুদ্ধে আন্দোলন কৰা নাই। ব্ৰহ্মপুত্ৰ উপত্যকাতে হওঁক বা কাছাড় জিলাতেই হওক, সংখ্যাগুৰু গোষ্ঠীৰ শুভবুদ্ধিশীল লোক সকলে সংখ্যালঘু সকলৰ জীৱন, সম্পত্তিৰ নিৰাপত্তা আৰু ন্যায্য অধিকাৰ ৰক্ষা কৰিবৰ বাবে আগবাঢ়ি আহিবলৈ কুণ্ঠাবোধ কৰিব নালাগিব।

**সকলো শুভবুদ্ধি সম্পন্ন লোকে জানে যে জীঘাংসা বৃত্তিৰে কোনো ভাষা বা সংস্কৃতিৰ মৰ্য্যদা বঢ়াব নোৱাৰি; তাক যথাযথভাৱে প্ৰতিষ্ঠা কৰিব নোৱাৰি। গাৰ বলেৰে আনৰ ওপৰত কোনো ভাষা সংস্কৃতি জাপি দিবও নোৱাৰি। পৰাহেঁতেন, ইংৰাজ ৰাজত্বৰ এসময়ত, অসমীয়া ভাষাৰ চালুকীয়া অৱস্থাত, অসমীয়া ভাষাভাষীৰ ওপৰত বঙালী ভাষা জাপি দিয়াৰ ফলত, অসমত এজনো অসমীয়া নাথাকিলেহেঁতেন। ভাৰতৰ সকলো ঠাইতে এসময়ত মাধ্যমিক স্তৰৰ পৰা ইংৰাজী মাধ্যম চালু আছিল—ক'তা, ভাৰতীয় আঞ্চলিক ভাষাবোৰৰ জানো লোপ হ'ল? ভাষাৰ মৰ্য্যাদা বঢ়োৱাৰ বাবে, প্ৰতিষ্ঠা কৰাৰ বাবে লাগিব সম্যক চৰ্চা, আশাশুধীয়া পৰিশ্ৰম আৰু শ্ৰদ্ধা। আন ভাষাভাষী**



OKDISCD

মানুহক নিজৰ ভাষা কৃষ্টিলৈ আকৰ্ষিত কৰাৰ বাবে লাগিব, উদাৰতা, বুজাবুজি, শান্তি আৰু সংহতিৰ বাতাবৰণ; মৈত্ৰী, মৰ্য্যদাপূৰ্ন সৌহাৰ্দ্দিক পৰিবেশ। মনত ৰাখিব লাগিব যে আনৰ ভাষা কৃষ্টিক মৰ্য্যদা দিব নজনা লোকে নিজৰ ভাষা কৃষ্টিৰো মূল্য কোনোদিনে বুজি নাপায়। 'নতুন পৃথিৱী'য়ে অসমীয়া ভাষা সাহিত্যৰ এটি অতি প্ৰয়োজনীয় দিশ, কোনো ব্যক্তিগত লাভৰ আশাত নহয়, পূৰণ কৰাৰ চেষ্টাত ব্ৰতী। অসমীয়া ভাষাভাষী অনা অসমীয়া আৰু জনজাতি ভাষাভাষী অসমৰ নাগৰিকৰ মাজতে সেয়ে ইয়াৰ জনপ্ৰিয়তা দিনে দিনে বাঢ়িছে। অসমৰ জনগণৰ প্ৰতি, অসমীয়া ভাষা সংস্কৃতিৰ প্ৰতি, অসমৰ সামগ্ৰিক স্বাৰ্থৰ প্ৰতি নিজৰ আনুগত্য আৰু দায়িত্ব গভীৰ ভাৱে উপলব্ধি কৰিয়েই নতুন পৃথিৱীয়ে ওপৰৰ বক্তব্য ৰাখিছে।

—×—

সকলোধৰণৰ মাৰ্ক্সবাদী আলোচনী পুথি-সাহিত্যৰ বাবে যোগাযোগ কৰক—

গণ পুথি ঘৰ

চন্দ্ৰকুমাৰ ৰোদ, পানবজাৰ, গুৱাহাটী



# চিঠিপত্ৰ

সম্পাদক, "নতুন পৃথিৱী",
গুৱাহাটী

## ( ভাষা-বিবাদ আৰু গণতন্ত্ৰ )

সম্পাদক মহাশয়,

একশতাব্দী জোৰা ইংৰাজী ভাষাৰ একাধিপত্যৰ পিছত আজি ভাৰতৰ আঞ্চলিক ভাষাবোৰক বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হিচাবে ব্যৱহাৰ কৰাৰ সুযোগ আহিছে। ই বৰ সুখৰ কথা। আনহাতে এই প্ৰচেষ্টাই কিছুমান সমস্যাও পোহৰলৈ আনিছে। সকলোবোৰ সমস্যাৰ যে তুৰন্তে সমাধান হব তেনে ধাৰণা অবাস্তৱ। ভৱিষ্যতৰ অভিজ্ঞতা আৰু বিবিধ পৰীক্ষা নিৰীক্ষাইহে সুস্থ সমাধান বাহিৰ কৰাত সহায় কৰিব। ইতিমধ্যে অযথা উত্তেজিত নহৈ সংখ্যাগুৰু সংখ্যালঘু উভয় সম্প্ৰদায়ৰ লোকেই ধৈৰ্য্য ধৰা উচিত হব।

বৰ্ত্তমান সামাজিক আৰু ৰাষ্ট্ৰিয় পৰিবেশত এনেবোৰ সমস্যাৰ যথাযথ গণতান্ত্ৰিক সমাধান সম্ভৱ হব নে নহব, ভালকৈ ভাবি চোৱা উচিত। সংখ্যাগুৰু সম্প্ৰদায়ৰ মাজত শোষক শ্ৰেণীৰ স্বাৰ্থই কেনেকৈ কাম কৰি আছে, সংখ্যালঘুৰ মাজতেই বা সি কেনে ভূমিকা লৈছে—লক্ষ্য নকৰিলে শোষক শ্ৰেণীৰ কুটিল ছল-চাতুৰি সৰ্বসাধাৰণ ৰাইজে ধৰিব নোৱাৰিবও পাৰে।

গণতন্ত্ৰৰ প্ৰতি প্ৰকৃত নিষ্ঠা থকা মানুহ মাত্ৰেই অনুভৱ কৰিব যে সংখ্যালঘুৰ অধিকাৰৰ প্ৰশ্নটো ইয়াৰ লগত জড়িত হৈ আছে। অৱশ্যে সৰ্বভাৰতীয় ভিত্তিতে ইয়াৰ আলোচনা আৰু সমাধান বাঞ্চনীয়। সমাধান কি হব লাগে সেই সম্পৰ্কে মতামত নিদিওঁ। কিন্তু আমাৰ একাংশ লোকে ভবাদৰে সংখ্যালঘু সম্প্ৰদায়ৰ ক্ষোভ সম্পূৰ্ণ যুক্তিহীন বা ভিত্তিহীন নহয়। D. A. V. College বনাম Punjab Government মোকৰ্দ্দমাত ৰায় দি ভাৰতৰ উচ্চতম ন্যায়ালয়ে স্পষ্টকৈ কৈছিল: "If, as is contended, teaching in the regional language, which means in the mother tounge, accelerates



OKDISCD

the pace of educational and cultural development and makes for improvement and excellence of educational standards these criteria are equally applicable to the religious and linguistic minorities or to any other sections of the citizens who have a distinct language, script and culture and whose right to preserve them and to administer their educational institutions are guaranteed under Articles 29 (1) and 30 (1) of the Constitution. এই ৰায়ত দ্ব্যর্থহীন ভাষাত কোৱা হৈছে যে ভাষিক সংখ্যালঘুৰ ওপৰত তেওঁলোকৰ ইচ্ছাৰ বিৰুদ্ধে এটা ভাষা জাপি দিবলৈ কোনো বিশ্ববিদ্যালয়ৰ সাংবিধানিক অধিকাৰ নাই। অসমত সংখ্যালঘু সম্প্ৰদায়ৰ আপত্তিত সেয়ে আমি বিচলিত নহৈ ধৈৰ্য্য ধৰি তাক শুনিব লাগিব।

আনহাতে সংখ্যালঘু সম্প্ৰদায়ৰ ৰাইজেও নিজৰ অভিজ্ঞতা বিশ্লেষণ কৰি বুজা উচিত যে কেন্দ্ৰ আৰু ৰাজ্যত ৰাষ্ট্ৰক্ষমতা কৰায়ত্ত কৰা কংগ্ৰেছ দলে তেওঁলোকৰ ন্যায্য অধিকাৰ ৰক্ষা নকৰে। শোষক শ্ৰেণীৰ বিৰুদ্ধে সকলো সম্প্ৰদায়ৰ গণতান্ত্ৰিক জনতাৰ ঐক্য বাঢি থাকিলেহে এই সমস্যাৰ সফল সমাধানৰ পথ এদিন মুকলি হব। ইতি।

আপোনাৰ

ভূপেন বৰবৰা, নগাওঁ,

---

ভাৰতৰ মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ
অসম ৰাজ্য কমিটিৰ মুখপত্ৰ

গণশক্তি

পষেকীয়া বাতৰিকাকত পঢ়ক

মেনেজাৰ গণশক্তি
শ্বাহ মঞ্জিল, পল্টনবজাৰ
গুৱাহাটী-১

---



## বিশ্লেষণৰ প্ৰয়োজন

সম্পাদক মহাশয়,

সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কে বিশ্লেষণৰ মাৰ্ক্সীয় দায়িত্ব অবজ্ঞা কৰি বহু তথা-কথিত মাৰ্ক্সবাদীয়ে নিজকে আৰু আনকো বিপদত পেলোৱা দেখা যায়। মাৰ্ক্সীয় সূত্ৰে সমূহে জীৱন পায় বস্তুনিষ্ঠ আৰু বিস্তৃত বিশ্লেষণতহে। বাস্তৱ পৰিস্থিতিৰ সৰ্বাত্মক অধ্যয়ন আৰু চেতনা অবিহনে মাৰ্ক্সীয় ধ্যানধাৰণাৰ ভ্ৰান্ত আৰু বিপজ্জনক প্ৰয়োগ অৱশ্যম্ভাবী। এই সম্পৰ্কে সেয়ে বাৰে বাৰে লেনিনে আমাক সতৰ্ক কৰি দিছে।

পাতল আৰু বিভ্ৰান্ত চিন্তাৰ সুযোগ লৈ শাসক শ্ৰেণী, সিহঁতৰ আশ্ৰিত বুদ্ধিজীৱী আৰু প্ৰচাৰৰ মাধ্যমবিলাকে কিছুমান এনে কাৰ্য্যসূচী সমৰ্থন কৰে দেখাত যিবোৰ সমাজবাদী, অথচ যিবোৰ সম্পন্ন কৰাৰ কোনো বাস্তৱ আৰ্থিক, ৰাজনৈতিক আৰু সামাজিক ভিত্তি সমাজত নাই। অতি পৰিতাপৰ কথা যে কিছুসংখ্যক আন্তৰিকতাসম্পন্ন অথচ অনভিজ্ঞ মাৰ্ক্সবাদী লেখকো এই ভুৱা প্ৰচাৰৰ ফান্দত পৰিছে। তেওঁলোকে বিশ্বাস কৰে যে বৰ্ত্তমান সমাজব্যৱস্থাতে কায়িক আৰু মানসিক শ্ৰমৰ ব্যৱধান অবিলম্বে দূৰ কৰা সম্ভৱ, যে প্ৰকৃত সমবায় ভিত্তিত উৎপাদনৰ পুনৰ্গঠন ৰাজনৈতিক ক্ষমতা জনতাৰ হাতলৈ নোযোৱাকৈ কৰিব পাৰি, যে চীনদেশত বৰ্ত্তমান প্ৰবৰ্ত্তন হোৱা কিছুমান ব্যৱস্থা এইখন ভাৰতো চলাই দিব পাৰি। কোৱা বাহুল্য এনেবোৰ লক্ষ্য বৰ্ত্তমান সমাজব্যৱস্থাত কাৰ্য্যকৰীতো নহয়েই, বৰং utopian আৰু শাসকশ্ৰেণীয়ে সেইবাবেই এনেবোৰ লক্ষ্য সম্পৰ্কে উত্তেজনা সৃষ্টি কৰে। কাৰণ এনে লক্ষ্যত মনোনিবেশ কৰিলেই মাৰ্ক্সীয় সংগঠন আৰু আন্দোলনত বিভ্ৰান্তিৰ সৃষ্টি হব। সামাজিক আৰু ৰাজনৈতিক বিপ্লৱত এখোজো আগ নবঢ়াকৈ সাংস্কৃতিক বিপ্লৱ সমাধা কৰিব খোজা নক্সালী বন্ধু সকলৰ দশা এইক্ষেত্ৰত স্মৰণীয়।

জাতি আৰু ভাষা সমস্যা সম্পৰ্কেও তেনেধৰণৰ আধা-মাৰ্ক্সীয় মনোভাবৰ প্ৰচাৰ চলিছে। কিছুমান "মাৰ্ক্সবাদীয়ে কৈছে যে অসমৰ কথা স্বকীয়া, আৰু সেয়ে অসমৰ শাসক শ্ৰেণীয়ে ডাঙি ধৰা ভাষা বা জাতিসমস্যাৰ সমাধান হেনো মানিব লাগিব। এনে মনোভাবৰ ভিত্তি হ'ল এই ধাৰণা যে জাতি-হিচাবে



OKDISCD

বিলাকৰ বা জনতাৰ ওপৰতেই বিভিন্ন বিষয় সংক্ৰান্তৰ দায়িত্ব লোৱাৰ ভাৰ এৰি দিব পাৰি। উভয়েই সমস্যা সমাধানৰ অনেক উপায় উদ্ভাৱন কৰাত সম্পূৰ্ণ সক্ষম। সামগ্ৰিক পৰিকল্পনা আৰু উপযুক্ত ব্যৱস্থাৰ নীতিৰ ভিতৰত ইও পৰে। সামাজিক সংগঠনবিলাকক আৰু জনতাক এই ক্ষেত্ৰত সৰ্বত্ৰতে আমি পৰিচালনা কৰা উচিত।

## ৮। "শত ফুল ফুলি উঠক, শত মতৰ সংঘাত হওক" আৰু "দীৰ্ঘকালীন সহ অৱস্থান আৰু পাৰস্পৰিক তত্বাৱধান" সম্পৰ্কে ঃ

"শতফুল ফুলি উঠক, শত মতৰ সংঘাত হওক" আৰু "দীৰ্ঘকালীন সহ অৱস্থান আৰু পাৰস্পৰিক তত্বাৱধান" এই ধ্বনিবিলাক কেনেকৈ আহিবলৈ পাইছিল? চীনৰ বিশেষ অৱস্থাক লক্ষ্য কৰি, সমাজতান্ত্ৰিক সমাজত এতিয়াও বিভিন্ন ধৰণৰ দ্বন্দ্ব থকাটোক স্বীকাৰ কৰাৰ ভিত্তিত আৰু দেশৰ অৰ্থ নৈতিক আৰু সাংস্কৃতিক বিকাশক দ্ৰুত কৰিবলৈ আহ্বান কৰিয়েই এই ধ্বনি বিলাক তোলা হৈছিল। বিজ্ঞান, শিল্পকলা আৰু আমাৰ দেশৰ উদীয়মান সমাজতান্ত্ৰিক সংস্কৃতিৰ অগ্ৰগতিত সাহায্য কৰাৰ উদ্দেশ্যে 'শত ফুল ফুলি উঠক, শত মতৰ সংঘাত হওক' এই নীতিটো গ্ৰহন কৰা হৈছিল। শিল্পকলাৰ বিভিন্ন ৰূপ আৰু পদ্ধতিৰ বিকাশ, আৰু বিভিন্ন বৈজ্ঞানিক চিন্তাধাৰাৰ প্ৰতিযোগিতা মুক্তভাৱে হোৱা উচিত। যদি প্ৰশাসনীয় ব্যৱস্থাৰে শিল্পকলাৰ বা চিন্তাধাৰাৰ কেৱল এটা বিশেষ ধাৰণাকে আৰোপ কৰি আনবিলাক নিষিদ্ধ কৰা হয়, তেন্তে আমি ভাবো যে শিল্পকলা আৰু বিজ্ঞানৰ বিকাশত ই ক্ষতিকৰ হ'ব। শিল্পী আৰু বৈজ্ঞানিক মহলৰ স্বাধীন আলোচনা আৰু এইবিলাক ক্ষেত্ৰত সম্পাদন কৰা বাস্তৱ কাৰ্য্যৰ যোগেদি শিল্পকলা আৰু বিজ্ঞানৰ ভুল আৰু শুদ্ধ সম্পৰ্কীয় সমস্যা বিলাক সমাধান কৰা উচিত। এই বিলাক জধেমধে মীমাংসা কৰা অনুচিত। কোনো এটা বিষয়ত ভুল বা শুদ্ধ নিৰ্ণয় কৰিবলৈ হলে কিছুকালৰ পৰীক্ষাৰ দৰ্কাৰ হয়। ইতিহাসত দেখা যায় যে অধিকাংশলোকে নতুন আৰু শুদ্ধ বস্তুক প্ৰথমে স্বীকাৰ কৰি ল'ব নোৱাৰে। সংগ্ৰামৰ ভিন ভিন একাবেকা পথেদিহে নতুন আৰু নিৰ্ভুল বস্তুই বিকাশ লাভ কৰিছে।





নতুন আৰু শুদ্ধ বস্তুক প্ৰথমে প্ৰায়েই সুগন্ধি কুসুম বুলি নহয় বিষাক্ত বন বুলিহে বিবেচনা কৰে। ক'পাৰ নিকাচৰ সৌৰজগতৰ সূত্ৰ আৰু ডাৰউইনৰ বিবৰ্তনৰ সূত্ৰক এসময়ত ভ্ৰান্ত বুলি বাতিল কৰিছিল আৰু প্ৰচণ্ড বাধাৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ পাচতহে এই সূত্ৰ দুটাই জয় লাভ কৰিছে। চীনৰ ইতিহাসত এনেধৰণৰ অনেক দৃষ্টান্ত আছে। এখন সমাজতান্ত্ৰিক সমাজত নতুন সমাজ গঢ়ি উঠিবলৈ পুৰণা সমাজতকৈ উন্নততৰ আৰু সম্পূৰ্ণ বেলেগ পৰিবেশ থাকে। তথাপিও, নতুন আৰু উদীয়মান শক্তিক এতিয়া প্ৰায়েই বাধা দিয়া হয় আৰু যুক্তিসঙ্গত পৰামৰ্শক ৰুদ্ধ কৰা হয়।

ইচ্ছাকৃত দমন নেথাকিলেও বিবেচনাৰ অভাৱত নতুন বস্তুৰ উদ্ভৱ বাধাপ্ৰাপ্ত হ'ব পাৰে। শিল্পকলা আৰু বিজ্ঞানৰ ভুল আৰু শুদ্ধৰ বিষয়ত সেয়ে সাৱধান হোৱা, স্বাধীন আলোচনাক উৎসাহিত কৰা, আৰু অবিবেচক সিদ্ধান্ত নোলোৱাৰ আৱশ্যক হৈ পৰিছে। আমাৰ বিশ্বাস, এনে মনোভাবে শিল্পকলা আৰু বিজ্ঞানৰ সুস্থিৰ বিকাশত সহায় কৰিব।

মাৰ্ক্সবাদো সংগ্ৰামৰ যোগেদি বিকাশ লাভ কৰিছে। আৰম্ভনিত মাৰ্ক্সবাদৰ ওপৰত সকলো ধৰণৰ আঘাতেই আহিছিল, আৰু ইয়াক বিষাক্ত বন বুলি গণ্য কৰা হৈছিল। পৃথিৱীৰ বহুত ঠাইত এতিয়াও ইয়াক সমালোচনা কৰা হয় আৰু বিষাক্ত বন বুলি গণ্য কৰা হয়। সমাজতান্ত্ৰিক দেশবিলাকত, ইয়াৰ বেলেগ স্থান আছে। কিন্তু, অ-মাৰ্ক্সবাদী আৰু ইয়াৰ উপৰিও, মাৰ্ক্সবাদ বিৰোধী আদৰ্শ এইবিলাক দেশতো বৈ গৈছে। চীনত যদিও প্ৰধানতঃ মালিকীস্বত্ব ব্যৱস্থাৰ সম্পৰ্কত সমাজতান্ত্ৰিক ৰূপান্তৰ সমাপ্ত হৈছে, আৰু যদিও পূৰ্বৰ বিপ্লৱী সময়ত সংঘটিত হোৱাৰ দৰে জনতাৰ বিস্তাৰিত আৰু প্ৰচণ্ড শ্ৰেণী সংগ্ৰাম প্ৰধানতঃ শেষ হৈছে, উচ্ছেদ হোৱা জমিদাৰ আৰু দালাল শ্ৰেণীৰ অৱশিষ্ট এতিয়াও আছে, বুৰ্জোৱা বিলাকো আছে, আৰু পেটি বুৰ্জোৱাৰ সংশোধন আৰম্ভ হৈছেহে মাথোন। শ্ৰেণী সংগ্ৰাম এতিয়াও শেষ হোৱা নাই। সৰ্বহাৰা আৰু বুৰ্জোৱাৰ মাজত শ্ৰেণী সংগ্ৰাম, বিভিন্ন ৰাজনৈতিক শক্তিৰ মাজত শ্ৰেণী সংগ্ৰাম, আৰু আদৰ্শবাদৰ ক্ষেত্ৰত সৰ্বহাৰা আৰু বুৰ্জোৱাৰ মাজত শ্ৰেনী সংগ্ৰাম বহুদিন ধৰি চলি থাকিব। এই শ্ৰেণী সংগ্ৰাম বক্ৰ গতিৰে চলিব আৰু মাজে মাজে প্ৰচণ্ড ৰূপ ধাৰণ কৰিব। সৰ্বহাৰাই নিজ বিশ্ব-বীক্ষা অনুসৰি পৃথিৱীখনৰ



OKDISCD

অসমীয়া মানুহ সবল আৰু উন্নত হোৱাৰ পথত বঙালী বিলাকেই ঘাই অন্তৰায়। "কেন্দ্ৰ" সম্পৰ্কেও কিছুমান অস্পষ্ট প্ৰতিবাদ কৰা হয়। এই সকল মাৰ্ক্সবাদীয়ে ভাবি নাচায় যে অসম অনুন্নত হৈ থকাৰ প্ৰধান কাৰণ ভাৰতীয় বৃহৎ পুঁজিৰ একচ্ছত্ৰী আধিপত্য। কেন্দ্ৰীয় চৰকাৰ এই বৃহৎ পুঁজিৰেই হাতীয়াৰ মাত্ৰ। বৃহৎ-পুঁজি আৰু কেন্দ্ৰৰ দাসানুদাস হৈ থাকিব খোজা অসমীয়া পুঁজিপতি আৰু উচ্চ-মধ্যবিত্তৰ ভাবধাৰাৰ লগত "মাৰ্ক্সবাদী"ৰ ভাবধাৰা এনেকৈ মিলি যাব পাৰেনে ?

ভাৰতৰ বহু জাতি-উপজাতিক বৃহৎ পুঁজিয়ে পদানত কৰি ৰাখিছে। বৃহৎ পুঁজিৰ (আৰু জমিদাৰ গোষ্ঠিৰ) শোষণ আৰু দমনৰ পৰা মুক্তিৰ পথ হ'ল বিভিন্ন জাতিৰ মেহনতী আৰু প্ৰগতিশীল মানুহৰ ঐক্য। তেহে যদি ৰাইজৰ কান্ধত বহি থকা বৃহৎ পুঁজি স্বৰূপ দৈত্যটো ওফৰাই দিব পৰা যাব, তেনে বিভিন্ন অঞ্চলৰ উন্নয়ন সম্ভৱ হব, বিভিন্ন জাতি-উপজাতিয়ে মূৰ ডাঙি উঠিব পাৰিব লেনিনে কৈ যোৱা দৰে জাতি-সমূহৰ মাজত গণতান্ত্ৰিক সমতা আৰু সৌহাৰ্দ্দ্য মাৰ্ক্সীয় জাতিতত্ত্বৰ প্ৰধান সূত্ৰ। "বাস্তৱৰ" চেলু উলিয়াই তাক আওকাণ কৰাৰ অৰ্থ শোধনবাদী অধঃপতনত পতিত হোৱা।

মাধ্যম সম্পৰ্কীয় আন্দোলন মেহনতী অসমীয়া বা বঙালী মানুহে চলোৱা নাই। নাইবা "বঙালী মানুহৰ চক্ৰান্ত"ৰ বাবে এই আন্দোলন গোৱা নাই। তথাকথিত "মাৰ্ক্সবাদী" সকলে জানেনে যে ১৯৬৮ চনৰ পৰা বিশ্ববিদ্যালয়ৰ Academic Council ত বঙালী ভাষাক বিকল্প মাধ্যম হিচাবে স্বীকৃতি দি অহা হৈছিল ?

"আঞ্চলিক" ভাষাত শিক্ষাদানৰ লগত বিভিন্ন জাতিৰ উন্নতিৰ সম্পৰ্ক নাই। বৃহৎ পুঁজিৰ তাবেদাৰ চৰকাৰৰ ই শিক্ষানীতি। বড়ো, চাওঁতাল প্ৰভৃতি অনেক জাতিৰ ভাষাই এই সুবিধা নোপোৱাৰ ফলত আন জাতিৰ তুলনাত সেইবোৰ জাতি পিছ পৰি থাকিব। ফলত বৰ্ত্তমান গোঁজ হৈ বহি থকা মধ্যবিত্তৰ সাংস্কৃতিক তথা আৰ্থিক দমননীতি চলি থাকিব। লেনিন আৰু ষ্টালিনৰ সূত্ৰ অনুসৰণ কৰি আমি কব খোজোঁ যে মাতৃভাষাত শিক্ষাদানহে মাৰ্ক্সীয় লক্ষ্য। ইতি

আব্দুল কাদেৰ
গুৱাহাটী-১



## ( ফোঁপোলা হাজৰিকাৰ টোপোলা )

সম্পাদক মহাশয়,

কিছুদিন ধৰি ভাৰতত নানাবিধৰ সমাজবাদীৰ অৱতাৰ হৈছে। জগজীৱন ৰামৰ "ভাৰতীয়" সমাজবাদী (যাৰ অৰ্থ হয়তো নিজৰ আয়কৰ দিয়াৰ ভাৰ সমাজৰ ওপৰতে অৰ্পণ কৰা!), জনসংঘৰ "হিন্দু" সমাজবাদী, কাৰো কাৰো বা "ইচ্লামী" সমাজবাদী আদিৰ বিবিধ মন্ত্ৰনাত দৰিদ্ৰ জনতাৰ মূৰ্চ্ছা যোৱাৰ উপক্ৰম। আৰু এবিধ সমাজবাদীক "অসম বাণী সমাজবাদী" বোলা যায়। পুঁজিপতি গোষ্ঠিৰ কাগজত সেই গোষ্ঠিৰ সুবিধা মতে সমাজবাদৰ মনোৰম ব্যাখ্যা আগবঢ়াই নিজৰ আৰু (পুঁজিপতি গোষ্ঠিৰ) দহজনৰ বাবে সুবিধা আদায় কৰাত এই সমাজবাদৰ দৰে সিদ্ধহস্ত "বাদ" আৰু বোধহয় নোলাব।

এই সমাজবাদৰ কিছুমান বিশেষ লক্ষণ আছে। "ৰাইজ" বুলিলে সি পৰি মৰিব পাৰে—কাৰণ ৰাইজৰ পৰা নানা উপায়ে চান্দা আদায় কৰি বিলাসী পুঁজিপতিৰ সমাজত জল্‌মলাই ফুৰা জনৰ "প্ৰগতিক ভেটিব কোনে ?" বাংলাদেশ, ভিয়েটনাম, দঃ আফ্ৰিকা প্ৰভৃতি দুৰ-দুৰণিৰ দেশৰ শ্ৰেণী সংগ্ৰামৰ হৈ ইয়াত চকুলো টোকা বা তৰ্জনগৰ্জন কৰাত এই সমাজবাদ বৰ কাজুৱা। কিন্তু নিজৰ সমাজখনত শ্ৰেণীসংগ্ৰামৰ গোন্ধ থকা কোনো কথাতে এই সমাজবাদী আগৰণুৱা নহয়। বৰং প্ৰতিক্ৰিয়াৰ সকলো ঘিণলগা ষড়যন্ত্ৰতে সুৰ লগাই হোৱা দিয়াত এনে সমাজবাদী সকলৰ প্ৰতিভা উল্লেখযোগ্য।

বছৰেক আগতে এক "অসমবাণী সমাজবাদী"য়ে ভাষ্য আগবঢ়াইছিল যে যি সমাজবাদত ব্যক্তিৰ নিজস্ব সত্তা মাৰ নাযায়, সিয়েই প্ৰকৃত সমাজবাদ, আৰু তাতেহে তেৰাৰ অগাধ বিশ্বাস। মাৰ্ক্স-এংগেল্‌ছে কবৰৰ পৰাই হয়তো কব যে বুৰ্জোৱা সমাজত সৃষ্ট ব্যক্তিৰ "নিজস্ব সত্তা" বিকলাংগ, ব্যাধিগ্ৰস্ত—তাক ৰক্ষা কৰি লাভ নাই। সৰ্বহাৰাৰ নেতৃত্বত কিছুদিন তাক দমন কৰাই তাৰ উপযুক্ত চিকিৎসা। সি যি নহওক, কাৰো কাৰো তৰল মগজুত সেই প্ৰতিবাদ নোসোমাব। বোধহয় ওপৰোক্ত ব্যাখ্যাৰে অনুপ্ৰাণিত হৈয়েই আমাৰ কেতবোৰ সুপ্ৰসিদ্ধ সমাজবাদীয়ে মৰোঁজিউ সোঁ আধিকৈ নিজৰ বাবে ধনঘটাত লাগি গৈছে—বুৰ্জোৱা দুৰ্নীতি আৰু অনাচাৰৰ কোনোটোৰেই বাদ নিদিয়াকৈ



OKDISCD

এৰাসকলে ব্যক্তিসত্তা আৰু সমাজ সত্তাৰ মাজৰ ভাৰসাম্য নিপুণভাবে ৰক্ষা কৰিছে।

এনে মানুহৰ কাণ্ডকাৰখানা বুজিবলৈ ৰাইজৰ সৰহপৰ নালাগে। কিছুকাল আগতে এখন তিনিদিনীয়া কাকতত এনে এক সমাজবাদী শিল্পীৰ টুলুঙা, ফটুৰা আৰু দায়িত্বহীন মনোবৃত্তিৰ বিৰুদ্ধে অসংখ্য চিঠিপত্ৰ প্ৰকাশ হৈছিল। তেওঁৰ ফোঁপোলা অহংকাৰৰ টোপোলাত অসংখ্য ফুটা কৰি এইবোৰ চিঠিপত্ৰই প্ৰমাণ কৰিছিল যে তেওঁৰ ক্ৰমাৎ বাঢ়ি অহা দায়িত্বহীনতা, সস্তীয়া জনপ্ৰিয়তাৰ প্ৰতি মোহ, দেউলীয়া আদৰ্শ আৰু স্বভাৱৰ প্ৰতি আমাৰ ৰাইজ সম্পূৰ্ণ সচেতন। কিন্তু তেওঁৰ শিক্ষা নহ'ল। ফালি চিৰাচিৰ হোৱা টোপোলাত টালিটুপলি লগাই তেওঁ তাক আকৌ ৰাইজৰ আগত মেলিছে অলপতে— "অসম বাণী"ৰ পাতত। লোকৰ মতামত বুজি পোৱাৰ ধৈৰ্য্য (নে মগজ?) তেখেতৰ নাই, কিন্তু বহুৱাৰ দৰে তাক বিকৃত কৰাৰ মতলব পুৰামাত্ৰাই আছে। ড: হীৰেন গোহাঁয়ে ভাষাবিবাদ সম্পৰ্কে Assam Express ত এখনি প্ৰবন্ধ লেখিছিল। সেই প্ৰবন্ধ কিটা অন্ততঃ অধ্যয়ন আৰু চিন্তাপ্ৰসূত, কিন্তু উক্ত শিল্পীয়ে ডঃ গোহাঁইৰ মতামত বিকৃত কৰি বিভ্ৰান্ত ৰাইজৰ পৰা "বিচাৰিছে মৰমৰ মাত এবাৰ"!

ডঃ গোহাঁয়ে মন্তব্য কৰিছিল যে নতুনকৈ গজি উঠা অসমীয়া উগ্ৰজাতীয়তাবাদী (Chauvinism) অসমীয়াৰ পক্ষেই ক্ষতিকৰ। সেই সম্পৰ্কে আমাৰ টুপলীয়া শিল্পীয়ে টিপ্পনী কাটিছে যে chauvinism শব্দটো ক্ষমতাবান জাতিৰ দম্ভৰ সম্পৰ্কেহে খাটে। অসমীয়া জাতি হেনো এটা নিপীড়িত জাতি, সেয়ে কোনোমতেই chauvinist হব নোৱাৰে! তাৰ উপৰিও ডঃ গোহাঁয়ে হেনো কেৱল অসমৰ ক্ষেত্ৰতে সংখ্যালঘুৰ অধিকাৰ বিচাৰিছে।

ঘটনা সিমান সহজ নহয়। শোষণধৰ্মী ভাৰতীয় সমাজত যেনেকৈ প্ৰতিটো বৰ্ণৰ মানুহে তাৰ তলৰ বৰ্ণটোতকৈ নিজকে উচ্চ বুলি গৰ্ব কৰে, তেনেকৈ জাতিসমূহৰ মাজতো উচ্চাত্মিকাই গঢ় লৈছে। তাহানি ব্ৰিটিছ আধিপত্যৰ অপমানত মৰ্মাহত বঙালী মধ্যবিত্তই হোৰ তুলিছিল অসমীয়াৰ ওপৰত। আজি বৃহৎ পুঁজি আৰু তাৰ কেন্দ্ৰীয় চৰকাৰৰ আগত লেতুসেতু অসমীয়া মধ্যবিত্তই অসমৰ নিমাখিত সংখ্যালঘুৰ ওপৰত দপ্ দপাই বীৰত্ব কৰে। অসমীয়া উগ্ৰজাতীয়-





তাবাদৰ অভিযোগ বঙালীৰ উপৰিও ৰড়ো সকলৰ পৰা আহিছে। এনেই আহিছে নেকি?

কিন্তু তাৰ বাবে অসমীয়া বা বঙালী মানুহক গালি পাৰি লাভ নাই। শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ জাতীয় সংস্কাৰ আৰু অন্ধতা মেহনতী মানুহৰ মাজত নাই—অন্ততঃ তাক সহজে নিৰ্মূল কৰা যায়। স্বাৰ্থান্বেষী অসমীয়া আৰু বঙালী পুঁজিপতিৰ খবৰ কাগজে ঘটনাটো এনেকৈ সজাইছে যেন সমগ্ৰ অসমীয়া আৰু সমগ্ৰ বঙালী জাতিৰ মাজত "লড়াই"হে চলিছে! তেনে প্ৰচাৰত প্ৰকৃত প্ৰগতিশীল মানুহ ভোল নাযায়। ডঃ গোহাঁইৰ প্ৰবন্ধত (**Facts and Values in the Nationality Debate**) স্পষ্ট মন্তব্য আছে যে ভাৰতৰ বহু জাতি উপজাতি আজি বিভিন্ন অঞ্চলৰ উগ্ৰ জাতীয়তাবাদৰ প্ৰকোপত অবদমিত, অপমানিত। বিপ্লৱৰ অন্যতম দায়িত্ব এই সকলক মুক্তি দিয়া।

পুঁজিবাদী মহলত সুখ্যাতিৰ দেৱাংগভূষণ পিন্ধি নাচিবাগি কোনোবাই পুলকিত অনুভৱ কৰিলে কবলৈ একো নাই। কিন্তু তাক জনসাধাৰণৰ নামত নকৰাই ভাল! ইতি

আপোনাৰ
প্ৰতিমা ফুকন, গুৱাহাটী-১

প্ৰগতিশীল আলোচনী
সাম্প্ৰতিক পঢ়ক
যোগাযোগৰ ঠিকনা ঃ—
সম্পাদক সাম্প্ৰতিক
মাৰফৎ পুথিভঁৰাল সমলয়
তৰাজান, যোৰহাট—১



OKDISCD

# জ্যোতিপ্ৰসাদ আৰু অসমৰ জাতিসমস্যা

নছৰুদ্দিন হাজৰিকা

বাৰেবৰণীয়া বিভ্ৰান্ত চিন্তাৰ চাকনৈয়াত জ্যোতিপ্ৰসাদৰ চিন্তাধাৰায়ো বৰণ সলায়হে লাগে ! কিছুকাল আগতে শ্ৰদ্ধেয় হেমাংগ বিশ্বাসে বাতৰি কাকতত চিঠি লেখি প্ৰকাশ কৰিছিল যে জ্যোতিপ্ৰসাদৰ ৰচনাৱলীৰ সম্পাদক আৰু প্ৰকাশকৰ মায়াত জ্যোতিপ্ৰসাদৰ ৰচনাৰ কিছু কিছু অংশ অন্তৰ্হিত হৈছিল, কোনো কোনো অংশৰ বা চেহেৰাই বদলি গৈছিল। অনুৰূপভাবেই মায়াবী ভাষ্যকাৰৰ কৌশলত জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাৰ তাৎপৰ্য্যৰো সাল সলনি ঘটাৰ সম্ভাৱনা বহল।

অনাঅসমীয়াক জোৰজুলুম কৰি অসমীয়া কৰা মনোভাবৰ সমৰ্থনত অনৈক চিন্তাবীৰে অলপতে লে'নিনৰ পৰা উদ্ধৃতি দিছে। অথচ লে'নিনে কৰা মন্তব্যৰ স্থান, কাল, পাত্ৰ যে সম্পূৰ্ণ বেলেগ, জোৰ কৰি সমন্বয় ঘটোৱা পদ্ধতিৰ লে'নিন যে ঘোৰ বিৰোধী আছিল, জাতীয়তাবাদক যে সমাজবাদী আন্দোলনৰ মুখ্য লক্ষ্য হিচাবে লবলৈ লে'নিনৰ প্ৰবল আপত্তি আছিল—তেনেবোৰ আহুকলীয়া কথালৈ কোনে চকুকাণ দিয়ে? ঠিক তেনেকৈয়ে জ্যোতিপ্ৰসাদৰ চিন্তাৰ দিশ আৰু মৰ্ম সম্পৰ্কে বিকৃত ব্যাখ্যা ডাঙি ধৰাটো হয়তো চিন্তাৰ 'বীৰত্ব' হব পাৰে—চিন্তাৰ সততা নিশ্চয় নহয়।

জ্যোতিপ্ৰসাদৰ মূল্যায়ন কৰোঁতে আমি পাহৰিব নালাগিব যে তেওঁৰ অন্তৰ্মুখৰ জীৱন আৰু সামাজিক পৰিবেশৰ সাঁচ তেওঁৰ চিন্তাধাৰাত ৰৈ গৈছে। প্ৰাচীন সমাজ আৰু প্ৰাচীন জগতৰ খোলা ভাঙি ওলাই আহিবখোজা তেওঁৰ মনটোত শেষলৈকে লাগি ৰৈছিল সেই খোলাৰ চোকোৰা। সেয়ে তেওঁ গান্ধীবাদৰ প্ৰতি সভক্তিৰে সঁহাৰি দিছে। সেয়ে তেওঁ জগতৰ মূল কাৰণ হিচাবে ঈশ্বৰক মানি লৈছে। আনহাতে জনগণৰ মুক্তিসংগ্ৰামত তেওঁ এনেদৰে মনেপ্ৰাণে জড়িত হৈ আছিল যে সাম্ৰাজ্যবাদ স্বৰূপ দুষ্কৃতিৰ লগত চূড়ান্ত সমৰৰ বাবে অস্ত্ৰধাৰণ তেওঁ অৱশেষত সংগত বুলি ভাবিছিল। আকৌ তেওঁৰ কল্পিত ঈশ্বৰ তেওঁৰ কল্পিত আদৰ্শ মানবৰ বিৰাট ৰূপ মাত্ৰ—ঈশ্বৰো তেওঁৰ





মানত শিল্পী। অৰ্থাৎ প্ৰগতিশীল চিন্তাৰ গতিবেগে তেওঁৰ ভাব-বাদী বিশ্বাস বা ধাৰণাবোৰৰো সময়ত সংস্কাৰ সাধিছিল।

এইখিনিতে অম্বিকাগিৰিৰ জাতীয়তাবাদৰ লগত জ্যোতিপ্ৰসাদৰ জাতীয়তা-বাদৰ প্ৰভেদ বিশেষ উল্লেখযোগ্য। দুয়ো অসমক আৰু অসমৰ মানুহক ভাল পাইছিল। কিন্তু অসমৰ স্বতন্ত্ৰতা, অসমৰ স্বকীয়তা ৰক্ষা কৰাৰ চিন্তাত অম্বিকাগিৰি এনে ব্যস্ত আছিল যে তেওঁ কব নোৱাৰাকৈ ৰক্ষণশীল সংকীৰ্ণতাৰ ব্যাধিত আক্ৰান্ত হৈছিল। অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ সকলো ধৰ্মীয় আৰু সামাজিক গোড়ামিৰ পৰা মুক্ত নোহোৱাকৈয়ে তেওঁ বৃহৎ অসমীয়া জাতিৰ সপোন দেখিছিল। কিন্তু ব্যৱসায়ী পৰিয়ালত ওপজা, আৰু ৰাজস্থানৰ পৰা অসমীয়া সমাজলৈ কেইপুৰুষমান আগতে মাত্ৰ আঁতৰি অহা জ্যোতিপ্ৰসাদৰ মনত পৰিৱৰ্ত্তনৰ প্ৰতি সংকোচ স্বাভাৱিকতে কম আছিল। তাৰ উপৰিও অম্বিকাগিৰিৰ ক্ষেত্ৰত জাতিৰ আত্মপ্ৰতিষ্ঠাৰ আদৰ্শই মধ্যবিত্ত গঢ় হৈছিল—অসমীয়া মানুহে ব্যৱসায় কৰা, শিল্প-উদ্যোগ গঢ়া: এনেকুৱাই আছিল তেওঁৰ জাতীয়তাৰ আদৰ্শ। আনহাতে জ্যোতিপ্ৰসাদে ক্ৰমশঃ মধ্যবিত্ত ৰোমান্তিক বিপ্লৱবাদৰ পৰা জনগণৰ কাষ চাপি আহিছিল আৰু জাতীয় স্বাধীনতা আন্দোলনত কৃষক জনতাৰ সাহস, শৌৰ্য্য, উদ্দীপনা দেখি মুগ্ধ আৰু অনুপ্ৰাণিত হৈছিল। তেওঁৰ বাবে অসমৰ আত্মপ্ৰতিষ্ঠাৰ ধাৰণা আছিল অসমৰ মেহনতী কৃষক ৰাইজৰ আৰ্থিক আৰু সাংস্কৃতিক মুক্তি বা প্ৰগতিৰ পৰা অবিচ্ছেদ্য।

মধ্যবিত্ত চিন্তাৰ কাৰাগাৰত বন্দী অম্বিকাগিৰিয়ে নুশুনিলে দ্বিতীয় মহাযুদ্ধই বহন কৰি অনা ইংগিত। পচি যোৱা পুঁজিবাদে ফেচিবাদৰ ৰূপ লৈ বিশ্বত ধ্বংসলীলা চলালে—দ্বিতীয় মহাযুদ্ধৰ তাৎপৰ্য কেৱল এয়েই নহয়। প্ৰকৃততে এচিয়া আৰু এফ্ৰিকাৰ উপনিবেশ বা আধা-উপনিবেশবোৰত বিপুল নিপীড়িত জনতাৰ বাবে ই আনিছিল সংগ্ৰামৰ প্ৰেৰণা, মুক্তিৰ সুযোগ, আত্মপ্ৰতিষ্ঠাৰ সম্ভাৱনা। দেশে দেশে নিষ্পেষিত জনতাৰ জাগৰণে জ্যোতিপ্ৰসাদৰ হৃদয়মনত সঞ্চাৰ কৰিছিল তীব্ৰ আনন্দৰ চাঞ্চল্য। আৰু এই কোটি কোটি নিপীড়িত মানুহৰ খোজৰ তালে তালে তেৱেঁ৷ আগবাঢ়ি গৈছিল আন্তৰ্জাতিক সাম্যবাদৰ পিনে। অসমৰ জনগণৰ মুক্তিক তেওঁ বিশ্বৰ জনগণৰ মুক্তিৰ অংগ হিচাবে



OKDISCD

দেখা পাইছিল। অম্বিকাগিৰিৰ বিষয়ে এনে কথা কব নোৱাৰি। বৰং শেষ বয়সত সাম্যবাদৰ প্ৰতি উত্তপ্ত অসহিষ্ণুতা আৰু বিতৃষ্ণাই তেওঁৰ ক্ষেত্ৰত প্ৰবল হৈছিল।

কিছুমান উদ্ধৃতি দিয়া যাওক :

‘জন সংহতিতেই যে জনমুক্তি তাক উপলব্ধি কৰি আজি ভাৰতত, এছিয়াত য়ুৰোপত, আমেৰিকাত জনতাৰ প্ৰাণত মহাজীৱনৰ সঞ্চাৰ জাগিছে। মহাপোহৰৰ বাটে আগবাঢ়ি এই জনতাই বিশ্বৰূপ ধৰি থিয় হৈছে।’

( শিল্পীৰ পৃথিৱী, ১৯৪৮ )

* * * *

‘সাম্ৰাজ্যবাদে আমাৰ জনতাক কি কৰিলে, ধনতন্ত্ৰবাদে তাৰ বৈজ্ঞানিক শোষণ-নীতিৰে জনতাক কি কৰিলে বা কৰিছে সি আজি সকলোৰে আগত জল্ জল্ পট্ পট্ হৈ ওলাই আছে।’ (ঐ)

* * * *

‘আমাৰ সংস্কৃতিৰ বিশ্বৰূপ, মানুহৰ শিল্পীৰূপ, এই ঐতিহ্যৰেই আলোকময় ৰূপলৈ, আৰু শিল্পীৰ পূৰ্ণস্বৰূপ আমি উপলব্ধি কৰি, আজি অসমৰ শিল্পীয়ে ভাৰতৰ শিল্পীয়ে আলোকযাত্ৰা কৰিব লাগিব—প্ৰগতিৰ বাটেদি দুষ্কৃতিক পদে পদে জীৱনৰ ক্ষেত্ৰে ক্ষেত্ৰে প্ৰতিহত কৰি কঠোৰ সাধনাৰে, উগ্ৰ তপস্যাৰে, পোহৰৰ পৃথিৱীলৈ এক অপূৰ্ব জনজীৱনলৈ, যুগ যুগ ধৰি ধৰ্ষিত, নিপীড়িত, দলিত, বঞ্চিত জনতাক লৈ।......জনতাৰ অন্তৰৰ ভিতৰত শিল্পীটো যে নিশ্চয়কৈ আছে তাৰেই আমি জনতাক জ্ঞান দিব লাগিব।’ঃ (শিল্পীৰ পৃথিৱী)

* * * *

‘বৰ্ত্তমান পৃথিৱীত বিজ্ঞানৰ অপূৰ্ব বিকাশৰ লগে লগে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰতো নতুন বিপ্লৱকাৰী আদৰ্শবাদ আহি মানৱসমাজৰ চিন্তা-ৰাজ্যত ভূমিকম্প কৰিছেহি আৰু এই বিশ্ববিপ্লৱে জগতৰ জাতি-সমূহৰ কৃষ্টি সভ্যতা আৰু জীৱনলৈ অভাৱনীয় পৰিৱৰ্ত্তন আনি দিয়াৰ আগন্তুক কৰিছে। এই বিপ্লৱী আদৰ্শবাদ আহি আমাৰ ভাৰততো আৰু অসমতো এটা আলোড়ন তুলিছে।’ঃ ( নতুন দিনৰ কৃষ্টি )





‘পৃথিৱীলৈ এক পোহৰৰ যুগ আনিবলৈ আজি জনতাৰ আলোকযাত্ৰা। আজি জনতাৰ জীৱনলৈ সুন্দৰ নামি আহিব খুজিছে। পৃথিৱীৰ মাটি, পানী বোকাত জন্মা জনতা আজি মাটি-পানীৰ গৰ্ত্ত বিদাৰি পোহৰলৈ উঠি আহি পদুমৰ দৰে সহস্ৰদলেৰে বিকশিত হৈ সাংস্কৃতিক সৃষ্টিত নিজৰ ভাগ লবলৈ, নিজৰ স্থান লবলৈ নিজৰ দান দিবলৈ আহিছে।’ঃ ( পোহৰলৈ )

এনেবোৰ উক্তিয়ে নিঃসন্দেহে প্ৰমাণ কৰে যে জ্যোতিপ্ৰসাদৰ মনত তেওঁৰ জীৱনৰ শেষ কাল চোৱাত দুটা উপলব্ধি প্ৰবল হৈছিল। প্ৰথমতে তেওঁ বুজিছিল যে সমগ্ৰ বিশ্বৰ লগতে অসম আৰু ভাৰতো বৰ্ত্তমান যুগান্তৰৰ দুৱাৰ-দলিত উপস্থিত হৈছে। তাৰ উপৰিও এই যুগান্তৰত প্ৰধান অংশ গ্ৰহণ কৰিব জনতাই, আৰু জনতাৰ মুক্তিয়েই হব নতুন যুগৰ মূলমন্ত্ৰ। আৰু ঠিক এই বাবেই তেওঁ মাৰ্ক্স আৰু লেনিনৰ নাম পৰম শ্ৰদ্ধাৰে স্মৰণ কৰিব পাৰিছে। এই ধৰণৰ চেতনা অম্বিকাগিৰিৰ ৰচনাত দুষ্প্ৰাপ্য। স্বাভাৱিকতে অম্বিকাগিৰিৰ জাতীয়তাৰ ধাৰণা এইবাবেই জ্যোতিপ্ৰসাদৰ জাতীয়তাৰ ধাৰণাৰ পৰা পৃথক হবলৈ বাধ্য।

অৱশ্যে বৈপ্লৱিক আন্দোলন তথা চিন্তাৰ বিশ্বব্যাপি প্ৰসাৰত সঁহাৰি দিয়া জ্যোতিপ্ৰসাদৰ মনটো সনাতন, ভাববাদী, প্ৰতিক্ৰিয়াশীল চিন্তাৰ অৱশেষৰ পৰা সম্পূৰ্ণ মুক্ত হব পৰা নাছিল। বস্তুগত শক্তিবোৰৰ প্ৰভাব সম্পৰ্কে তেওঁ সম্পূৰ্ণ সজাগ নাছিল। আধুনিক ভাৰতীয় ভাববাদ যে এটা দুৰ্বল বুৰ্জোৱা শ্ৰেণীৰ ভাবাদৰ্শ, আৰু সেইবাবে প্ৰগতিৰ পথ এৰি ক্ৰমশঃ প্ৰতিক্ৰিয়াশীল হবলৈ বাধ্য তাক তেওঁ বুজা নাছিল। সেয়ে মাৰ্ক্স আৰু লেনিনৰ লগতে একে উশাহে তেওঁ মাৰ্ক্সবিৰোধী অৰবিন্দ আৰু গান্ধীৰ নাম লৈছে। বিপ্লৱৰ লগতে ধৰ্মৰ প্ৰতিও তেওঁ শ্ৰদ্ধা নিবেদন কৰিছে। কিছুমান চৰকাৰী মহলৰ প্ৰগতিবাদীয়ে কব খোজে যে ই হ’ল ঐতিহ্যৰ প্ৰতি জ্যোতিপ্ৰসাদৰ শ্ৰদ্ধাৰ চিন। প্ৰগতিৰ অৰ্থ ঐতিহ্যক নাকচ কৰা নিশ্চয় নহয়, কিন্তু নিৰ্ব্বিবাদে ঐতিহ্যক মানি লোৱাটোও প্ৰগতিৰ লক্ষণ নহয়। বৰং প্ৰতিটো প্ৰকৃত প্ৰগতিশীল পদক্ষেপৰ লগতে ঐতিহ্যৰ নব মূল্যায়ন অৱধাৰিত। কিন্তু গান্ধী আৰু অৰবিন্দৰ প্ৰতি জ্যোতিপ্ৰসাদৰ মনত শ্ৰদ্ধাৰ প্ৰভাৱ এনে আছিল যে তেওঁ-লোকক সমালোচনা কৰিবৰ ধাউতি তেওঁৰ মনত প্ৰবল হব পৰা নাছিল।



OKDISCD

আচৰিত নহয় যে জাতি, ভাষা আদিৰ ক্ষেত্ৰতো জ্যোতিপ্ৰসাদৰ মনত কিছু-মান ভাববাদী প্ৰতিক্ৰিয়াশীল আৰু জড় চিন্তাৰ প্ৰভাৱ ৰৈ গৈছে। কিন্তু তেওঁৰ চিন্তাত প্ৰগতিৰ প্ৰতি আকৰ্ষণ অধিক সবল আৰু সাৰ্থক বাবেই এনে স্থবিৰ চিন্তাৰ বেহুৰ পৰা তেওঁ ওলাই আহিব পাৰিছিল।

**সাম্যবাদী চিন্তাৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল আন্তৰ্জাতিকতা। এই আন্তৰ্জাতিকতাৰ অৰ্থ এনে নহয় যে কোনো শক্তিশালী জাতিৰ কবলত পৰি কোনো দুৰ্বল জাতিৰ চৰম দুৰ্দশা হওক।** বৰং অসমীয়া হওক, বড়োৱেই হওক, বঙালীয়েই হওক—কোনো জাতিয়েই আন জাতিৰ অন্যায় জোৰজুলুমৰ বলি হব নোৱাৰে। কিন্তু এমুঠি শিক্ষিত মধ্যবিত্তৰ উদাৰতাৰ ভিত্তিত যি আন্তৰ্জাতিকতা গঢ়ি উঠে, সি ঠুনুকা। আন্তৰ্জাতিকতাৰ প্ৰধান ভিত্তি হ'ল বিভিন্ন জাতিৰ শোষিত আৰু সংগ্ৰামী জনতাৰ মহামৈত্ৰী, মহামিলন : 'যি সংস্কৃতি বিশ্বশৃঙ্গলৈ উঠিব তাৰ ভেটি বান্ধিব লাগিব বিশ্বজনতাৰ ওপৰত, বিশ্বজনতাৰ হৃদয়ত, মনত, দুখত, আনন্দত। তেতিয়া হলেই মানৱ সংস্কৃতিয়ে তাৰ স্বাভাৱিক বিশ্বৰূপত ওলাব।

: ( **শিল্পীৰ পৃথিৱী** )

আকৌ মন কৰক :

'বৰ্ত্তমান পৃথিৱীত এই বৈজ্ঞানিক যুগত একেবাৰে আচুতীয়াকৈ কোনো দেশৰ প্ৰদেশৰ, মহাজাতিৰ, বা জাতিৰ বা উপজাতৰ সংস্কৃতি হব নোৱাৰে। এতিয়া এক সমন্বয় সংস্কৃতি সভ্যতাৰ পৰা আৰু এক সমন্বয়-সংস্কৃতি সভ্যতালৈ মহাজাতি জাতি উপজাতিবোৰ যাবলৈ ধৰিব' (পোহৰলৈ)

কিন্তু আচৰিত কথা যে জ্যোতিপ্ৰসাদৰ জাতীয়তাৰ অন্তৰালত থকা আন্তৰ্জা-তিকতাৰ এই সুৰ দুৱাৰ খিড়ীকি মাৰি বন্ধ কৰিবলৈ এচাম অসৎ বুদ্ধিসম্পন্ন বুদ্ধিজীৱীয়ে প্ৰাণান্তকৰ পৰিশ্ৰম কৰিছে। প্ৰগতিশীল চিন্তাধাৰাত কোনো দুৰ্বল জাতিৰ ওপৰত সবলে অত্যাচাৰ কৰাৰ সমৰ্থন থাকিব নোৱাৰে। আনহাতে আত্মৰক্ষাৰ ভুল পথ বাচি লৈ কোনো দুৰ্বল জাতিয়ে যদি আন্ত-ৰ্জাতিকতাৰ লগত, অন্যান্য জাতি উপজাতিৰ লগত যোগাযোগ, বিনিময়, সৌহাৰ্দ্য ৰক্ষা নকৰে ( লে'নিনে যি মনোভাবক অৱজ্ঞাভৰে 'national exclusiveness' আখ্যা দিছে ) তেন্তে তাক গৰিহনা দিবলৈ প্ৰগতিশীল লোক





মাত্ৰেই বাধ্য। অসমীয়া জাতিৰ ভাষা আৰু কৃষ্টি ওচৰ পাজৰৰ নানা জাতি উপজাতিৰ পৰা আঁতৰত বিকশিত হব বুলি জ্যোতিপ্ৰসাদে কাহানিও ভবা নাছিল। আমাৰ থলুৱা ঐতিহ্যৰ মোহত তাক আন ঐতিহ্যতকৈ শ্ৰেষ্ঠ বুলি ভবাৰ, বা সংস্কাৰ কৰাৰ প্ৰয়োজন অস্বীকাৰ কৰাৰ মনোভাৱ স্বাভাবিকতে প্ৰগতিশীল চিন্তানায়ক জ্যোতিপ্ৰসাদৰ নাছিল।

থলুৱা ঐতিহ্যৰ প্ৰতি জ্যোতিপ্ৰসাদৰ অনুৰাগ কোনে নেজানে? মহাপুৰুষ শংকৰ দেৱৰ শিল্পীমন, সৃষ্টিপ্ৰতিভা আৰু মহত্ত্বৰ কথা তেওঁৰ দৰে সুন্দৰকৈ কোনে বিবৰি কৈছে? তেওঁৰ প্ৰতি দীঘলীয়া ৰচনাত শংকৰৰ প্ৰশস্তি থাকিবই। কিন্তু সেই জ্যোতিপ্ৰসাদেই বুজিছিল যে অসমৰ বিচিত্ৰ জাতি আৰু সংস্কৃতিৰ সমন্বয়ত যান্ত্ৰিকভাবে শংকৰী তথা অসমীয়া কৃষ্টি ব্যৱহাৰ কৰিব নোৱাৰি।

: 'অসমত যি যি স্বকীয়া সংস্কৃতি আহি উপস্থিত হৈছেহি সেই সকলোৰে এটা সমন্বয় কৰি এটা নতুন পূৰ্বভাৰতীয় সংস্কৃত গঢ়ি তুলিবলৈ আমাৰ নব বৰষৰ উৎসৱৰ মাজেদি চেষ্টা হব লাগে। বঙ্গৰ নবাগত, উত্তৰ ভাৰতৰ হিন্দুস্থানী মাৰোৱাৰী, শিখ নেপালী, দক্ষিণ ভাৰত আৰু মধ্যভাৰতৰো অসংখ্য লোক আহি নিগাজীকৈ অসম দেশত বহিছোহি। তাৰ উপৰিও আমাৰ চাৰিওফালে আৰু আমাৰ মাজতো উপভাষাভাষী পৰ্বতীয়া অসমীয়া সকল নিজৰ নিজৰ বিচিত্ৰ সংস্কৃতিৰে জকমকাই আছে। আজি আমি এই সকলোকে নিজৰ মাতৃভাষ, দোৱান সংস্কৃতি এৰ আমাৰ মহাপুৰুষীয়া সংস্কৃতি—যাক আমি অসমীয়ায়ো ৰূপান্তৰিত কৰিব খুজছো—সেই পুৰণি সংস্কৃতিলৈ নিজৰ বোৰ এৰিবলৈ কোৱাটো মহাপুৰুষ শংকৰদেৱৰ সমন্বয়ৰ নীতিৰ ফালৰপৰাও অসংগত। ......... নতুনৰ পোহৰত আমাৰো পুৰণি সংস্কৃতিৰ কিছু এৰিব লাগিব, সেইদৰে আনসকলেও এৰিব লাগিব তেওঁলোকৰ লগত লৈ অহা পুৰণি সংস্কৃত' (নতুনৰ পূজা) স্পষ্টকৈ আমাৰ আজিৰ প্ৰতিক্ৰিয়াশীল বুদ্ধিজীৱীৰ assimilation বা একাত্মাকৰণৰ ধাৰণাতকৈ ই বেলেগ। উগ্ৰ অসমীয়া জাত্যভিমানৰ লগত তাৰ কোনো সম্পৰ্কই নাই। জ্যোতিপ্ৰসাদে স্পষ্টকৈ কৈছে যে সনাতন অসমীয়া সংস্কৃতিৰ বহু পৰিবৰ্ত্তন ঘটিছে, আৰু অসমৰ বাসিন্দা সকলো জাতি আৰু উপজাতিৰ গ্ৰহণীয় হবলৈ এই সংস্কৃতিৰ



OKDISCD

আৰু বহুত সালসলনি ঘটিব লাগিব। আমাৰ নতুন উগ্ৰজাতীয়তাবাদী সকলে ভাবি চাইছেনে, কি ধৰণৰ সালসলনি?

কিছুবছৰ পূৰ্বে লেখা এটা প্ৰবন্ধত হীৰেণ গোহায়ে আঙুলিয়াই দিছিল যে অসমীয়া সমাজৰ ৰক্ষণশীলতাৰ বাবেই জ্যোতিপ্ৰসাদৰ কল্পনাৰ 'পুৰ্বভাৰতীয় সমন্বয়' সম্ভৱ হৈ উঠা নাই। যি সমাজত সুৰাপান পাপ বা অসামাজিক আচৰণ, তাত জনজাতীয় আচাৰ আৰু আদৰ্শৰ ঠাই নাই—সুৰাপান কৰাবাবেই জনজাতীয় মানুহ অসমীয়া সমাজত হীন বিবেচিত হয়। অসমীয়া কৃষ্টিৰ এই ৰক্ষণশীলতা আৰু স্থবিৰতাৰ বাবেই সংস্কৃতিৰ বাবে অতি প্ৰয়োজনীয় সমন্বয়সাধনৰ প্ৰক্ৰিয়া অসমত প্ৰায় বন্ধ হৈ গৈছে। সমন্বয় অবিহনে সংস্কৃতিৰ জীৱন নাই, কিন্তু প্ৰতিটো সংস্কৃতিৰ সমন্বয়সাধনৰ নিজস্ব পদ্ধতি আছে। এই সন্দৰ্ভতে জ্যোতিপ্ৰসাদে 'নিজৰ আত্মপ্ৰসাৰেৰে আনক গিলি খাই নিজৰ অভিমান-অহংকাৰক সন্তুষ্ট কৰা' প্ৰবৃত্তিক তীব্ৰ গৰিহনা দিছে। ইয়েই প্ৰমাণ নকৰে নে জ্যোতিপ্ৰসাদৰ আদৰ্শৰ পৰা বৰ্ত্তমানৰ উগ্ৰ অসমীয়া জাতীয়তাবাদী বহুত দূৰত?

প্ৰাদেশিকতাক আক্ৰমণ কৰি জ্যোতিপ্ৰসাদে লেখিছে: 'আজি আমি অসমীয়া বা বঙালী যদিও আকৌ একে উশাহতে ভাৰতীয়ও। মোৰ এতিয়া ভাৰতমাতৃৰ সন্তান হিচাবে অসমীয়া, বঙলা, মাৰাঠা, তামিল আটাইবোৰেই মাতৃভাষা। আমাৰ ভাৰতমাতৃ বহুভাষিণী।......আজি অসমলৈ যি সকল আহিছে তেওঁলোকৰ সৈতে দ্বেষমূলক, অভিমানমূলক কোনো চিন্তা বা কৰ্ম্মৰেই আমি তেওঁলোকক আমাৰ সংস্কৃতি দিব বা সোৱাব নোৱাৰোঁ। তেওঁলোকক আমি আমাৰ সংস্কৃতিৰে মুগ্ধ কৰিব পাৰিলেহে তেওঁলোক আমাৰ আপোন হব।' (আইদেউৰ জোনাকী বাট)।

অসমৰ অনাঅসমীয়া জাতি উপজাতিৰ প্ৰাণত আঘাত দি বৰ মানুহ বোলোৱা সকলে 'নতুন দিনৰ কৃষ্টি' নামৰ অভিভাষণ খনৰ পৰা উদ্ধৃতি দি প্ৰমাণ কৰিব খোজে অসমৰ বিভিন্ন জাতি উপজাতিক এটা সাঁচতে ঢালিবলৈ জ্যোতিপ্ৰসাদৰো ইচ্ছা আছিল। কিন্তু সেই সাঁচটো আমাৰ চিনাকী অসমীয়া ভাষা বা সংস্কৃতি নে? ইতিমধ্যে প্ৰমাণ কৰা হৈছে যে জ্যোতিপ্ৰসাদৰ দৰাচলতে তেনে ধাৰণা নাছিল। ১৯৩৭ চনত তেওঁৰ তেনে ধাৰণা থাকিলেও জোৰ





কৰি বা সংখ্যাগৰিষ্ঠৰ দ্বাৰা আইন পাছ কৰাই যে এই উদ্দেশ্য সিদ্ধি কৰিব নোৱাৰি তাৰ ইংগিত এই অভিভাষণ খনতে আছে: 'এই সকলোকে অসমীয়া কৰিবলৈ আৰু তেওঁলোকক আমাৰ কৃষ্টিৰ প্ৰভাবেৰে প্ৰভাবান্বিত কৰিবলৈ হলে উপায় হৈছে সামাজিক সম্বন্ধ স্থাপন—ললিত কলা শিল্প, সাহিত্য, স্থাপত্য আৰু সঙ্গীতৰ পোহৰেৰে তেওঁলোকক আমাৰ ভাষা কৃষ্টিলৈ আকৰ্ষণ কৰি অনাটো। এই অভ্যাগত সকলৰ মাজত আমাৰ কৃষ্টি প্ৰচাৰৰ বাহিৰে আন কাৰ্য্যকৰী উপায় নাই।' (নতুন দিনৰ কৃষ্টি)। কিন্তু জ্যোতিপ্ৰসাদৰ এই সাৱধান বাণীলৈ আজি কোনেও কাণ দিয়া নাই। হুৰমুৰকৈ জোৰজুলুম কৰি সকলোকে অসমীয়া কৰিবলৈ আগবাঢ়িছে এনে এচাম লোকে, নিজৰ ভাষাসংস্কৃতিৰ সেৱাত যাৰ উদ্যম নগণ্য।

'অসমীয়া স্থাপত্যৰ নৱৰূপ'তে জ্যোতিপ্ৰসাদৰ আন্তৰ্জাতিক, বিশ্বমুখী ভাবধাৰাই স্পষ্টতম ভাষাত আত্মপ্ৰকাশ কৰিছে। তেওঁ বুজিছে যে আমাৰ এজন অসমীয়া গীতিকাৰে যিহকে নকওক, নিজকে বা অসমক ৰক্ষা কৰিব খুজিলে আজি বিশ্বকো ৰক্ষা কৰিব লাগিব। এই সন্দৰ্ভতে প্ৰাদেশিক সংকীৰ্ণতাক তেওঁ তীব্ৰ ভাষাৰে আক্ৰমণ কৰিছে: "আজি আমাৰ ঘৰুৱা বৈশিষ্ট্য আৰু সভ্যতা-সংস্কৃতিৰ প্ৰকাশৰ এটা স্থানীয় বৈচিত্ৰ্য ৰক্ষা কৰিবলৈ এটা বিশ্ব-সভ্যতা সংস্কৃতি গঢ়িবলৈ আগবাঢ়ি ওলাইছোঁ। সেই কাৰণেই বিশ্ববৈচিত্ৰ্য ৰক্ষা কৰিবলৈ আমি আমাৰ অসমীয়া সভ্যতা সংস্কৃতি ৰক্ষা ককিবলৈ যি চিন্তা বা কৰ্ম কৰিম সি সঙ্কীৰ্ণ প্ৰাদেশিকতা হব নোৱাৰে। কিন্তু আমি যদি আমাৰ সভ্যতা সংস্কৃতি এই সাৰ্বভৌম আদৰ্শৰ পৰা আঁতৰাই আমাৰ মনটোক কেৱল লুইতৰ বৰচাপৰিতেই এৰাল দি থওঁ তেন্তে আমাৰ মনটো অসমৰ গৰুৰ দৰেই টিলিকা হৈ থাকিব। আমাৰ সংস্কৃতি, সাহিত্য, কলা সকলোৰেই থাকিব অসমৰ নামঘৰতে পৰি।" কিন্তু জ্যোতিপ্ৰসাদৰ নাম গাই ফুৰা অনেকেই অসমীয়া মনটো সাৰ্বভৌম ভাবধাৰাৰ পৰা আঁতৰাই তাক টিলিকা গৰুত পৰিণত কৰিব খুজিছে। কিন্তু সমসাময়িক সমাজ তথা বিশ্বৰ মূল সুঁতি ধৰিব পৰা জ্যোতিপ্ৰদাদে সংকীৰ্ণ প্ৰাদেশিকতাৰ বালিচৰ সহজে এৰাই আহিব পাৰিছিল।

এই প্ৰবন্ধতে তেওঁ কৈছে যে বিশ্বমানবৰ আত্মীয়তা অনুভব কৰিলে, আধুনিক জগতত বিশ্বজনীনতাৰ লগত জাতীয় বৈশিষ্ট্যৰ গভীৰ সম্পৰ্ক অনুভৱ কৰিলে



OKDISCD

বিভিন্ন জাতিৰ মাজত সংস্কৃতি লৈ কাজিয়া আৰু হব নোৱাৰে। তেনে হলে বঙালী আৰু মাৰাঠিয়ে নিজেই আগবাঢ়ি আহিব অসমীয়া সংস্কৃতি ৰক্ষা কৰিবলৈ। তেনেকৈ অসমৰ ভৈয়ামৰ ৰাইজেও আথে বেথে থল পৰ্বতৰ জনজাতিসকলৰ নিজস্ব সংস্কৃতি ৰক্ষা কৰিব। ঃ (অসমীয়া স্থাপত্যৰ নৱৰূপ)

কিন্তু আজি আমি অসমত কি দেখিছোঁ? বিশ্ববৈচিত্র্য ৰক্ষা ক'ত কৰিব, জনজাতীয় কৃষ্টিৰ ক'ত মৰ্য্যদা দিব, অসমীয়া মধ্যবিত্ত সমাজে সকলোকে টানি ধুহি অসমীয়া কৰা অভিযানত লাগি গৈছে। অসম আৰু অসমীয়া যে উনবিংশ শতিকাৰ পৃথিবীত পৰি ৰৈ থকা নাই, কুৰি শতিকাত আৰু সমাজবাদৰ বিজয়ৰ যুগত বাস কৰিছে, অসমীয়া মধ্যবিত্তৰ গমেই নাই। সেয়ে এই দুৰ্মতি। ভিয়েটনামৰ নামত বক্তৃতাৰ ফুলজাৰি মাৰিলেও অসমীয়া মধ্যবিত্ত তলেতলে সংকীৰ্ণ প্ৰাদেশিকতাৰ মোহত মছগুল।

বিশ্বসংস্কৃতিৰ পথ নিৰ্মাণ কৰি আছে দেশবিদেশৰ সংগ্ৰামী জনতাই। সেই জনতা আমাৰ দেশতো আছে। গাড়ীএখন আৰু পকীঘৰ এটাৰ লোভকে এৰিব নোৱাৰা অসমীয়া মধ্যবিত্তই কেনেকৈ সেই জনতাৰ লগত হাত মিলাব, বিশ্বসংস্কৃতিক ৰক্ষা কৰিব কেনেকৈ? নিজকেই বা ৰক্ষা কৰিব কেনেকৈ? ইহঁতে জানে কেৱল ধ্বংসৰ পথ।

জানিশুনি এনে উগ্ৰ আৰু ক্ষয়ংকৰ জাতীয়তাবাদ সমৰ্থন কৰে নিজৰ বাবে আৰ্থিক সা-সুবিধা বিচৰা ধনিক শ্ৰেণীৰ মানুহৰ কথা বেলেগ। কিন্তু যি সকল ছাত্ৰ আৰু বুদ্ধিজীৱীয়ে আন্তৰিকতাৰে সৈতে জাতীয়তাবাদৰ পৰা অসমৰ সৰহসংখ্যক ৰাইজৰ উন্নতি আৰু কল্যাণ হব বুলি ভাবিছে, তেওঁলোকে যেন দেশপ্ৰেমিক জ্যোতিপ্ৰসাদৰ চিন্তা গভীৰ ভাবে বিবেচনা কৰি চায়।

—×—



# অসমীয়া মধ্যবিত্ত সমাজৰ ইতিহাস (২ ক)

## আগকথা ঃ

এই কথা কোন মূৰ্খই নাজানে যে পৃথিৱীৰ আন ঠাইতকৈ অসমতেই হৃদয়ৰ চাহিদা বেছি? A—certificate পোৱা modern হৃদয় হ'লেতো কথাই নাই! ইয়াত কুইণ্টল হিচাবত হৃদয়ৰ লেনদেন চলে। ৰাইজৰ মংগলৰ চিন্তাত টোপনি-নহা ধনবান ব্যৱসায়ীসকলৰ আশীৰ্ব্বাদ আৰু সকলো modern কলাকৌশল জনা হৃদয়বান শিল্পীসকলৰ কলাৰ প্ৰতি অচলা ভক্তিৰ ফলত আনদেশতকৈ ইয়াতেই বেছি পৰিমাণৰ হৃদয় মেনুফেক্চাৰ হয়।

হৃদয় ব্যৱসায়ী সকলৰ দুৰ্ভাবনাৰ একমাত্ৰ কাৰণ এয়ে যে মগজ নামৰ এটা ফাল্টু বস্তু হৃদয়ৰ পৰা সম্পূৰ্ণ ৰিফাইন কৰি উলিয়াই দিব নোৱাৰি। কিন্তু সাহসী, নাঙঠ আৰু modern কলাশিল্পৰ মূল্যবুজিব পৰাকৈ আমাৰ অৱস্থাপন্ন মানুহবিলাক সুসভ্য হৈ অহাৰ লগে লগে ডেকাগাভৰু, বুঢ়াবুঢ়ী সকলোৰেই ১১।১২ বছৰীয়া স্কুলীয়া ছোৱালীৰ দৰে মগজৰ ভেঁজাল নথকা হৃদয় একোখন বিচাৰি ব্লেক মাৰ্কেট চলাথ কৰিছে। আমাৰ দয়ালু চৰকাৰক অনুৰোধ জনোৱা হৈছে যেন ডালডাৰ দৰে হৃদয়ৰ চালানৰ ব্যৱসায়ো চৰকাৰে নিজৰ হাতলৈ আনে!

আশা কৰা হৈছে যে হেছিছ, হীৰ'ইন আৰু মাৰিহুৱানাৰ দৰে modern, সুলভ আৰু মগজৰ গোন্ধ নথকা হৃদয় অতিশীঘ্ৰেই বজাৰত মেলি দিব পৰা হব। যেয়ে এই হৃদয়ক আদৰ নকৰিব, জনতাৰ মংগলৰ স্বাৰ্থত তাক তুৰন্তে abnormal বুলি ৰে'ডিৱৰসিক আৰু সাংবাদিকে ৰাইজৰ ওচৰত চিনাকী কৰি দিব। জনপ্ৰিয় চৰকাৰেও তাক তুৰন্তে জে'লত সুমুৱাই ধনবান ব্যৱসায়ী আৰু হৃদয়বান শিল্পীৰ হৃদয়ৰ পোৱণি বন্ধ কৰিব। ... ... বাজক ডবা বাজক শংখ, বাজক মৃদংখোল ... ...

এনে মনোৰম ভাবাবেগ অসমৰ মধ্যবিত্ত সমাজত বিৰল নহয়। পোতা-পুখুৰীত বাকেই ৰজা। কিন্তু modern পোতাপুখুৰীত বাক থাকিব নোৱাৰে। পোতাপুখুৰীত এতিয়া ভেকুলিয়েই ৰজা। গাঁ গাঁ গাঁ, কেঁকো



OKDISCD

কেঙ্কো ইত্যাদি বিচিত্র ৰৱত কল্পনাৰ ষাঁড়গৰুক চেলে'ঞ্জ কৰি মহাসুখে ৰাজত্ব কৰিছে। পোতাপুখুৰী বুলি কোনে ক'লে ? আচলতে আমাৰ প্ৰচাৰ হোৱা নাই। বঙালী ৰবীন্দ্ৰনাথ আৰু জগদীশ বসু প্ৰচাৰৰ জোৰতে বিশ্ববন্দিত হবলৈ পাইছে। গতিকে চব্বিশ ঘণ্টা আমাৰো প্ৰচাৰ চলাব লাগে এহাতে অদ্ভুত কথা কোৱা abnormal মানুহক expose কৰিব লাগে, আনহাতে আমাৰ নিজৰ নিজৰ হৈ উচ্চৈঃস্বৰে কোৰাচ গাব লাগে! তেতিয়াহলে পোতাপুখুৰীৰ সকলো পোকপতং আমিয়েই উদৰসাৎ কৰিম।

অসম এতিয়া পোতাপুখুৰী নে ? সদায় পোতাপুখুৰী আছিল নে ? ঢেঁকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, বেজবৰুৱা, মাণিকচন্দ্ৰ বৰুৱা, নবীন বৰদলৈ, জ্যোতিপ্ৰসাদ প্ৰভৃতিৰ সাধনাৰ সোঁৱতত সি আমোল মোলাই থকা নাছিলনে? বৰ্ত্তমানৰ বন্ধ পানীৰ ঠাইত বাহিৰৰ নিৰ্মল পানীৰ সোঁত অনবৰত তাৰ মাজেদি আহযাহ কাৰ থকা নাছিলনে ? তেন্তে আজি কেনেকৈ ভেকুলীৰ টোৰ্‌টোৰণিত বাটৰুৱাৰ কাণত তলা লাগিবৰ উপক্ৰম হৈছে? তেওঁলোকৰ কিবা দুৰ্বলতা আছিল নেকি ? তাৰেই ইতিবৃত্ত এই প্ৰবন্ধত বিবৃত কৰাৰ মানস কৰিছো।

থোৰতে আমাৰ বক্তব্য এনেধৰণৰ : সামন্তবাদৰ অন্তৰ্দ্বন্দ্বৰ নিশ্চিত পৰিণতি অধিক সুনিশ্চিত কৰিলে মানৰ দিনৰ দুৰ্ভাগ্যই। কিন্তু তাৰ মাজত পুঁজিবাদী সমাজ ব্যৱস্থা গঢ় লোৱাৰ বীজ নাছিল। অসমত পুঁজিবাদৰ অনুপ্ৰবেশ আৰু বিকাশ ঘটিল বিদেশী সাম্ৰাজ্যবাদৰ শাসন, নিয়ন্ত্ৰণ আৰু স্বাৰ্থ অনুযায়ী। সামন্তবাদ সম্পূৰ্ণ ধ্বংস কৰাৰ প্ৰয়োজন তাৰ নহল। আগবাঢ়ি নাহিল এনে কোনো অভিযাত্ৰী শ্ৰেণী যি পুঁজিবাদৰ পথ পৰিষ্কাৰ কৰিবলৈ বিজ্ঞান আৰু যুক্তিবাদৰে প্ৰাচীন ঐতহ্যৰ লগত তয়ামিয়া ৰণ দিলে। বৰং অতীতত সন্তুষ্ট হব নোৱাৰা অথচ ভবিষ্যতক ভয় কৰা এক দ্বিধাগ্ৰস্ত, সংকুচিত মধ্যবিত্তৰ জন্ম হল, জন্মতে যাৰ ৰাজহাঁড় বেকা। বিদেশী শাসনৰ আঁচল এৰিব নোখোজা সন্ত্ৰস্ত এই শ্ৰেণীৰেই কীৰ্ত্তি হ'ল ১৯৪৭ চনৰ স্বাধীনতা। তাৰ পিচতো এই শ্ৰেণীৰ দুৰ্বলতা বা ব্যৰ্থতা বুজি নোপোৱা পাঠকে এই প্ৰবন্ধ নপঢ়িলেও চলিব।

ভতুৱা কুকুৰৰ ভুকভুকনিত প্ৰগতি বস্তুটো জীয়াই নাথাকে। ক্ষয়িষ্ণু অতীতৰ লগত সংগ্ৰাম অবিহনে তাৰ অৰ্থ নাই। সেয়ে বৰ্ত্তমানৰ শোষণ





ব্যৱস্থাত থুলন্তৰ হোৱা, আকৰ্ণ হাঁহি মাৰি পুঁজিবাদী ৰাজনীতিজ্ঞ বা নেতাৰ পিছে পিছে হাত মোহাৰি ফুৰা প্ৰগতিবাদীৰ মোনাত প্ৰগতি লুকাই নাথাকে। ভাৰতীয় বুৰ্জোৱা আজি তাৰ জীৱন নাটৰ শেষ অংকত উপনীত হৈছে। বৈদেশিক সাহায্যৰ ইনজেকশ্যন লৈ সি আৰু কিমান দিন বাচি থাকিব ? অতীজতে ব্ৰিটিছ চৰকাৰৰ ওচৰত একান্তভাবে নিৰ্ভৰশীল হৈ থকা অসমীয়া বুৰ্জোৱা আজি ভাৰতীয় বৃহৎ বুৰ্জোৱাৰ লেমটো। কি সাধ্য সিহঁতৰ যে প্ৰকৃত প্ৰগতিৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হয় ?

হয়তো মৰণকামোৰ মাৰি ধৰা শোষণৰ জালখন আৰু বহলাই, আৰু দকৈ বিয়পাই দিবলৈ বৃহৎ বুৰ্জোৱাই চেষ্টা কৰিব। সেয়ে অসমীয়া বুৰ্জোৱাৰ লগত মাজে সময়ে তাৰ খুন্দিয়া খুন্দি লাগিব। কিন্তু সেই কন্দল কেতিয়াও চূড়ান্ত পৰ্যায়লৈ নাযায়। বৰং দেখা দিব লেলিনৰ ভাষাত এক rotten compromise —পচা আপোচ। উগ্ৰ অসমীয়া জাতীয়তাবাদক মাজে সময়ে লেকাম ঢিলাই দি কেন্দ্ৰ আৰু বৃহৎ বুৰ্জোৱাই নিপীড়িত, দুৰ্দ্দশাগ্ৰস্ত জনগণৰ মাজত আত্মক্ষয়ী সংঘৰ্ষ লগাব আৰু নিজৰ ৰাজত্ব দীৰ্ঘস্থায়ী কৰিবলৈ বিচাৰিব। সেইবাবেই অসমীয়া বুৰ্জোৱাৰ পিছে পিছে গৈ খালত পৰিবলৈ সচেতন ৰাইজৰ উৎসাহ প্ৰবল নহয়!

## মূলপাঠ :

"Capital formation does not therefore arise from landed property ··· But from mercantile and usurions wealth. But the merchant and usurer only encounter the conditions which permit the purchase of free labour, once free labour has been detached from the objective conditions of its existance as a result of a historical process"

: Karl Marx, **Pre-Capitalist Economic Formations.**

"তোমালোকৰ ভিতৰত বাণিজ্যৰ অনুশীলন নিচেই নাই, সকলোৱে ধন মাটিত পুতি থবলৈ ভাল পায়। কিন্তু যিহৰ পৰা ধন হয় তাক নিচিন্তে।"

: **আনন্দৰাম ঢেকীয়াল ফুকন,**
**স্বদেশবাসীৰ প্ৰতি**



OKDISCD

"ভাৰতৰ হীৰামাণিকেৰে ইংলণ্ড ধনী হ'ল। আসামৰ চাহৰ পৰা আসাম ধনী নহ'ল। কিন্তু বিদেশীৰ হাতত ধন পুঞ্জাপুঞ্জি হ'ল।" : **জোনাকী, কাতি, ১৮২৫ শক।**

গমধৰ কোঁৱৰৰ পৰা মণিৰামৰ দিনলৈ পোনতে অসমত ব্ৰিটিছৰ বিৰুদ্ধে যিবোৰ বিদ্ৰোহ হ'ল সেই আটাইবোৰৰে উদ্দেশ্য আছিল ৰাজনৈতিক—অৰ্থাৎ ব্ৰিটিছৰ হাতৰ পৰা ৰাষ্ট্ৰক্ষমতা কাঢ়ি লোৱা। এইবোৰৰ শোচনীয় ব্যৰ্থতাই এহাতে সামন্ত তন্ত্ৰৰ পতনত ছীলমোহৰ মাৰিলে, আনহাতে অসমীয়া পুঁজিবাদীৰ স্বাধীন আৰ্থিক আৰু সামাজিক বিকাশৰ সপোন চিৰতৰে মষিমুৰ কৰিলে। প্ৰণালীবদ্ধভাবে ব্ৰিটিছৰ সাম্ৰাজ্যবাদী শোষণ আৰম্ভ হ'ল, নিগাজী হ'ল ব্ৰিটিছ প্ৰশাসনৰ সৌধ। তাৰেই ছাঁয়াত লহপহ্ কৈ নহলেও একপ্ৰকাৰ গজি উঠিল অসমীয়া মধ্যবিত্ত কুল।

যোৱা সংখ্যাত ব্ৰিটিছৰ অভূতপূৰ্ব খাজনাশোষণৰ কথা উল্লেখ কৰিছোঁ। সামন্তবাদী শোষণৰ পৰা মুক্ত কৰি দিয়া অসমৰ কৃষক ইমান শীঘ্ৰে বংগ আদি প্ৰদেশৰ কৃষকৰ দৰে টকা পয়চাৰ উপাৰ্জন ( cash money ) বা সঞ্চয়ত অভ্যস্ত হব পৰা নাছিল। অসমত বেহাবেপাৰ, সংযোগ প্ৰভৃতিৰ দুৰ্বলতাৰ বাবেও নগদ টকাৰ হিচাবী ব্যৱহাৰত অসমীয়া সাধাৰণ মানুহ অভিজ্ঞ হব পৰা নাছিল। ফলত অতি কম সময়ৰ ভিতৰতে অসমৰ কৃষক শ্ৰেণীৰ অধিকাংশই মহাজনৰ ওচৰত ধাৰত পোত গ'ল। ব্ৰিটিছ শাসনকৰ্ত্তা বিলাকে এই কথাটোৰ গুৰুত্ব বুজা নাছিল। **Assam District Gazetteer** ত ( যেনে নগাওঁ জিলাৰ গেজে'টিয়েৰত ) মন্তব্য আছে :

"At the same time the various revenue officers report that more than half the village population are in debt··· The system of taking advances on the crop, esp on the Mustard crop, seems to be very common." (Calcutta, 1905, p. 163 ) **Willian Robinson** এ কামৰূপৰ কোনো কোনো ঠাইত ১৮৪১ চনতে খেতিয়কৰ মূৰত গধুৰ ঋণৰ বোজা লক্ষ্য কৰিছিল। **Assam District Gazetteer** ত অসমীয়া কৃষকৰ ঋণগ্ৰস্ততা মাৰাত্মক নহয় বুলি লেখাৰ কেইবছৰমান পিছতে ১৮৩১—৩২ শকৰ উষা আলোচনীত মন্তব্য কৰা হৈছিল





যে অসমীয়া খেতিয়কৰ প্ৰধান ৰপ্তানি খেতি সৰিয়হ। তাৰে বছেৰেকীয়া ৰাজকৰ আৰু খেতিৰ সজুলি যোগাৰ হয়। অথচ আগধনৰ নামত ধাৰ দি কেঞামহাজনে খেতিয়কৰ উৎপন্নৰ অধিকাংশ গ্ৰাস কৰে—আধামূলীয়াকৈ আৰু সৰহ ওজনত ( পৃ : ৮৮ ) বাঁহীৰ ১৯৩২ চনৰ জানুৱাৰী সংখ্যাত নীলমণি ফুকনৰ "অসমীয়া সংৰক্ষিণী সভা"ত দিয়া এটা বক্তৃতা ছপা হয়। তাতে গাৱেঁভূঞে কেঞামহাজনে সুদৰ নামত বছৰৰ খেতি আধামূলীয়াকৈ কিনাৰ কথা উল্লেখ কৰিছে। ( পৃঃ ৩৯০ ) ( সাম্ৰাজ্যবাদৰ কৱলত পৰা সামন্তবাদী উপনিবেশ বোৰত কৃষকৰ ঋণগ্ৰস্ততা সম্পৰ্কে চাওক—লেখকৰ "বাস্তৱৰ স্বপ্ন" গুৱাহাটী, ১৯৭২ )

কেশৱনাৰায়ণ দত্তই তেওঁৰ **স্বাধীনতা সংগ্ৰামত অসম** ( গুৱাহাটী, ১৮৫৮, অনুবাদ : মহাদেৱ শৰ্ম্মা ) গ্ৰন্থত লেখিছে যে "চিপাহী বিদ্ৰোহ"ৰ পিচৰ কালচোৱাত "মেল" বা "ৰাইজমেল" অনুষ্ঠানৰ যোগেদি নতুন জৰীপ আৰু পিয়লৰ লগে লগে বাৰেপতি খাজনা বঢ়োৱা ব্ৰিটিছ নীতিৰ বিৰুদ্ধে জনমত আৰু বিক্ষোভ প্ৰকাশ পাইছিল। উদাহৰণ স্বৰূপে ১৮৬৮-৬৯ চ:ত অসম উপত্যকাত আগৰ তুলনাত দুগুণ খাজনা বঢ়োৱা হয়। ফলত দৰং আৰু কামৰূপ জিলাত তুমুল বিক্ষোভ আৰু অশান্তিয়ে দেখা দিয়ে। ১৮৯৩ চনত Sir William Ward ৰ পৰামৰ্শমতে শতকৰা ৭০ৰ পৰা ৮০ ভাগ খাজনা বঢ়োৱা হয়। ৰাইজৰ ব্যাপক বিক্ষোভ দমন কৰিবলৈ পাথৰুঘাট আৰু ৰঙিয়াত ব্ৰিটিছ চৰকাৰে গুলিচালনাৰ সহায় লয়। চৰকাৰী অধ্যাদেশ জাৰী কৰি মেলবোৰ বে-আইনী ঘোষণা কৰা হয়। ( পৃ: ৪৮—পৃ: ৬৩ )। তথাপি এই মেলবোৰক ব্ৰিটিছ শাসনৰ বিৰুদ্ধে সংগঠিত, পৰিকল্পিত সংগ্ৰাম বুলিব নোৱাৰি। এইবোৰ স্বতঃস্ফূৰ্ত প্ৰতিবাদ আৰু বিক্ষোভত ৰাজনৈতিক চেতনা আছিল কুঁৱলিময়। স্থানীয় বিশিষ্ট আৰু সম্ভ্ৰান্ত প্ৰজা ইয়াৰ নেতৃত্বত আছিল। অসমৰ উঠি অহা মধ্যবিত্ত শ্ৰেণীৰ মনত ইয়াৰ স্মৃতি স্থায়ী নহ'ল।

ৰামমোহন ৰায়, বংকিম চন্দ্ৰ প্ৰমুখ্যে ভাৰতীয় বুৰ্জোৱাৰ নেতৃস্থানীয় লোকসকলে কুহুমিয়াভাবে হলেও অন্ততঃ সুদূৰ ভৱিষ্যত পৰ্য্যন্ত ব্ৰিটিছ শাসনৰ প্ৰয়োজন মানি লৈছিল। আমি যোৱা সংখ্যাত উল্লেখ কৰিছোঁ যে ১৮৫৭ চনৰ জাতীয় বিপ্লৱৰ সময়ত আনন্দৰাম ঢেকিয়াল ফুকনে ব্ৰিটিছ চৰকাৰৰ



OKDISCD

প্ৰতি নিজৰ অবিচল আৰু বিশ্বস্ত আনুগত্য ঐকান্তিকভাৱে দোহাৰিছিল। ১৮৫৩ চনতে মফাট মিলচৰ আগত দাখিল কৰা প্ৰতিবেদনত তেওঁ কৈছিল যে দীৰ্ঘকালীন নৈৰাজ্য, অশান্তি আৰু নিৰাপত্তাহীনতাৰ পৰা ব্ৰিটিছেই অসমীয়া প্ৰজাক উদ্ধাৰ কৰিলে। সঘন গৃহযুদ্ধৰ উপৰিও ভূতৰ ওপৰতে দানহ পৰ্বাদি মানৰ আক্ৰমণ আহি অসমৰ জনসংখ্যাৰ প্ৰায় আধা নিশ্চিহ্ন কৰিছিল। ( **Assam District Gazetteers—Nowgong,** Calcutta, 1905, p.54 ) অসমৰ উঠি অহা মধ্যবিত্ত শ্ৰেণীয়ে ব্ৰিটিছ শাসন এইদৰেই মূৰ পাতি ললে। তেওঁলোকৰ পছিমীয়া উপদেষ্টা বিলাকেও এই মনোভাবক বাৰুকৈ উদগনি দিলে। নতুন ভাবধাৰাৰ বাহন "অৰুণোদই" কাকতেও বিদ্ৰোহী প্ৰজাক ইতিকিং কৰি "প্ৰবল প্ৰতাপী" ব্ৰিটিছৰ ওচৰত পুনৰ শৰণ লবলৈ উপদেশ দিলে। ( **অৰুণোদই,** নবেম্বৰ, ১৮৬১ )

আনহাতে মূলধন সঞ্চয় আৰু বিনিয়োগৰ ক্ষেত্ৰ অসমত অতিশয় মন্থৰ গতিতহে মুকলি হৈছিল। যোৰা সংখ্যাত, উনবিংশ শতিকাৰ আগচোৱাত কেইটামান পৰিয়ালৰ হাতত জমা হোৱা নগদ ধন সোণ উল্লেখ কৰা হৈছে। কিন্তু নগদ ধন মাত্ৰেই মূলধন নহয়। শিল্প বাণিজ্যত খটোৱাৰ পিছত সেই ধনে ওপৰঞ্চি মূলধন সৃষ্টি কৰিলেহে তাক প্ৰকৃতাৰ্থত মূলধন বোলা যায়। কিন্তু তাৰ বাবে মজুৰি কৰা শ্ৰমিক ( (wage-labour ), বিচিত্ৰ উৎপাদন আৰু বহল বজাৰৰ প্ৰয়োজন। আচৰিত নহয় যে গুণাভিৰাম বৰুৱাৰ পুঁজি অৱশেষত কলিকতাতহে বিনিয়োগ হৈছিল। বাস্তৱিকতে বহুদিনলৈকে অসমীয়া সঞ্চয় শকত হলে অৱশ্যম্ভাবী ভাবে সি কলিকতালৈহে বৈ গৈছিল। নহলে সি অলাগতিয়াল কৃপণৰ ধন হৈ আছিল।

দৰাচলতে অসমৰ তৎকালীন আৰ্থিক আৰু সামাজিক পৰিস্থিতি পুঁজিগঠন তথা মধ্যবিত্ত শ্ৰেণীৰ দ্ৰুত বিকাশৰ অনুকুল নাছিল। আৰম্ভণিৰে পৰা অসমীয়া মধ্যবিত্তৰ বিকাশ আছিল মন্থৰ আৰু দুৰ্বল। আনুষঙ্গিক ভাবে সৃষ্ট হৈছিল এনে কিছুমান অন্তৰায় যাৰ পৰা এই মন্থৰতা কমক ছাৰি অনিবাৰ্য্য হৈ পৰিছিল। ১৮৭৪ চনলৈকে বংগৰ এক নগণ্য অঞ্চল হিচাবেই অসম পৰিগণিত হৈছিল—অসম বেলেগ প্ৰশাসনীয় গোট হব পৰা নাছিল। একেসময়তে অসমীয়া মধ্যবিত্তৰ দুৰ্বলতাৰ বাবেই ব্ৰিটিছে তেওঁলোকৰ ওপৰত বঙালী





ভাষা জাপি দিব পাৰিছিল। জাতীয়ভাব শিক্ষিত শ্ৰেণীৰ মাজত ক্ৰমে গা কৰি উঠিলেও সৰ্বসাধাৰণৰ মাজত সোমোৱা নাছিল। ১৯০৫ চনত বংগক দুডোখৰ কৰি পূৰ্ববংগক যেতিয়া অসমৰ লগত লগ লগোৱা হ'ল, তেতিয়া তাৰ বিৰুদ্ধে বংগত যি ধৰণে গণআন্দোলন হৈছিল, সেই ধৰণে অসমৰ আনকি শিক্ষিত সমাজতো তীব্ৰ আন্দোলন হোৱা নাছিল। ইয়াৰ কাৰণ নতুন অসমীয়া মধ্যবিত্তৰ আৰ্থিক আৰু সাংস্কৃতিক দুৰ্বলতা।

যোৱা সংখ্যাত উল্লেখ কৰাদৰে ব্ৰিটিছ অসমত সোমায়েই শিল্পবাণিজ্যৰ যোগেদি প্ৰবল শোষণ আৰম্ভ কৰাৰ সুযোগ পোৱা নাছিল। অসম তেতিয়া আছিল এক বিধ্বস্ত আৰু জনবিৰল ৰাজ্য। সামন্তবাদী উৎপাদন আৰু বিতৰণ ব্যৱস্থা থানবান হৈ গৈছিল। বিৰাট বিৰাট এলেকাৰ সমৃদ্ধ অঞ্চল এৰাবাৰী হৈ পৰি আছিল। চোৰডকাইত আৰু দাঁতিয়লীয়া জাতিবিলাকৰ উপদ্ৰৱ আৰু আক্ৰমণৰ মাত্ৰা বাঢ়িছিল। ৰাজ্যলৈ শান্তিশৃংখলা আৰু সামান্য সমৃদ্ধি ঘূৰাই আনিবলৈকো ব্ৰিটিছে ধীৰে ধীৰেহে আগবাঢ়িব পাৰিছিল।

শোষণৰ প্ৰথম পৰ্যায়ত ব্ৰিটিছে নগদ ধনৰ খাজনা প্ৰৱৰ্ত্তন কৰে। সামন্তবাদী ভূমদাসৰ দশাৰ পৰা মুক্ত কৰি অসমৰ প্ৰজাক ৰায়টৱাৰী ব্যৱস্থালৈ অনা হয়। সময়মতে খাজনা সোধাই থাকিলে এটা নিৰ্দিষ্ট সময়ৰ বাবে প্ৰজাক গাইগুটিয়াকৈ ভূমিস্বত্ব দি দিয়া হৈছিল—প্ৰথমে কুৰিবছৰ, পিছলৈ দহবছৰৰ মূৰে মূৰে এই স্বত্ব বা পট্টা renew কৰা হৈছিল। ( নামত মালিক চৰকাৰ। ) খাজনাসংগ্ৰহ কৰিবৰ বাবে স্থানীয় সম্ভ্ৰান্ত বা মানী মানুহক মৌজাদাৰৰ ভাৰ দিয়া হৈছিল। এই শোষণ বহুদিনলৈ চলি আছিল। ১৮৬৮ চনত যোৰাং মৌজাৰ বাৰ্ষিক খাজনা আছিল ৩০০০, ১৮৭৭ চনত সি হয়গৈ ৬০০০ ; আৰু সেই সময়ত জয়পুৰৰ জমা আছিল ১২০০০ টকা। ( বেণুধৰ ৰাজখোৱা **মোৰ জীৱনদাপোন** গুৱাহাটী ১৯৬৯, পৃঃ ১ ) ১৮৮৬ চনত Rev. P. H. Moore এ American Baptist Mission Union ৰ Jubilee conference ত এটা নিবন্ধ পাঠ কৰে। তেওঁ উল্লেখ কৰে যে অসমৰ প্ৰশাসনৰ সকলো খৰচ খাজনা আদি ৰাজকৰৰ পৰা আহে। উদ্বৃত্ত ধন জমা হয়গৈ ভাৰত সাম্ৰাজ্যৰ ৰাজকোষত। ই শোষণ নহয়নে ? ( General View of Assam" of cit. ) p. 8, )



OKDISCD

মাটি বিতৰণৰ ক্ষেত্ৰতো ব্ৰিটিছ চৰকাৰে প্ৰজাৰ লগত সহজ আৰু উদাৰ বন্দোৱস্ত কৰিবলৈ বাধ্য হৈছিল। চাহ শিল্প আৰু ব্যৱসায় সমৃদ্ধ হৈ উঠাৰ আগলৈকে বহিৰাগত মানুহৰ অসমৰ প্ৰতি বিশেষ আকৰ্ষণ নাছিল। সেয়ে বিস্তৃত এলেকাৰ পতিত মাটিত জনবসতি পুনৰ আৰম্ভ কৰিবলৈ ব্ৰিটিছে যৎপৰোনাস্তি চেষ্টা কৰিছিল। ১৯০০ চন মানলৈকে নতুনকৈ ভঙা মাটিত তিনিবছৰলৈকে খাজনা দিব নালাগিছিল। ( Assam Land Revenue Manual, 1891 ) সম্ভৱতঃ কৃষক শ্ৰেণীক উদ্যোগী মাটিগিৰিত ( peasant proprietor ) পৰিণত কৰি ব্ৰিটিছ শিল্পজাত সামগ্ৰীৰ বজাৰ বঢ়োৱা আৰু খাজনা শোষণৰ মাত্ৰা বৃদ্ধি কৰাৰ উদ্দেশ্যৰে ব্ৰিটিছে এনে ভূমিনীতি লৈছিল। ১৮৮১ ৰ পৰা ১৯১১ চনলৈ বিভিন্ন Census Report ত ব্ৰিটিছ পৰ্যবেক্ষক বিলাকে বৰ আশাৰে মন্তব্য কৰিছে যে সাধাৰণ অসমীয়া প্ৰজাই উৎসাহেৰে খেতিবাতি কৰাৰ লক্ষণ দেখা গৈছে।

কিন্তু এই বিধ ভূমিস্বত্বই প্ৰজাৰ আত্মাভিমান আৰু স্বাধীনতা কিছু বঢ়ালেও প্ৰজাক উদ্যমশীল কৃষকত পৰিণত কৰিব নোৱাৰিলে। Vera Anstey য়ে তেওঁৰ The Economic Development of India (London 1946) গ্ৰন্থত য়ুৰোপৰ বিভিন্ন দেশত উনবিংশ শতিকাৰ বিভিন্ন সময়ত হোৱা 'কৃষিবিপ্লৱ' সম্পৰ্কে এনেদৰে লেখিছে ; 'এই পৰ্য্যায়ত দেখাদিয়া প্ৰধান পৰিৱৰ্ত্তন সমূহ হ'ল ভূমিদাস বিলাকৰ মুক্তি, তথা ভূমিস্বত্বৰ ক্ষেত্ৰত এক বৈপ্লৱিক পৰিৱৰ্ত্তন ... আৰু উন্নত কৃষিপদ্ধতিৰ প্ৰচলন, যেনে ... উন্নত বীজ, একেডোখৰ মাটিত সময় বুজি বেলেগ বেলেগ খেতি কৰা ( rotation of crops ) ... জলসিঞ্চন তথা জলনিষ্কাশনৰ প্ৰয়োজন উপলব্ধি কৰা, সাৰগোবৰৰ বহুল ব্যৱহাৰ, গোপ্ৰজনন আৰু গো-পালনত বিশেষ যত্ন, উন্নত কৃষি সৰঞ্জাম আৰু আৰু কৃষিযন্ত্ৰৰ ব্যৱহাৰ। ফলত ব্যৱসায়িক ভিত্তিত কৃষিকাৰ্য্যৰ বহুল প্ৰচলন হয়। পিছৰ পৰ্য্যায়ত ১৮৭০ চনৰ পিছত য়ুৰোপত বৈজ্ঞানিক কৃষিৰ প্ৰচলন হয়। মহাদেশৰ বিভিন্ন ৰাষ্ট্ৰই কৃষিৰ ওপৰত বিশেষ গুৰুত্ব দি বৈজ্ঞানিক গৱেষণা আৰু পৰীক্ষাৰ বহুল প্ৰচলনৰ গুৰি ধৰে। কৃষকৰ স্বাৰ্থ ৰক্ষাৰ্থেও বিশেষ ব্যৱস্থা লোৱা হয়" (পৃঃ ১৫৮-১৫৯)। কোৱা বাহুল্য অৱস্থাপন্ন, সম্ভ্ৰান্ত মানুহে কৃষিত মূলধন খটোৱাৰ ফলতেই, আৰু ৰাষ্ট্ৰক্ষমতা আংশিকভাবে দখল কৰা বাবেই সি সম্ভৱ হৈছিল।





অসমৰ পৰিস্থিতি আছিল বহু বেলেগ। নতুনকৈ মাটি ভাঙি লোৱাত কৈ খাজনাৰ আহুকাল এৰাবলৈ মাটিৰ স্বত্ব এৰি দিয়াৰ দৃষ্টান্তহে বোধহয় সৰহ হব। ফলত দেখা যায় ১৯১১ চনৰ Census Report মতে গোৱালপাৰা জিলাৰ সৰ্বমুঠ মাটি কালিৰ মাত্ৰ শতকৰা ১৯ ভাগত খেতি কৰা হয়, কামৰূপৰ শতকৰা ২২ ভাগ মাটিত, শিৱসাগৰৰ শতকৰা ১৭ ভাগ মাটিত আৰু দৰং জিলাৰ শতকৰা ১৩ ভাগ মাটিতহে খেতি কৰা হয়। (পৃঃ ৩) অসম উপত্যকাৰ কমিশ্যনাৰ আৰু সকলো স্থানীয় ৰাজহ বিভাগৰ বিষয়াৰ মতে অসমীয়া খেতিয়কে কৃৰিশতিকাৰ প্ৰথম দশকত নিতান্ত প্ৰয়োজনতকৈ বেছি মাটি চহাবলৈ মুঠেই ইচ্ছা প্ৰকাশ কৰা নাছিল। ( Assam District Gazetteers Nowgong, Calcutta, 1905, p. 164 )। খেতি কৰা মাটিৰ নাম মাত্ৰ এটা অংশতহে দুটা খেতি হৈছিল। কামৰূপতে ( খেতিৰ মাটিৰ শতকৰা ৬ ভাগ মাত্ৰ ) তাৰ মাত্ৰা আছিল সৰ্বাধিক। নগদ ধন পোৱা, বজাৰৰ বাবে কৰা শস্য আছিল মৰাপাট ( খেতিৰ মাটিৰ শতকৰা ২ ভাগ ) আৰু সৰিয়হ ( খেতিৰ মাটিৰ শতকৰা ৮ ভাগ )। নতুন শস্য, উন্নত বীজ, নতুন কৃষিপদ্ধতি গ্ৰহণ কৰিবলৈকো প্ৰজাক উৎসুক যেন দেখা নগ'ল। ১৮৮১ ৰ পৰা ১৯১১ চনলৈ সকলো Census Report, Gazetteer ত দখুৱা মতে শালিধানৰ উৎপাদন বিঘাত গড়ে ৪.৫ মোনতকৈ বেছি হোৱা নাছিল ! গোপ্ৰজননত কোনো ধৰণৰ যত্ন নোলোৱাৰ ফলত লেৰেলা, মেমেৰা গৰুৰ বংশবৃদ্ধি হৈছিল। ( Assam District Gazetteers, Nowgong, p. 128 )। ফলত কৃষি আগৰ দৰেই "আকালো নাই, ভড়ালো নাই" বিধৰ, গৃহস্থীয়া (domestic) আৰু অনুন্নত হৈ আছিল।

নগৰ চহৰৰ বিকাশ সেৰেঙা হোৱা বাবে, শ্ৰমবিভাজনহীন উৎপাদন ব্যৱস্থাৰ প্ৰাধান্যহেতুকে বহিৰ্বাণিজ্য তথা সংযোগ দুৰ্বল হোৱা বাবে খেতিয়ক উদ্যমশীল হব পৰা নাছিল। ১৯০৯ চনৰ উষা আলোচনীত উন্নত, বিজ্ঞান সন্মত কৃষিৰ অভাৱত যে উৎপাদন তাকৰীয়া আৰু প্ৰজাৰ অৱস্থা দুৰ্বল হৈ আছে উল্লেখ কৰা হৈছে। ( পৃঃ ৬১, ৯১ )। কোৱা হৈছে যে আসাম উপত্যকাৰ প্ৰতিখন জিলালৈ বছৰি ৪/৫০০ মোণ ধান আমদানি হয়। ( পৃঃ৮৯) ৰমেশ দত্তই তাহানিয়েই কৈ যোৱা দৰে হয়তো ব্ৰিটিছৰ ঘনাই খাজনা বঢ়োৱা কৌশলেও প্ৰজাৰ উদ্যমত বাধা দিছিল।



OKDISCD

উল্লেখযোগ্য যে ১৯০২ চনত শিৱসাগৰ জিলাৰ মুঠ মাটিকালিৰ শতকৰা ৫৯ ভাগেই আছিল পতিত। অকল নগাওঁ জিলাতে কৃষিযোগ্য মাটি উৰ্দ্ধে ৫০ হৈ চন পৰি আছিল বুলি Gazetteer ত লেখিছে। ( পৃঃ ৬৩ ) কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধতহে বহিৰাগত আৰু কৰ্ম্মদক্ষ কৃষকে এইবোৰ ঠাইত বনজংঘল কাটি জান খানি তাত ফচল ফলায়।

এনে অৱস্থাত অসমীয়া খেতিয়কৰ অৱস্থা কিঞ্চিৎ স্বচ্ছল হ'লেও কৃষিৰ যোগেদি পুঁজিসঞ্চয়ৰ অনুকূল নাছিল। পণ্যউৎপাদন আৰু ব্যাপক বাণিজ্য অবিহনে সি সম্ভৱো নহয়। অৱশ্যে হাট বজাৰ আৰু নাগৰিক জনসংখ্যা ধীৰগতিত বৃদ্ধিপ্ৰাপ্ত হোৱাত, ঠায়ে ঠায়ে কেঞামহাজনৰ গোলা খোলাত, সংযোগৰ উন্নতি হৈ অহাত এওঁলোকৰ উৎপন্নৰ একাংশও বজাৰ পাইছিলগৈ। তাৰে তেওঁলোকৰ যৎসামান্য নগদ টকাৰ প্ৰয়োজন পূৰণ হৈছিল। বাহিৰৰ পৰা আমদানি হৈ অহা সা-সজুলিৰ প্ৰতিও গঞা ৰাইজৰ আকৰ্ষণ বাঢ়িব ধৰিছিল। (**Assam District Gazetteers : Nowgong**, 1905, p 162 )। ১৯০২—৩ চনত সৰিয়হ বিক্ৰী কৰি নগঞা খেতিয়কে কমেও ৭,৭৬,০০০ টকা উপাৰ্জন কৰিছিল। আনহাতে খাজনাকে ধৰি তেওঁলোকৰ নগদ টকাৰ ভৰণি হৈছিল ৭৫৭,০০০ টকা। ( Op cit. p 162 )। এই কিতাপতে ব্ৰিটিছ পৰ্য্যবেক্ষকে কৈছে যে অসমত ধনী মানুহ নাই বুলিলেই হয়। আনহাতে দাৰিদ্ৰ্যও সাংঘাতিক বিধৰ নহয়। ( Op-cit. p. 161 ) শিৱসাগৰ জিলাত চাহবাগানৰ মজদুৰে পোৱা ৪৮ লাখ টকাৰ মজুৰিৰ সৰহখিনি গাৱঁৰ খেতিয়কৰ হাতত পৰেগৈ। ( **Assam District Gazetteers : Sibsagar**, p. 77 ) অসমৰ আন জিলাৰ তুলনাত তাৰ মানুহ সমৃদ্ধিশালী হলেও তাত এটা উল্লেখযোগ্য ধনিকশ্ৰেণী নাছিল।

কিন্তু গ্ৰামাঞ্চলতে একশ্ৰেণীৰ মাটিগিৰিৰ অৱস্থা খেতিয়ক শ্ৰেণীৰ তুলনাত বহু বেছি উন্নত হৈছিল। গাৱঁৰ মৌজাদাৰ জাতীয় লোক আৰু চহৰৰ অখেতিয়ক মাটিৰ মালিকে ( absentee landlord ) দুৰ্দ্দশাগ্ৰস্ত খেতিয়ক সকলক খাজনা দিয়াৰ আহুকালৰ পৰা অব্যাহতি দি বিনিময়ত খেতিয়কৰ উৎপাদনৰ এটা শকত অংশ লাভ কৰিছিল। এনেকৈ আধি আৰু চুকানিৰ জৰীয়তে কৃষকৰ শ্ৰম আত্মসাৎ কৰা সামন্তবাদী শোষণ পুনৰ প্ৰবৰ্ত্তিত হ'ল। অৱশ্যে প্ৰথম অৱস্থাত খেতিয়ক শ্ৰেণীৰ অল্পসংখ্যক লোকহে আধিশোষণৰ কবলত পৰিছিল।





১৯০০ চনত শিৱসাগৰ জিলাত খেতিৰ মাটিৰ শতকৰা ৭ ভাগ আধি দিয়া হৈছিল। সন্দেহ নাই, মৌজাদাৰ আৰু হাকিম জাতীয় লোকৰ সংগতি আৰু পৰিয়ালৰ ভৱিষ্যৎ উন্নতিৰ ভিত্তি এইদৰেই ৰচিত হৈছিল। চৰকাৰী চাকৰিয়াল বহুতেই এনেদৰে মাটি কিনিছিল। কোৱা বাহুল্য যে পণ্য হিচাবে বজাৰত মাটিৰ তেনে মূল্য নাছিল। ( Vera Anstey, **Op. cit**, p. 99 ; Hunter, Op. cit. 262). মাটি কিনা হৈছিল প্ৰধানকৈ আধিশোষণৰ বাবে। এনে ভূস্বামী সকলে খেতিত মূলধন প্ৰয়োগ কাৰ উন্নত আৰু বিস্তৃত কৃষি প্ৰবৰ্ত্তন কৰাৰ প্ৰয়োজন বা প্ৰেৰণা তেতিয়াৰ সামাজিক পৰিবেশত পোৱা নাছিল—ভূমিৰ পৰা বিচ্ছিন্ন কৃষি শ্ৰমিক, উন্নত কৃষিবিজ্ঞান, নগদ টকাৰ বহুল ব্যৱহাৰ, ব্যাপক বজাৰ আৰু সংযোগ অবিহনে পুৰাদস্তুৰ পুঁজিবাদী কৃষি অসমত নচলিল। আজিও আধিয়েই কৃষকৰ ওপৰত শোষণৰ প্ৰধান পদ্ধতি হৈ আছে। ( D. R. Gadgil ৰ **The Industrial Evolution of India**, Oxford University Press, 1948 বিশেষ দ্ৰষ্টব্য—পৃঃ ১৪৯—১৫০ ).

মৌজাদাৰ সকলৰ হাতত কেনে পৰিমাণৰ ধন জমা হৈছিল ? William Hunter মতে ১৮৭০ চন মানত এজন মজলীয়া পৰিয়ালৰ মজলীয়া দোকানদাৰৰ মাহেকীয়া খৰচ আছিল ৪৫ টকা। ( খাদ্যৰ বাবে মাহে খৰচ হৈছিল ২৫ টকা। ) চাকৰৰ দৰমহা আছিল মাহে ৫ টকা। আনহাতে যি সকলৰ মৌজাৰ বাৰ্ষিক খাজনা আছিল ৬০০০ টকা, তাৰ পৰা মৌজাদাৰৰ আয় হৈছিল বছৰি ৫০০—৬০০ টকা—ধানখিনিও ঘৰৰ মাটিতে হৈছিল। এনেকৈ অলপীয়া পৰিমাণৰ পুঁজি গঠনৰ সুবিধা এই শ্ৰেণীৰ মানুহে পাইছিল। ডাঙৰ মৌজাৰ আয়ো সেই অনুপাতে বেছি হৈছিল। ১৮৮১—৮২ চনত চৰকাৰী বিষয়া হৰকান্ত সদৰামীনৰ ঘৰৰ মাটি বাৰীৰ এনেদৰে ভাগ হয় ঃ

কমলাকান্তৰ ভাগ = ১৭০ পুৰা ( তাৰে ২০ পুৰা নিষ্কৰ। )
ৰত্নকান্তৰ ভাগ = ৪০ পুৰা ( নিষ্কৰ )
ধৰ্ম্মকান্তৰ ভাগ = ৫৬ পুৰা ( তাৰে ২৬ পুৰা নিষ্কৰ। )
দেবকান্তৰ ভাগ = ৬৬ পুৰা ( তাৰে ২০ পুৰা নিষ্কৰ। )

( **হৰকান্ত বৰুৱা সদৰামীনৰ আত্মজীৱনী**
উঃ গুৱাহাটী, ১৯৬০ চন, পৃঃ ২৩০)

তাৰ পৰাই আধিশোষণৰ পৰা হোৱা লাভৰ এটা অনুমান কৰিব পাৰি। অৱশ্যে



OKDISCD